অধ্যায় ১ ঃ মৌলিক অধিকাৰ

অধ্যায় গাঁথনি

1.1 উদ্দেশ্য

1.2 পৰিচয়

1.3 মৌলিক অধিকাৰ

1.3.1 মৌলিক অধিকাৰৰ প্ৰকাৰ

1.3.2 ভাৰতীয় সংবিধানৰ অধীনৰ মৌলিক অধিকাৰ

1.4 বাক্ স্বাধীনতা আৰু মত প্ৰকাশৰ স্বাধীনতাৰ ধাৰণা

1.4.1 সাংবিধানিক নিশ্চয়তা আৰু সীমাবদ্ধতা

1.5 ৰাষ্ট্ৰ পৰিচালনাৰ নিৰ্দেশক নীতিৰ ধাৰণা

1.5.1 মৌলিক অধিকাৰ আৰু ৰাষ্ট্ৰ পৰিচালনাৰ নিৰ্দেশক নীতিৰ মাজৰ পাৰ্থক্য

1.6 অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

1.7 অধিক জানিবলৈ

1.8 অগ্ৰগতিৰ খতিয়ান

1.9 সম্ভাব্য প্ৰশ্ন

১.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি-

- মৌলিক অধিকাৰৰ ধাৰণা সম্পৰ্কে ব্যাখ্যা কৰিব পাৰিব
- মৌলিক অধিকাৰসমূহক শ্ৰেণীবিভাগ কৰিব পাৰিব
- বাক্ স্বাধীনতা আৰু মত প্ৰকাশৰ অধিকাৰ সম্পৰ্কে আলোচনা কৰিব পাৰিব
- বাক্ স্বাধীনতা আৰু মত প্ৰকাশৰ অধিকাৰৰ ওপৰত থকা সাংবিধানিক নিশ্চয়তা আৰু সীমাবদ্ধতাৰ বিষয়ে বিশ্লেষণ কৰিব পাৰিব
- ৰাষ্ট্ৰ পৰিচালনাৰ নিৰ্দেশক নীতি সম্পৰ্কে ব্যাখ্যা কৰিব পাৰিব

১.২ পৰিচয়

আইনমতে, 'অধিকাৰ' হৈছে কোনো কাৰ্য সম্পাদন কৰা বা তাৰ পৰা বিৰত থকাৰ এক ন্যায়সংগত অথবা নৈতিক ব্যৱস্থা। অধিকাৰৰ দ্বাৰা সমাজ জীৱনত কোনো

কৰ্ম, বিষয়বস্তু বা স্বীকৃতিক গ্ৰহণ নাইবা বৰ্জন কৰাৰ সুবিধা লাভ কৰিব পাৰি। অধিকাৰসমূহে মানৱ সমাজৰ প্ৰতিটো কাম-কাজৰ নীতি নিৰ্ধাৰণ কৰে আৰু সেয়েহে কিছুমান বাধ্যবাধকতা আৰু নিষেধাজ্ঞাৰ মাজেৰে অধিকাৰসমূহ ব্যৱহাৰ কৰিব পাৰি। আনহাতে মৌলিক অধিকাৰসমূহ মানৱ সমাজত আজন্ম অবিচ্ছিন্ন আৰু হস্তান্তৰযোগ্য নহয়। ছপা আৰু ইলেক্‌ট্ৰনিক দুয়ো ধৰণৰ প্ৰচাৰ মাধ্যমৰ বাবে গুৰুত্বপূৰ্ণ তেনে এক ধৰণৰ অধিকাৰ হৈছে বাক্ স্বাধীনতা আৰু মত প্ৰকাশৰ অধিকাৰ।

এই অধ্যায়টিত আপুনি মৌলিক অধিকাৰ আৰু ইয়াৰ বিভিন্ন প্ৰকাৰৰ বিষয়ে জানিব পাৰিব। লগতে বাক্ স্বাধীনতা আৰু মত প্ৰকাশৰ অধিকাৰৰ সৈতে জড়িত নিশ্চয়তা আৰু সীমাবদ্ধতাৰ বিষয়েও আলোচনা কৰা হ'ব। এই অধ্যায়তে "ৰাষ্ট্ৰ পৰিচালনাৰ নিৰ্দেশক নীতি"ৰ সৈতেও পৰিচয় কৰোৱা হ'ব। আমি আশাবাদী যে এই অধ্যায়টি অধ্যয়ন কৰি আপুনি 'মৌলিক অধিকাৰ', 'বাক্ স্বাধীনতা আৰু মত প্ৰকাশৰ অধিকাৰ' আৰু ৰাষ্ট্ৰ পৰিচালনাৰ নিৰ্দেশক নীতিৰ বিষয়ে স্পষ্ট ধাৰণা ল'ব পাৰিব।

পৰৱৰ্তী অধ্যায়টিত জৰুৰীকালীন অৱস্থা আৰু সংসদীয় তথা বিধানমণ্ডলীয় বিশেষাধিকাৰৰ বিষয়ে আলোচনা কৰা হ'ব। ইয়াৰ লগতে জৰুৰীকালীন অৱস্থাৰ বিভিন্ন প্ৰকাৰ, ব্যৱস্থা আৰু ভাৰতীয় সংবিধানৰ আধাৰত সংসদীয় তথা বিধানমণ্ডলীয় বিশেষাধিকাৰ সম্পৰ্কীয় আলোচনা আগবঢ়োৱা হ'ব।

১.৩ মৌলিক অধিকাৰৰ ধাৰণা (Concept of Fundamental Rights)

কোনো ৰাষ্ট্ৰৰ সংবিধান প্ৰদত্ত অথবা সংবিধানৰ স্বত্বসমূহৰ দ্বাৰা পৰিচালিত অধিকাৰসমূহক মৌলিক অধিকাৰ বোলা হয়। মৌলিক অধিকাৰসমূহ হ'ল প্ৰাকৃতিক মানৱ অধিকাৰ আৰু প্ৰতিজন ব্যক্তিৰ পৰা আজন্ম অবিচ্ছিন্ন ৰূপত থকা অধিকাৰ। 1214 খ্ৰীষ্টাব্দত ইংৰাজসকলে সম্ৰাট 'জন'ৰ পৰা তেঁওলোকৰ প্ৰাচীন স্বাধীনতাক সন্মান কৰাৰ অৰ্থে 'মেগ্‌নাকার্টা' (Magna Carta) নামেৰে এখন লিখিত প্ৰতিশ্ৰুতি লাভ কৰে। নাগৰিকৰ মৌলিক অধিকাৰ সম্পৰ্কীয় এইখনেই প্ৰথম লিখিত দস্তাবেজ। ইয়াৰ পিছত বিভিন্ন সময়ত ৰজাই প্ৰজাৰ অধিকাৰৰ সপক্ষে সন্মতি দিবলগীয়া হৈছিল। 1989 চনত ইংৰাজসকলৰ সকলো গুৰুত্বপূৰ্ণ অধিকাৰ আৰু স্বাধীনতা ঘোষণা কৰিবলৈ 'বিল অফ্ ৰাইটচ' (Bill of Rights) লিখা হয় । 1789 চনত ফ্ৰান্সত ব্যক্তি আৰু নাগৰিক অধিকাৰ সম্পৰ্কীয় ঘোষণা (Declaration of Rights of Men and the Citizen)ত প্ৰাকৃতিক, হস্তান্তৰিত নোহোৱা আৰু ধৰ্মীয় অধিকাৰৰ সূচনা কৰা হয়। ইংৰাজ আৰু ফৰাচীসকলৰ উদাহৰণেৰে অনুপ্ৰাণিত হৈ আমেৰিকানসকলে 1791 চনত Bill of Rightsক সংবিধানত অন্তৰ্ভুক্ত কৰি প্ৰথমবাৰৰ বাবে সাংবিধানিক মৰ্যাদা প্ৰদান কৰে। ভাৰতীয় সংবিধানৰ প্ৰণেতাসকলে এই সকলোখিনি সাৰোগত কৰি মৌলিক

অধিকাৰ সম্পৰ্কীয় এটা সম্পূৰ্ণ অধ্যায় সংবিধানত সন্নিবিষ্ট কৰিছে। ভাৰতীয় সংবিধানত মৌলিক অধিকাৰ সম্পৰ্কীয় এটা অধ্যায়ৰ অন্তৰ্ভুক্তি হৈছে এখন মুক্ত সমাজত নাগৰিকৰ অধিকাৰ সুৰক্ষিত কৰাৰ এক আধুনিক গণতান্ত্রিক পদ্ধতি। ভাৰতীয় জনসাধাৰণে চৰকাৰৰ ওপৰত ন্যস্ত কৰা ক্ষমতাৰ অপব্যৱহাৰ নহ'বৰ বাবে আৰু নাগৰিকৰ স্বাধীনতা সুৰক্ষিত কৰিবলৈ মৌলিক অধিকাৰসমূহৰ যথেষ্ট প্ৰয়োজনীয়তা আছে। মৌলিক অধিকাৰসমূহক চৰকাৰ, বিধানপৰিষদ আৰু কাৰ্যপালিকাৰ, ক্ষমতাৰ ওপৰত সীমাবদ্ধতা বুলিব পাৰি। ভাৰতত বৈদিক যুগৰ পৰাই মূল্যবোধক, মৌলিক অধিকাৰে প্ৰতিনিধিত্ব কৰে। এই অধিকাৰৰ সহায়তে প্ৰতিজন নাগৰিকৰ মৰ্যাদা সুৰক্ষিত হোৱাৰ লগতে তেওঁলোকে ব্যক্তিত্ব বিকাশৰ সুবিধা লাভ কৰে।

এই অধিকাৰসমূহ প্ৰতিজন ব্যক্তিৰ সম্পূৰ্ণ বৌদ্ধিক, নৈতিক আৰু আধ্যাত্মিক বিকাশৰ বাবে অতি গুৰুত্বপূৰ্ণ হোৱা হেতুকে এইসমূহক মৌলিক অধিকাৰ আখ্যা দিয়া হৈছে।

১.৩.১ মৌলিক অধিকাৰৰ প্ৰকাৰ (Types of Fundamental Rights)

যোৱা তিনিটা দশকত আশীখনৰো অধিক দেশৰ সংবিধান আৰু Bill of Rightsত অসংখ্য মানৱ অধিকাৰক সন্নিবিষ্ট কৰা হৈছে। নতুনকৈ সংবিধান প্ৰণয়ন কৰা এই দেশসমূহে 1950 চনৰ পৰা হৈ থকা মানৱ অধিকাৰ আইনৰ বিকাশৰ সুবিধা অৰ্জন কৰিছে। সমগ্ৰ বিশ্বতে মৌলিক অধিকাৰ ৰূপে নিৰ্ধাৰিত কেতবোৰ অধিকাৰ হৈছে ঃ জীৱনৰ অধিকাৰ, বিবাহৰ অধিকাৰ, প্ৰজনন অধিকাৰ, চৰকাৰৰ অনাহক হস্তক্ষেপৰ পৰা মুক্তভাৱে সন্তান পালন কৰাৰ অধিকাৰ, সংস্থা গঠনৰ অধিকাৰ, মত প্ৰকাশৰ অধিকাৰ, আইনৰ দৃষ্টিত সমান ব্যৱহাৰ আৰু সমান ৰক্ষণাবেক্ষণৰ অধিকাৰ, স্বাধীনভাৱে চিন্তা কৰাৰ অধিকাৰ, ধৰ্মীয় বিশ্বাসৰ অধিকাৰ, আনুষ্ঠানিক শিক্ষা গ্ৰহণৰ সময় আৰু স্থান বাচি লোৱাৰ অধিকাৰ, সুখপ্ৰাপ্তিৰ অধিকাৰ, ব্যক্তিগত আৰু গোপনীয়তাৰ অধিকাৰ, মত দানৰ অধিকাৰ ইত্যাদি।

ভাৰতীয় সংবিধানত মানৱ অধিকাৰ নিশ্চিত কৰাটো স্বাধীনতা আন্দোলনৰ সময়ছোৱাত দেশৰ নেতাসকলৰ এক উল্লেখযোগ্য দাবী আছিল। 1948 চনত মানৱ অধিকাৰৰ আন্তঃৰাষ্ট্ৰীয় ঘোষণা (Universal Declaration of Human Rights)ৰ পিছত 1949 চনত ভাৰতীয় সংবিধান সভাই মৌলিক অধিকাৰ সম্পৰ্কীয় অধ্যায়টি প্ৰস্তুত কৰে।

১.৩.২ ভাৰতীয় সংবিধানৰ অধীনৰ মৌলিক অধিকাৰ (Fundamental Rights under Indian Constitution)

সাধাৰণ অর্থত অধিকাৰসমূহে ব্যক্তিগত আৰু সামাজিক মংগলৰ বাবে প্রয়োজনীয় স্বাধীনতাক সূচায়। ভাৰতীয় সংবিধানত অন্তর্ভুক্ত অধিকাৰসমূহ মৌলিক, কিয়নো এইসমূহ দেশৰ মৌলিক আইনৰ (Fundamental law of the land) অন্তর্গত আৰু ন্যায়ালয়ত বাদযোগ্য। অৱশ্যে এই অধিকাৰসমূহ চৰম নহয়। ভাৰতীয় সংবিধানৰ তৃতীয় অধ্যায়ত মৌলিক অধিকাৰসমূহ সন্নিবিষ্ট কৰা হৈছে। এইসমূহৰ ভিতৰত প্রায়ভাগেই উদাৰনৈতিক গণতান্ত্রিক ৰাষ্ট্রত থকা ব্যক্তিগত অধিকাৰ, যেনে আইনৰ দৃষ্টিত সমতা, বাক্ স্বাধীনতা আৰু মত প্রকাশৰ স্বাধীনতা, অস্ত্রবিহীন অৱস্থাত শান্তিপূর্ণ ভাৱে সমবেত হোৱাৰ স্বাধীনতা, ধর্মীয় স্বাধীনতা আৰু নাগৰিক অধিকাৰৰ সুৰক্ষাৰ বাবে সাংবিধানিক প্রতিকাৰৰ অধিকাৰ। এই অধিকাৰসমূহ ভংগ কৰিলে ভাৰতীয় দণ্ডবিধি আইন (Indian Penal Code)ৰ অধীনত ন্যায়পালিকাৰ নির্দেশমর্মে উপযুক্ত শাস্তিৰ ব্যৱস্থা আছে। মৌলিক অধিকাৰসমূহৰ দ্বাৰা প্রতিজন ভাৰতীয় নাগৰিকে সুস্থ আৰু শান্তিপূর্ণভাৱে ব্যক্তিত্ব গঠনৰ অধিকাৰ লাভ কৰে। সেয়েহে এইসমূহক প্রাথমিক মানৰ স্বাধীনতা বোলা হয়। এইসমূহ জাতি, ধর্ম, বর্ণ, জন্মস্থান, সম্প্রদায় অথবা লিংগ নির্বিশেষে প্রতিজন নাগৰিকৰ বাবে সমান। কিছু সীমাবদ্ধতাৰ মাজেৰে, এই অধিকাৰসমূহ, ন্যায়ালয়ত বাদযোগ্য। ভাৰতীয় সংবিধানত সন্নিবিষ্ট অধিকাৰসমূহে বিভিন্ন উৎস, যেনে ইংলেণ্ডৰ অধিকাৰ সম্পর্কীয় ঘোষণা, আমেৰিকা যুক্তৰাষ্ট্রৰ অধিকাৰ সম্পর্কীয় ঘোষণা, ফ্রান্সৰ মানৰ অধিকাৰ সম্পর্কীয় ঘোষণা, আয়াৰলেণ্ডৰ সংবিধানৰ পৰা প্রেৰণা লাভ কৰিছে। ভাৰতীয় সংবিধানৰ মৌলিক অধিকাৰসমূহক সাতোটা ভাগত ভাগ কৰা হৈছেঃ

সমতাৰ অধিকাৰ (Right to equality), **১৪-১৮ অনুচ্ছেদ ঃ**

সমতাৰ অধিকাৰ ভাৰতীয় সংবিধানত অন্তর্ভুক্ত এক অতি গুৰুত্বপূর্ণ অধিকাৰ। আন সকলো অধিকাৰ আৰু স্বাধীনতাৰ ভেটি ৰূপে সমতাৰ অধিকাৰ প্রদান কৰা হৈছে। এই অধিকাৰৰ অধীনত আইনৰ দৃষ্টিত সমতা, সামাজিক সমতা আৰু ৰাজহুৱা স্থান ব্যৱহাৰ কৰাৰ সমতা, চৰকাৰী নিয়োগৰ ক্ষেত্রত সমতা, অস্পৃশ্যতা বর্জন, উপাধি বর্জন ইত্যাদি সন্নিবিষ্ট কৰা হৈছে।

স্বাধীনতাৰ অধিকাৰ (Right to freedom), **১৯-২২ অনুচ্ছেদ ঃ**

ভাৰতীয় সংবিধানৰ প্রণেতাসকলে গুৰুত্বপূর্ণ বুলি আখ্যা দিয়া অধিকাৰসমূহ নিশ্চিত কৰাৰ উদ্দেশ্যৰে স্বাধীনতাৰ অধিকাৰ সন্নিবিষ্ট কৰিছে। 19 নং অনুচ্ছেদত থকা স্বাধীনতাৰ অধিকাৰে নিম্নোলিখিত ছয় প্রকাৰৰ স্বাধীনতা নিশ্চিত কৰিছে ঃ

বাক্ স্বাধীনতা আৰু মত প্ৰকাশৰ স্বাধীনতা, যিয়ে প্ৰতিজন ব্যক্তিক ৰাজহুৱা কাম-কাজত অংশ লোৱাৰ সুবিধা দিয়ে। 'সংবাদ মাধ্যমৰ স্বাধীনতা' সম্পৰ্কে 19 নং অনুচ্ছেদত উল্লেখ নাই যদিও, মত প্ৰকাশৰ স্বাধীনতাই সংবাদ মাধ্যমৰ স্বাধীনতাক সামৰি লৈছে। ৰাজহুৱা স্বাৰ্থত, দেশৰ নিৰাপত্তা, সৌজন্যতা আৰু নৈতিকতাৰ খাতিৰত, এই অধিকাৰৰ ওপৰত যুক্তিসংগত বাধা আৰোপ কৰিব পৰা যায়।

অস্ত্ৰবিহীন অৱস্থাত শান্তিপূৰ্ণভাৱে সমবেত হোৱাৰ অধিকাৰো চৰম নহয়। দেশৰ সাৰ্বভৌমত্ব আৰু সংহতি ৰক্ষাৰ কাৰণে আৰু সমাজত শান্তি-শৃংখলা প্ৰতিষ্ঠা কৰিবলৈ চৰকাৰে এই অধিকাৰৰ ওপৰত যুক্তিসংগত বাধা প্ৰদান কৰিব পাৰে।

সংস্থা গঠন কৰা অধিকাৰৰ ক্ষেত্ৰতো চৰকাৰে ভাৰতবৰ্ষৰ সাৰ্বভৌমত্ব আৰু সংহতি ৰক্ষাৰ কাৰণে আৰু সামাজিক শৃংখলা বজায় ৰাখিবলৈ, যুক্তিসংগত বাধা আৰোপ কৰিব পাৰে।

ভাৰতবৰ্ষৰ চাৰিসীমাৰ ভিতৰত স্বাধীনভাৱে ঘূৰি ফুৰাৰ অধিকাৰৰ ক্ষেত্ৰত বৃহত্তৰ ৰাজহুৱা স্বাৰ্থত চৰকাৰে যুক্তিসংগত বাধা আৰোপ কৰিব পাৰে। যেনে, মহামাৰিৰ নিচিনা ভয়ানক পৰিস্থিতিত মানুহৰ ভ্ৰমণৰ ওপৰত নিষেধাজ্ঞা আৰোপ কৰা হয়।

ভাৰতবৰ্ষৰ যিকোনো অঞ্চলতে বসবাস কৰাৰ অধিকাৰৰ ওপৰত, সমাজত শান্তি-শৃংখলা প্ৰতিষ্ঠা কৰিবলৈ আৰু অনুসূচীত জাতি-জনজাতিৰ স্বাৰ্থৰক্ষা কৰিবলৈ, চৰকাৰী যুক্তিসংগত নিষেধাজ্ঞা আৰোপ কৰিব পৰা যায়।

সেইদৰে জনসাধাৰণৰ উমৈহতীয়া স্বাৰ্থৰক্ষাৰ কাৰণে চাকৰি অথবা ব্যৱসায় কৰা অধিকাৰৰ ওপৰতো চৰকাৰে নিষেধাজ্ঞা জাৰি কৰিব পাৰে। ভাৰতীয় নাগৰিকৰ কোনোধৰণৰ বিপদজনক অথবা অনৈতিক ব্যৱসায় কৰাৰ অধিকাৰ নাথাকে। আনহাতে কোনো চাকৰি অথবা ব্যৱসায়ৰ বাবে প্ৰয়োজনীয় বৃত্তিগত বা কাৰিকৰী শিক্ষা প্ৰদান কৰাৰ ব্যৱস্থা আছে।

শোষণৰ বিৰুদ্ধে অধিকাৰ (Right against exploitation)**২৩-২৪ অনুচ্ছেদ ঃ**

23 আৰু 24 নং অনুচ্ছেদত সন্নিবিষ্ট এই অধিকাৰে, নাগৰিকৰ বাবে দুই ধৰণে সুৰক্ষা প্ৰদান কৰিছে। ইয়াৰ ভিতৰত আছে অবৈধ মানৱ সৰবৰাহ প্ৰতিৰোধ কৰা আৰু বলপূৰ্বক শ্ৰম কৰোৱা ব্যৱস্থা ৰোধ কৰা। ইয়াৰোপৰি এই অধিকাৰে, 14 বছৰ বয়সৰ তলৰ শিশুক কাৰখানা আৰু খনিৰদৰে বিপদজনক ক্ষেত্ৰত কাম কৰোৱা ব্যৱস্থা প্ৰতিৰোধ কৰিছে। শিশুশ্ৰম সংবিধানৰ মূল উদ্দেশ্য আৰু আদৰ্শৰ প্ৰতি আঘাত স্বৰূপ। আনহাতে, আইনৰ দ্বাৰা দাস প্ৰথা আৰু বেশ্যাবৃত্তি ৰোধ কৰিবলৈ, মানৱ সৰবৰাহ নিষিদ্ধ কৰা হৈছে।

ধৰ্মীয় অধিকাৰ (Right to freedom of religion), **২৫-২৮ অনুচ্ছেদ ঃ**

ধৰ্মীয় অধিকাৰে প্ৰতিজন ভাৰতীয় নাগৰিকক নিজৰ ধৰ্ম পালন কৰাৰ সম্পূৰ্ণ স্বাধীনতা প্ৰদান কৰিছে। ভাৰতীয় সংবিধান অনুসৰি, চৰকাৰৰ দৃষ্টিত সকলো ধৰ্ম সমান

আৰু কোনো ধৰ্মই আন ধৰ্মতকৈ অধিক সুবিধা লাভ কৰিব নোৱাৰে। নাগৰিকসকল, যিকোনো ধৰ্ম প্ৰচাৰ, পালন আৰু প্ৰসাৰ কৰিবৰ বাবে স্বাধীন।

সাংস্কৃতিক আৰু শিক্ষাৰ অধিকাৰ (Cultural and Educational Rights) **২৯-৩০ অনুচ্ছেদ ঃ**

ভাৰতবৰ্ষ এখন বহুতো ভাষা, ধৰ্ম আৰু সংস্কৃতিৰে গঢ়া দেশ। সেয়েহে ভাৰতীয় সংবিধানে 29–30 নং অনুচ্ছেদৰ জৰিয়তে সংখ্যালঘুসকলৰ সুৰক্ষাৰ ব্যৱস্থা কৰিছে। নিজস্ব ভাষা আৰু লিপি থকা যিকোনো জাতিৰে সেইবোৰ সংৰক্ষণ আৰু বিকাশ কৰাৰ অধিকাৰ আছে। চৰকাৰী ধন নাইবা অনুদানেৰে প্ৰতিষ্ঠা কৰা সকলোবোৰ শিক্ষানুষ্ঠানতে সকলো বৰ্গৰ ছাত্ৰই ভৰ্তি হোৱাৰ সুযোগ লাভ কৰিব। ধৰ্মীয় আৰু ভাষিক সংখ্যালঘু শ্ৰেণীৰ লোকে নিজৰ ৰুচি অনুযায়ী শিক্ষানুষ্ঠান প্ৰতিষ্ঠা কৰিব পাৰে। শিক্ষানুষ্ঠানসমূহক অনুদান দিয়াৰ ক্ষেত্ৰত ভাষা নাইবা ধৰ্মৰ ভিত্তিত চৰকাৰে বৈষম্যৰ সৃষ্টি কৰিব নোৱাৰিব। অৱশ্যে এইক্ষেত্ৰত যিকোনো অনুষ্ঠানৰ ত্ৰুটিপূৰ্ণ প্ৰশাসনৰ ক্ষেত্ৰত চৰকাৰে বিহিত ব্যৱস্থা ল'ব পাৰে।

সাংবিধানিক প্ৰতিকাৰৰ অধিকাৰ (Right to Constitutional Remedies) **অনুচ্ছেদঃ**

সাংবিধানিক প্ৰতিকাৰৰ অধিকাৰে নাগৰিকসকলক নিজৰ মৌলিক অধিকাৰ খৰ্ব হোৱাৰ ক্ষেত্ৰত আইনৰ সহায় লোৱাৰ সুবিধা প্ৰদান কৰিছে। উদাহৰণস্বৰূপে, কোনো এজন ব্যক্তিৰ কাৰাদণ্ডৰ ক্ষেত্ৰত, সেই শাস্তি আইনসংগত হৈছে নে নাই, তেওঁৰ সেই কথা জনাৰ অধিকাৰ আছে। যদি ন্যায়ালয়ৰ মতে সেয়া আইনসংগত বুলি প্ৰমাণিত নহয়, তেন্তে ব্যক্তিজনক মুক্ত কৰি দিব লাগে। মৌলিক অধিকাৰৰ ৰক্ষণাবেক্ষণৰ বাবে বহুপ্ৰকাৰে ন্যায়ালয়ৰ সহায় ল'ব পাৰি। এই ক্ষেত্ৰত ন্যায়ালয়ে জাৰি কৰিব পৰা বিভিন্ন প্ৰকাৰৰ আদেশসমূহ এনেধৰণৰ- উপস্থাপন সমাদেশ (haebeas corpus), পৰমাধিদেশ (mandamus), নিষেধাজ্ঞা (Prohibition), কৈফিয়ৎ তলবী (quo warranto) আৰু উৎপ্ৰেষণ (certiorari)। ৰাষ্ট্ৰীয় আৰু ৰাজ্যিক জৰুৰী অৱস্থা ঘোষণাৰ সময়ত কেন্দ্ৰীয় চৰকাৰে এই অধিকাৰ বাতিল কৰিব পাৰে।

জীৱন আৰু ব্যক্তিগত স্বাধীনতাৰ অধিকাৰ (Right to life and personal liberty), **২০০২ চনৰ ৮৬ তম সংশোধন অনুযায়ী ঃ**

ভাৰতীয় সংবিধানৰ 20 আৰু 21 নং অনুচ্ছেদত, কিছুমান বিশেষ ব্যৱস্থাৰ জৰিয়তে, ভাৰতীয় নাগৰিকসকলক জীৱন আৰু ব্যক্তিগত স্বাধীনতাৰ অধিকাৰ প্ৰদান কৰিছে ঃ

জীৱন আৰু ব্যক্তিগত স্বাধীনতাৰ অধিকাৰৰ দ্বাৰা, আইনমতে দোষী সাব্যস্ত হোৱাজনক সুৰক্ষা প্ৰদান কৰা হয়। 20 নং অনুচ্ছেদ অনুসৰি আইনৰ দ্বাৰা নিৰ্ধাৰণ কৰা শাস্তিতকৈ উচ্চ পৰ্যায়ৰ শাস্তি কোনো লোককে দিয়াটো নিষেধ। ইয়াৰোপৰি কোনো ব্যক্তিকে নিজৰ ইচ্ছাৰ বিৰুদ্ধে সাক্ষ্যদান দিবলৈ বাধ্য কৰাব নোৱাৰি। এই অধিকাৰৰ

আন এটা চর্ত অনুযায়ী কোনো লোককে একেটা অপৰাধৰ বাবে এবাৰতকৈ অধিক দোষী সাব্যস্ত কৰিব নোৱাৰি।

21 নং অনুচ্ছেদৰ আধাৰত, কোনো নাগৰিককে আইনৰ আজ্ঞাৰ বাহিৰে অন্য কোনো প্রকাৰে জীৱন আৰু ব্যক্তিগত স্বাধীনতাৰ পৰা বঞ্চিত কৰিব নোৱাৰি। কেৱল ন্যায়িক ব্যৱস্থাৰ জৰিয়তে দোষী সাব্যস্ত হোৱাজনৰ স্বাধীনতাৰ ওপৰতহে প্রশ্ন উত্থাপন কৰিব পাৰি। আনহাতে, জীৱনৰ অধিকাৰৰ সৈতে মৃত্যুৰ অধিকাৰক সামৰি লোৱা নহয় আৰু সেয়েহে আত্মহত্যা কৰা অথবা কৰিবলৈ লোৱাটো আইনৰ দৃষ্টিত অপৰাধ।



জনা উচিত

অধিকাৰ ঃ নৈতিকভাৱে মংগলজনক অথবা গ্রহণযোগ্য; আইন অনুসৰি আৰু এজন ব্যক্তিৰ দায়িত্ব অনুসৰি যি শুদ্ধ।— Oxford Advance Learner's Dictionary

[Right : Morally good or acceptable; what is correct according to law or a person's duty]

স্বাধীনতা ঃ কাৰো বাধা নোহোৱাকৈ, মনে বিচৰা কাম কৰাৰ বা কথা কোৱাৰ অধিকাৰ। -Oxford Advance Learner's Dictionary

[Freedom : The right to do or say what you want without anyone stopping you]

মানৰ জীৱনৰ আটাইতকৈ মহান আৰু সুন্দৰ আদর্শ হৈছে আনৰ অধিকাৰক সুৰক্ষা দিয়া। - খলিল জিব্রান

[Safeguarding the rights of others is the most noble and beautiful end of a human being. - Kahlil Gibran]

যি স্বাধীনতাই ভুলবোৰ গুচাব নোৱাৰে, সেই স্বাধীনতাৰ মূল্য নাই- মহাত্মা গান্ধী

[Freedom is not worth having if it does not connote the freedom to err. - Mahatma Gandhi]

ভৱিষ্যতৰ দিনবোৰক আমি সুৰক্ষিত কৰিবলৈ এনে এখন পৃথিৱীৰ প্রয়োজন, যিখনৰ ভেটিত থাকিব চাৰি ধৰণৰ মানৱ স্বাধীনতা তাৰে প্রথমবিধ হৈছে বাক্ স্বাধীনতা আৰু মত প্রকাশৰ স্বাধীনতা। - ফ্রেংক্লিন ডি ৰুছভেল্ট

[In the future days, which we seek to make secure, we look forward to a world founded upon four essential human freedoms. The first is freedom of speech and expression.- Franklin D. Roosevelt]

মত প্ৰকাশৰ স্বাধীনতা, বিশেষকৈ সংবাদ মাধ্যমৰ স্বাধীনতাই, চৰকাৰৰ সিদ্ধান্ত গ্ৰহণ প্ৰক্ৰিয়া, কাৰ্যাৱলীত জনসাধাৰণৰ যোগদান নিশ্চিত কৰে, ইয়ে হৈছে গণতন্ত্ৰৰ ভেটি। - ক'ৰাজন একুইন'

[Freedom of expression- in particular, freedom of the press- guarantees popular participation in the decisions and actions of Government, and popular participation is the essence of our democracy.- Corazon Aquino]

নিম্নোক্ত দফাসমূহ এৰিঅ'পাজিটিকা (Areopagitica)ত জন মিল্টনৰ দ্বাৰা উদ্ধৃত ঃ ইংলেণ্ডৰ সংসদত 1644 চনত অনুমতিবিহীন ছপাকাৰ্যৰ স্বাধীনতাৰ বাবে জন মিল্টনৰ দ্বাৰা প্ৰদান কৰা এটি ভাষণ—

- ধৰুৱা আৰু অপৰাধীসকলকো কোনো ৰখীয়া অবিহনে যদিওবা ভ্ৰমণ কৰিবলৈ অনুমতি দিব পাৰি, কিন্তু ভাল কিতাপবোৰক কোনো কাৰণতে শিৰোনামৰ ওপৰত ৰখীয়া অবিহনে প্ৰচাৰ কৰিব নোৱাৰি।
- যিজনে মানৰ হত্যা কৰে তেওঁ এক যুক্তিপূৰ্ণ সৃষ্টিক ধ্বংস কৰে, ভগৱানৰ প্ৰতিমূৰ্তিক হত্যা কৰে; কিন্তু যিজনে এখন ভাল কিতাপ ধ্বংস কৰে, তেওঁ স্বয়ং যুক্তিৰ হত্যা কৰে, নিজৰ দৃষ্টিত থকা ঈশ্বৰৰ প্ৰতিচ্ছৱিক হত্যা কৰে।
- যেতিয়া পৃথিৱীৰ নীতিসমূহক মুক্তভাৱে বিচৰণ কৰিবলৈ দিয়া হ'ল, তেতিয়া আমি অনুজ্ঞা-প্ৰক্ৰিয়া (Licensing) আৰু বাধা আৰোপ কৰি সত্য নীতিৰ শক্তিক বৰ কঠোৰভাৱে ভুল ধাৰণা কৰিলো। যদি কোনোবাই মুক্ত যুদ্ধত সত্যৰ শক্তি নিম্ন বুলি ধাৰণা কৰিছে, তেন্তে সত্য আৰু মিথ্যাক একেডাল হাঁকোটাৰে ধৰি যুঁজিবলৈ দিয়ক।



অগ্ৰগতি নিৰীক্ষণ - ক

1¼ 'অধিকাৰ' বুলিলে কি বুজে ?

2¼ 'মৌলিক অধিকাৰসমূহ'ক সেইদৰে নামকৰণ কৰাৰ কাৰণ কি ?

3¼ তলত উল্লেখ কৰা কোনটো মৌলিক অধিকাৰ নহয় ?

(ক) সমতাৰ অধিকাৰ (খ) স্বাধীনতাৰ অধিকাৰ

(গ) শোষণৰ বিৰুদ্ধে অধিকাৰ (ঘ) ধৰ্মীয় অধিকাৰ

(ঙ) সম্পত্তিৰ অধিকাৰ (চ) সাংস্কৃতিক আৰু শিক্ষাৰ অধিকাৰ

(ছ) সাংবিধানিক অধিকাৰ (জ) জীৱন আৰু ব্যক্তিগত স্বাধীনতাৰ অধিকাৰ

১.৪ বাক্ স্বাধীনতা আৰু মত প্ৰকাশৰ স্বাধীনতাৰ ধাৰণা (Concept of Freedom of Speech and Expression)

বাক্ স্বাধীনতা আৰু মত প্ৰকাশৰ স্বাধীনতাৰ অৰ্থ হৈছে, কোনো এজন ব্যক্তিৰ নিজৰ চিন্তা আৰু মতামত, মৌখিকভাৱে, লিখিত ৰূপত, ছপা কৰি, আঁকি অথবা অন্য মাধ্যমৰ যোগে প্ৰকাশ কৰাৰ অধিকাৰ। এই অধিকাৰৰ আধাৰত প্ৰতিজন ভাৰতীয় নাগৰিকে যিকোনো যোগাযোগৰ মাধ্যম অথবা ইংগিত, ভংগীমা আদিৰে নিজৰ চিন্তা প্ৰকাশ কৰিব পাৰে। ইয়াৰ অৰ্থ হ'ল, বিবাচন প্ৰক্ৰিয়া (censorship) অবিহনে কথা কোৱাৰ স্বাধীনতা। আনহাতে, মত প্ৰকাশৰ স্বাধীনতাই সংবাদ মাধ্যমৰ স্বাধীনতাকো সামৰি লৈছে।

(Universal Declaration of Human Rights)ৰ 19 নং অনুচ্ছেদ আৰু (European Convention on Human Rights)ৰ 10 নং অনুচ্ছেদ আদি বিভিন্ন দেশত বাক্ স্বাধীনতাৰ স্তৰ ভিন্ন হয় আৰু কোনো দেশতে ই চৰম অধিকাৰ নহয়। উদ্যোগী ৰাষ্ট্ৰসমূহেও এই স্বাধীনতাৰ অপব্যৱহাৰ ৰোধ কৰিছে। উদাহৰণস্বৰূপে, আমেৰিকা যুক্তৰাষ্ট্ৰত, সংবিধানৰ প্ৰথমটো সংশোধনে চৰম স্বাধীনতা নিশ্চিত কৰিছে যদিও, এই স্বাধীনতাক প্ৰয়োজনত সীমাবদ্ধ কৰিবলৈ চৰকাৰক ক্ষমতাও প্ৰদান কৰিছে। প্ৰায়বোৰ গণতান্ত্ৰিক দেশতে, বাক্ স্বাধীনতা আৰু মত প্ৰকাশৰ অধিকাৰক এক নীতি ৰূপে গণ্য কৰা হৈছে যদিও, ইয়াৰ বহুক্ষেত্ৰত সীমাবদ্ধতাও আছে।

বাক্ স্বাধীনতা আৰু মত প্ৰকাশৰ অধিকাৰ হৈছে সংবিধানৰ 19 [1] [ক] নং অনুচ্ছেদৰ জৰিয়তে ভাৰতীয় নাগৰিকসকলক প্ৰদান কৰা এক অন্যতম মৌলিক অধিকাৰ। এখন গণতান্ত্ৰিক সমাজৰ ভেটি সুদৃঢ় কৰিবলৈ বাক্ স্বাধীনতা আৰু প্ৰচাৰ মাধ্যমৰ স্বাধীনতা অতিকৈ প্ৰয়োজনীয়, কাৰণ ইয়াৰ অবিহনে মুক্ত ৰাজনৈতিক আলোচনা আৰু নাগৰিকৰ শিক্ষা সম্ভৱ নহয়, যিবোৰ হৈছে এক সুস্থ প্ৰশাসনৰ বাবে অত্যন্ত জৰুৰী। এই অধিকাৰে আমাক নিজৰ মতামত আৰু চিন্তাধাৰা বিভিন্ন মাধ্যমেৰে প্ৰকাশ কৰাৰ সুবিধা দিছে। ছপা মাধ্যমৰ প্ৰকাশ কৰাৰ অধিকাৰো ইয়াত সন্নিবিষ্ট। ইয়াৰোপৰি আছে বিভিন্ন দৃশ্য-শ্ৰাব্য মাধ্যম ব্যৱহাৰ কৰাৰ স্বাধীনতা। বাক্ স্বাধীনতাই চাৰি ধৰণে কাম কৰে—

প্ৰতিজন ব্যক্তিক নিজস্ব পৰিপূৰ্ণতা প্ৰদান কৰে

সত্য অন্বেষণত সহায় কৰে

প্ৰতিজন ব্যক্তিৰ সিদ্ধান্ত গ্ৰহণৰ ক্ষমতা বৃদ্ধি কৰে

সামাজিক পৰিৱৰ্তন তথা সুস্থিৰতাৰ মাজত সমতা স্থাপন কৰে।

এই অধিকাৰৰ সহায়ত নিজৰ মত প্ৰকাশ কৰাৰ উপৰিও আনৰ মতামত যিকোনো মাধ্যমৰ দ্বাৰা প্ৰকাশ আৰু প্ৰচাৰ কৰিব পাৰি। এই অধিকাৰৰ মূল নীতি হ'ল নাগৰিকৰ "জনাৰ অধিকাৰ" (People's right to know)

১.৪.১ সাংবিধানিক নিশ্চয়তা আৰু সীমাবদ্ধতা (Constitutional Guarantees and Limitations

এখন সমাজৰ মৌলিক আৰু প্ৰয়োজনীয় দিশ ৰূপে বাক্ স্বাধীনতা আৰু মত প্ৰকাশৰ অধিকাৰৰ গুৰুত্ব কোনো প্ৰকাৰে নুই কৰিব নোৱাৰি। কিন্তু এই অধিকাৰ নাগৰিকসকলক দায়িত্ববিহীনভাৱে চৰম ৰূপত দিয়া নহয়। 'বাক্ স্বাধীনতা'ৰ বিষয়ে চিন্তা-চৰ্চা হোৱাৰ সময়ৰ পৰাই এই স্বাধীনতাৰ ওপৰত কিছু নিষেধাজ্ঞা আৰোপ কৰাৰ বিষয়েও আলোচনা হৈছে। এইমৰ্মে এই অধিকাৰৰ বহুতো সীমাবদ্ধতা আছে। বাক্ স্বাধীনতাৰ ওপৰত আঘাত স্বৰূপ কিছু আচৰণৰ পৰিপ্ৰেক্ষিতত কিছু সীমাবদ্ধতা আৰোপ কৰা হৈছে। তেনে আচৰণ এনেধৰণৰ- মানহানি (অভিযোগ, অথবা অপবাদ), অশালীনতা, ভাবুকি, আদালতত মিছা সাক্ষ্যদান, আদালতক অৱমাননা কৰা আলোচনা, বিচাৰকে নিষিদ্ধ কৰাৰ পিছত আদালতৰ বাহিৰত কোনো বিচাৰকাৰ্যৰ বিষয়ে আলোচনা কৰা, অনুমতি অবিহনে ৰাজহুৱা ভাষণ দিয়া, মানহানি অথবা হিংসাৰ উৎপত্তি কৰিব পৰা ভাষণ দিয়া, শব্দ প্ৰদূষণ, কোনো স্বত্বাধিকাৰ ভংগ কৰা ভাষণ দিয়া, ৰাষ্ট্ৰীয় স্বাৰ্থত লাগতিয়াল কোনো গোপনীয় অথবা স্পৰ্শকাতৰ তথ্য প্ৰকাশ কৰা, ৰাজহুৱা স্থানত ভয় অথবা বিপদ সৃষ্টি কৰিব পৰা মিছা তথ্য প্ৰকাশ, ৰাজদ্ৰোহ, বিশ্বাসঘাতকতা, ধৰ্মদ্বেষ ইত্যাদি।

ভাৰতীয় সংবিধানৰ আধাৰত নাগৰিকসকলে বাক্ স্বাধীনতা আৰু মত প্ৰকাশৰ অধিকাৰ লাভ কৰিছে যদিও, এই অধিকাৰ চৰম নহয়। সংবিধানৰ 19 নং অনুচ্ছেদৰ দ্বিতীয় পৰিচ্ছেদৰ জৰিয়তে এই অধিকাৰৰ ওপৰত কিছু বাধা আৰোপ কৰা হৈছে। এই অনুযায়ী কিছুমান বিশেষ পৰিস্থিতিত, এই অধিকাৰৰ ওপৰত যুক্তিসংগত বাধা আৰোপ কৰা কোনো প্ৰচলিত আইনৰ বিৰুদ্ধে অথবা চৰকাৰৰ দ্বাৰা তেনে আইন প্ৰৱৰ্তনৰ ক্ষেত্ৰত কোনোৱে প্ৰভাৱ পেলাব নোৱাৰিব।' এই যুক্তিসংগত বাধা আৰোপ কৰিব পৰা পৰিস্থিতিসমূহ আন্তঃৰাষ্ট্ৰীয় নিয়মৰ সৈতে একে ধৰণৰ। এই পৰিস্থিতিসমূহ এনে ধৰণৰঃ

ৰাষ্ট্ৰৰ নিৰাপত্তা বিপদাপন্ন হ'লে
বিদেশৰ লগত থকা বন্ধুত্বপূৰ্ণ সম্পৰ্ক ব্যাহত হ'লে
সৌজন্যতা আৰু নৈতিকতাৰ বাবে আদালতক অৱমাননা কৰিলে
কোনো লোকৰ যশস্যা হানি হ'লে
অপৰাধমূলক কাম কৰিবলৈ কাৰোবাক উদ্গনি দিলে
ভাৰতৰ সাৰ্বভৌমত্ব আৰু সংহতিৰ সুৰক্ষাৰ বাবে

অৱশ্যে চৰকাৰে জাৰি কৰা এনে নিষেধাজ্ঞা যুক্তিসংগত হৈছে নে নাই তাৰ বিচাৰ ন্যায়পালিকাইহে কৰিব পাৰে। অৰ্থাৎ এনে বাধা আৰোপ কৰিবৰ বাবে নিৰ্দিষ্ট আইনৰ প্ৰয়োজন।



অগ্রগতি নিৰীক্ষণ - খ

1। বাক্ স্বাধীনতা আৰু মত প্ৰকাশৰ অধিকাৰ কাক বোলে?

2। সংবিধানৰ কোনটো অনুচ্ছেদে 'প্ৰচাৰ মাধ্যমৰ স্বাধীনতা'ক নিয়ন্ত্ৰণ কৰে?

3। তলত উল্লেখ কৰা কোনবিধ পৰিস্থিতিত 'বাক্ স্বাধীনতা আৰু মত প্ৰকাশৰ অধিকাৰৰ ওপৰত যুক্তিসংগত বাধা আৰোপ কৰিব নোৱাৰে?

(ক) ৰাষ্ট্ৰৰ নিৰাপত্তা বিপদাপন্ন হ'লে

(খ) বিদেশৰ লগত থকা বন্ধুত্বপূৰ্ণ সম্পৰ্ক ব্যাহত হ'লে

(গ) সামাজিক শৃংখলাৰ বাবে

(ঘ) সৌজন্যতা আৰু নৈতিকতাৰ বাবে

(ঙ) আদালতক অৱমাননা কৰিলে

(চ) কোনো লোকৰ যশস্যা হানি হ'লে

(ছ) অপৰাধমূলক কাম কৰিবলৈ কাৰোবাক উদ্গনি দিলে

(জ) স্থানীয় লোকৰ সুৰক্ষাৰ বাবে

(ঝ) ভাৰতৰ সাৰ্বভৌমত্ব আৰু সংহতিৰ সুৰক্ষাৰ বাবে

১.৫ ৰাষ্ট্ৰ পৰিচালনাৰ নির্দেশক নীতিৰ ধাৰণা (Concept of Directive Principles of State Policy)

ভাৰতৰ প্ৰশাসনিক ব্যৱস্থাৰ মেৰুদণ্ডস্বৰূপ ভাৰতীয় সংবিধানৰ ভেটিত নিহিত হৈ আছে কিছুমান মৌলিক নীতি। ভাৰতীয় সংবিধানৰ প্ৰস্তাৱনা, মৌলিক অধিকাৰ আৰু ৰাষ্ট্ৰ পৰিচালনাৰ নির্দেশক নীতিৰ মাজতে সংবিধান প্ৰণেতাসকলৰ আদৰ্শ আৰু সংবিধানৰ উদ্দেশ্যসমূহ সাঙুৰ খাই আছে। প্ৰস্তাৱনা, মৌলিক অধিকাৰ আৰু ৰাষ্ট্ৰ পৰিচালনাৰ নির্দেশক নীতিক সেয়েহে সংবিধানৰ মূল তত্ব বা আত্মা বুলিব পাৰি।

ৰাষ্ট্ৰ পৰিচালনাৰ নির্দেশক নীতিসমূহ যদিওবা ন্যায়িক ধৰণৰ নহয় তথাপিও কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰসমূহে কোনো আইন অথবা আঁচনি প্ৰণয়ন কৰাৰ সময়ত এই নীতিসমূহ মানি চলাটো প্ৰয়োজন। সংবিধানৰ চতুৰ্থ অধ্যায়ত সন্নিবিষ্ট এই নীতিসমূহ ন্যায়ালয়ৰ দ্বাৰা প্ৰণয়ন কৰিব পৰা নাযায়। কিন্তু এখন ন্যায়সংগত সমাজ প্ৰতিষ্ঠা কৰিবলৈ যিকোনো আইন প্ৰণয়ন কৰাৰ সময়ত ৰাজ্য চৰকাৰে এই নীতিসমূহ অনুসৰণ কৰাটো দায়িত্ব। সেয়েহে এই নীতিসমূহ ৰাষ্ট্ৰ পৰিচালনাৰ বাবে অতি মৌলিক। এই নির্দেশক নীতিসমূহ আয়াৰলেণ্ডৰ সংবিধানৰ নীতি আৰু গান্ধীবাদী নীতিৰ দ্বাৰা অনুপ্ৰাণিত। লগতে এইসমূহ সামাজিক ন্যায়, অর্থনৈতিক সমতা, বিদেশী আঁচনি, ন্যায়িক আৰু

প্ৰশাসনীয় বিষয়ৰ সৈতে জড়িত। নিৰ্দেশক নীতিসমূহ তলত দিয়া ধৰণৰ ঃ

ক) গান্ধীবাদী

খ) অৰ্থনৈতিক আৰু সামাজিক

গ) ৰাজনৈতিক আৰু প্ৰশাসনিক

ঘ) ন্যায়িক, পৰিৱেশ সম্বন্ধীয়

ঙ) জাতীয় গৌৰৱৰ চিহ্নসমূহৰ সংৰক্ষণ সম্পৰ্কীয়

চ) শান্তি আৰু নিৰাপত্তা বিষয়ক

এই নিৰ্দেশক নীতিসমূহে চৰকাৰৰ কাৰ্যকলাপৰ ওপৰত নিয়ন্ত্ৰণ ৰাখে আৰু চৰকাৰৰ কাৰ্যসমূহৰ ক্ষেত্ৰত ৰাইজৰ হাতত থকা মাপকাঠি স্বৰূপে ক্ৰিয়া কৰে। ন্যায়ালয়ৰ দ্বাৰা মৌলিক অধিকাৰ খৰ্ব কৰা কোনো ৰাষ্ট্ৰ পৰিচালনাৰ নিৰ্দেশক নীতিৰ সপক্ষে আইন প্ৰণয়ন কৰাটো ন্যায়সংগত। কিয়নো আদালতত এই দুইৰ মাজত হোৱা বিচাৰ কাৰ্যত নিৰ্দেশক নীতিকে অধিক গুৰুত্ব প্ৰদান কৰা হয়।

ৰাষ্ট্ৰ পৰিচালনাৰ নিৰ্দেশক নীতিসমূহে তলত উল্লেখ কৰা ক্ষেত্ৰসমূহত চৰকাৰক নিৰ্দেশনা দিয়ে ঃ [1] নাগৰিকসকলৰ জীৱিকাৰ পৰ্যাপ্ত উপায়ৰ ব্যৱস্থা কৰা (2] জনসাধাৰণৰ উমৈহতীয়া স্বাৰ্থৰক্ষাৰ কাৰণে সম্পদৰ বিতৰণ কৰা (3) সৰ্বসাধাৰণৰ অহিতে যাতে সম্পদ কেন্দ্ৰীভূত নহয়, তাৰ ব্যৱস্থা কৰা (4) পুৰুষ-মহিলা উভয়কে সমান কামৰ কাৰণে সমান মজুৰি দিয়াৰ ব্যৱস্থা কৰা (5) শিশুশ্ৰম ৰোধ কৰা (6) দুখীয়া শ্ৰেণীসমূহৰ বাবে বিনামূলীয়া ন্যায়িক সহায়ৰ ব্যৱস্থা কৰা (7) পঞ্চায়তীৰাজ ব্যৱস্থা কৰা (8) নিবনুৱা, বৃদ্ধ, ৰুগ্ন আৰু অক্ষম লোকৰ বাবে কাম কৰাৰ, শিক্ষাৰ আৰু ৰাজহুৱা সহায় লাভৰ অধিকাৰ নিশ্চিত কৰা (9) কৰ্মৰত মহিলাৰ বাবে প্ৰসূতিকালীন সাহায্যৰ ব্যৱস্থা কৰা (10) কুটীৰ শিল্পৰ প্ৰসাৰণৰ ব্যৱস্থা কৰা (11) সমগ্ৰ ভাৰতবৰ্ষতে সমৰূপী দেৱানী কানুন প্ৰচলন কৰা (12) 14 বছৰ বয়সলৈকে ল'ৰা-ছোৱালীক বিনামূলীয়া আৰু বাধ্যতামূলক শিক্ষাৰ সুবিধা দিয়া (13) সমাজৰ দুৰ্বল, পিচপৰা শ্ৰেণীৰ লোক আৰু অনুসূচীত জাতি আৰু জনজাতিৰ লোকক শিক্ষালাভৰ সুবিধা দিয়া আৰু তেওঁলোকৰ অৰ্থনৈতিক স্বাৰ্থৰক্ষা কৰা (14) জীৱন ধাৰণৰ মানদণ্ড আৰু জনস্বাস্থ্য ব্যৱস্থা কৰা (15) আধুনিক আৰু বৈজ্ঞানিক পদ্ধতিত কৃষি আৰু পশু-পালনৰ ব্যৱস্থা কৰা (16) পৰিৱেশ সুৰক্ষিত আৰু উন্নত কৰা (17) বন আৰু জীৱ-জন্তু সুৰক্ষিত কৰা (18) অতীতৰ শিল্পকলা, ঐতিহাসিক স্মৃতি বিজড়িত মঠ-মন্দিৰ আদিৰ সংৰক্ষণ কৰা (19) কাৰ্যপালিকা আৰু ন্যায়পালিকাক পৃথক কৰা আৰু (20) আন্তঃৰাষ্ট্ৰীয় শান্তি আৰু নিৰাপত্তা বৃদ্ধি কৰা।

ৰাষ্ট্ৰ পৰিচালনাৰ নিৰ্দেশক নীতিসমূহে ৰাজ্য চৰকাৰক জনসাধাৰণৰ মাজত সামাজিক, অৰ্থনৈতিক আৰু ৰাজনৈতিক ন্যায় প্ৰতিষ্ঠা কৰিবলৈ আৰু লগতে অৰ্থনৈতিক অসমতা দূৰ কৰিবলৈ নিৰ্দেশ দিয়ে। ৰাজ্য চৰকাৰ নাগৰিকসকলৰ জীৱিকাৰ পৰ্যাপ্ত

উপায়ৰ ব্যৱস্থা কৰিবলৈ, পুৰুষ-মহিলা উভয়কে সমান কামৰ কাৰণে সমান মজুৰি দিয়াৰ ব্যৱস্থা কৰিবলৈ, কাম কৰাৰ উপযুক্ত পৰিৱেশ সৃষ্টি কৰিবলৈ, শোষণৰ পৰা ৰক্ষা কৰিবলৈ আৰু সম্পদসমূহ কেন্দ্রীভূত হোৱাত বাধা দিবলৈ, তৎপৰ হৈ থকাটো প্রয়োজনীয়। আনহাতে আর্থিক নাইবা অন্য অক্ষমতাৰ বাবে কোনো নাগৰিক যেন ন্যায় বিচাৰৰ পৰা বঞ্চিত নহয়, তাৰ বাবে বিনামূলীয়া ন্যায়িক সাহায্য প্রদান কৰাটো দৰকাৰ। ইয়াৰ লগতে ৰাজ্য চৰকাৰৰ আন দায়িত্বসমূহ হ'ল পঞ্চায়তীৰাজ ব্যৱস্থা কৰা, নিবনুৱা, বৃদ্ধ, ৰুগ্ন আৰু অক্ষমসকলৰ বাবে কাম কৰাৰ, শিক্ষাৰ আৰু ৰাজহুৱা সহায় লাভৰ ব্যৱস্থা কৰা, ন্যায়সংগত কাম কৰা পৰিৱেশৰ সৃষ্টি কৰা, মাতৃত্বৰ সময়ত মহিলাসকলক সহায় আগবঢ়োৱা আদি। ৰাজ্য চৰকাৰক নির্দেশক নীতিসমূহে কাম কৰাৰ উপযুক্ত পৰিবেশ প্রদান কৰিবলৈ, বনুৱাসকলক উদ্যোগ পৰিচালনাৰ ক্ষেত্রত অংশগ্রহণৰ সুবিধা দিবলৈ, সমৰূপী দেৱানী কানুন প্রচলন কৰিবলৈ, ল'ৰা-ছোৱালীক বিনামূলীয়া আৰু বাধ্যতামূলকভাৱে শিক্ষা প্রদান কৰিবলৈ আৰু অনুসূচীত জাতি, জনজাতিৰ লগতে দুর্বল, পিছপৰা শ্রেণীৰ উন্নয়নৰ মর্মে কাম কৰিবলৈ উৎসাহিত কৰে।

ইয়াৰ লগতে নির্দেশক নীতিসমূহে জীৱনধাৰণৰ মানদণ্ড উন্নত কৰিবলৈ, জনস্বাস্থ্য ব্যৱস্থা উন্নত কৰিবলৈ আৰু আধুনিক আৰু বৈজ্ঞানিক কৃষি আৰু পশুপালনৰ ব্যৱস্থা কৰিবলৈও নির্দেশ দিয়ে। ৰাজ্য চৰকাৰে পৰিৱেশৰ লগতে জীৱ-জন্তুক সুৰক্ষা প্রদান কৰিবলৈ, জাতীয় গৌৰৱৰ কীর্তিচিহ্নসমূহ সংৰক্ষণ কৰিবলৈ চেষ্টা কৰাৰ লগতে কার্যপালিকাৰ পৰা ন্যায়পালিকাক পৃথক কৰাটো আৰু আন্তঃৰাষ্ট্রীয় শান্তি আৰু সুৰক্ষা বৃদ্ধি কৰাটো নিশ্চিত কৰা উচিত।

এই নির্দেশক নীতিসমূহক, কিছুমান বিশেষ উদ্দেশ্যৰ বাবে সংশোধনো কৰা হৈছে। 2002 চনৰ 86 তম সংশোধন যোগে, 45 নং অনুচ্ছেদক অন্তর্ভুক্ত কৰা হয়। এই অনুচ্ছেদে ল'ৰা-ছোৱালীৰ বাবে বিনামূলীয়া আৰু বাধ্যতামূলক শিক্ষা নিশ্চিত কৰিছে। 1976 চনৰ, 42 তম সংশোধনী বিধেয়কৰ দ্বাৰা, পৰিৱেশ আৰু জীৱজন্তুক সুৰক্ষিত কৰিবলৈ, 48 (ক) নং অনুচ্ছেদটি অন্তর্ভুক্ত কৰা হয়।

১.৫.১ মৌলিক অধিকাৰ আৰু ৰাষ্ট্র পৰিচালনাৰ নির্দেশক নীতিৰ মাজৰ পার্থক্য
(Fundamental Rights Vs. Directive Principles of State Policy)

মৌলিক অধিকাৰ আৰু ৰাষ্ট্র পৰিচালনাৰ নির্দেশক নীতিৰ মাজত তলত উল্লেখ কৰা প্রভেদসমূহ দেখা যায় ঃ

1¼ চৰকাৰে মৌলিক অধিকাৰসমূহৰ পৰা নাগৰিকক বঞ্চিত কৰিব অথবা এইসমূহ সংক্ষিপ্ত কৰিব নোৱাৰে। আনহাতে ৰাষ্ট্র পৰিচালনাৰ নির্দেশক নীতিসমূহ চৰকাৰৰ প্রতি দিয়া নির্দেশনাহে।

2। মৌলিক অধিকাৰসমূহ আদালতত বাদযোগ্য কিন্তু ৰাষ্ট্র পৰিচালনাৰ নির্দেশক নীতিসমূহ আদালতত বাদযোগ্য নহয়।

3¼ ৰাষ্ট্ৰ পৰিচালনাৰ নির্দেশক নীতিৰ ক্ষেত্ৰত চৰকাৰে বিধিগত সিদ্ধান্ত ল'ব পাৰে কিন্তু মৌলিক অধিকাৰৰ ক্ষেত্ৰত নোৱাৰে।

4¼ মৌলিক অধিকাৰে ৰাজনৈতিক গণতন্ত্ৰ সুদৃঢ় কৰিছে। নির্দেশক নীতিসমূহে সামাজিক আৰু অর্থনৈতিক গণতন্ত্ৰ সুনিশ্চিত কৰিছে।

5¼ মৌলিক অধিকাৰসমূহ প্ৰাকৃতিক অধিকাৰ। আনহাতে ৰাষ্ট্ৰ পৰিচালনাৰ নির্দেশক নীতিসমূহে মানৰ অধিকাৰসমূহক সুৰক্ষিত কৰে।



অগ্ৰগতি নিৰীক্ষণ - গ

1¼ ভাৰতীয় সংবিধানৰ আত্মাস্বৰূপ বুলি কাক অভিহিত কৰা হয়?

2¼ কোনখন দেশৰ সংবিধানৰ দ্বাৰা ৰাষ্ট্ৰ পৰিচালনাৰ নির্দেশক নীতিসমূহ অনুপ্ৰাণিত হৈছে?

3¼ তলত উল্লেখ কৰা কোনবিধক ৰাষ্ট্ৰ পৰিচালনাৰ নির্দেশক নীতিৰ ভিতৰত অন্তর্ভুক্ত কৰা নহয়।

(ক) গান্ধীবাদী (খ) ন্যায়িক আৰু বিচাৰ সম্পর্কীয়

(গ) বৈবাহিক আৰু মাতৃ প্ৰধান সমাজ ব্যৱস্থা

১.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টিত আপোনাক অধিকাৰ, মৌলিক অধিকাৰ, বাক্ স্বাধীনতা, মত প্ৰকাশৰ স্বাধীনতা আৰু ৰাষ্ট্ৰ পৰিচালনাৰ নির্দেশক নীতিৰ সৈতে পৰিচিত কৰোৱা হৈছে। আহক এই ধাৰণাকেইটা পুনৰবাৰ জুকিয়াই চাওঁ।

আইনমতে, 'অধিকাৰ' হৈছে কোনো কার্য সম্পাদন কৰা বা তাৰ পৰা বিৰত থকাৰ এক ন্যায়সংগত অথবা নৈতিক ব্যৱস্থা। অধিকাৰৰ দ্বাৰা সমাজ জীৱনত কোনো কর্ম, বিষয়বস্তু বা স্বীকৃতিক গ্ৰহণ নাইবা বর্জন কৰাৰ সুবিধা লাভ কৰিব পাৰি। অধিকাৰৰ ওপৰত কিছু ন্যায়িক আৰু নৈতিক অনুশাসন আৰোপ কৰা হয়, কিন্তু 'মৌলিক অধিকাৰসমূহ' মানৰ সমাজত আজন্ম অবিচ্ছিন্ন আৰু হস্তান্তৰযোগ্য নহয়।

কোনো ৰাষ্ট্ৰৰ সংবিধান প্ৰদত্ত অথবা সংবিধানৰ স্বত্বসমূহৰ দ্বাৰা পৰিচালিত অধিকাৰসমূহক 'মৌলিক অধিকাৰ' বোলা হয়। ভাৰতত বৈদিক যুগৰ পৰাই মূল্যবোধক, মৌলিক অধিকাৰে প্ৰতিনিধিত্ব কৰে। এই অধিকাৰৰ সহায়ত প্ৰতিজন নাগৰিকৰ মর্যাদা সুৰক্ষিত হোৱাৰ লগতে তেওঁলোকৰ ব্যক্তিত্ব সম্পূর্ণৰূপে বিকশিত হয়।

মৌলিক অধিকাৰসমূহ, নির্দিষ্ট সীমাবদ্ধতাৰ মাজেৰে, ন্যায়ালয়ত বাদযোগ্য। ভাৰতীয় সংবিধানৰ তৃতীয় অধ্যায়ত মৌলিক অধিকাৰক অন্তর্ভুক্ত কৰা হৈছে। এই অধিকাৰসমূহ অনেক উৎসৰ পৰা অনুপ্ৰাণিত হৈছে, যেনে ঃ ইংলেণ্ডৰ বিল্ অফ্ ৰাইট্চ, যুক্তৰাষ্ট্ৰৰ বিল্ অফ্ ৰাইট্চ, ফ্ৰান্সৰ ব্যক্তি আৰু নাগৰিক অধিকাৰ সম্পর্কীয় ঘোষণা,

আয়াৰলেণ্ডৰ সংবিধান ইত্যাদি। ভাৰতীয় সংবিধানৰ অধীনৰ সাত প্ৰকাৰৰ মৌলিক অধিকাৰসমূহ হ'ল ঃ সমতাৰ অধিকাৰ, স্বাধীনতাৰ অধিকাৰ, শোষণৰ বিৰুদ্ধে অধিকাৰ, ধৰ্মীয় অধিকাৰ, সাংস্কৃতিক আৰু শিক্ষাৰ অধিকাৰ, সাংবিধানিক প্ৰতিকাৰৰ অধিকাৰ আৰু জীৱন আৰু ব্যক্তিগত স্বাধীনতাৰ অধিকাৰ।

স্বাধীনতাৰ অধিকাৰে বাক্ স্বাধীনতা আৰু মত প্ৰকাশৰ অধিকাৰক সামৰি লৈছে, যাৰ অৰ্থ হৈছে, কোনো এজন ব্যক্তিৰ নিজৰ চিন্তা আৰু মতামত, মৌখিকভাৱে, লিখিতভাৱে, ছপা কৰি, আঁকি অথবা অন্য যিকোনো মাধ্যম যোগে প্ৰকাশ কৰাৰ অধিকাৰ। মত প্ৰকাশৰ অধিকাৰৰ মাজত প্ৰচাৰ মাধ্যমৰ স্বাধীনতাকো সামৰি লোৱা হৈছে। নিৰ্দিষ্ট কিছু সীমাবদ্ধতাৰ জৰিয়তে এই অধিকাৰসমূহে ক্ৰিয়া কৰে। বাক্ স্বাধীনতা আৰু মত প্ৰকাশৰ অধিকাৰ সীমাবদ্ধ কৰা পৰিস্থিতিসমূহ হৈছে ঃ ৰাষ্ট্ৰৰ নিৰাপত্তাৰ বাবে, বিদেশী ৰাষ্ট্ৰৰ সৈতে বন্ধুত্বপূৰ্ণ সম্পৰ্ক ৰক্ষা কৰিবলৈ, আইন-শৃংখলা সুৰক্ষিত কৰিবলৈ, সৌজন্যতা আৰু নৈতিকতাৰ বাবে, আদালতক অৱমাননা কৰিলে, মানহানি, কোনো অসামাজিক কামৰ বাবে উদ্গনি যোগালে, আৰু ভাৰতৰ সাৰ্বভৌমত্ব আৰু সংহতি ৰক্ষাৰ উদ্দেশ্যৰে।

ৰাষ্ট্ৰ পৰিচালনাৰ নিৰ্দেশক নীতিসমূহ ভাৰতৰ প্ৰশাসনিক ব্যৱস্থাৰ মেৰুদণ্ডস্বৰূপ মৌলিক নীতি। ভাৰতীয় সংবিধানৰ চতুৰ্থ অধ্যায়ত সন্নিবিষ্ট এই নীতিসমূহে কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ বাবে যিকোনো আইন অথবা আঁচনি ৰূপায়ণৰ ক্ষেত্ৰত নিৰ্দেশনা দিয়ে। এই নিৰ্দেশক নীতিসমূহ এনেধৰণৰ ঃ গান্ধীবাদী, অৰ্থনৈতিক আৰু সামাজিক, ৰাজনৈতিক আৰু প্ৰশাসনিক, ন্যায়িক আৰু বিচাৰ সম্পৰ্কীয় আৰু শান্তি আৰু নিৰাপত্তা বিষয়ক।

১.৮ অগ্ৰগতি খতিয়ান

অগ্ৰগতিৰ নিৰীক্ষণ - ক

1¼ 'অধিকাৰ' হৈছে কোনো কাৰ্য সম্পাদন কৰা বা তাৰ পৰা বিৰত থকাৰ এক ন্যায়সংগত অথবা নৈতিক ব্যৱস্থা। অধিকাৰৰ দ্বাৰা সমাজ জীৱনত কোনো বৰ্ণ, বিষয়বস্তু বা স্বীকৃতিক গ্ৰহণ নাইবা বৰ্জন কৰাৰ সুবিধা লাভ কৰিব পাৰি। অধিকাৰৰ কিছুমান ন্যায়িক আৰু নৈতিক বাধ্যবাধকতা থাকে।

2¼ মৌলিক অধিকাৰসমূহক তেনেদৰে অভিহিত কৰাৰ কাৰণ হৈছে এই অধিকাৰসমূহ হস্তান্তৰযোগ্য নহয় আৰু প্ৰতিজন মানুহৰ বাবে এইসমূহ আজন্ম অবিচ্ছিন্ন। এই অধিকাৰসমূহৰ সহায়ত প্ৰতিজন ব্যক্তিৰ মানসিক স্তৰ, গুণ, চিন্তাশক্তি, শৰীৰ আৰু আধ্যাত্মিকতাৰ পূৰ্ণ বিকাশ ঘটে।

3¼ (ঙ) সম্পত্তিৰ অধিকাৰ

অগ্ৰগতি নিৰীক্ষণ - খ

1¼ বাক্ স্বাধীনতা আৰু মত প্ৰকাশৰ অধিকাৰ হৈছে মৌখিকভাৱে, লিখিতভাৱে,

ছপা কৰি, ছবি আঁকি অথবা যিকোনো মাধ্যমৰ সহায়ত প্ৰতিজন ব্যক্তিৰে নিজৰ চিন্তাধাৰা আৰু মতামত প্ৰকাশ কৰাৰ অধিকাৰ। মত প্ৰকাশৰ অধিকাৰে প্ৰচাৰ মাধ্যমৰ অধিকাৰকো সামৰি লয়।

2¼ ভাৰতীয় সংবিধানৰ 19 [1] (ক) নং অনুচ্ছেদে 'প্ৰচাৰ মাধ্যমৰ স্বাধীনতা'ক নিয়ন্ত্ৰণ কৰে।

3¼ (জ) স্থানীয় লোকৰ সুৰক্ষাৰ বাবে

অগ্ৰগতি নিৰীক্ষণ - গ

1¼ সংবিধানৰ প্ৰস্তাৱনা, মৌলিক অধিকাৰ আৰু ৰাষ্ট্ৰ পৰিচালনাৰ নিৰ্দেশক নীতিসমূহক ভাৰতীয় সংবিধানৰ আত্মা স্বৰূপে আখ্যা দিয়া হয়।

2¼ ভাৰতীয় সংবিধানত অন্তৰ্ভুক্ত ৰাষ্ট্ৰই পৰিচালনাৰ নিৰ্দেশক নীতিসমূহ আয়াৰলেণ্ডৰ সংবিধানৰ দ্বাৰা অনুপ্ৰাণিত হৈছে।

3¼ (গ) বৈবাহিক আৰু মাতৃ প্ৰধান সমাজ ব্যৱস্থা

১.৭ অধিক জানিবলৈ

Dr. Madabhushi Sridhar : The Law of Expression

Dr. J.N. Pandey : Constitutional Law of India

Ajay Das : Freedom of Press

১.৯ সম্ভাব্য প্ৰশ্ন

1¼ মৌলিক অধিকাৰ কাক বোলে ? মৌলিক অধিকাৰৰ উৎপত্তি সম্পৰ্কে এক চমুটোকা লিখক।

2¼ ভাৰতীয় সংবিধানে নিশ্চিত কৰা মৌলিক অধিকাৰসমূহ কি কি? বহলাই আলোচনা কৰক।

3¼ বাক্ স্বাধীনতা আৰু মত প্ৰকাশৰ অধিকাৰৰ ওপৰত ধাৰ্য কৰা সাংবিধানিক নিশ্চয়তা আৰু সীমাবদ্ধতা (যুক্তিসংগত বাধা) সম্পৰ্কে বিশদভাৱে আলোচনা কৰক।

4¼ ভাৰতীয় সংবিধানত অন্তৰ্ভুক্ত ৰাষ্ট্ৰ পৰিচালনাৰ নিৰ্দেশক নীতি সম্পৰ্কে বহলাই আলোচনা কৰক।

5¼ মৌলিক অধিকাৰ আৰু ৰাষ্ট্ৰ পৰিচালনাৰ নিৰ্দেশক নীতিৰ মাজত থকা প্ৰভেদসমূহ কি কি?

অধ্যায় ২ ঃ জৰুৰীকালীন ব্যৱস্থা আৰু সংসদীয় বিশেষাধিকাৰ

অধ্যায় গাঁথনি

2.1 উদ্দেশ্য

2.2 পৰিচয়

2.3 জৰুৰী পৰিস্থিতি আৰু জৰুৰীকালীন অৱস্থাৰ ধাৰণা

- 2.3.1 ভাৰতীয় সংবিধানৰ অধীনৰ জৰুৰীকালীন ব্যৱস্থাৱলী
- 2.3.2 সংবাদ মাধ্যমৰ নির্দেশক নীতি, 1971
- 2.3.3 সংবাদ মাধ্যমৰ স্বাধীনতাৰ ওপৰত জৰুৰীকালীন ব্যৱস্থাৰ প্ৰভাৱ

2.4 সংসদীয় আৰু বিধানমণ্ডলীয় বিশেষাধিকাৰ ঃ ধাৰণা

- 2.4.1 সংসদীয় আৰু বিধানমণ্ডলীয় বিশেষাধিকাৰ সম্বন্ধীয় সাংবিধানিক ব্যৱস্থা
- 2.4.2 বাক্ স্বাধীনতা
- 2.4.3 সংসদীয় আৰু কার্যাৱলী প্ৰকাশ কৰাৰ অধিকাৰ
- 2.4.4 ন্যায়ালয় সম্বন্ধীয় বিশেষাধিকাৰ
- 2.4.5 সংসদীয় আৰু বিধানমণ্ডলীয় বিশেষাধিকাৰ সম্বন্ধীয়
- 2.4.6 সাংবাদিকতাৰ ওপৰত সংসদীয় আৰু বিধানমণ্ডলীয় বিশেষাধিকাৰৰ প্ৰভাৱ

2.5 অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

2.6 অধিক জানিবলৈ

2.7 অগ্ৰগতিৰ খতিয়ান

2.8 সম্ভাব্য প্ৰশ্ন

২.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি-

- জৰুৰী অৱস্থাৰ সংজ্ঞা দিব পাৰিব
- ভাৰতীয় সংবিধানৰ অধীনৰ জৰুৰীকালীন ব্যৱস্থাৱলীৰ বিষয়ে ব্যাখ্যা কৰিব পাৰিব
- সাংবাদিকতাৰ ওপৰত জৰুৰী অৱস্থাৰ প্ৰভাৱসমূহ বিশ্লেষণ কৰিব পাৰিব
- সংসদীয় আৰু বিধানমণ্ডলীয় বিশেষাধিকাৰ সম্পৰ্কে অৱগত হ'ব পাৰিব
- সাংবাদিকতাৰ ওপৰত সংসদীয় আৰু বিধানমণ্ডলীয় বিশেষাধিকাৰসমূহৰ প্ৰভাৱ সম্পৰ্কে বিশ্লেষণ কৰিব পাৰিব।

২.২ পৰিচয়

জৰুৰী পৰিস্থিতিৰ অর্থ হৈছে কোনো অস্বাভাৱিক অথবা আকস্মিক পৰিস্থিতি, যাৰ বাবে অতি ক্ষীপ্রতাৰে ক্রিয়া কৰিবলগীয়া হয়। এনে আকস্মিক দুর্ঘটনা বা জৰুৰী পৰিস্থিতিয়ে স্বাস্থ্য, সম্পত্তি, পৰিৱেশ আনকি জীৱনো সংকটাপন্ন কৰি তুলিব পাৰে। এনে ঘটনাই অতি আকস্মিকভাৱে সংঘটিত হোৱা বাবে বহুসময় পিছতহে ইয়াৰ বাবে দৰকাৰী ব্যৱস্থা গ্রহণ কৰিব পৰা যায়। আনহাতে, জৰুৰীকালীন অৱস্থা (State of Emergency) হৈছে চৰকাৰৰ দ্বাৰা ঘোষিত এনে এক স্থিতি, যেতিয়া সকলো সাধাৰণ অৱস্থাৰ আইন আৰু সংবাদ মাধ্যমৰ স্বাধীনতাকে ধৰি সকলো নাগৰিক অধিকাৰ বাতিল কৰা হয়। সাংবাদিকতাৰ ক্ষেত্রত যথেষ্ট গুৰুত্ব বহন কৰা এই ব্যৱস্থাৰ আন এটি দিশ হৈছে "সংসদীয় বিশেষাধিকাৰ" (Parliamentary privileges)। এই বিশেষাধিকাৰৰ অধীনত, সংসদৰ দুয়ো সদন আৰু ইয়াৰ সদস্যসকলে দুই ধৰণে অধিকাৰ লাভ কৰে- বাক্ স্বাধীনতা (Freedom of speech) আৰু সংসদীয় কার্যাৱলী প্রকাশ কৰাৰ অধিকাৰ (Right to publication of proceedings)।

পৰৱর্তী অধ্যায়টিত আমি ভাৰতীয় দণ্ডবিধি আইনৰ অধীনত থকা ব্যৱস্থা, তথ্য জনাৰ অধিকাৰৰ ধাৰণা, ৰাষ্ট্রীয় আৰু আন্তঃৰাষ্ট্রীয় প্রেক্ষাপট অনুযায়ী ইয়াৰ বিশ্লেষণ, সাংবিধানিক ব্যৱস্থা আৰু 1923 চনত গৃহীত হোৱা চৰকাৰী গোপনীয়তা আইন সম্পর্কে আলোচনা কৰিম।



জনা উচিত

জৰুৰী পৰিস্থিতি ঃ এক ক্ষীপ্র প্রতিক্রিয়াৰ প্রয়োজন হোৱা আকস্মিক, আৰু গুৰুত্বপূর্ণ দুর্ঘটনা- Oxford Advanced Learner's Dictionary

বিশেষাধিকাৰ ঃ বিশেষাধিকাৰৰ অর্থ হৈছে এক ব্যতিক্রমী অধিকাৰ অথবা বিশেষ সুবিধা, কোনো দায়িত্ব অথবা উপস্থিতিৰ পৰা পোৱা ৰেহাই, তাক বিশেষ এক শ্রেণীৰ বিষয়াই আইনগতভাৱে লাভ কৰে, কাৰণ তেওঁলোকে সন্মুখীন হোৱা পৰিস্থিতি অথবা তেওঁলোকে কাম কৰা ঠাইত, এই অধিকাৰ অবিহনে তেওঁলোকে সম্পূর্ণ নিষ্ঠা সহকাৰে, জনসাধাৰণৰ মংগলৰ উদ্দেশ্যৰে নিজৰ কাম সমাধা কৰিব নোৱাৰে।

- Earl Jowitt

সংসদীয় বিশেষাধিকাৰ ঃ সংসদৰ দুয়ো সদন আৰু সদস্যসকলৰ বাবে নির্ধাৰিত কিছুমান ব্যতিক্রমী, বিশেষ সুবিধাৰ সমষ্টি, যাক সংসদৰ উচ্চ ন্যায়ালয়ে নিশ্চিত কৰে, যাৰ অবিহনে সংসদৰ কার্যাৱলী সূচাৰুৰূপে চলাই নিয়াটো সম্ভৱ নহয়, আৰু যিবোৰ অধিকাৰ অন্য ব্যক্তি অথবা সংগঠনৰ অধিকাৰতকৈ শ্রেয়।

- Sir Thomas Erskine May

২.৩ জৰুৰী পৰিস্থিতি আৰু জৰুৰীকালীন অৱস্থা ঃ ধাৰণা (Emergency and State of Emergency: Concepts)

জৰুৰী পৰিস্থিতিৰ এক নির্দিষ্ট সংজ্ঞা দিয়াটো টান। কোনো এক আকস্মিক ঘটনাৰ সৈতে জড়িত ব্যক্তি আৰু ব্যৱস্থাৰ ওপৰত ভিত্তি কৰি ইয়াৰ সংজ্ঞা বেলেগ বেলেগ হয়। সাধাৰণতে জৰুৰী পৰিস্থিতি নিয়ন্ত্রণ কৰিবলৈ থকা নির্দিষ্ট চৰকাৰী বিভাগৰ দ্বাৰাই এই পৰিস্থিতিৰ সংজ্ঞা নির্ধাৰিত হয়। জৰুৰী পৰিস্থিতি হৈছে এনে এক আকস্মিক পৰিস্থিতি যিয়ে স্বাস্থ্য, জীৱন, সম্পত্তি আৰু পৰিৱেশ সংকটাপন্ন কৰি তোলে। বেছিভাগ আকস্মিক পৰিস্থিতি ৰোধ কৰিবৰ বাবে ক্ষীপ্ৰ পদক্ষেপৰ প্ৰয়োজন হয়। কিন্তু কিছুমান ক্ষেত্ৰত তেনে বিপদ ৰোধ কৰাটো সম্ভৱ হৈ নুঠে আৰু ঘটনাৰ পিছতহে পৰিস্থিতি চম্ভালিব পাৰি। এফালে যেনেকৈ প্ৰাকৃতিক দুৰ্যোগৰ দৰে ঘটনাবোৰ নির্দিষ্ট ভাৱে জৰুৰী পৰিস্থিতি, আনফালে তেনেকৈ কিছুমান পৰিস্থিতিক জৰুৰী আখ্যা দিবলৈ কোনো প্ৰত্যক্ষদৰ্শী অথবা ভুক্তভোগীৰ মতামতৰ প্ৰয়োজন হয়।

জৰুৰীকালীন অৱস্থা হৈছে চৰকাৰৰ সাধাৰণ অৱস্থাৰ কার্যাৱলীসমূহ বাতিল কৰিবলৈ চৰকাৰীভাৱে ঘোষণা কৰা অৱস্থা। এনে অৱস্থাত চৰকাৰে নাগৰিকসকলক তেওঁলোকৰ সাধাৰণ কাম-কাজৰ পৰা বিৰত থাকিবলৈ আৰু চৰকাৰী সংস্থাসমূহক জৰুৰীকালীন অৱস্থাৰ বাবে সাজু হ'বলৈ নির্দেশ দিয়ে। চৰকাৰে এই সময়ত সকলো নাগৰিক স্বাধীনতা ৰোধ কৰিব পাৰে। এনে ধৰণৰ ঘোষণা সাধাৰণতে প্ৰাকৃতিক দুৰ্যোগৰ সময়ত, ৰাজহুৱা বিদ্রোহৰ সময়ত অথবা যুদ্ধ ঘোষণা হোৱাৰ পৰিপ্রেক্ষিতত কৰা হয়। সেয়েহে গণতান্ত্রিক দেশসমূহত ইয়াক সামৰিক আইন বোলা হয়।

কিছুমান দেশত জৰুৰীকালীন অৱস্থা আৰু চৰকাৰৰ ব্যৱস্থা সমন্বিতে নাগৰিক অধিকাৰৰ ওপৰত পৰা প্ৰভাৱসমূহ সংবিধানে নিয়ন্ত্রণ কৰে। নাগৰিক অধিকাৰৰ ওপৰত পৰা প্ৰভাৱসমূহ সংবিধানে নিয়ন্ত্রণ কৰে। এই ক্ষমতাৰ সীমাবদ্ধতা আৰু অধিকাৰৰ ওপৰত আৰোপ কৰা নিষেধাজ্ঞা, কোনো-কোনো দেশত আইনৰ দ্বাৰাও কৰা হয়। আনহাতে জৰুৰী অৱস্থাৰ আইন পৰিৱর্তন নাইবা সংবিধানৰ সংশোধন জৰুৰীকালীন স্থিতিত কৰাটো আইন বিৰুদ্ধ।

২.৩.১ ভাৰতীয় সংবিধানৰ অধীনৰ জৰুৰীকালীন ব্যৱস্থাৱলী (Emergency Provisions under the *Constitution of India)*

ভাৰতৰ প্রেক্ষাপটত, দেশৰ ৰাষ্ট্রপতিয়ে দেশৰ অভ্যন্তৰীণ অথবা বাহ্যিক উৎসৰ পৰা ধাৰণা কৰা সম্ভাব্য বিপদৰ আশঙ্কাৰ ক্ষেত্ৰত অথবা অর্থনৈতিক দুৰ্যোগৰ পৰিস্থিতিত, ঘোষণা কৰা এক পৰিৱর্তিত সাংবিধানিক ব্যৱস্থাৰ প্রশাসনকালক জৰুৰীকালীন অৱস্থা বোলা হয়। মন্ত্রী পৰিষদৰ সৈতে আলোচনা মর্মে আৰু ভাৰতীয় সংবিধানৰ XVIII

অংশই প্ৰদান কৰা ক্ষমতাৰ ব্যৱহাৰ কৰি, ৰাষ্ট্ৰপতিয়ে ভাৰতীয় নাগৰিকসকলক মৌলিক অধিকাৰ প্ৰদান কৰা সাংবিধানিক নিৰ্দেশ আৰু ৰাজ্যসমূহলৈ ক্ষমতাৰ হস্তান্তৰ নিয়ন্ত্ৰণ কৰা আইনসমূহ বাতিল কৰিব পাৰে। স্বাধীন ভাৰতৰ ইতিহাসত মুঠ তিনিবাৰ এনেধৰণৰ জৰুৰীকালীন অৱস্থা ঘোষণা কৰা হৈছিল।

1¼ ভাৰত-চীন যুদ্ধৰ কালছোৱাত 1962 চনৰ 26 অক্টোবৰৰ পৰা 1968 চনৰ 10 জানুৱাৰীলৈ যেতিয়া বাহ্যিক আক্ৰমণৰ দ্বাৰা ভাৰতৰ নিৰাপত্তাৰ প্ৰতি ভাবুকি সৃষ্টি হোৱা বুলি ঘোষণা কৰা হৈছিল।

2¼ মূলতে ভাৰত-পাকিস্থান যুদ্ধৰ কালছোৱাত 1971 চনৰ ডিচেম্বৰ মাহত ঘোষণা কৰি পাছলৈ তাৰ সময় বৃদ্ধি কৰা হয় যেতিয়া বাহ্যিক আক্ৰমণৰ দ্বাৰা ভাৰতৰ নিৰাপত্তাৰ প্ৰতি ভাবুকি সৃষ্টি হোৱা বুলি ঘোষণা কৰা হৈছিল।

3¼ ইন্দিৰা গান্ধীৰ প্ৰধানমন্ত্ৰীত্বৰ সময়ত যেতিয়া ৰাজনৈতিক উত্থান-পতনৰ পৰিপ্ৰেক্ষিতত সৃষ্টি হোৱা এক বিতৰ্কমূলক পৰিস্থিতিৰ বাবে ভাৰতৰ অভ্যন্তৰীণ উৎসৰ দ্বাৰা দেশৰ নিৰাপত্তাৰ প্ৰতি ভাবুকিৰ সন্দেহ কৰি 1975 চনৰ 26 জুনৰ পৰা 1977 চনৰ 21 মাৰ্চ পৰ্যন্ত জৰুৰীকালীন অৱস্থা ঘোষণা কৰা হৈছিল।

ৰাষ্ট্ৰপতিয়ে মুঠ তিনি প্ৰকাৰৰ জৰুৰী অৱস্থা ঘোষণা কৰিব পাৰে ঃ

- ৰাষ্ট্ৰীয় জৰুৰীকালীন অৱস্থা
- ৰাজ্যিক জৰুৰীকালীন অৱস্থা
- অৰ্থনৈতিক জৰুৰীকালীন অৱস্থা

ৰাষ্ট্ৰীয় জৰুৰীকালীন অৱস্থা (অনুচ্ছেদ-৩৫২)

সমগ্ৰ ভাৰতৰ অথবা ইয়াৰ কোনো অংশত সংঘটিত যুদ্ধ, বাহ্যিক আক্ৰমণ অথবা সমগ্ৰ বিদ্ৰোহৰ বাবে ৰাষ্ট্ৰীয় জৰুৰী অৱস্থা ঘোষণা কৰা হয়। এনেধৰণৰ জৰুৰী অৱস্থা ভাৰতত ইতিমধ্যে তিনিবাৰ ঘোষণা কৰা হৈছে, 1962 চনৰ ভাৰত-চীন যুদ্ধৰ সময়ছোৱাত, 1971 চনৰ ভাৰত-পাকিস্থান যুদ্ধৰ সময়ত আৰু 1975 চনত (প্ৰধানমন্ত্ৰী ইন্দিৰা গান্ধীয়ে দেশৰ আইন শৃংখলা নিয়ন্ত্ৰণ কৰিবলৈ ঘোষণা কৰিছিল)। প্ৰধানমন্ত্ৰীৰ নেতৃত্বত মন্ত্ৰীসভাই আগবঢ়োৱা এক লিখিত অনুৰোধৰ ওপৰত ভিত্তি কৰিহে ৰাষ্ট্ৰপতিয়ে তেনে জৰুৰী অৱস্থা ঘোষণা কৰিব পাৰে। এনে ঘোষণা সংসদৰ দ্বাৰা এমাহৰ ভিতৰত গৃহীত হোৱাটো দৰকাৰ। আনহাতে তেনে ঘোষণা ছমাহৰ বাবে কৰিব পাৰে। পুনৰবাৰ সংসদীয় স্বীকৃতিৰ দ্বাৰাহে সেই ঘোষণাক ছমাহলৈ বৃদ্ধি কৰিব পাৰি। এনে সময়ছোৱাত নাগৰিকৰ মৌলিক অধিকাৰ বাতিল কৰা হয়। ফলস্বৰূপে স্বাধীনতাৰ অধিকাৰৰ অন্তৰ্গত ছয়বিধ স্বাধীনতা বাতিল হৈ যায়। কেৱল জীৱন আৰু ব্যক্তিগত স্বাধীনতাৰ অধিকাৰহে কোনো কাৰণত বাতিল কৰিব নোৱাৰি। জৰুৰী অৱস্থাৰ সময়ত ৰাজ্যিক তালিকা (State list)ত সন্নিবিষ্ট 66টা বিষয়ৰ ওপৰত সংসদে আইন প্ৰণয়ন কৰিব পাৰে (এই তালিকাত ৰাজ্য চৰকাৰে আইন প্ৰণয়ন কৰিব পৰা বিষয়সমূহ থাকে) আনহাতে জৰুৰী অৱস্থাত

সকলো বিত্তীয় বিল (Money bill) সাংসদৰ অনুমোদনৰ বাবে প্ৰেৰণ কৰা হয়। জৰুৰী অৱস্থাত লোক সভাৰ কাৰ্যকাল এবছৰলৈ বৃদ্ধি কৰিব পাৰি যদিও জৰুৰী অৱস্থা অন্ত পৰাৰ দিনৰ পৰা এই বৃদ্ধিৰ সময় ছমাহতকৈ অধিক হ'ব নোৱাৰে।

ৰাজ্যিক জৰুৰী অৱস্থা (অনুচ্ছেদ ৩৫৬)

ভাৰতৰ কোনো ৰাজ্যত যেতিয়া ৰাজ্য চৰকাৰক ভংগ কৰি কেন্দ্ৰীয় চৰকাৰৰ নিয়ন্ত্ৰণাধীন কৰা হয় তেতিয়া সেই অৱস্থাক "ৰাষ্ট্ৰপতি শাসন" বা "কেন্দ্ৰীয় শাসন" (ৰাজ্যিক জৰুৰী অৱস্থা) বোলা হয়। ভাৰতীয় সংবিধানৰ 356 নং অনুচ্ছেদৰ জৰিয়তে কোনো ৰাজ্যত সাংবিধানিক প্ৰক্ৰিয়া ব্যৰ্থ হ'লে সেই ৰাজ্যখনত 'ৰাষ্ট্ৰপতি শাসন' প্ৰবৰ্তন হয়। যদি কোনো ৰাজ্যৰ ৰাজ্যপাল অথবা অন্য কোনো উৎসৰ পৰা ৰাষ্ট্ৰপতি নিশ্চিত হয় যে সেইখন ৰাজ্যৰ প্ৰশাসন সাংবিধানিক চৰ্ত অনুযায়ী চলাব পৰা নাযায়, তেতিয়া ৰাষ্ট্ৰপতিয়ে জৰুৰী অৱস্থা ঘোষণা কৰিব পাৰে। যদি স্পষ্ট সংখ্যাগৰিষ্ঠতা নাথাকে, তেন্তে শাসনাধিষ্ঠ ৰাজনৈতিক দল আৰু কেন্দ্ৰীয় চৰকাৰৰ পৰামৰ্শ অনুসৰি কোনো ৰাজ্যপালে বিধানসভা ভংগ কৰিব পাৰে। এইক্ষেত্ৰত ৰাজ্যপালে বিধানসভা ভংগ কৰি ছমাহৰ বাবে "Suspended animation" ত থ'ব পাৰে। ছমাহৰ পাছতো যদি স্পষ্ট সংখ্যাগৰিষ্ঠতা নাথাকে তেন্তে পুনৰ নিৰ্বাচন অনুষ্ঠিত কৰা হয়।

ৰাজ্যিক জৰুৰী অৱস্থাত সংসদে ৰাজ্যিক তালিকাত সন্নিবিষ্ট 66টা বিষয়ৰ ওপৰত আইন প্ৰণয়ন কৰে। সকলো Money bill সংসদৰ অনুমোদনৰ বাবে প্ৰেৰণ কৰা হয়। এই সময়ছোৱাত ৰাজ্য বিধানসভাৰ সদস্যসকলক ৰাজ্যখনত কোনো ধৰণৰ কাম কৰিবলৈ অনুমতি দিয়া নহয়। তেনে এক জৰুৰী অৱস্থাক ছমাহৰ ভিতৰত সংসদে অনুমোদন কৰাটো প্ৰয়োজন। ৰাজ্যিক জৰুৰী অৱস্থা ছমাহৰ বাবে বলবৎ কৰা হয় আৰু প্ৰতি ছমাহৰ অন্তৰত দিয়া সংসদীয় অনুমোদনৰ দ্বাৰা ইয়াৰ সময় তিনি বছৰলৈ বৃদ্ধি কৰিব পাৰি। আনহাতে তেনে এক জৰুৰী অৱস্থা যদি তিনি বছৰতকৈ বেছিদিনলৈ বলবৎ কৰাৰ প্ৰয়োজন হয়, তেন্তে এই ক্ষেত্ৰত সাংবিধানিক সংশোধনৰ প্ৰয়োজন হয়। এনে ধৰণৰ সংশোধন পঞ্জাব আৰু জম্মু আৰু কাশ্মীৰৰ ক্ষেত্ৰত কৰা হৈছিল।

এজন নিৰ্বাচিত মুখ্যমন্ত্ৰীৰ পৰিৱৰ্তে ৰাষ্ট্ৰপতিয়ে শাসনভাৰ গ্ৰহণ কৰাৰ বাবে এনে অৱস্থাক ৰাষ্ট্ৰপতি শাসন বোলা হয়। কিন্তু প্ৰশাসনিক স্তৰত ৰাজ্যৰ ৰাজ্যপালক কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা সকলো ক্ষমতা প্ৰদান কৰা হয়। যদি কোনো ৰাজ্যৰ মানুহৰ মাজত বিদ্ৰোহৰ সৃষ্টি হয় আৰু ৰাজ্য চৰকাৰৰ হাতত সেই বিদ্ৰোহ অন্ত পেলোৱাৰ উপায় নাথাকে, তেনে পৰিস্থিতিত কেন্দ্ৰীয় চৰকাৰে ৰাজ্য প্ৰশাসনৰ ওপৰত নিয়ন্ত্ৰণ কৰিবৰ বাবে এই অনুচ্ছেদৰ অনুমোদন কৰা হৈছিল। ৰাষ্ট্ৰপতি শাসনৰ সমালোচকসকলে মত পোষণ কৰে যে বহুক্ষেত্ৰত বিৰোধী ৰাজনৈতিক দলক শাসনাচ্যুত কৰিবলৈ এই ব্যৱস্থাক এক মিথ্যা উপলক্ষ্যৰ ৰূপত ব্যৱহাৰ কৰা হয়। সেয়েহে ৰাষ্ট্ৰপতি শাসন ব্যৱস্থাক বহুতেই যুক্তৰাষ্ট্ৰীয় ব্যৱস্থাৰ বাবে ভাবুকি ৰূপে আখ্যা দিয়ে।

ভাৰতৰ প্ৰায়ভাগ ৰাজ্যতে এনে ধৰণৰ জৰুৰী অৱস্থা ঘোষণা কৰা হৈছে। 1950 চনত ভাৰতীয় সংবিধানখন গ্ৰহণ কৰা দিন ধৰি কেন্দ্ৰীয় চৰকাৰে এতিয়ালৈকে শতাধিক বাৰ নিৰ্দিষ্ট অনুচ্ছেদ ব্যৱহাৰ কৰি ৰাজ্য চৰকাৰসমূহ ভঙ্গ কৰি ৰাষ্ট্ৰপতি শাসন আৰোপ কৰিছে। ভিমোছনা সমাৰণ (Vimochana Samaran) অৰ্থাৎ 1958 চনত কেৰালাত আৰম্ভ হোৱা, প্ৰথমখন বাওঁপন্থী চৰকাৰৰ বিৰুদ্ধে কেৰালাৰ ইতিহাসৰ স্বাধীনতা আন্দোলন ৰূপে খ্যাত ৰাজনৈতিক বিদ্ৰোহৰ সময়ত, তদানীন্তন গণতান্ত্ৰিক পদ্ধতিৰে নিৰ্বাচিত কেৰালাৰ বাওঁপন্থী চৰকাৰ ভঙ্গ কৰিবৰ বাবে, 1959 চনৰ 31 জুলাইৰ দিনাখন পোনপ্ৰথমবাৰৰ বাবে ৰাজ্যিক জৰুৰীকালীন অৱস্থা আৰু ৰাষ্ট্ৰপতি শাসন বলবৎ কৰা হৈছিল।

অৰ্থনৈতিক জৰুৰী অৱস্থা (অনুচ্ছেদ ৩৬০)

কোনো পৰিস্থিতিত যদি ভাৰতৰ অৰ্থনৈতিক ভাৰসাম্য অথবা দেশীয় মূলধনৰ ওপৰত ভাবুকিৰ সম্ভাৱনা থকা বুলি ৰাষ্ট্ৰপতি নিশ্চিত হয়, তেন্তে তেওঁ এই ক্ষেত্ৰত অৰ্থনৈতিক জৰুৰী অৱস্থা ঘোষণা কৰিব পাৰে। তেনে এক ঘোষণা সংসদৰ দ্বাৰা দুমাহৰ ভিতৰত স্বীকৃত হোৱাটো প্ৰয়োজনীয়। ভাৰতত এনে ধৰণৰ ঘোষণা কেতিয়াও কৰা হোৱা নাই। এবাৰ ভাৰতত তেনে এক পৰিস্থিতি উদ্ভৱ হৈছিল যদিও, দেশৰ সোণ ভাণ্ডাৰ বিক্ৰী কৰি এই সমস্যা সমাধান কৰা হৈছিল।

অৰ্থনৈতিক জৰুৰী অৱস্থা তেতিয়ালৈকে বাহাল থাকে যেতিয়ালৈকে ৰাষ্ট্ৰপতিয়ে ইয়াক বাতিল নকৰে। ৰাষ্ট্ৰপতিয়ে তেনে পৰিস্থিতিত উচ্চতম ন্যায়ালয় আৰু উচ্চ ন্যায়ালয়ৰ বিচাৰককে ধৰি সকলো চৰকাৰী কৰ্মীৰ দৰমহা হ্ৰাস কৰিব পাৰে। ৰাজ্যৰ বিধানসভাই মঞ্জুৰ কৰা সকলো Money bills ৰাষ্ট্ৰপতিৰ অনুমোদনৰ বাবে প্ৰেৰণ কৰিব লাগে। ৰাষ্ট্ৰপতিয়ে ৰাজ্য চৰকাৰসমূহক কেতবোৰ অৰ্থনৈতিক পন্থা অৱলম্বন কৰিবলৈ নিৰ্দেশ দিব পাৰে।

২.৩.২ সংবাদ মাধ্যমৰ নিৰ্দেশক নীতি, ১৯৭১ (Code of Conduct for the Press)

1971 চনৰ জৰুৰী অৱস্থাৰ সময়ত ভাৰত চৰকাৰে নিযুক্ত কৰা Press Consultative Committee নামৰ এক সমিতিয়ে জৰুৰী অৱস্থা ঘোষণাৰ সময়ত সংবাদ মাধ্যমসমূহে মানিবলগীয়া এক নিৰ্দেশক নীতি প্ৰস্তুত কৰে। এই নীতিসমূহ হ'ল-

নিৰ্দিষ্ট প্ৰশাসনৰ দ্বাৰা ৰাষ্ট্ৰ ৰ বাবে বিপদজনক বুলি নিৰ্ধাৰণ কৰা তথ্য প্ৰকাশৰ পৰা বিৰত থকা।

বৃত্তিগত সময়ছোৱাত আহৰণ কৰা গোপনীয় তথ্য প্ৰকাশৰ পৰা বিৰত থকা।

ৰাষ্ট্ৰৰ বাবে বিপদজনক হ'ব পৰা অভ্যন্তৰীণ অথবা বাহ্যিক উৎসৰ পৰা আহৰণ কৰা তথ্য অথবা মতামত পুনঃ প্ৰকাশ নকৰা।

প্ৰচাৰ মাধ্যমৰ তথ্য আহৰণ কৰা কিছু অসাধাৰণ উপায় থকা বুলি কৰা ৰাইজৰ বিশ্বাসৰ অপপ্ৰয়োগ নকৰা। অৰ্থাৎ উৰা বাতৰি প্ৰকাশ নকৰা।

২.৩.৩ সংবাদ মাধ্যমৰ স্বাধীনতাৰ ওপৰত জৰুৰীকালীন ব্যৱস্থাৰ প্ৰভাৱ (Effect of Emergency Provisions on Media Freedom)

ভাৰতীয় সংবিধানৰ XVIII অংশত থকা নিয়মানুসৰি, ভাৰতীয় নাগৰিকৰ মৌলিক অধিকাৰসমূহ কেৱল জৰুৰী অৱস্থাতহে বাতিল কৰিব পাৰি। 358 আৰু 359 নং অনুচ্ছেদৰ জৰিয়তে এইক্ষেত্ৰত কিছু আইন প্ৰণয়ন কৰা হয়। 352 অনুচ্ছেদৰ জৰিয়তে যদি ৰাষ্ট্ৰীয় জৰুৰীকালীন অৱস্থা ঘোষণা কৰা হয়, তেন্তে 358 নং অনুচ্ছেদৰ জৰিয়তে চৰকাৰক 19 নং অনুচ্ছেদত প্ৰদান কৰা বাক্ স্বাধীনতা আৰু মত প্ৰকাশৰ অধিকাৰ বাতিল কৰিবলৈ ক্ষমতা প্ৰদান কৰা হৈছে। ইয়াৰ লগে লগে সংবাদ মাধ্যমৰ স্বাধীনতাও বাতিল হৈ পৰে। জৰুৰী অৱস্থাৰ সময়ছোৱাত কাৰ্যকৰী কৰা কোনো আইন অথবা আদেশৰ বিৰুদ্ধে 19 নং অনুচ্ছেদৰ চৰ্ত ভঙ্গ কৰা বুলি দাবী কৰিব নোৱাৰি। জৰুৰী অৱস্থা শেষ হোৱাৰ পিছতো সেই সময়ত বলবৎ কৰা কোনো ধৰণৰ আইনৰ সাংবিধানিকতাৰ ওপৰত কোনো প্ৰশ্ন কৰিব পৰা নাযায়। ইয়াৰ অর্থ হ'ল যে 19 নং অনুচ্ছেদৰ জৰিয়তে সংবাদ মাধ্যমক প্ৰদান কৰা স্বাধীনতাৰ ওপৰত 358 নং অনুচ্ছেদে যথেষ্ট প্ৰভাৱ পেলাব পাৰে। জৰুৰী অৱস্থাৰ অন্ত পৰাৰ লগে লগে সেই সময়ছোৱাত বিধানপালিকাই প্ৰণয়ন কৰা সকলো আইন অথবা কাৰ্যপালিকাই সম্পন্ন কৰা সকলো কাম নিষ্ক্ৰিয় হৈ পৰে আৰু লগতে সেই সময়ছোৱাত বাতিল কৰা 19 নং অনুচ্ছেদ পুনৰ সক্ৰিয় হৈ পৰে। 358 নং অনুচ্ছেদৰ জৰিয়তে 19 নং অনুচ্ছেদ বাতিল কৰাৰ পদ্ধতি দেশৰ সকলো ৰাজ্যতে একেলগে কাৰ্যকৰী কৰা হয়।

1978 চনত কৰা ভাৰতীয় সংবিধানৰ 44 তম সংশোধনী বিধেয়ক অর্থাৎ 359 [1] নং অনুচ্ছেদৰ সংশোধনৰ দ্বাৰা এক অন্য আইন প্ৰণয়ন কৰা হয়। এই আইনৰ মতে 352 নং অনুচ্ছেদৰ জৰিয়তে ঘোষণা কৰা ৰাষ্ট্ৰীয় জৰুৰী অৱস্থাতো 20 নং অনুচ্ছেদ (আটকাধীন ব্যক্তিৰ নিৰাপত্তাৰ অধিকাৰ) আৰু 21 নং অনুচ্ছেদ (জীৱন আৰু ব্যক্তিগত স্বাধীনতাৰ অধিকাৰ)ৰ দ্বাৰা প্ৰদান কৰা মৌলিক অধিকাৰসমূহ বাতিল কৰিব পৰা নাযায়। সেয়েহে ৰাষ্ট্ৰীয় জৰুৰী অৱস্থাৰ সময়তো 359 নং অনুচ্ছেদৰ সহায়ত কোনো আটকাধীন বা কাৰাবন্দীক সাংবাদিকে, তেওঁৰ অৱস্থাক লৈ প্ৰশ্ন কৰিব পাৰে। এইক্ষেত্ৰত 358 নং অনুচ্ছেদৰ আদেশ মর্মে সম্পূর্ণ 19 নং অনুচ্ছেদ নিষ্ক্ৰিয় কৰাৰ অৱস্থাতো 20 আৰু 21 নং অনুচ্ছেদৰ সহায় সাংবাদিকজনে ল'ব পাৰে। 359 অনুচ্ছেদৰ আদেশ ভাৰতৰ সকলো ৰাজ্য অথবা নির্দিষ্ট কোনো অঞ্চলত বলবৎ হ'ব পাৰে।

356 নং অনুচ্ছেদৰ অধীনত ঘোষণা কৰা ৰাজ্যিক জৰুৰী অৱস্থাৰ মৌলিক অধিকাৰৰ ওপৰত কোনো প্ৰভাৱ নপৰে। বৰঞ্চ তেনে সময়ত প্ৰচাৰ মাধ্যমে এক গুৰুত্বপূর্ণ ভূমিকা পালন কৰে। এই ভূমিকাই চৰকাৰৰ আৰু জনসাধাৰণৰ মতামত অনুসৰি গুৰুত্ব লাভ কৰে প্ৰচাৰ মাধ্যমে প্ৰকাশ কৰা বাতৰি আৰু মতামতৰ প্ৰকাশভঙ্গীৰ ওপৰতে

জনসাধাৰণৰ নৈতিক আচৰণ আৰু দৃঢ়তা নিৰ্ভৰ কৰে। উদাহৰণস্বৰূপে এখন আধুনিক সময়ৰ যুদ্ধত শত্ৰুপক্ষৰ বাবে লাগতিয়াল তথ্য কেৱল সামৰিক বাহিনীৰ চলাচল, উৰাজাহাজ অথবা সৈন্য অভিযান সংক্ৰান্তীয় নহয়, বৰঞ্চ ইয়াৰ মাজত খাদ্য যোগান, যোগাযোগ, অভ্যন্তৰীণ ৰাজনৈতিক স্থিতি ইত্যাদিও সামৰি লোৱা হয়। যদিও ৰাজ্যিক জৰুৰী অৱস্থাৰ সময়ত প্ৰচাৰ মাধ্যমৰ ওপৰত কোনো বাধ্যবাধকতা নাথাকে, তথাপিও তেনে সময়ছোৱাত প্ৰচাৰ মাধ্যমে যথেষ্ট সাৱধান হোৱাটো উচিত। প্ৰকাশিত বাতৰি বা মতামতৰ দ্বাৰা যেন প্ৰত্যক্ষভাৱে কোনো কাৰিকৰী বা সামৰিক কৌশলৰ আঁচনি প্ৰস্তুত কৰাৰ ক্ষেত্ৰত আৰু প্ৰত্যক্ষভাৱে নৈতিক দৃঢ়তাৰ ক্ষেত্ৰত শত্ৰুপক্ষ লাভান্বিত হ'ব নোৱাৰে তাৰ প্ৰতি সংবাদ মাধ্যম সদা সজাগ হোৱাটো অতি প্ৰয়োজনীয়।

সেইদৰে 360 নং অনুচ্ছেদৰ আধাৰত ঘোষণা কৰা অৰ্থনৈতিক জৰুৰী অৱস্থাৰ সময়ত মৌলিক অধিকাৰ বাতিল কৰিব নোৱাৰি। এনে জৰুৰী অৱস্থাত কেৱল কাৰ্যপালিকাৰ ক্ষমতাৰহে বৃদ্ধি ঘটে।



অগ্ৰগতি নিৰীক্ষণ-ক

1। জৰুৰী পৰিস্থিতি কাক বোলে?

2। জৰুৰীকালীন অৱস্থা কাক বোলে?

3। ভাৰতীয় সংবিধানৰ কোনটো অংশ আৰু কোনবোৰ অনুচ্ছেদত জৰুৰীকালীন ব্যৱস্থাৰ উল্লেখ কৰা হৈছে?

4। শুদ্ধ উত্তৰটি বাচি উলিয়াওক ঃ

(ক) ভাৰতত কেইবাৰ জৰুৰীকালীন অৱস্থা ঘোষণা কৰা হৈছিল?

(i) এবাৰ (ii) দুবাৰ (iii) তিনিবাৰ (iv) চাৰিবাৰ

(খ) ৰাষ্ট্ৰীয় জৰুৰীকালীন অৱস্থাত ভাৰতীয় সংবিধানৰ প্ৰদত্ত ছয়বিধ স্বাধীনতা বাতিল কৰা হয়। বাতিল নকৰা একমাত্ৰ স্বাধীনতাবিধ হ'ল-

(i) স্বাধীনতাৰ অধিকাৰ (ii) শিক্ষাৰ অধিকাৰ (iii) সাংস্কৃতিক অধিকাৰ

(iv) জীৱন আৰু ব্যক্তিগত স্বাধীনতাৰ অধিকাৰ

(গ) জৰুৰীকালীন অৱস্থা বা ৰাষ্ট্ৰপতি শাসনৰ অৱস্থাত ৰাষ্ট্ৰপতিয়ে কাৰ্যপালিকাৰ নেতৃত্ব কাক প্ৰদান কৰে?

(i) মুখ্যমন্ত্ৰী (ii) গৃহমন্ত্ৰী (iii) ৰাজ্যপাল (iv) আইন মন্ত্ৰী

(ঘ) কোন অনুচ্ছেদৰ আধাৰত অৰ্থনৈতিক জৰুৰী অৱস্থা ঘোষণা কৰা হয়?

(i) 352 (ii) 358 (iii) 356 (iv) 360

২.৪ সংসদীয় আৰু বিধানমণ্ডলীয় বিশেষাধিকাৰ ঃ ধাৰণা (Parliamentary and Legislative Privileges: Concept)

সংসদীয় অথবা বিধানমণ্ডলীয় বিশেষাধিকাৰসমূহ হৈছে সাংসদ অথবা বিধানসভাৰ সদস্যসকলক তেওঁলোকে বিধানসভাত বা ইয়াৰ হৈ কৰা কার্যসমূহৰ আইনগত সুৰক্ষা। এই সুবিধাৰ ভিত্তিত কোনো বাহ্যিক সংগঠন অথবা ব্যক্তিয়ে সংসদৰ ভিতৰত কোৱা কথাৰ বাবে কোনো সাংসদক প্রশ্ন শুধিব নোৱাৰে। 1689ৰ Bill of Rightsৰ 7 নং অনুচ্ছেদৰ দ্বাৰা U.K.ৰ সাংসদসকলক সদনৰ কার্যসূচীৰ সময়ত সাংসদীয় সুবিধাসমূহৰ অন্যতম। কাৰণ ইয়ে 17শ শতিকাত চলা এক সংঘর্ষত ৰাজবংশীয় প্রশাসনৰ ওপৰত সংসদৰ বিজয় সাব্যস্ত কৰিছিল। অন্য বহুতো গণতান্ত্রিক সংসদত এনে ধৰণৰ সুবিধা আছে। আন কিছুমান কম গুৰুত্বপূর্ণ অধিকাৰ হ'ল- নাগৰিকক অধিনিয়মত আটক কৰিব নোৱাৰা স্বাধীনতা, ৰজাক সাক্ষাৎ কৰাৰ স্বাধীনতা, সংসদীয় সুবিধাৰ অপপ্রয়োগ কৰা সকলক অথবা সংসদৰ নিয়ম ভংগ কৰা লোকক শাস্তি প্রদানৰ অধিকাৰ আদি।

সংসদীয় বিশেষাধিকাৰক চৰম অধিকাৰ বুলিও আখ্যা দিয়া হয়।

সংসদীয় বিশেষাধিকাৰ কিছু ক্ষেত্রত বিতর্কমূলক হ'ব পাৰে। কাৰণ এই সুবিধাৰ অপব্যৱহাৰ কৰি কোনো সাংসদে সাধাৰণতে মানহানি আইনৰ দ্বাৰা বাধা প্রদান কৰা কোনো কার্য সহজে কৰিব পাৰে।

২.৪.১ বিধানমণ্ডলীয় আৰু সংসদীয় বিশেষাধিকাৰ সম্বন্ধীয় সাংবিধানিক ব্যৱস্থা (Constitutional Provisions on Legislative & Parliamentary Privileges)

ইউ.কে. আৰু আমেৰিকা যুক্তৰাষ্ট্রৰ লেখীয়াকৈ ভাৰতীয় সংবিধানেও কেন্দ্রীয় আৰু ৰাজ্যিক পর্যায়ত বিধানমণ্ডলীয় সদনৰ কামকাজত স্বাধীনতা প্রদান কৰিছে। 105 নং অনুচ্ছেদৰ জৰিয়তে সংসদৰ দুয়ো সদনৰ লগতে ইয়াৰ সদস্য আৰু সমিতিসমূহৰ সংসদীয় সুবিধাৰ খতিয়ান দিয়া হৈছে। আনহাতে 194 নং অনুচ্ছেদৰ জৰিয়তে 105 নং অনুচ্ছেদৰ লেখীয়াকৈ ৰাজ্য বিধানসভা, সেইসমূহৰ সদস্য আৰু সমিতিসমূহক সামৰি লৈছে। সদনে ইয়াৰ সদস্যসমূহৰ অবিহনে কাম-কাজ চলাই নিবলৈ অসমর্থ হোৱাৰ বাবে সদস্যসকলক সুৰক্ষা প্রদান কৰা হয়। 105 আৰু 194 নং অনুচ্ছেদৰ নিয়মৰ মাজত কোনো পার্থক্য নথকাৰ বাবে কেৱল প্রথমটো বিষয়ে উল্লেখ কৰাটোৱে যথেষ্ট।

সংসদে সম্পাদন কৰা উচ্চ-পর্যায়ৰ আৰু বহুমুখী কার্যপালিকাৰ পৰিপ্রেক্ষিতত সংসদীয় সুবিধাসমূহ অতি গুৰুত্বপূর্ণ।

২.৪.২ বাক্ স্বাধীনতা (Freedom of speech)

সংবিধানৰ 105 নং অনুচ্ছেদৰ প্ৰথম পৰিচ্ছেদে, সংসদত বাক্ স্বাধীনতাক সুৰক্ষা প্ৰদান কৰিছে। আনহাতে দ্বিতীয় পৰিচ্ছেদ অনুযায়ী কোনো এজন সাংসদে, সংসদত অথবা কোনো সংসদীয় সমিতিত দিয়া মতামত অথবা মতদানৰ বাবে ন্যায়ালয়ৰ বিচাৰৰ অধীন নহয়। 105 নং অনুচ্ছেদৰ দ্বিতীয় পৰিচ্ছেদে সাংসদসকলক তেওঁলোকৰ সদনৰ মজিয়াত আগবঢ়োৱা সকলো ধৰণৰ কথা-বতৰা আৰু মতামতৰ বাবে সম্পূৰ্ণ নিৰাপত্তা প্ৰদান কৰিছে। সেয়েহে সংসদত কোৱা কথাৰ বাবে কোনো সাংসদৰ বিৰুদ্ধে মানহানি ইত্যাদি সম্পৰ্কীয় গোচৰ তৰিব পৰা নাযায়। এই অধিকাৰ সংসদত অথবা কোনো সংসদীয় সমিতিৰ ক্ষেত্ৰতো খাটে। স্পষ্টভাৱে উল্লেখ নাথাকিলেও, বাক্ স্বাধীনতাৰ অধীনত মতামতৰ বাহিৰেও সংসদৰ অন্যান্য কাৰ্যাৱলী যেনে- বিধেয়ক সম্পৰ্কীয় জাননী, প্ৰশ্ন, সমিতিসমূহৰ ৰিপ'ৰ্ট অথবা কাৰ্যব্যৱস্থা ইত্যাদিক সামৰি লোৱা হৈছে।

সংসদত বাক্ স্বাধীনতা হৈছে ভাৰতীয় সংবিধানৰ অধীনৰ সংসদীয় ব্যৱস্থা সম্পৰ্কীয়, অৰ্থাৎ সংবিধানৰ পঞ্চম অধ্যায়ৰ 118, 121, 208 আৰু 211 নং অনুচ্ছেদত উল্লিখিত ব্যৱস্থা সম্পৰ্কীয়। উদাহৰণস্বৰূপে, কোনো সাংসদে বাক্ স্বাধীনতাৰ সহায়েৰে উচ্চ অথবা উচ্চতম ন্যায়ালয়ৰ কোনো ন্যায়াধীশৰ বিষয়ে মন্তব্য আগবঢ়াব নোৱাৰে। ইয়াৰোপৰি সাংসদসকল সংসদীয় নীতিৰ অধীন, অৰ্থাৎ বাক্ স্বাধীনতাৰ জৰিয়তে অসংসদীয় ভাষাৰ ব্যৱহাৰ অথবা কাৰ্যকলাপ কৰিব নোৱাৰে।

প্ৰথম পৰিচ্ছেদে সাংসদসকলক প্ৰদান কৰা বাক্ স্বাধীনতা হৈছে 19 [1](ক) নং অনুচ্ছেদে নাগৰিকসকলক প্ৰদান কৰা স্বাধীনতাতকৈ পৃথক। নাগৰিকৰ বাক্ স্বাধীনতাই সকলো ধৰণৰ মন্তব্য আদিৰ পৰা সুৰক্ষা প্ৰদান নকৰে। সেয়েহে এই অধিকাৰৰ ওপৰত 19 [2] নং অনুচ্ছেদৰ জৰিয়তে যুক্তিসংগত বাধা প্ৰদান কৰাৰ ব্যৱস্থা আছে। কিন্তু 105 নং অনুচ্ছেদৰ জৰিয়তে প্ৰদান কৰা অধিকাৰৰ সহায়ত সাংসদসকল কোনে সংসদীয় বিতৰ্কত অথবা সমিতিত দিয়া মন্তব্যৰ বাবে ন্যায়ালয়ৰ বিচাৰাধীন নহয়। অৰ্থাৎ এই অধিকাৰৰ ওপৰত 19 [2] নং অনুচ্ছেদৰ দ্বাৰা যুক্তিসংগত বাধা আৰোপ কৰিব নোৱাৰি। অৱশ্যে প্ৰথম আৰু দ্বিতীয় পৰিচ্ছেদৰ দ্বাৰা কোনো যুক্তিসংগত বাধা আৰোপ কৰিব নোৱাৰি। অৱশ্যে সদনৰ মজিয়াত দিয়া মন্তব্যৰ ক্ষেত্ৰতহে সুৰক্ষা প্ৰদান কৰে। সদনৰ বাহিৰত দিয়া মন্তব্যৰ ক্ষেত্ৰত এই অধিকাৰ প্ৰযোজ্য নহয়। একেধৰণে, সদনত আগবঢ়োৱা কোনো মন্তব্য কোনো সাংসদে সদনৰ বাহিৰত প্ৰকাশ কৰি লে সেই মন্তব্যৰ বাবে মানহানিৰ গোচৰ তৰিব পাৰি।

২.৪.৩ সংসদীয় কার্যাৱলী প্ৰকাশ কৰাৰ অধিকাৰ (Right of publication of proceedings)

105 নং অনুচ্ছেদৰ দ্বিতীয় পৰিচ্ছেদ অনুসৰি সংসদৰ আদেশ অনুযায়ী প্ৰকাশ কৰা নথি-পত্ৰ, মতদান অথবা কার্যাৱলীৰ বাবে কোনো সাংসদ ন্যায়ালয়ৰ ওচৰত দায়ী নহয়। English Common Law য়ে সংসদীয় কার্যাৱলীৰ কোনো শুদ্ধ আৰু ভাৱে কোনো বাতৰিকাকত ইত্যাদিত প্ৰকাশ কৰাৰ অধিকাৰক সুৰক্ষা প্ৰদান কৰিছে। ভাৰতত সংসদীয় কার্যাৱলী (প্ৰকাশনৰ সুৰক্ষা) আইন অর্থাৎ Parliamentary Proceedings (Protection of Publication) 1956 ৰ তৃতীয় অধ্যায় অনুসৰি কোনো বিদ্বেষজনিত কাৰণত প্ৰকাশ কৰা বুলি প্ৰমাণ নোহোৱালৈকে কোনো এজন ব্যক্তিৰ ওপৰতে সদনৰ শুদ্ধ ৰূপত প্ৰকাশ কৰাৰ ক্ষেত্ৰত ন্যায়ালয়ত দেৱানী অথবা ফৌজদাৰী গোচৰ তৰিব নোৱাৰি। এই আইনে কেৱল বাতৰিকাকত আৰু অন্য প্ৰচাৰ মাধ্যমৰ ক্ষেত্ৰতহে সুৰক্ষা প্ৰদান কৰিছে। আনহাতে ৰাজহুৱা স্বাৰ্থত প্ৰচাৰ কৰা তথ্যৰ ক্ষেত্ৰতহে এই আইন কার্যকৰী হয়।

২.৪.৪ ন্যায়ালয় সম্বন্ধীয় বিশেষাধিকাৰ (Law Courts and Privileges)

105 আৰু 194 নং অনুচ্ছেদৰ জৰিয়তে সংসদৰ দুয়ো সদন, ৰাজ্য বিধানসভা আৰু সংসদ তথা বিভিন্ন সমিতিক প্ৰদান কৰা সকলো ক্ষমতা, বিশেষাধিকাৰ আৰু নিৰাপত্তা কেৱল সংবিধানত উল্লিখিত ব্যৱস্থা আৰু নির্দিষ্ট আইনৰ সহায়তহে ব্যৱহাৰ কৰিব পাৰি। সংসদৰ কোনো এক সদন অথবা কোনো বিধান পৰিষদে, কোনো ব্যক্তি অথবা ঘটনাক কেন্দ্ৰ কৰি আইন আদালতৰ লেখীয়াকৈ বিচাৰ কৰিব নোৱাৰে। কিন্তু প্ৰশাসনৰ অৱমাননাৰ ক্ষেত্ৰত অর্ধন্যায়িক পদক্ষেপ ল'ব পাৰে আৰু প্ৰশাসনীয় কাম-কাজ সূচাৰুৰূপে চলাই নিয়াৰ ক্ষেত্ৰত সন্মুখীন হোৱা বাধা আঁতৰাবলৈ নিজৰ বিশেষাধিকাৰ আদিৰ প্ৰয়োগ কৰি মতামত উত্থাপন কৰিব পাৰে। কোনো ন্যায়িক প্ৰশ্নৰ অৱতাৰণাৰ ক্ষেত্ৰত কেৱল নির্দিষ্ট ব্যৱস্থাৰ জৰিয়তে আৰু এক নির্ধাৰিত কার্যক্ৰম অনুসৰি আদালতৰ দ্বাৰা পদক্ষেপ লোৱা হয়। উদাহৰণস্বৰূপে, সদনৰ ভিতৰত সংঘটিত হোৱা কোনো হত্যা আদিৰ বাবে তৰা ফৌজদাৰী গোচৰ বিচাৰ কৰাৰ অধিকাৰ কেৱল ন্যায়ালয়ৰহে থাকে। এই ক্ষেত্ৰত সংসদ অথবা ৰাজ্যবিধানসভাক কোনো ক্ষমতা প্ৰদান কৰা নহয়। ইয়াৰোপৰি নির্বাচন সংক্ৰান্তীয় বিচাৰৰ ক্ষেত্ৰত সংসদ অথবা ৰাজ্য বিধানসভাই 105 আৰু 194 নং অনুচ্ছেদৰ সহায়েৰে ক্ষমতাৰ প্ৰয়োগ কৰিব নোৱাৰে। এনে ধৰণৰ বিচাৰ সম্পন্ন কৰিবলৈ 329 নং অনুচ্ছেদৰ নির্দেশানুসৰি 1951 ত জনপ্ৰতিনিধি আইন(Representation of People Act) প্ৰণয়ন কৰি বিশেষ ব্যৱস্থা গ্ৰহণ কৰা হৈছে।

২.৪.৫ সংসদীয় আৰু বিধানমণ্ডলীয় বিশেষাধিকাৰ সম্বন্ধীয় কিছু কথা (Some points on Parliamentary and Legislative Privileges)

ভাৰতীয় সংবিধানৰ অধীনত সংসদ আৰু বিধানসভাৰ সদস্য আৰু সমিতি সমূহে লাভ কৰা বিশেষাধিকাৰৰ কিছু নিয়ম আৰু আইন এনে ধৰণৰ ঃ

1¼সংসদত বাক্ স্বাধীনতা [105 [1] নং অনুচ্ছেদ]

2। সংসদ অথবা সংসদীয় সমিতিত দিয়া মতামত আৰু মতদানৰ ক্ষেত্ৰত ন্যায়ালয়ৰ বিচাৰাধীন হোৱাৰ পৰা সুৰক্ষা [105 [2] নং অনুচ্ছেদ]

3। সংসদৰ দুয়ো সদনৰ দ্বাৰা প্ৰকাশিত প্ৰতিবেদন, কাগজ-পত্ৰ, মতদান অথবা সংসদীয় কাৰ্যৰ বিষয়ে ন্যায়ালয়ে কোনো সাংসদক বিচাৰাধীন কৰিব নোৱাৰে [105 [2] নং অনুচ্ছেদ]

4। সংসদৰ কাৰ্যাৱলীৰ ক্ষেত্ৰত ন্যায়ালয়ে কোনো অনুসন্ধান চলাব নোৱাৰিব (122 নং অনুচ্ছেদ)

5¼ দেৱানী গোচৰৰ ক্ষেত্ৰত সংসদৰ কোনো সদস্যকে অধিৱেশন চলি থকা কালচোৱাত অধিৱেশন আৰম্ভ হ'বলৈ চল্লিশ দিন থকাৰ পৰা অধিৱেশন শেষ হোৱাৰ চল্লিশ দিন পিছলৈ আটক কৰিব পৰা নাযায়। [(Code of Civil Procedure.....ৰ 135নং ধাৰা অনুসৰি]

6। কোনো সাংসদৰ আটকাধীন হোৱা, বন্দী হোৱা, দোষী সাব্যস্ত হোৱা, কাৰাদণ্ড আৰু তাৰ পৰা মুক্ত হোৱাৰ বিষয়ে সদনৰ অৱগত হোৱাৰ অধিকাৰ থাকে। [(Rules of Procedure and Conduct of Business in Rajya Sabha)] ৰাজ্য সভাৰ 222(ক) আৰু 222(খ) নিয়ম অনুসৰি।

7¼ সভাপতিঞঅধ্যক্ষৰ অনুমতি অবিহনে সদনৰ মজিয়াত কাকো আটক কৰিব অথবা ন্যায়িক ব্যৱস্থা চলাব নোৱাৰি।

8¼ সদনৰ কোনো গোপনীয় বৈঠকৰ কাৰ্যাৱলী অথবা সিদ্ধান্তৰ বিষয়ে বাহিৰত প্ৰচাৰ কৰাটো নিষেধ।

9¼ সদনৰ অনুমতি অবিহনে কোনো সাংসদ অথবা সংসদৰ বিষয়াই সদনৰ কাৰ্যাৱলীৰ সৈতে জড়িত কোনো প্ৰমাণ অথবা দস্তাবেজ, আদালতক দিব নোৱাৰি। (First Report of Committee of Privileges of Rajya Sabha presented to the House on 1st May, 1958)

10। কোনো সদস্য অথবা বিষয়াই, আনটো সদনঞসমিতি অথবা ৰাজ্য বিধানসভাঞসমিতি ইত্যাদিত নিজৰ সদনৰ অনুমতি অবিহনে সাক্ষ্যদান কৰিব নোৱাৰি আৰু নিজৰ ইচ্ছা অবিহনে ইয়াৰ বাবে বাধ্য কৰোৱাটো নিষেধ (of Sixth Report of committee of privileges of second Lok Sabha, adopted by Lok Sabha on 17th December, 1958 and Thirty-third Report of the Committee of Privileges of

Rajya Sabha, adopted by the House on 30th March, 1993)

11। সকলো সংসদীয় সমিতিয়ে কোনো অনুসন্ধানৰ বাবে প্ৰয়োজনীয় ব্যক্তি, নথিপত্ৰ ইত্যাদিৰ বাবে আবেদন কৰিব পাৰে। কোনো সমিতিৰ প্ৰয়োজন অনুসৰি কোনো এজন সাক্ষীক তেনে নথি-পত্ৰ হস্তান্তৰ কৰিবলৈ ন্যায়িক নিৰ্দেশ দিব পাৰে।

12¼ তেনে প্ৰমাণ সদনৰ চৰ্চিত নোহোৱালৈকে আৰু সংসদীয় সমিতিৰ প্ৰতিবেদন অথবা কাৰ্যাৱলীৰ খতিয়ান বাহিৰত প্ৰকাশ কৰাটো নিষেধ।

২.৪.৬ সাংবাদিকতাৰ ওপৰত সংসদীয় আৰু বিধানমণ্ডলীয় বিশেষাধিকাৰৰ প্ৰভাৱ (Effect of Legislative & Parliamentary Privileges on Media Reporting)

সংবাদ মাধ্যমক বহুক্ষেত্ৰত সংসদৰ স্বৰূপ বোলা হয়। সংবাদ মাধ্যমে জনসাধাৰণক সংসদীয় কাৰ্যাৱলীৰ বিষয়ে আৰু বিভিন্ন প্ৰতিবেদনৰ বিষয়ে অৱগত কৰি ৰাখে। যদিও প্ৰতিজন সাংসদক সংবাদ মাধ্যমে সজাগ কৰি ৰাখে তথাপিও, সংবাদ মাধ্যমত প্ৰচাৰিত প্ৰতিবেদন সম্পূৰ্ণ শুদ্ধ নহ'লে, এইক্ষেত্ৰত সাংসদসকলে এক অসুবিধাৰ সন্মুখীন হ'ব পাৰে। সেয়েহে সংসদৰ অনেক বিষয়াই (Presiding Officer) কেৱল সংবাদ মাধ্যমৰ খবৰৰ ওপৰত ভিত্তি কৰি উত্থাপন কৰা প্ৰশ্ন বিধেয়ক আৰু জাননী আদিৰ অন্তৰ্ভুক্তি নাকচ কৰিছে। সেয়েহে সংসদত আগবঢ়োৱা জাননী সংক্ৰান্তীয় যাবতীয় প্ৰমাণসমূহ প্ৰতিজন সাংসদে দিয়াটো বাধ্যতামূলক।

ভাৰতীয় সংবিধানে সংবাদ মাধ্যমৰ স্বাধীনতাৰ বিষয়ে যদিও উল্লেখ কৰা নাই তথাপিও 19[1](ক) নং অনুচ্ছেদৰ জৰিয়তে প্ৰদান কৰা 'বাক্ স্বাধীনতা আৰু মত প্ৰকাশৰ অধিকাৰ'ত ইয়াক সামৰি লোৱা হৈছে। এই বিষয়ে ন্যায়ালয়েও মত প্ৰকাশ কৰিছে। কিন্তু এই স্বাধীনতাৰ অপব্যৱহাৰ কৰি সংসদৰ কাৰ্যাৱলী আংশিকভাৱে হ'লেও, বাহিৰত প্ৰকাশ কৰাটো সংসদীয় বিশেষাধিকাৰ ভংগ কৰা আৰু সংসদক অৱমাননা কৰা বুজায়। উচ্চতম ন্যায়ালয়ে এই ক্ষেত্ৰত জাননী জাৰি কৰিছে, যে সংসদীয় কাৰ্যাৱলীৰ পূৰ্ণ অথবা আংশিক প্ৰকাশক (সেই প্ৰকাশত সত্যতা থাকিলেও), তাক অনৈতিক আচৰণ বুলি গণ্য কৰা হ'ব আৰু সংসদীয় বিশেষাধিকাৰ ভংগ কৰা বুজাব।

অৱশ্যে সংসদৰ দ্বাৰা অথবা সংসদৰ নিৰ্দেশ অনুসৰি প্ৰকাশ কৰা দুয়ো সদনৰ কাৰ্যাৱলীৰ ক্ষেত্ৰত জড়িত ব্যক্তিসকলক সংবিধানে নিৰাপত্তা প্ৰদান কৰিছে[105[2]নং অনুচ্ছেদ]। এই নিৰাপত্তা, কোনো সদনৰ নিৰ্দেশ অবিহনে সাংসদ নাইবা আন ব্যক্তিৰদ্বাৰা বাতৰিকাকতত প্ৰকাশিত কাৰ্যাৱলীৰ ক্ষেত্ৰত প্ৰযোজ্য নহয়। কিন্তু ৰাজহুৱা স্বাৰ্থৰ বাবে আৰু অপযশৰ সম্ভাৱনা নথকা কোনো সত্য সংসদীয় প্ৰতিবেদন, বাতৰিকাকত অথবা অনাতাঁৰ যোগে (Broadcasts by wireless telegraphy) প্ৰচাৰ কৰাৰ ক্ষেত্ৰত, সংবিধানে নিৰাপত্তা প্ৰদান কৰিছে।



অগ্রগতি নিৰীক্ষণ - খ

1। সাংবিধানিক বা বিধানমণ্ডলীয় বিশেষাধিকাৰ কাক বোলে?

2। ভাৰতীয় সংবিধানৰ কোন দুটা অনুচ্ছেদত সাংবিধানিক বিশেষাধিকাৰৰ ব্যৱস্থাৰ বিষয়ে উল্লেখ কৰা হৈছে?

3। ভাৰতীয় সংবিধানৰ 105 নং অনুচ্ছেদৰ আধাৰত বাক্ স্বাধীনতাক কেনেদৰে বুজোৱা হৈছে?

4। তলত উল্লিখিত কোনবিধ সাংবিধানিক আৰু বিধানমণ্ডলীয় বিশেষাধিকাৰ নহয়?

(ক) কার্যবিৱৰণী প্রকাশ কৰাৰ অধিকাৰ

(খ) আটকাধীন হোৱাৰ পৰা স্বাধীনতা

(গ) বাক্ স্বাধীনতা

(ঘ) সংসদীয় কোনো কথাৰ বাবে আইনৰ বিচাৰাধীন হোৱাৰ পৰা সুৰক্ষা

(ঙ) আইনৰ দ্বাৰা দোষী সাব্যস্ত হোৱাৰ পৰা সুৰক্ষা

২.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টিত আমি জৰুৰী পৰিস্থিতি, জৰুৰীকালীন অৱস্থা, এই সংক্রান্তীয় সংসদীয় আৰু বিধানমণ্ডলীয় ব্যৱস্থা আৰু লগতে এই সকলোবোৰৰ বাবে সাংবাদিকতাৰ ওপৰত জাৰি কৰা সীমাবদ্ধতাৰ বিষয়ে আলোচনা কৰিলো। তাৰে সাৰাংশখিনি এবাৰ জুকিয়াই চাওঁ আহক-

জৰুৰী পৰিস্থিতিৰ অর্থ হৈছে কোনো অস্বাভাৱিক অথবা আকস্মিক পৰিস্থিতি, যাৰ বাবে অতি ক্ষীপ্রতাৰে ক্রিয়া কৰিবলগীয়া হয়। এনে আকস্মিক দুর্ঘটনা বা জৰুৰী পৰিস্থিতিয়ে স্বাস্থ্য, সম্পত্তি, পৰিৱেশ আনকি জীৱনো সংকটাপন্ন কৰি তুলিব পাৰে। এনে ঘটনা অতি আকস্মিকভাৱে সংঘটিত হোৱা বাবে বহুসময় পিছতহে ইয়াৰ বাবে দৰকাৰী ব্যৱস্থা গ্রহণ কৰিব পৰা যায়। আনহাতে, জৰুৰীকালীন অৱস্থা হৈছে চৰকাৰৰ দ্বাৰা ঘোষিত এনে এক স্থিতি, যেতিয়া সকলো সাধাৰণ অৱস্থাৰ আইন আৰু সংবাদ মাধ্যমৰ স্বাধীনতাকে ধৰি সকলো নাগৰিক অধিকাৰ বাতিল কৰা হয়।

ভাৰতৰ প্রেক্ষাপটত, দেশৰ বাষ্ট্রপতিয়ে, দেশৰ অভ্যন্তৰীণ অথবা বাহ্যিক উৎসৰ পৰা ধাৰণা কৰা সম্ভাব্য বিপদৰ আশংকাৰ ক্ষেত্রত অথবা অর্থনৈতিক দুর্যোগৰ পৰিস্থিতিত, ঘোষণা কৰা এক পৰিবর্তিত সাংবিধানিক ব্যৱস্থাৰ প্রশাসনকালক জৰুৰীকালীন অৱস্থা বোলা হয়। এনে ঘোষণা মন্ত্রী পৰিষদৰ পৰামর্শ মতে কৰা হয়।

ৰাষ্ট্ৰপতিয়ে মুঠ তিনি প্ৰকাৰৰ জৰুৰী অৱস্থা ঘোষণা কৰিব পাৰে ঃ ৰাষ্ট্ৰীয় জৰুৰীকালীন অৱস্থা (352 নং অনুচ্ছেদৰ দ্বাৰা ঘোষণা কৰা এই অৱস্থাত সকলো মৌলিক অধিকাৰ অক্ষুণ্ণ ৰখা হয়) আৰু অৰ্থনৈতিক জৰুৰীকালীন অৱস্থা (360 নং অনুচ্ছেদৰ দ্বাৰা ঘোষণা কৰা এই অৱস্থাত সকলো মৌলিক অধিকাৰ অক্ষুণ্ণ ৰখা হয়।)। ৰাষ্ট্ৰীয় জৰুৰী অৱস্থাত 19 নং অনুচ্ছেদ বাতিল কৰা হয় অৰ্থাৎ সংবাদ মাধ্যমৰ স্বাধীনতা বাতিল কৰা হয়।

সংসদীয় অথবা বিধানমণ্ডলীয় বিশেষাধিকাৰ হৈছে সাংসদ অথবা বিধানসভাৰ সদস্যসকলক তেওঁলোকে সদনত বা সদনৰ হৈ কৰা কাৰ্যসমূহৰ আইনগত সুৰক্ষা। এই বিশেষাধিকাৰক চৰম অধিকাৰ বুলিও আখ্যা দিয়া হয়। ভাৰতীয় সংবিধানে 105 আৰু 194 নং অনুচ্ছেদৰ জৰিয়তে কেন্দ্ৰীয় আৰু ৰাজ্যিক স্তৰত, সদনৰ কাৰ্যাৱলীক স্বাধীনতা প্ৰদান কৰিছে। 'বাক্ স্বাধীনতা' আৰু 'সংসদীয় কাৰ্যাৱলী প্ৰকাশ কৰাৰ অধিকাৰ' এই দুই ধৰণৰ ব্যৱস্থাৰ দ্বাৰা সাংসদসকলক নিৰাপত্তা প্ৰদান কৰা হৈছে।

কিন্তু 'বাক্ স্বাধীনতা আৰু মত প্ৰকাশৰ অধিকাৰ'ৰ অপব্যৱহাৰ কৰি, সংসদৰ কাৰ্যাৱলী, আংশিকভাৱে হ'লেও বাহিৰত প্ৰকাশ কৰাটোৱে সংসদীয় বিশেষাধিকাৰ ভংগ কৰা আৰু সংসদক অৱমাননা কৰা বুজায়। অৱশ্যে, ৰাজহুৱা স্বাৰ্থৰ বাবে আৰু অপযশৰ সম্ভাৱনা নথকা কোনো সত্য সংসদীয় প্ৰতিবেদন বাতৰিকাকত আৰু অনাতাঁৰ মাধ্যম যোগে প্ৰচাৰ কৰাৰ ক্ষেত্ৰত সংবিধানে সুৰক্ষা প্ৰদান কৰিছে।

২.৬ অধিক জানিবলৈ

H.K. Saharay : The Constitution of India- An Analytical Approach

Dr. J.N. Pandey : Constitutional Law of India

Aurobindo Mozumdar : The Law and the Newspaper

২.৭ অগ্ৰগতি খতিয়ান

অগ্ৰগতিৰ নিৰীক্ষণ - ক

1¼ জৰুৰী পৰিস্থিতিৰ অৰ্থ হৈছে কোনো অস্বাভাৱিক অথবা আকস্মিক পৰিস্থিতি, যাৰ বাবে অতি ক্ষীপ্ৰতাৰে ক্ৰিয়া কৰিবলগীয়া হয়। এনে আকস্মিক পৰিস্থিতিয়ে স্বাস্থ্য, সম্পত্তি, পৰিবেশ আনকি জীৱনো সংকটাপন্ন কৰি তুলিব পাৰে। এনে ঘটনাই অতি আকস্মিকভাৱে সংঘটিত হোৱা বাবে, বহু সময় পাছতহে ইয়াৰ বাবে দৰকাৰী ব্যৱস্থা গ্ৰহণ কৰিব পৰা যায়।

2¼ জৰুৰীকালীন অৱস্থা হৈছে চৰকাৰৰ দ্বাৰা ঘোষিত এনে এক স্থিতি, যেতিয়া সকলো সাধাৰণ অৱস্থাৰ আইন আৰু সংবাদ মাধ্যমৰ স্বাধীনতাকে ধৰি সকলো নাগৰিক অধিকাৰ বাতিল কৰা হয়।

3¼ ভাৰতীয় সংবিধানৰ XVIII অংশৰ 352ৰ পৰা 360 অনুচ্ছেদলৈ জৰুৰী অৱস্থাৰ আইন সন্নিবিষ্ট কৰা হৈছে।

4¼ (ক) (iii) তিনিবাৰ

(খ) (iv) জীয়াই থকা আৰু ব্যক্তিগত স্বাধীনতাৰ অধিকাৰ

(গ) (iii) ৰাজ্যপাল

(ঘ) (iv) 360

অগ্ৰগতি নিৰীক্ষণ - খ

1¼ সংসদীয় অথবা বিধানমণ্ডলীয় বিশেষাধিকাৰ হৈছে সাংসদ অথবা বিধানসভাৰ সদস্যসকলক তেওঁলোকে সদনত বা সদনৰ হৈ কৰা কার্যসমূহৰ আইনগত সুৰক্ষা।

2¼ ভাৰতীয় সংবিধানৰ 104 আৰু 194 অনুচ্ছেদত সংসদীয় অথবা বিধানমণ্ডলীয় বিশেষাধিকাৰৰ বিষয়ে বিশ্লেষণ কৰা হৈছে।

3¼ সংবিধানৰ 105 নং অনুচ্ছেদৰ প্ৰথম পৰিচ্ছেদে সংসদত বাক্ স্বাধীনতাক সুৰক্ষা প্ৰদান কৰিছে। আনহাতে দ্বিতীয় পৰিচ্ছেদ অনুযায়ী, কোনো এজন সাংসদে সংসদত অথবা কোনো সংসদীয় সমিতিত দিয়া মতামত অথবা মতদানৰ বাবে ন্যায়ালয়ৰ বিচাৰৰ অধীন নহয়।

4¼ (ঙ) আইনৰ দ্বাৰা দোষী সাব্যস্ত হোৱাৰ পৰা সুৰক্ষা

২.৮ সম্ভাব্য প্ৰশ্ন

1¼ ভাৰতীয় সংবিধানৰ অধীনৰ জৰুৰীকালীন ব্যৱস্থাৱলী বিশ্লেষণ কৰক।

2¼ ভাৰতীয় সংবিধানৰ জৰুৰীকালীন ব্যৱস্থাই সাংবাদিকতাক কিদৰে প্ৰভাৱিত কৰে?

3¼ ভাৰতীয় সংবিধানৰ অধীনৰ সংসদীয় আৰু বিধানমণ্ডলীয় বিশেষাধিকাৰসমূহ বিশ্লেষণ কৰক।

4। ভাৰতীয় সংবিধানৰ অধীনৰ সংসদীয় আৰু বিধানমণ্ডলীয় বিশেষাধিকাৰসমূহে সাংবাদিকতাক কেনেদৰে প্ৰভাৱিত কৰে?

5¼ সংসদীয় আৰু বিধানমণ্ডলীয় বিশেষাধিকাৰ সম্পৰ্কীয় সংবিধানৰ ভিন্ন আইন আৰু নিয়মসমূহ চমুকৈ ব্যাখ্যা কৰক।

অধ্যায়- ৩ ঃ সংবাদ মাধ্যমৰ স্বাধীনতাৰ আইনগত দিশসমূহ

অধ্যায় গাঁথনি

3.1 উদ্দেশ্য

3.2 পৰিচয়

3.3 সংবাদ মাধ্যমৰ স্বাধীনতাৰ ধাৰণা

3.3.1 সংবাদ মাধ্যমৰ স্বাধীনতাৰ ইতিহাস

3.3.2 সংবাদ মাধ্যমৰ স্বাধীনতা ঃ সাংবিধানিক নিশ্চয়তা আৰু যুক্তিসংগত বাধা

3.4 মানহানি ঃ ধাৰণা

3.4.1 মানহানিৰ প্ৰকাৰ

3.4.2 মানহানি আৰু আইন

3.4.3 মানহানিৰ ক্ষেত্ৰত বিভিন্ন লোকৰ দায়বদ্ধতা

3.5 চৰকাৰী গোপনীয়তা আইন, 1923

3.6 তথ্য জনাৰ অধিকাৰ ঃ ধাৰণা

3.6.1 তথ্য জনাৰ অধিকাৰ ঃ এক মানৱ অধিকাৰ

3.6.2 তথ্য জনাৰ অধিকাৰ ঃ আন্তৰাষ্ট্ৰীয় প্ৰেক্ষাপট

3.6.3 তথ্য জনাৰ অধিকাৰ ঃ ভাৰতীয় প্ৰেক্ষাপট

3.6.4 তথ্য জনাৰ অধিকাৰ আইন, 2005

3.7 অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

3.8 অধিক জানিবলৈ

3.9 অগ্ৰগতিৰ খতিয়ান

3.10 সম্ভাব্য প্ৰশ্ন

৩.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি

- সংবাদ মাধ্যমৰ স্বাধীনতাৰ ধাৰণা সম্পৰ্কে ব্যাখ্যা কৰিব পাৰিব
- সংবাদ মাধ্যমৰ স্বাধীনতাৰ সাংবিধানিক ব্যৱস্থাৱলী বিশ্লেষণ কৰিব পাৰিব
- সাংবাদিকৰ নিৰ্দেশক নীতিসমূহ বিশ্লেষণ কৰিব পাৰিৱ
- মানহানিৰ ধাৰণা আৰু প্ৰকাৰ সম্পৰ্কে আলোচনা কৰিব পাৰিব
- সাংবিধানিক আৰু অন্যান্য আইনসমূহ বিশ্লেষণ কৰিব পাৰিব
- 1923 চনৰ চৰকাৰী গোপনীয়তা আইন সম্পৰ্কে আলোচনা কৰিব পাৰিব

- তথ্য জনাৰ অধিকাৰৰ ধাৰণা সম্পৰ্কে ব্যাখ্যা কৰিব পাৰিব
- তথ্য জনাৰ অধিকাৰৰ আন্তঃৰাষ্ট্ৰীয় বিধেয়কসমূহ কৰিব পাৰিব
- সাংবিধানিক ব্যৱস্থা আৰু অন্যান্য আইনসমূহ বিশ্লেষণ কৰিব পাৰিব

৩.২ পৰিচয়

সংবাদ মাধ্যমৰ স্বাধীনতাৰ আইনগত দিশত বহুতো বিধানমণ্ডলীয় আৰু কিছু সাংবিধানিক চৰ্ত অন্তৰ্ভুক্ত হৈ আছে। এই অধ্যায়টিত আপুনি সংবাদ মাধ্যমৰ সৈতে জড়িত বহুতো অধিকাৰৰ বিষয়ে জানিব পাৰিব, যিবোৰ যোগাযোগৰ ক্ষেত্ৰত অতি শক্তিশালী সংবিধানৰ অধীনৰ সংবাদ মাধ্যম সম্পৰ্কীয় স্বাধীনতা, ইয়াৰ লগত জড়িত নিশ্চয়তা, সীমাবদ্ধতাৰ আদিৰ সৈতেও পৰিচিত হ'ব পাৰে।

সংবাদ মাধ্যমৰ স্বাধীনতাৰ আন এক গুৰুত্বপূৰ্ণ দিশ হৈছে মানহানি। এই অধ্যায়টিত ভাৰতীয় দণ্ডবিধি আইনৰ চৰ্তসমূহো সামৰি লোৱা হৈছে। শেষত আন্তৰ্জাতিক আৰু বিধানমণ্ডলীয় আইনৰ লগতে সাংবিধানিক চৰ্তসমূহৰ পৰিপ্ৰেক্ষিতত তথ্য জনাৰ অধিকাৰ সম্পৰ্কে আলোচনা কৰা হৈছে। আমি আশা ৰাখিছো, যে অধ্যায়টি অধ্যয়ন কৰি আপুনি চৰকাৰী গোপনীয়তা আইন (Official Secrets Act), 1923 ৰ বিষয়েও জানিব পাৰিব।

পৰৱৰ্তী অধ্যায়টিত আমি ভাৰতীয় সংবাদ পৰিষদ (Press Council of India)ৰ গুৰুত্ব, সাংবাদিকৰ নৈতিক আচৰণ নীতি (Ethical Code of Conduct)ৰ ক্ৰমবিকাশ আৰু ইয়াৰ আন্তৰ্জাতিক নীতিৰ বিকাশ, সক্ৰিয় সাংবাদিকসকলৰ সুবিধাৰ বাবে 1955 চনত প্ৰণয়ন কৰা সক্ৰিয় সাংবাদিক প্ৰযোজ্য হোৱা মতে ব্যৱহাৰ কৰিব আৰু বাতৰি কাকতৰ আন কৰ্মীসকলৰ সক্ৰিয় (সক্ৰিয় সাংবাদিক আৰু অন্যান্য সংবাদকৰ্মী)ৰ আইন (Working Journalists and other Newspaper Employees, Conditions of Services & Miscellaneous Provisions Act) ইত্যাদিৰ বিষয়ে বিশদভাৱে আলোচনা কৰিম।

৩.৩ সংবাদ মাধ্যমৰ স্বাধীনতাৰ ধাৰণা (Media Freedom: Concept)

এক শক্তিশালী যোগাযোগ মাধ্যম ৰূপে, সংবাদ মাধ্যমৰ গুৰুত্ব অপৰিসীম। চৰকাৰৰ পৰা অনেক ক্ষেত্ৰত পৃথক হোৱা প্ৰচাৰ মাধ্যমে চৰকাৰৰ এক শক্তিশালী সমালোচক ৰূপে বিবেচিত হৈছে। প্ৰচাৰ মাধ্যমৰ নিজস্ব ক্ষমতাৰ অপব্যৱহাৰ কৰি বহু ক্ষেত্ৰত ব্যক্তি স্বাধীনতাৰ ওপৰত আঘাত সনা বুলি আৰোপ কৰা হয়। সংবাদ মাধ্যমৰ স্বাধীনতা হ'ল এনে এক উপায়, যাৰ দ্বাৰা বাতৰিকাকত, কিতাপ, আলোচনী, অনাতাঁৰ

আৰু দূৰদৰ্শন আদি সকলো ধৰণৰ চৰকাৰী শাসন অথবা কৰ্তৃত্বৰ পৰা মুক্ত হ'ব পাৰে। সংবাদ মাধ্যমক প্ৰদান কৰা স্বাধীনতাৰ জৰিয়তে চৰকাৰে সকলো নাগৰিক, সংস্থা, বাতৰি প্ৰতিষ্ঠান, সংবাদসেৱী আৰু তেওঁলোকৰ সংবাদসেৱাক স্বাধীনতা দিছে। বিশ্বৰ বহুতো দেশত সংবাদ মাধ্যমৰ স্বাধীনতাৰ সৈতে জড়িত সাংবিধানিক সুৰক্ষাও আছে। যদিও সংবাদ মাধ্যমক গণতান্ত্ৰিক পৰম্পৰাত অন্তৰ্ভুক্ত কৰা হয়, তথাপিও বিশ্বৰ বিভিন্ন ঠাইত ইয়াৰ ধাৰণা ভিন্ন ধৰণৰ। পশ্চিম ইউৰোপীয় গণতন্ত্ৰসমূহৰ মাজত বা পশ্চিম ইউৰোপ আৰু আমেৰিকা যুক্তৰাষ্ট্ৰৰ মাজতো সংবাদ মাধ্যমৰ স্বাধীনতা সম্পৰ্কীয় ধাৰণাৰ প্ৰভেদ দেখা যায়। কোনো এক নিৰ্দিষ্ট সময়ত প্ৰচাৰ মাধ্যমে ব্যৱহাৰ কৰা স্বাধীনতাৰ ওপৰতে চৰকাৰৰ ওপৰত প্ৰয়োগ কৰা নিষেধাজ্ঞাৰ নীতি নিৰ্ভৰ কৰে। কোনো সময়ত বিভিন্ন সামাজিক, অৰ্থনৈতিক শক্তিয়ে সংবাদ মাধ্যমক নিৰ্দিষ্ট আইনতকৈ অধিক স্বাধীনতা প্ৰদান কৰিবলৈ চেষ্টা কৰিব পাৰে। আনহাতে, কোনো-কোনো পৰিস্থিতিত সেই একেই শক্তিসমূহে আইনমতে পাবলগীয়া স্বাধীনতাৰ পৰাও সংবাদ মাধ্যমক বঞ্চিত কৰিব পাৰে। সেয়েহে সংবাদ মাধ্যমৰ চৰকাৰৰ অধিকাৰক চিৰদিন ৰাজনৈতিক, আইনগত আৰু সাংবিধানিক নিষেধাজ্ঞাৰ অধীন বুলিব পাৰি।

৩.৩.১ সংবাদ মাধ্যমৰ স্বাধীনতাৰ ইতিহাস (History of Media Freedom)

কোনো দেশতে চৰকাৰ আৰু কোনো সময়ত গীৰ্জাই নিজৰ দখলত ৰখা সংবাদ মাধ্যমৰ স্বাধীনতা চৰম নহয়। অতীজৰে পৰা পশ্চিমীয়া দেশসমূহত গীৰ্জা আৰু ৰাষ্ট্ৰই বিজ্ঞান আৰু দৰ্শন বিষয়ক মত প্ৰকাশৰ পৰা উদ্ভৱ হ'ব পৰা ধৰ্ম বিৰোধীতা, যুৱ প্ৰজন্মৰ দূৰ্নীতি অথবা ৰাজদ্ৰোহ নিবাৰণ কৰিবৰ বাবে ধৰ্মপীড়ন অথবা ধৰ্ম নিৰ্যাতনৰ আশ্ৰয় লৈছিল। 16শ শতিকাৰ শেষাৰ্ধত ছপাশালৰ আৱিষ্কাৰ, অনুজ্ঞাপত্ৰ (Licencing) আৰু বিবাচক প্ৰক্ৰিয়াই (censorship) এইক্ষেত্ৰত বাধা সৃষ্টি কৰিবলৈ ধৰে। 17শ শতিকাত বাতৰি কাকতৰ উদ্ভাৱনে ইয়াক এক শক্তিশালী গণমাধ্যম ৰূপে প্ৰতিষ্ঠিত কৰে। বাতৰিকাকতে ৰাজতন্ত্ৰ আৰু ইয়াৰ বিভিন্ন অৱদমন প্ৰক্ৰিয়াৰ বিৰোধিতা কৰিবলৈ আৰম্ভ কৰে।

সংবাদ মাধ্যমৰ স্বাধীনতাৰ ধাৰণাৰ জন্ম হয় ইংলেণ্ডত। ইংলেণ্ডত বহুতো অনাস্বীকৃত প্ৰকাশৰ পিছত ৰাজপৰিষদে 1534 খ্ৰীষ্টাব্দত যিকোনো প্ৰকাশনৰ পূৰ্বে অনুজ্ঞাপত্ৰৰ প্ৰয়োজনীয়তাৰ বিষয়ে ঘোষণা কৰে। পাছলৈ টুডোৰ আৰু ষ্টুৱার্ড ৰজাসকলৰ দ্বাৰা অধিক বাধাৰ সৃষ্টি হ'বলৈ ধৰে আৰু ধৰ্মীয় বিৰোধিতাতকৈ ৰাজনৈতিক সমালোচনাৰ ক্ষেত্ৰত বিবাচকৰ গুৰুত্ব অধিক হ'বলৈ ধৰে। 1644 খ্ৰীষ্টাব্দত জন মিল্টনে তেওঁৰ 'Areopagitica'ত অনুজ্ঞাপত্ৰৰ আইনৰ কঠোৰভাৱে বিৰোধিতা কৰি প্ৰয়োজনত কোনো অপ্ৰীতিকৰ প্ৰকাশ, সদনৰ দ্বাৰা প্ৰকাশৰ পাছত বন্ধ কৰাৰ বাবে মত পোষণ কৰে। মিল্টনৰ এই মতামত প্ৰচাৰ মাধ্যমৰ স্বাধীনতাৰ ক্ষেত্ৰত এক মাইলৰ খুটি ৰূপে পৰিগণিত হৈছিল যদিও 1995 খ্ৰীষ্টাব্দতহে অনুজ্ঞাপত্ৰ আৰু বিবাচক আইন সম্পূৰ্ণৰূপে

বাতিল কৰা হয়। তাৰ পাছতো অৱশ্যে সংবাদ মাধ্যমৰ ওপৰত জাৰি কৰা বহুতো নিষেধাজ্ঞা বলবৎ আছিল আৰু এইক্ষেত্ৰত ৰাজদ্রোহ অথবা গণ বিদ্রোহৰ জৰিয়তে কৰা মানহানি আইনৰ অধীনত চৰকাৰে কোনো প্ৰকাশকক চৰকাৰৰ সমালোচনা প্ৰকাশ কৰাৰ অপৰাধত আটক কৰি শাস্তি দিব পাৰিছিল। কিন্তু ৰাজদ্রোহৰ জৰিয়তে কৰা মানহানিৰ কোনো নিৰ্দিষ্ট সংজ্ঞা নাছিল। 18শ শতিকাৰ পৰা ব্ৰিটেইনত প্ৰচাৰ মাধ্যমক ৰাষ্ট্ৰৰ শাসনৰ পৰা মুক্ত কৰা হৈছে। সেই সময়ত সংসদীয় বিতৰ্কসমূহক, বিশিষ্ট ব্যক্তিৰ মাজত হোৱা বিতৰ্কৰ ৰূপেৰে প্ৰকাশ কৰা হৈছিল। সেই সময়ত চৰকাৰৰ সঁচা আৰু মিছা দুই ধৰণৰ সমালোচকে মানহানি বুলি অভিহিত কৰা হৈছিল। দৰাচলতে 'সত্য যিমান উচ্চস্তৰৰ, মানহানিৰ স্তৰো সিমাইহে উচ্চ' এই ধাৰণা বলবৎ আছিল। 19শ শতিকাৰ মাজভাগতহে ইংৰাজসকলৰ মানহানিৰ গোচৰত সত্য প্ৰতিৰক্ষা (defence) হিচাপে অনুমোদিত হৈছিল।

সংবিধানত লিখিতভাৱে এক মৌলিক অধিকাৰৰ ৰূপত ইয়াৰ নিশ্চয়তাই সংবাদ মাধ্যমৰ স্বাধীনতাৰ ধাৰণা শক্তিশালী হোৱাত সহায় কৰিছিল। লিখিত সংবিধান থকা প্ৰায়ভাগ দেশেই প্ৰচাৰ মাধ্যমৰ স্বাধীনতাক বিশেষ সুৰক্ষা প্ৰদান কৰিছে। যুক্তৰাষ্ট্ৰই ইয়াৰ প্ৰথমটো সংশোধনতে প্ৰচাৰ মাধ্যমৰ স্বাধীনতাক এক সাংবিধানিক মৰ্যাদা দিছে। অৰ্থাৎ বিবাচক প্ৰক্ৰিয়াৰ পৰা মুক্তভাৱে লিখক সাংবাদিক আৰু প্ৰকাশকসকলে চৰকাৰৰ সমালোচনা কৰিব পাৰিব। ইয়াৰ পূৰ্বে 1776 খ্ৰীষ্টাব্দত ভাৰ্জিনিয়া বিল অফ্ ৰাইটচ্‌ত কোৱা হৈছিলে যে স্বাধীনতাৰ প্ৰেক্ষাপটত প্ৰচাৰ মাধ্যমৰ স্বাধীনতা হৈছে এক শক্তিশালী প্ৰতিৰোধী ব্যৱস্থা, যাক কোনো কূটনৈতিক চৰকাৰে ৰোধ কৰিব নোৱাৰে।" কানাডিয়ান চাৰ্টাৰ অফ্ ৰাইটচ এণ্ড ফ্ৰীডমতো (Canadian Charter of Rights and Freedom) সংবাদ মাধ্যমক সাংবিধানিক সুৰক্ষা প্ৰদান কৰা হৈছে। যুক্তৰাষ্ট্ৰ, কানাডা, অষ্ট্ৰেলিয়া আৰু নিউজিলেণ্ডতো তথ্যৰ স্বাধীনতাক সুৰক্ষিত কৰিবলৈ আৰু সকলো গুৰুত্বপূৰ্ণ ঘটনাৰ সঠিক ৰূপত প্ৰচাৰ কৰিবলৈ কিছু আইন প্ৰণয়ন কৰা হৈছে। 10নং অনুচ্ছেদৰ জৰিয়তে ইউৰোপীয়ান কন্‌ভেন্‌শ্বন অন হিউমেন ৰাইটছে (European Convention on Human Rights) চৰকাৰী পক্ষৰ হস্তক্ষেপ নোহোৱাকৈ তথ্য দিয়াৰ অথবা লোৱাৰ স্বাধীনতাক সুৰক্ষিত কৰিছে। এই চুক্তিত হস্তাক্ষৰ কৰাৰ বাবে এতিয়া বহুতো দেশত সংবাদ মাধ্যমৰ স্বাধীনতাই যথেষ্ট গুৰুত্ব লাভ কৰিছে।

৩.৩.২ সংবাদ মাধ্যমৰ স্বাধীনতা ঃ সাংবিধানিক নিশ্চয়তা আৰু যুক্তিসংগত বাধা
(Media Freedom: Constitutional Guarantees and Reasonable Restrictions)

স্বাধীনতাৰ পূৰ্বে ভাৰতত কোনো ধৰণৰ মৌলিক অধিকাৰ নাছিল, আৰু সেয়েহে মত প্ৰকাশৰ বা সংবাদ মাধ্যমৰ স্বাধীনতাৰ কোনো নিশ্চয়তা নাছিল। প্ৰিভি কাউঞ্চিল (Privy Council)য়ে সংবাদ মাধ্যমৰ ক্ষমতাক ইংলেণ্ডৰ সৈতে সমৰূপতে

বিশ্লেষণ কৰিছিল অর্থাৎ সাধাৰণ নাগৰিকৰ দৰে ইয়াকো ন্যায়িক বিধিৰ বাহিৰে কোনো অধিকাৰ অথবা দায়বদ্ধতা নাছিল। স্বাধীনতাৰ পিছৰ 60 বছৰত ভাৰতৰ সংবাদ মাধ্যমৰ ওপৰত চৰকাৰৰ কর্তৃত্বই আছিল সংবাদ মাধ্যমৰ স্বাধীনতাৰ প্ৰধান অন্তৰায়। ভাৰতীয় সংবিধানে "সংবাদ মাধ্যম"ৰ বিষয়ে উল্লেখ নকৰাকৈ 19[1](ক) নং অনুচ্ছেদৰ জৰিয়তে বাক্ স্বাধীনতা আৰু মত প্ৰকাশৰ অধিকাৰ" প্ৰদান কৰিছে। 1950 চনতে ভাৰতৰ উচ্চতম ন্যায়ালয়ে এই অধিকাৰৰ ভিতৰতে সংবাদ মাধ্যমৰ স্বাধীনতাকো সামৰি লোৱাৰ কথা ঘোষণা কৰে। অৱশ্যে এই অধিকাৰৰ ব্যৱহাৰৰ ফলত, ৰাষ্ট্ৰৰ সার্বভৌমত্ব আৰু সংহতি বিনষ্ট হোৱাৰ সম্ভাৱনা থাকিলে, ৰাষ্ট্ৰৰ নিৰাপত্তা বিপদাপন্ন হ'লে বিদেশৰ সৈতে বন্ধুত্বপূর্ণ সম্পর্ক ব্যাহত হ'লে সামাজিক বিশৃংখলতাৰ সৃষ্টি হ'লে, অপৰাধমূলক কাম কৰিবলৈ কাৰোবাক উদ্গনি দিলে, আনৰ যশস্যা হানি হ'লে, আদালতক অৱমাননা কৰিলে, চৰকাৰে 19 [ক) নং অনুচ্ছেদৰ দ্বাৰা এই অধিকাৰৰ ওপৰত যুক্তিসংগত বাধা (Reasonable restriction) আৰোপ কৰিব পাৰে। সংবিধানে অৱশ্যে এই বাধাৰ যুক্তিযুক্ততা উল্লেখ কৰা নাই।" "চৰকাৰী গোপনীয়তা আইন" (Official Secret Act) আৰু "সন্ত্রাসবাদ নিবাৰণ আইন" (Prevention of Terrorism Act- POTA)ৰ দৰে আইনসমূহক প্ৰচাৰ মাধ্যমৰ স্বাধীনতা সীমিত কৰিবলৈ ব্যৱহাৰ কৰা হয়। প'টাৰ অধীনত কোনো লোকক কোনো সন্ত্রাসবাদী অথবা সন্ত্রাসবাদী সংগঠনৰ লগত সম্পর্ক ৰখাৰ অপৰাধত ছমাহলৈ আটক কৰিব পাৰি। 2006 চনত প'টা আইনখন বাতিল কৰা হয় যদিও 1923 চনত বলবৎ কৰা চৰকাৰী গোপনীয়তা আইনখন বর্তমানো কার্যকৰী অৱস্থাত আছে। (অধ্যায়টোত এই অংশটো প্ৰথম অধ্যায়ৰ 1.4 "বাক্ স্বাধীনতা আৰু মত প্ৰকাশৰ স্বাধীনতাৰ ধাৰণাৰ সৈতে পঢ়িব)



অগ্রগতি নিৰীক্ষণ-ক

1¼ সংবাদ মাধ্যমৰ স্বাধীনতা বুলিলে কি বুজে?

2¼ কোনখন দেশত সংবাদ মাধ্যমৰ স্বাধীনতাৰ ধাৰণাই জন্মলাভ কৰিছিল?

3¼ ভাৰতীয় সংবিধানৰ কোনটো অনুচ্ছেদত সংবাদ মাধ্যমৰ স্বাধীনতা নিশ্চিত কৰা হৈছে?

4¼ সংবাদ মাধ্যমৰ স্বাধীনতাৰ ওপৰত জাৰি কৰা যুক্তিসংগত বাধাৰ চর্তসমূহ কি?

5¼ নিম্নোলিখিত কোনখন দেশে প্ৰথমবাৰৰ বাবে সংবাদ মাধ্যমৰ স্বাধীনতাক সাংবিধানিক মর্যাদা দিছিল?

(ক) নিউজিলেণ্ড (খ) ইংলেণ্ড (গ) আমেৰিকা যুক্তৰাষ্ট্ৰ (ঘ) কানাডা

6¼ সংবাদ মাধ্যমৰ স্বাধীনতাৰ ওপৰত থকা বাধাৰ যুক্তিযুক্ততা সংবিধানত উল্লেখ কৰা হৈছে। কথাষাৰ- (ক) শুদ্ধ (খ) ভুল

৩.৪ মানহানি ঃ ধাৰণা (Defamation: Concept)

মানহানি হৈছে কোনো এজন ব্যক্তিৰ যশস্যাৰ বিৰুদ্ধে লিখিত অথবা মৌখিক ভাৱে কৰা ইচ্ছাকৃত মিছা উদ্ধৃতি, যাৰ দ্বাৰা মানুহজনৰ অতি মূল্যবান সম্পদ অর্থাৎ তেওঁৰ সন্মানৰ ওপৰত আঘাত লাগে। মানহানি হৈছে এক অভিযোগ্য অন্যায়। কোনো ন্যায়সংগত যুক্তি অবিহনে কোনো ব্যক্তিৰ বিৰুদ্ধে প্রকাশ কৰা মিছা উদ্ধৃতিয়ে হৈছে মানহানিৰ সৈতে জড়িত অন্যায়। কোনো মতামত অথবা উদ্ধৃতিক তেতিয়া মানহানি বোলা হয়, যেতিয়া তাৰ দ্বাৰা কোনো ব্যক্তি হিংসা, ইতিকিং বা তাচ্ছিল্যৰ পাত্র হয় অথবা তেওঁক কর্মক্ষেত্র আদিত বর্জন কৰা বা আক্রমণ কৰাৰ সম্ভাৱনা থাকে। কৌটিল্যই অর্থশাস্ত্রত মানহানিক "ৱাকুৰুশ্বয়ম" বুলি অভিহিত কৰি ইয়াৰ বাবে শাস্তিও নির্ধাৰণ কৰিছে। মানহানিৰ উদ্ধৃতি অৱশ্যে সাধাৰণ ককর্থনা বা অপমানতকৈ কিছু পৃথক। অপমানক এজন ব্যক্তিৰ আত্মসন্মানৰ ওপৰত কৰা আঘাত বুলিব পাৰি কিন্তু মানহানি হ'ল ব্যক্তিগৰাকীৰ জনমানসৰ ওচৰত কৰা সন্মানহানি।

৩.৪.১ মানহানিৰ প্রকাৰ (Kinds of Defamation)

মানহানি দুই প্রকাৰৰ লিখিত আৰু মৌলিক। মিছা অভিযোগৰ সংক্রান্তত কৰা চুক্তিহীন গোচৰটি মামলা (মৌখিকভাৱে দিয়া অপমানসূচক উদ্ধৃতিৰ ক্ষেত্রত) আৰু অপযশ (লিখিত ৰূপত অথবা ছবি, ইংগিত, ইলেকট্রনিক মাধ্যম আদিৰ জৰিয়তে কৰা)ৰ পৰাই মানহানিৰ আইনৰ উৎপত্তি হয় আৰু এই সকলোবোৰেই এক সার্বজনীন আইনৰ পোষকতা কৰে। মানহানিৰ বিষয়টো উপস্থাপন কৰাৰ ধৰণৰ ওপৰতে নির্ভৰ কৰি "মিছা অভিযোগ" আৰু "অপযশ"ৰ মাজত পার্থক্য উলিয়াব পাৰি। যদি বিষয়টো মৌখিকভাৱে, ইংগিতেৰে, আংগীকেৰে বা তেনে কোনো ক্ষণস্থায়ী উপায়েৰে উত্থাপন কৰা হয় তাক মিছা অভিযোগ বোলা হয়। কিন্তু চিৰস্থায়ী ধৰণে যেনে লিখিত ৰূপত, কম্পেক্ট ডিস্ক (CD), DVD, ইন্টাৰনেট আদিৰ জৰিয়তে প্রকাশ কৰিলে তাক অপযশ বোলা হয়। সাধাৰণ অর্থত মৌখিক মানহানিক "মিছা অভিযোগ" আৰু লিখিত মানহানিক 'অপযশ' বোলা হয়।

৩.৪.২ মানহানি আৰু আইন (Defamation and Law)

অযুক্তিসংগত আঘাতৰ পৰা প্রতিজন ব্যক্তিৰে আত্মসন্মান আৰু সামাজিক মর্যাদাক আইনে সুৰক্ষা প্রদান কৰিছে। মানহানিৰ আইন সেয়েহে সাংবাদিক, প্রকাশক আৰু লিখকসকলৰ বাবে বিপদৰ কাৰণ হ'ব পাৰে। সন্মানৰ অধিকাৰ হৈছে প্রতিজন

ব্যক্তিৰ বাবে চৰম অধিকাৰ আৰু এই অধিকাৰ খর্ব হ'লে আদালতত দেৱানী (Civil) বা ফৌজদাৰী (Criminal) গোচৰ তৰিব পাৰে। দেৱানী আইনত ইয়াক পূর্ব চুক্তিহীন খেচাৰতি মামলা (tort) বোলা হয়, যাৰ বাবে জৰিমনা আদায় কৰিব পাৰি।

ফৌজদাৰী আইন ভাৰতীয় দণ্ডবিধি আইনৰ 499 নং শাখাত মানহানি এনেদৰে বুজোৱা হৈছে- মৌখিক অথবা লিখিতভাৱে নাইবা ভংগীমা ইত্যাদিৰ সহায়ত যদি কাৰোবাক দোষাৰোপ কৰা হয় আৰু এই কার্যৰ দ্বাৰা জড়িত ব্যক্তিগত যশস্যা হানি কৰিবলৈ অথবা তেওঁৰ যশস্যা হানি হোৱাৰ সম্ভাৱনাৰ বিষয়ে জ্ঞাত অৱস্থাত কৰা মন্তব্য ইত্যাদিক মানহানিৰ অধীনত সন্নিবিষ্ট কৰা হয় অর্থাৎ ফৌজদাৰী আইনৰ অধীনত মানহানিৰ গোচৰ পঞ্জীয়নভুক্ত কৰিবলৈ তিনি প্রকাৰৰ নিশ্চয়তাৰ প্রয়োজন-

1¼ অভিযুক্ত গৰাকীয়ে দোষাৰোপ কৰাৰ প্রমাণ নাইবা প্রকাশ কৰাৰ তথ্য

2¼ দোষাৰোপ মৌখিক, আংগীক অথবা লিখিত ৰূপত হ'ব লাগিব

3¼ দোষাৰোপ কার্য কাৰোবাৰ যশস্যা হানি কৰিবলৈ অথবা যশস্যা হানি হোৱাটো নিশ্চিত ৰূপত কৰা মন্তব্য হ'ব লাগিব।

এই দেৱানী আইনসমূহ এতিয়াও পূর্ব চুক্তিহীন খেচাৰতি মামলাৰ আইন অথবা সাধাৰণ ইংৰাজ আইন (English Common Law)ৰ অধীনত। এই আইন অনুসৰি মানহানিৰ গোচৰত চাৰি ধৰণৰ তথ্য প্রমাণিত হ'ব লাগিব-

1¼ গোচৰত উল্লিখিত মন্তব্যই মানহানি কৰাটো

2। মন্তব্য অভিযোগকাৰীৰ উল্লেখ থকাটো

3¼ অভিযুক্তৰ দ্বাৰা সেই মন্তব্য প্রকাশ হোৱাটো

4¼ সেই মন্তব্য মিছা হোৱাটো

ভাৰতীয় দণ্ডবিধি আইনে এইক্ষেত্রত কিছুমান স্বীকৃত বিশেষাধিকাৰ (Guaranteed Privileges) আইন প্রণয়ন কৰি মানহানিৰ ক্ষেত্রত ব্যতিক্রমধর্মী ব্যৱস্থা গ্রহণ কৰিছে। নিম্নোক্ত পৰিস্থিতিত কৰা মন্তব্যক মানহানি ৰূপে অভিহিত কৰিব নোৱাৰি-

1¼ কোনো ন্যায়িক, সামাজিক অথবা নৈতিক দায়িত্ব পালনৰ সময়ত কৰা মন্তব্য

2¼ ৰাজহুৱা স্বার্থ ৰক্ষাৰ উদ্দেশ্যৰে দিয়া মন্তব্য

3¼ ন্যায়িক বা সংসদীয় কাম-কাজ অথবা ৰাজহুৱা সভাৰ বিষয়ে প্রকাশ কৰা শুদ্ধ প্রতিবেদন।

ওপৰোক্ত প্রতিটো ক্ষেত্রতে কোনো ব্যক্তিকে দোষাৰোপ নকৰাকৈ আগবঢ়োৱা মন্তব্যহে স্বীকৃত বিশেষাধিকাৰৰ বাবে বিবেচিত হ'ব।

বর্তমান সময়ত, সংবাদ মাধ্যমৰ বর্দ্ধিত ভূমিকাৰ প্রতি লক্ষ্য কৰি, ৰাইজৰ বাক্ স্বাধীনতা আৰু মত প্রকাশৰ অধিকাৰৰ সৈতে ব্যক্তিগত মর্যাদাৰ অধিকাৰ সমান্তৰাল ভাৱে ৰখাৰ প্রয়োজনীয়তা অনুভৱ কৰা হৈছে। কিন্তু ভাৰতীয় মানহানি বিধেয়ক (Indian Defamation Bill)খন এতিয়াও সংসদত গৃহীত হোৱা নাই। ভাৰতীয় সংবিধানৰ

(19[2] নং অনুচ্ছেদত মানহানিক, বাক্ স্বাধীনতাৰ লগতে মত প্ৰকাশৰ আৰু সংবাদ মাধ্যমৰ স্বাধীনতাৰ এক উল্লেখযোগ্য সীমাবদ্ধতা বোলা হৈছে। বাক্ স্বাধীনতাৰ দৰে এক গুৰুত্বপূৰ্ণ মৌলিক অধিকাৰৰ ওপৰত ই এক অতি কাৰ্যকৰী প্ৰতিৰোধ ব্যৱস্থা। ভাৰতীয় দণ্ডবিধি আইনৰ (ধাৰা 500) অধীনত মানহানিৰ অপৰাধত দুবছৰ পৰ্যন্ত কাৰাদণ্ড, জৰিমনা অথবা দুয়োবিধ শাস্তিয়ে হ'ব পাৰে। 2000 চনত গৃহীত তথ্য আৰু প্ৰযুক্তি আইন (Information and Technology Act) অনুসৰি মানহানিৰ অপৰাধত দুবছৰ পৰ্যন্ত কাৰাবাসৰ শাস্তি হ'ব পাৰে।

৩.৪.৩ মানহানিৰ ক্ষেত্ৰত বিভিন্ন লোকৰ দায়বদ্ধতা (Liabilities of different persons as regards Defamation)

লেখক ঃ কোনো এখন কিতাপৰ অথবা প্ৰৱন্ধৰ লেখকগৰাকী তেওঁৰ লিখিনিৰ যিকোনো বে-আইনী দিশ, যেনে অশালীনতা, মানহানিৰ ইত্যাদিৰ বাবে প্ৰাথমিকভাৱে দায়ী।

বৰঙনি যোগাওঁতা ঃ এজন লিখকে আগবঢ়োৱা প্ৰৱন্ধত থকা বে-আইনী দিশৰ বাবে তেওঁ দায়ী হ'ব।

সম্পাদক ঃ কাকত, আলোচনীত প্ৰকাশিত যিকোনো বে-আইনী তথ্য অথবা বিষয়ৰ বাবে সম্পাদক গৰাকী ব্যক্তিগতভাৱে দায়ী হয়।

গ্ৰন্থ/কাকত বিক্ৰেতা ঃ এজন গ্ৰন্থ বিক্ৰেতাই অজ্ঞাতভাৱে মানহানিৰ সৈতে জড়িত গ্ৰন্থ আদি বিক্ৰী কৰিলে অথবা সেই গ্ৰন্থৰ বিষয়বস্তু সম্পৰ্কে জ্ঞাত হ'লে বিক্ৰেতাজনক দেৱানী আইনমতে দায়ী নহয়। ভাৰতীয় দণ্ডবিধি আইনৰ (5020 ধাৰা) অধীনত যদি বিক্ৰেতাজন গ্ৰন্থ বিক্ৰীৰ সময়ত বিষয়বস্তু সম্পৰ্কে জ্ঞাত আছিল তেন্তে ফৌজদাৰী আইনমতে তেওঁ দায়ী হ'ব।

মুদ্ৰক ঃ আপত্তিজনক বিষয় ছপা কৰাৰ বাবে মুদ্ৰকগৰাকী ব্যক্তিগতভাৱে দায়ী হয়।

স্বত্বাধিকাৰী ঃ কোনো কাকত, আলোচনী আদিৰ স্বত্বাধিকাৰীক তেতিয়াহে দায়ী কৰিব পাৰি, যেতিয়া আপত্তিজনক বিষয় ছপা কৰাৰ ক্ষেত্ৰত তেওঁৰ অন্তৰ্ভুক্তিৰ সঠিক প্ৰমাণ থাকে।

প্ৰকাশক ঃ কাকত, আলোচনী আদিত প্ৰকাশ হোৱা যিকোনো আপত্তিজনক বিষয়ৰ বাবে প্ৰকাশক দায়ী হয়।

সাংবাদিক ঃ মুদ্ৰক, প্ৰকাশক, সংশোধক আদিৰ দৰে অপমানসূচক তথ্য প্ৰেৰণ কৰাৰ বাবে সাংবাদিক দায়ী হ'ব পাৰে।

মানহানি ঃ শেহতীয়া আইন

তথ্য প্ৰযুক্তি আইন 2000 ঃ ই-মেইলৰ জৰিয়তে কৰা মানহানিৰ শাস্তি আৰু জৰিমনা হয়। ভাবুকিৰ ক্ষেত্ৰত দুবছৰ পৰ্যন্ত কাৰাবাস হ'ব পাৰে।



অগ্রগতি নিৰীক্ষণ - খ

1¼ মানহানিৰ অর্থ কি ?

2¼ মানহানিৰ দুটা প্রকাৰ কি কি ?

3¼ ভাৰতীয় দণ্ডবিধি আইনৰ কোনটো শাখাত মানহানিৰ শাস্তিৰ বিষয়ে আলোচনা কৰা হৈছে?

4¼ ভাৰতীয় দণ্ডবিধি আইনৰ কোনটো শাখাত মানহানিৰ সংজ্ঞা দিয়া আছে?

(ক) 500 (খ) 502 (গ) 499 (ঘ) 498

৩.৫ চৰকাৰী গোপনীয়তা আইন, ১৯২৩ (Official Secrets Act)

1923 চনত গৃহীত হোৱা চৰকাৰী গোপনীয়তা আইন অর্থাৎ Official Secrets Act (OSA) হৈছে চৰকাৰী গোপনীয়তা সম্পর্কীয় এক বিস্তাৰিত দস্তাবেজ আৰু ই বহুতো অপৰাধৰ সংজ্ঞা দিছে। এই আইনখনৰ লক্ষ্য হৈছে গোপনীয় তথ্য ফাদিল হোৱা, কূটাঘাতমূলক কার্য আদিৰ পৰা ৰাষ্ট্ৰৰ নিৰাপত্তা অটুট ৰখা। ভাৰতৰ এই চোৰাংচোৱা বিৰোধী নীতি ব্রিটিছ উপনিবেশৰ পৰা লাভ কৰা। ইয়াত স্পষ্টভাৱে উল্লেখ আছে যে ভাৰতৰ শত্রু ৰাষ্ট্ৰক সহায় কৰা যিকোনো কার্যই আইনমতে দণ্ডনীয় হ'ব। ইয়াত লগতে কোৱা হৈছে যে যিকোনো চৰকাৰীভাৱে নিষিদ্ধ ক্ষেত্রত কোনেও যাব অথবা পৰীক্ষা-নিৰীক্ষা কৰিব নোৱাৰে। এই আইনৰ মতে, শত্রু ৰাষ্ট্ৰক কোনো ছবি, ৰেখাচিত্র, আঁচনি, গোপনীয় চৰকাৰী আর্হি প্রেৰণ কৰিলে তাক শত্রু ৰাষ্ট্ৰখনক সহায় কৰা বুজায়। ভাৰতৰ সার্বভৌমত্ব আৰু সংহতি বিনষ্ট কৰিব পৰা, ৰাষ্ট্ৰৰ নিৰাপত্তা বিপদাপন্ন কৰা অথবা বিদেশী ৰাষ্ট্ৰৰ সৈতে থকা বন্ধুত্বপূর্ণ সম্পর্ক নষ্ট কৰিব পৰা তথ্য প্রকাশ কৰাটো, এই আইনৰ অদীনত দণ্ডনীয়। প্রচাৰ মাধ্যমৰ ক্ষেত্রত এই আইনখনে যথেষ্ট গুৰুত্ব বহন কৰে, কিয়নো বাতৰিকাকত আৰু সাংবাদিকে নিজৰ কর্মৰ মাজেৰে আইনমতে থকা বহুতো কাম ব্যক্তিগতভাৱে কৰাৰ সম্ভাৱনা থাকে।

চৰকাৰী গোপনীয়তা আইনৰ দুটা প্রধান ভাগৰ প্রথমটো হৈছে শত্রুপক্ষৰ হৈ চোৰাংচোৱা কার্যকৰা (শাখা 3 আৰু 4) আৰু আনটো হৈছে কোনো চৰকাৰী সংকেত চিহ্ন, সংকেত শব্দ, ৰেখাচিত্র, আঁচনি, আর্হি, প্রবন্ধ, টোকা, তথ্য আদি বে-আইনীভাৱে যোগান ধৰা (শাখা 5] ¼

এই আইনৰ অধীনত তিনিৰ পৰা চৈধ্য বছৰ পর্যন্ত কাৰাবাস হ'ব পাৰে। অজ্ঞাতভাৱে কৰা অথবা ৰাষ্ট্ৰৰ নিৰাপত্তা বিনষ্ট কৰাৰ প্রয়াস নকৰাকৈ সম্পাদন কৰা বে-আইনী কামৰ বাবেও এজন ব্যক্তিৰ বিৰুদ্ধে গোচৰ তৰিব পাৰি। এই আইনৰ নিয়ম

অনুসৰি কেৱল উচ্চপদস্থ বিষয়াৰহে গোপনীয় চৰকাৰী তথ্য ব্যৱহাৰ কৰাৰ অধিকাৰ আছে আৰু নিষিদ্ধ ক্ষেত্ৰৰ ভিতৰত অথবা বাহিৰত এই ব্যৱহাৰ অন্য লোকে কৰাটো আইনমতে দণ্ডনীয়।

কোনো বিদেশী দূতৰ সৈতে ভাৰতৰ সীমাৰ ভিতৰত অথবা বাহিৰত যোগাযোগ ৰখাৰ বা যোগাযোগৰ চেষ্টা কৰাৰ প্ৰমাণ, এজন ব্যক্তিক গ্ৰেপ্তাৰ কৰা বাবে যথেষ্ট। সাংবাদিকসকলে তেওঁলোকৰ তথ্য লাভৰ উৎসকে ধৰি কোনো তদন্তৰ ক্ষেত্ৰত চাব ইন্সপেক্টৰ (Sub Inspector)ৰ ওপৰৰ পদবীৰ আৰক্ষী বিষয়া আৰু সেনা বাহিনীক সহায় কৰাটো বাঞ্ছনীয়। কোনো কোম্পানী এই আইনৰ অধীনত দোষী সাব্যস্ত হ'লে, পৰিচালক মণ্ডলী সমন্বিতে কোম্পানীটোৰ সম্পূৰ্ণ পৰিচালনা সমিতিৰ শাস্তি হ'ব পাৰে। বাতৰিকাকতৰ ক্ষেত্ৰত সম্পাদক, প্ৰকাশক আৰু স্বত্বাধিকাৰী, সকলোৱে কাৰাবাস হ'ব পাৰে।



অগ্ৰগতি নিৰীক্ষণ - গ

1¼ চৰকাৰী গোপনীয়তা আইনখন কোন চনত প্ৰণয়ন কৰা হৈছিল?

2¼ এই আইনৰ অধীনত কেনে ধৰণৰ সংযোগক শত্ৰুৰাষ্ট্ৰক সহায় কৰা ৰূপত গণ্য কৰা হয়?

3¼ এই আইনখনৰ 5ম শাখাত কি অপৰাধৰ শাস্তিৰ বিষয়ে উল্লেখ আছে?

৩.৬ তথ্য জনাৰ অধিকাৰ ঃ ধাৰণা (Right to Information: Concept)

কোনো এক ধাৰণাৰ মৌখিক নাইবা লিখিত ৰূপকে তথ্য বুলিব পাৰি। তথ্য হৈছে আহৰিত জ্ঞান অথবা এনে কিছুমান বিষয়ৰ জ্ঞান, যাৰ দ্বাৰা জ্ঞান আহৰণ কৰিব পাৰি। তথ্য জনাৰ অধিকাৰ আইন 2005ৰ অনুসৰি, তথ্যৰ অর্থ হ'ল চৰকাৰী কর্তৃপক্ষৰ প্ৰশাসনিক কাম-কাজ সম্পৰ্কীয় অথবা সিদ্ধান্ত বিষয়ক যি কোনো ধৰণৰ উপাদান [S.3(d)]। নাগৰিকৰ ৰাষ্ট্ৰ সম্পৰ্কীয় তথ্য জনাৰ ক্ষমতাকে "তথ্য জনাৰ অধিকাৰ" বোলা হয়। কোনো কোনো ৰাষ্ট্ৰই সংবিধান অথবা আইনৰ জৰিয়তে নাগৰিকক তথ্য যোগান ধৰে, কিন্তু কোনোৱে তেনে নকৰে। কোনো ৰাষ্ট্ৰই অৱশ্যে যথেষ্ট সীমাবদ্ধতাৰ মাজেৰে তথ্য উপলব্ধ কৰে। আনহাতে, তথ্য যোগানৰ পূৰ্বে নাগৰিকৰ পৰা কোনো ৰাষ্ট্ৰই প্ৰশাসনিক মাচুল আদিও লয়।

৩.৬.১ তথ্য জনাৰ অধিকাৰ ঃ এক মানৱ অধিকাৰ (RTI: A Human Right)

তথ্য জনাৰ অধিকাৰক মানুহৰ আত্মসন্মান ৰক্ষাৰ সৈতে জড়িত এক মৌলিক মানৱ অধিকাৰ হিচাপে চিহ্নিত কৰা হৈছে। ৰাষ্ট্ৰসমূহ, চৰকাৰী সংস্থা, সামাজিক সংগঠন আৰু বৃহত্তৰ সমাজে এই অধিকাৰক যথেষ্ট গুৰুত্ব দিয়াটো পৰিলক্ষিত হৈছে। ৰাষ্ট্ৰসংঘ, কমনৱেলথ্ (Commonwealth), যুক্তৰাষ্ট্ৰৰ দেশসমূহৰ সংস্থা (Organisation of American States) আৰু ইউৰোপীয় পৰিষদ (European Council) আদিত গ্ৰহণ কৰা মানৱ অধিকাৰৰ পন্থাক, বহুতো প্ৰশাসনীয় ব্যৱস্থাই গ্ৰহণ কৰাটো পৰিলক্ষিত হৈছে।

৩.৬.২ তথ্য জনাৰ অধিকাৰ ঃ আন্তঃৰাষ্ট্ৰীয় প্ৰেক্ষাপট (RTI: International Standards)

তথ্য জনাৰ অধিকাৰক অতি গুৰুত্বপূৰ্ণ বুলি কোৱা হয়, কাৰণ সঠিক তথ্য অবিহনে নাগৰিকসকলে সঠিক নিৰ্বাচন বা সিদ্ধান্ত গ্ৰহণ প্ৰক্ৰিয়াত অংশগ্ৰহণ কৰিব নোৱাৰে। এক দায়িত্বপূৰ্ণ আৰু সুস্থ প্ৰশাসনৰ বাবে তথ্য জনাৰ অধিকাৰ অতি গুৰুত্বপূৰ্ণ, কিয়নো গোপনীয়তা হৈছে ভ্ৰষ্টাচাৰৰ উৎস, ক্ষমতাৰ অপব্যৱহাৰৰ আৰু অপ-পৰিচালনাৰ কাৰক। কোনো চৰকাৰে এতিয়া এই কথা অস্বীকাৰ কৰিব নোৱাৰে যে নাগৰিকৰ তথ্য জনাৰ অধিকাৰ আছে অথবা গণতন্ত্ৰৰ মৌলিক নীতিসমূহ চৰকাৰী পক্ষৰ নিকা পৰিচালনা হোৱাটো দাবী কৰে। তথ্য জনাৰ অধিকাৰে আন্তঃৰাষ্ট্ৰীয় স্বীকৃতি পোৱাৰ পিছতো দক্ষিণ এছিয়াৰ বহুতো ৰাষ্ট্ৰই এতিয়াও চৰকাৰী গোপনীয়তা আইনৰ দৰে ঔপনিবেশিক নীতি আৰু গোপনীয়তা ৰক্ষাৰ অন্য নীতিসমূহ চলাই আছে। গোপনীয়তাৰ এই ব্যাপক ক্ষেত্ৰখনে, এই নীতিৰ ফলাফল অধিক তিক্ত কৰাৰ লগতে চৰকাৰী দপ্তৰক অধিক মদগৰ্বী কৰি তোলে।

সমাজৰ প্ৰচাৰ মাধ্যমৰ ভূমিকা হৈছে চৰকাৰৰ ওপৰত নজৰ ৰখা আৰু জনসাধাৰণৰ মাজত তথ্যৰ প্ৰাপ্তি নিশ্চিত কৰা। কিন্তু সামাজিক বিষয়বস্তুৰ সন্দৰ্ভত থকা চৰকাৰী গোপনীয়তাৰ নীতি আৰু মত প্ৰকাশৰ স্বাধীন সীমাবদ্ধতাই প্ৰচাৰ মাধ্যমক তথ্য আহৰণ কৰাত বাধা প্ৰদান কৰে।

তথ্য জনাৰ স্বাধীনতাৰ ইতিহাস বিচাৰিলে আমি পাওঁ যে 1766 চনত চুইডেনৰ সংসদে প্ৰথমবাৰৰ বাবে প্ৰচাৰ মাধ্যমৰ স্বাধীনতাৰ আইনখন গৃহীত কৰে আৰু ইয়াৰ দ্বাৰা অনুৰোধক্ৰমে চৰকাৰী তথ্যৰ প্ৰকাশ নিশ্চিত কৰা হয়। 1949 চনৰ পিছত এই আইনখন চুইডেনৰ সংবিধানত অন্তৰ্ভুক্ত হয়। ফৰাচী বিপ্লৱৰ সময়ত, 1789 চনৰ Declaration of Rights of Man অৰ্থাৎ মানৱ অধিকাৰৰ ঘোষণাত, 14 নং অনুচ্ছেদৰ দ্বাৰা, বাজেট সংক্ৰান্তীয় তথ্য উপলব্ধ কৰোৱা হৈছিল। আনহাতে কলম্বিয়াত 1818 চনৰ Code of Political and Municipal Organisation ৰ জৰিয়তে

নাগৰিকসকলক চৰকাৰী সংস্থা আৰু কার্যালয়ৰ পৰা তথ্যপাতি অনুৰোধমর্মে লাভ কৰাৰ অনুমতি দিয়া হৈছিল। 1967 চনত আমেৰিকা যুক্তৰাষ্ট্রই তথ্য জনাৰ স্বাধীনতাৰ আইন প্রণয়ন কৰাৰ পাছত 1982 চনত অষ্ট্রেলিয়া, কানাডা আৰু নিউজিলেণ্ডতো তেনে ধৰণৰ নীতিৰ ব্যৱস্থা কৰা হয়। এছিয়া মহাদেশৰ বহুকেইখন দেশে যোৱা কিছু বছৰত তথ্য জনাৰ স্বাধীনতাৰ আইন বলবৎ কৰিছে। 1987 চনত ফিলিপিন্সত Code of Conduct and Ethical Standards for Public Officials and Employees- এই আইনৰ জৰিয়তে তথ্য আহৰণৰ অধিকাৰক স্বীকৃতি দিয়া হয়। একে ধৰণৰ স্বীকৃতি প্রদান কৰা আন দেশসমূহ হ'ল- হংকং (1995), থাইলেণ্ড (1997), জাপান (2001] আৰু ভাৰত (2005]।

বিভিন্ন আন্তঃৰাষ্ট্রীয় আইনৰ অধীনত তথ্য জনাৰ অধিকাৰ ঃ

১৯ নং অনুচ্ছেদ, মানৱ অধিকাৰ সম্পর্কে আন্তঃৰাষ্ট্রীয় ঘোষণা (১৯৪৮) (Universal Declaration of Human Rights) ঃ প্রতিজন নাগৰিকৰে মত প্রকাশৰ স্বাধীনতা আছে। এই অধিকাৰে সকলোৰে কোনো বাধা নোহোৱাকৈ নিজৰ মতামত প্রকাশ কৰা স্বাধীনতা দিয়াৰ ওপৰত কোনো সীমাৰ বান্ধোন নোহোৱাকৈ যিকোনো গণমাধ্যমৰ পৰা তথ্য বিচৰা, আহৰণ কৰা অথবা গণমাধ্যমলৈ তথ্য প্রেৰণ কৰাৰ সুবিধা প্রদান কৰিছে।

১৯ নং অনুচ্ছেদ, অসামৰিক আৰু ৰাজনৈতিক অধিকাৰৰ আন্তঃৰাষ্ট্রীয় চুক্তিপত্র (International Covenant on Civil and Political Rights), **১৯৬৬** ঃ প্রতিজন নাগৰিকৰ মত প্রকাশৰ অধিকাৰ থাকিব, যাৰ দ্বাৰা তেওঁ কোনো সীমা নোহোৱাকৈ, যিকোনো মাধ্যমৰ লগত মৌখিক, লিখিত অথবা ছপা আকাৰত তথ্য আদান-প্রদান কৰিব পাৰিব।

১৩ নং অনুচ্ছেদ, শিশুৰ অধিকাৰ সম্পর্কীয় ৰাষ্ট্রসংঘৰ অধিৱেশন, ১৯৮৯ (United Nations Convention on the Rights of the Child) ঃ প্রতিজন শিশুৰে মত প্রকাশৰ অধিকাৰ থাকিব, যাৰ দ্বাৰা শিশুটিয়ে কোনো বান্ধোন অবিহনে, নিজৰ পছন্দৰ মাধ্যমৰ লগত মৌখিক, লিখিত অথবা ছপা আকাৰত তথ্যৰ আদান-প্রদান কৰিব পাৰিব।

১৩ নং অনুচ্ছেদ, আমেৰিকাৰ মানৱ অধিকাৰ সম্পর্কীয় অধিৱেশন (American Convention on Human Rights), **১৯৬৯** ঃ প্রতিজন ব্যক্তিৰে চিন্তা কৰাৰ আৰু মত প্রকাশৰ স্বাধীনতাৰ অধিকাৰ আছে। এই অধিকাৰৰ সহায়ত কোনো সীমাৰ বান্ধোন নোহোৱাকৈ সকলো ধৰণৰ তথ্য বিচৰা, আহৰণ কৰা আৰু প্রেৰণ কৰাৰ অধিকাৰ আৰু যিকোনো চিন্তা, মৌখিক, লিখিত, ছপা ছবি আঁকি অথবা যিকোনো পচন্দৰ মাধ্যমেৰে প্রেৰণ আৰু আহৰণ কৰাৰ অধিকাৰ থাকে।

১০ নং অনুচ্ছেদ, মানৱ অধিকাৰ সম্পৰ্কীয় ইউৰোপীয় অধিৱেশন (European Convention of Human Rights), **১৯৫০** ঃ প্রতিজন ব্যক্তিৰে মত প্রকাশৰ অধিকাৰ থাকে। এই অধিকাৰৰ সহায়ত কোনো প্রশাসনিক বাধা অথবা সীমাৰ বাধা অবিহনে মতামত প্রকাশ কৰা, আহৰণ কৰা আৰু তথ্য, চিন্তা ইত্যাদি প্রেৰণ কৰিব পাৰি।

১১ নং অনুচ্ছেদ, মানৱ অধিকাৰ সম্পৰ্কীয় আফ্রিকান নীতি (African Charter on Human and People's rights), 1981 ঃ প্রতিজন ব্যক্তিৰে তথ্য আহৰণ কৰাৰ অধিকাৰ থাকিব।

৩.৬.৩ তথ্য জনাৰ অধিকাৰ ঃ ভাৰতীয় প্রেক্ষাপট (RTI : Indian Perspectives)

ভাৰতীয় স্বাধীনতাৰ ইতিহাসত বিভিন্ন স্তৰৰে তথ্য অধিকাৰে বিকাশ লাভ কৰিছে। "তথ্য জনাৰ স্বাধীনতা" এই উক্তিটোৱে ভাৰতত বিতর্কৰ বিষয়বস্তু হৈ পৰাটো পৰিলক্ষিত হৈছে। বহুতো স্থানীয় সক্রিয় কর্মী আৰু আইন বিশেষজ্ঞসকলে 'তথ্য জনাৰ স্বাধীনতা'ৰ পৰিৱর্তে 'অধিকাৰ' শব্দৰ ব্যৱহাৰৰ পোষকতা কৰে, কিয়নো তেওঁলোকৰ মতে 'স্বাধীনতা' শব্দৰ ব্যৱহাৰে কেৱল চৰকাৰী বাধাক নির্মূল কৰাহে সূচায়। প্রতিটো চৰকাৰী স্তৰক ভ্রষ্টাচাৰৰ পৰা মুক্ত কৰিবলৈ তথ্য জনাৰ অধিকাৰক আইনগত মর্যাদা দিয়াৰ বিষয়ে জনসাধাৰণৰ মাজত দীঘলীয় চিন্তা-চর্চা হৈছে।

ভাৰতীয় সংবিধানত 1950 চনত তথ্য জনাৰ অধিকাৰৰ বিষয়ে স্পষ্টভাৱে উল্লেখ নাই যদিও 19[1] (ক) নং অনুচ্ছেদত বাক্ স্বাধীনতা আৰু মত প্রকাশৰ স্বাধীনতাৰ বিষয়ে বিৱৰণ দিয়া হৈছে। এই অধিকাৰবিধ জীয়াই থকাৰ অধিকাৰ আৰু ব্যক্তিগত স্বাধীনতাৰ এক গুৰুত্বপূর্ণ অংশ। 19 নং অনুচ্ছেদত, তথ্য জনাৰ অধিকাৰৰ বিষয়ে উল্লেখ নাই যদিও, উচ্চতম ন্যায়ালয়ে এই অধিকাৰক 19 নং অনুচ্ছেদৰ অংশ ৰূপে স্বীকৃতি দিছে। বহুসংখ্যক আইনবিদে বিশ্বাস কৰে যে এই অনুচ্ছেদত তথ্য আহৰণ কৰাৰ অধিকাৰ স্বতঃস্ফুর্তভাৱেই সন্নিবিষ্ট হৈ আছে। ভাৰতীয় সংবিধানৰ 21 অনুচ্ছেদত উল্লিখিত আছে যে, "আইনমতে নির্ধাৰিত নিয়মৰ বাহিৰে কোনো পৰিস্থিতিতে এজন ব্যক্তিৰ জীয়াই থকাৰ অধিকাৰ আৰু ব্যক্তিগত স্বাধীনতা খর্ব কৰিব নোৱাৰি।" জীয়াই থকাৰ অধিকাৰৰ ভিতৰত খাদ্য, শিক্ষা আৰু চিকিৎসা আদি প্রাথমিক প্রয়োজনসমূহ আৰু ব্যক্তিগত স্বাধীনতাৰ ভিতৰত অনৈতিক আৰু অদৰকাৰী বাধাৰ পৰা স্বাধীনতাক সামৰি লোৱা হৈছে। এই সংক্রান্তীয় বিষয়ৰ তথ্য যোগান ধৰিবলৈ নাকচ কৰা মানে অধিকাৰ খর্ব কৰা।

1996 চনত ভাৰত চৰকাৰে নিজেই এক ফলপ্রসূ আৰু দায়িত্বশীল প্রশাসনৰ ওপৰত বিতর্কৰ সূচনা কৰে। তাৰ পাছতে 1997 চনৰ জানুৱাৰী মাহত H.D. Shourieক

সভাপতি আৰু Soli J. Sorabjeeক এগৰাকী সদস্য হিচাপে লৈ "তথ্য জনাৰ অধিকাৰ আৰু এক স্বচ্ছ চৰকাৰ গঠনৰ" পন্থাৰে এক সক্রিয় দল গঠন কৰা হয়। ইয়াৰ ফলস্বৰূপে তথ্য জনাৰ স্বাধীনতা আইনখন (যিখন এতিয়া বাতিল কৰা হৈছে) প্রণয়ন কৰা হয় আৰু চৰকাৰী গোপনীয়তা আইন (Official Secrets Act), (The Indian Evidence Act), (Civil Procedure Code), (Criminal Procedure Code) আৰু (Central Civil Services (Conduct) Rules) আদি আইনসমূহ নতুন সক্রিয় দলটোৰ চিন্তাৰ সৈতে খাপ খুৱাবলৈ কিছু সংশোধন কৰা হয়। এই আইনখনক, জোখতকৈ বেছি অব্যাহতি অথবা ৰেহাই দিয়াৰ ব্যৱস্থা সমৃদ্ধ বুলি বাৰুকৈ সমালোচনা কৰা হৈছে। এই অব্যাহতিসমূহ কেৱল ৰাষ্ট্রৰ নিৰাপত্তা আৰু সার্বভৌমত্বৰ ক্ষেত্রতে নহয়, বৰঞ্চ ৰাজহুৱা খণ্ডৰ সম্পদসমূহৰ অসমভাৱে অপসাৰণ হ'ব পৰা অনুৰোধ সংক্রান্ততো দেখিবলৈ পোৱা গৈছে। 2002 চনত তথ্যৰ স্বাধীনতাৰ আইনখন প্রণয়ন কৰাৰ পূর্বে ভাৰতৰ 17 খন ৰাজ্যই তথ্য জনাৰ অধিকাৰৰ বিধেয়কখন গৃহীত কৰিছিল। এই ৰাজ্যসমূহ হ'ল ক্রমে— তামিলনাড়ু (1997), গোৱা (1997), ৰাজস্থান (2000), কর্ণাটক (2000), দিল্লী (2001), মহাৰাষ্ট্র (2002), মধ্যপ্রদেশ (2003) আৰু জম্মু আৰু কাশ্মীৰ (2004)। মহাৰাষ্ট্র আৰু দিল্লীৰ ৰাজ্যিক পর্যায়ৰ আইনসমূহ বহুলভাৱে ব্যৱহৃত হোৱা বুলি ধৰা হৈছে। অসমৰ তথ্য জনাৰ অধিকাৰ আইন (Right to Information Act) 2001 খনে 2002 চনৰ 1 মে' তাৰিখে ৰাজ্যপালৰ স্বীকৃতি লাভ কৰে।

৩.৬.৪ তথ্য জনাৰ অধিকাৰ আইন (Right to Information Act), ২০০৫

ভাৰতীয় নাগৰিকসকলক কেন্দ্রীয় আৰু ৰাজ্য চৰকাৰৰ তথ্যসমূহ আহৰণ কৰাৰ এক ব্যৱস্থা হিচাপে 2005 চনত সংসদে তথ্য জনাৰ আইন (Right to Information Act)খন গৃহীত কৰে। এই আইনখনৰ প্রস্তাৱনা অনুসৰি, এই আইনখন চৰকাৰী প্রশাসনৰ সকলো স্তৰতে স্পষ্টতা আৰু দায়বদ্ধতা বৃদ্ধি কৰিবলৈ প্রণয়ন কৰা হৈছে। প্রস্তাৱনাত ইয়াকো উল্লেখ কৰা হৈছে যে আইনৰ দ্বাৰা ৰাজহুৱা স্বার্থত তথ্য আহৰণৰ মাজত চলি থকা বিতর্কৰ অন্ত পেলোৱাৰ লগতে প্রশাসনিক কাম-কাজ সূচাৰুৰূপে চলাই নিয়া আৰু স্পর্শকাতৰ তথ্যৰ গোপনীয়তা অক্ষুণ্ণ ৰাখিব।

এই আইনখন বিধানপৰিষদ, কার্যপালিকা আৰু ন্যায়পালিকাকে ধৰি সকলো সাংবিধানিক প্রশাসনীয় স্তৰ আৰু সংসদ নাইবা ৰাজ্য বিধানসভাৰ অনুমোদনৰ দ্বাৰা প্রতিষ্ঠিত সকলো সংস্থাৰ ক্ষেত্রতে প্রযোজ্য হয়। আনহাতে চৰকাৰৰ দ্বাৰা অধিকৃত, নিয়ন্ত্রণাধীন অথবা পুঁজি লাভ কৰা সংস্থা আৰু চৰকাৰৰ দ্বাৰা প্রত্যক্ষ অথবা পৰোক্ষভাৱে পুঁজি লাভ কৰা বেচৰকাৰী সংস্থাসমূহকো এই আইনে সামৰি লৈছে। এই আইন অনুসৰি সকলো বিভাগে সেয়েহে নিজৰ জন তথ্য বিষয়া (Public Information Officer)

নিযুক্ত কৰাটো বাধ্যতামূলক। সকলো ভাৰতীয় নাগৰিকে লিখিতভাৱে অথবা ইলেকট্রনিক মাধ্যম যোগে তথ্য আহৰণৰ বাবে তথ্য বিষয়াৰ ওচৰত আবেদন কৰিব পাৰে। নির্দিষ্ট বিভাগ অথবা শাখাৰ পৰা তথ্য আহৰণ কৰাটো তথ্য বিষয়াগৰাকীৰ দায়িত্ব। যদি অনুৰোধটি অন্য কোনো বিভাগৰ সৈতে আংশিক অথবা সম্পূর্ণভাৱে জড়িত, তেন্তে সেই নির্দিষ্ট বিভাগলৈ তথ্য বিষয়াগৰাকীয়ে পাঁচ দিনৰ ভিতৰত আবেদনপত্রৰ প্রয়োজনীয় অংশ বদলিঁ প্রেৰণ কৰাটো নিয়ম।

এই আইন অনুসৰি, সকলো ভাৰতীয় নাগৰিকে চৰকাৰী অথবা চৰকাৰৰ দ্বাৰা নিয়ন্ত্রিত যিকোনো বিভাগৰ পৰা তথ্য আহৰণৰ বাবে আবেদন কৰিব পাৰে আৰু নির্দিষ্ট বিভাগে সেই তথ্য 30 দিনৰ ভিতৰত যোগান ধৰিব নোৱাৰিলে, জৰিমনা ভৰিবলগীয়াও হ'ব পাৰে। সকলো বিভাগক নিজৰ তথ্যসমূহ কম্পিউটাৰত আৱদ্ধ কৰিবলৈ নির্দেশ দিয়া হৈছে, যাৰ সহায়ত তথ্য আহৰণ প্রক্রিয়া সহজ হৈ পৰিব। ইয়াৰোপৰি নির্দিষ্ট কিছু তথ্য আগতীয়াকৈ প্রকাশ কৰি নাগৰিকৰ বাবে আবেদন কৰা ব্যৱস্থা সূচল কৰিবলৈও নির্দেশ দিয়া হৈছে। ভাৰতত পূর্বতে সংবিধানৰ 19 [2] নং অনুচ্ছেদ, 1923 চনৰ চৰকাৰী গোপনীয়তা আইন ইত্যাদিৰ ব্যৱস্থা মর্মে তথ্য প্রকাশৰ ক্ষেত্রত যুক্তিসংগত বাধা প্রয়োগ কৰা হৈছিল যদিও তথ্য জনাৰ অধিকাৰে এই ব্যৱস্থা যথেষ্ট শিথিল কৰিছে।

তথ্য জনাৰ অধিকাৰ আইনৰ প্রস্তাৱনা মতে, প্রতিটো ৰাজহুৱা খণ্ডৰ কাম-কাজত স্বচ্ছতা আৰু দায়িত্ববোধ বৃদ্ধি কৰিবলৈ এই আইনখন গ্রহণ কৰা হৈছে। ইয়াৰ লগতে ইয়াকো উল্লেখ কৰা হৈছে যে 'তথ্য প্রকাশ কৰা আৰু ৰাজহুৱা স্বার্থ' যেনে চৰকাৰৰ সুদক্ষ পৰিচালনা, সীমিত আর্থিক সম্পদসমূহৰ পর্যাপ্ত ব্যৱহাৰ আৰু চাঞ্চল্যকৰ তথ্যৰ গোপনীয়তা নিশ্চিতকৰণ ইত্যাদিৰ মাজত থকা বিভিন্ন বিৰোধিতাসমূহ আঁতৰ কৰাত এই আইনখনে যথেষ্ট অৰিহণা যোগাব। এই তথ্যসমূহ নির্দিষ্ট বিভাগৰ পৰা সকলো নাগৰিকে যিকোনো আকাৰত লাভ কৰিব পাৰে, যেনে— লিখিত টোকা, নথি-পত্র, ই-মেইল, গোহাৰি, প্রেছ-বিজ্ঞপ্তি, আদেশ, চুক্তিপত্র, প্রতিবেদন আৰু নমুনা আদি ৰূপত।

এই আইনৰ অধীনত তথ্য আহৰণ কৰিবৰ বাবে সকলো ৰাজহুৱা খণ্ডৰ প্রতিষ্ঠানক অন্তর্ভুক্ত কৰা হৈছে। কেন্দ্রীয় আৰু ৰাজ্য চৰকাৰৰ বিভাগসমূহৰ বাদেও, সকলো পঞ্চায়তীৰাজ প্রতিষ্ঠান, স্থানীয় প্রতিষ্ঠান আৰু চৰকাৰীভাৱে নিয়ন্ত্রিত, অধিকৃত আৰু বিত্তীয় অনুদান লাভ কৰা প্রতিষ্ঠানসমূহকো এই আইনৰ অধীনত সামৰি লোৱা হৈছে।

চৰকাৰী অনুদান লাভ কৰা বেচৰকাৰী স্বেচ্ছাসেৱী সংস্থাসমূহো এই আইনৰ অধীনস্থ। অৱশ্যে কিছু ধৰণৰ তথ্য বর্তমানৰ আইনমতে বিচাৰিব নোৱাৰি। যেনে ৰাষ্ট্রৰ সার্বভৌমত্ব আৰু নিৰাপত্তা সম্পর্কীয় তথ্য, মন্ত্রী পৰিষদৰ নথি-পত্র, অন্যান্য উচ্চ পর্যায়ৰ বিষয়াবর্গৰ লিখিত টোকা ইত্যাদি। এই ব্যৱস্থাই সিদ্ধান্ত গ্রহণৰ সম্পূর্ণ প্রক্রিয়াটোক তথ্য প্রকাশৰ পৰা ৰেহাই দিছে। এই আইনখনৰ কেবাটাও দফাই কার্যপালিকাক (অনিচ্ছাকৃতভাৱে) তথ্য প্রকাশ নকৰিবলৈ ক্ষমতা প্রদান কৰিছে আৰু কোনো ৰাজহুৱা

খণ্ডৰ বিষয়াক এই ক্ষমতাৰ অপপ্রয়োগৰ বাবে দায়ী কৰাৰ কোনো ব্যৱস্থা ইয়াত নাই। অৱশ্যে কেন্দ্রীয় তথ্য আয়োগ (Central Information Commission) এ অলপতে দিয়া এক আদেশ অনুসৰি লিখিত টোকাৰ প্রতিলিপি নথি-পত্রৰ ৰূপত আহৰণ কৰাৰ বাবে আবেদন কৰিব পাৰি। একেদৰে, পৰিষদৰ নথি-পত্রসমূহো পৰিষদৰ সিদ্ধান্ত গ্রহণ প্রক্রিয়াৰ অন্তত আবেদন অনুসৰি প্রকাশ কৰাটো বাধ্যতামূলক কৰা হৈছে।

এই আইনখনে নাগৰিকক 'ৰাজহুৱা স্বার্থজড়িত তথ্য আহৰণ কৰিবলৈ স্বাধীনতা প্রদান কৰি' নাগৰিকৰ ওপৰত এক গুৰু দায়িত্ব অর্পণ কৰিছে। সেয়েহে নাগৰিকৰ তথ্য জনাৰ গণতান্ত্রিক আৰু মৌলিক অধিকাৰ নিশ্চিত কৰিবলৈ বিচৰাটো এইখন আইনৰ মূল উদ্দেশ্য নহয় যেন ভাব হয়। এই আইনখনত 'যুক্তিসংগতভাৱে আহৰণ কৰিব পৰা' আৰু 'এই মত অনুসৰি গণতান্ত্রিক নীতিসমূহ উপযুক্তভাৱে পালন কৰিবলৈ তেওঁলোকে জনা উচিত' ইত্যাদি ধৰণৰ বাক্য যথেষ্ট বিতর্কমূলক। সাক্ষৰতাৰ নিম্ন হাৰ, ভৌগোলিক সীমাবদ্ধতা, বহুতো গ্রামীণ আৰু বহুতো থলুৱা লোকৰ সৈতে যোগাযোগৰ অসুবিধা থকা দেশ এখনত চৰকাৰৰ দ্বাৰা তথ্যৰ ক্ষিপ্র যোগান ধৰাটো যথেষ্ট কঠিন। তথাপিও, জীৱন, স্বাস্থ্য আৰু পৰিৱেশ সম্পর্কীয় তথ্যৰ ক্ষিপ্রতৰ যোগানৰ বিষয়সমূহ এই আইনখনত স্থান পোৱাটো জৰুৰী।

এই আইনখনে ব্যক্তিগত প্রতিষ্ঠানসমূহক নিজৰ পৰিধিৰ ভিতৰত সামৰি লোৱা নাই। ব্যক্তিগত প্রতিষ্ঠানসমূহক নিজৰ পৰিধিৰ ভিতৰত সামৰিবলৈ অসমর্থ হোৱা বিষয়টো সমগ্র দেশতে যথেষ্ট গুৰুত্ব সহকাৰে আলোচিত হৈছে। ব্যক্তিগত খণ্ডৰ প্রতিষ্ঠান, বিশেষকৈ নাগৰিকৰ মৌলিক অধিকাৰসমূহক প্রভাৱিত কৰা প্রতিষ্ঠানসমূহে তথ্য যোগান ধৰাটো বাধ্যতামূলক কৰা উচিত। উদাহৰণস্বৰূপে, কেতবোৰ আইন, যেনে, জল আৰু বায়ু প্রদূষণ সংক্রান্তীয় আইনসমূহে ইতিমধ্যে নির্দিষ্ট বিভাগৰ পৰা তথ্য আহৰণ কৰাৰ বাবে সীমিতভাৱে হ'লেও কিছু অধিকাৰ প্রদান কৰিছে।



অগ্রগতি নিৰীক্ষণ - ঘ

5¼ তথ্য মানে কি?

6। তথ্য জনাৰ অধিকাৰ মানে কি?

7¼ কোনখন দেশত এখন নির্দিষ্ট আইনৰ জৰিয়তে তথ্য জনাৰ স্বাধীনতাৰ পাতনি মেলা হৈছিল?

8¼ তথ্য জনাৰ স্বাধীনতা, ভাৰতীয় সংবিধানৰ কোন দুটা অনুচ্ছেদৰ অন্তর্গত?

9¼ ভাৰতত তথ্য জনাৰ অধিকাৰ আইন কোন চনত প্রণয়ন কৰা হয়?

10। অসমত তথ্য জনাৰ অধিকাৰ আইন কোন চনত প্রণয়ন কৰা হয়?

৩.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টিত আপোনাক সংবাদ মাধ্যমৰ স্বাধীনতা, মানহানি, তথ্য জনাৰ অধিকাৰ আৰু চৰকাৰী গোপনীয়তা আইন (1923)ৰ মৌলিক দিশসমূহৰ বিষয়ে জনাবলৈ প্ৰয়াস কৰা হৈছে। এই বিষয়বোৰ পুনৰবাৰ জুকিয়াই চাওঁ আহক।

চৰকাৰী বিবাচক প্ৰক্ৰিয়া আৰু নিয়ন্ত্ৰণৰ পৰা বাতৰি কাকত, কিতাপ, আলোচনী, অনাতাঁৰ আৰু দূৰদৰ্শনৰ দৰে সংবাদ মাধ্যমসমূহক ৰক্ষা কৰিবলৈ সংবাদ মাধ্যমৰ স্বাধীনতা হৈছে এক শক্তিশালী উপায়। 'ভাৰতীয় সংবিধানে' সংবাদ মাধ্যমৰ বিষয়ে উল্লেখ নকৰাকৈ 19[2] নং অনুচ্ছেদৰ জৰিয়তে, প্ৰয়োজন সাপেক্ষে, এই অধিকাৰৰ ওপৰত যুক্তিসংগত বাধা আৰোপ কৰা হয়।

মানহানি হৈছে কোনো এজন ব্যক্তিৰ যশস্যাৰ বিৰুদ্ধে লিখিত অথবা মৌখিকভাৱে কৰা ইচ্ছাকৃত মিছা উদ্ধৃতি, যাৰ দ্বাৰা মানুহজনৰ সন্মানত আঘাত লাগে। মানহানি হৈছে এক অভিযোগ্য অন্যায় যাৰ বাবে ভাৰতীয় দণ্ডবিধি আইনৰ দেৱানী আৰু ফৌজদাৰী গোচৰ তৰিব পাৰি। মানহানি দুই ধৰণৰ— ক্ৰমে লিখিত মানহানি অৰ্থাৎ অপযশ আৰু মৌখিক মানহানি অৰ্থাৎ মিছা অভিযোগ।

1923 চনত গৃহীত হোৱা চৰকাৰী গোপনীয়তা আইন অৰ্থাৎ Official Secrets Act (OSA) হৈছে, চৰকাৰী গোপনীয়তা সম্পৰ্কীয় এক বিস্তাৰিত দস্তাবেজ আৰু ই বহুতো অপৰাধৰ সংজ্ঞা দিছে। এই আইনখনৰ লক্ষ্য হৈছে গোপনীয় তথ্য ফাদিল হোৱা, কূটাঘাতমূলক কাৰ্য আদিৰ পৰা ৰাষ্ট্ৰৰ নিৰাপত্তা অটুত ৰখা।

নাগৰিকৰ ৰাষ্ট্ৰ সম্পৰ্কীয় তথ্য জনাৰ ক্ষমতাকে 'তথ্য জনাৰ অধিকাৰ' বোলা হয়। আন্তঃৰাষ্ট্ৰীয় স্তৰৰ বহুতো মানৱ অধিকাৰ সম্পৰ্কীয় বিধেয়কে, তথ্য জনাৰ অধিকাৰক মানুহৰ আত্মসন্মান ৰক্ষাৰ সৈতে জড়িত এক মৌলিক মানৱ অধিকাৰ হিচাপে চিহ্নিত কৰিছে। ভাৰতীয় সংবিধানৰ 21 নং অনুচ্ছেদে অনৈতিক আৰু অদৰকাৰী বাধাৰ পৰা জীয়াই থকাৰ অধিকাৰ আৰু ব্যক্তিগত অধিকাৰক নিৰাপত্তা প্ৰদান কৰিছে। এই সংসদীয় বিষয়ক তথ্য যোগান ধৰিবলৈ নাকচ কৰা মানে, 'অধিকাৰ' খৰ্ব কৰা। ভাৰতীয় নাগৰিকসকলক কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ তথ্যসমূহ আহৰণ কৰাৰ এক ব্যৱস্থা হিচাপে 2005 চনত ভাৰতীয় সংসদে "তথ্য জনাৰ অধিকাৰ আইন"খন গৃহীত কৰে।



৩.৮ অধিক জানিবলৈ

Durga Das Basu : Law of the Press

Dr. J.N. Pandy : Constitutional law of India

Justice P.S. Narayana and Dr. G.B. Reddy : Right to Information and law.

Rodney D. Ryder; Right to Information, Law - Policy - Practice

৩.৯ অগ্রগতিৰ খতিয়ান

অগ্রগতি নিৰীক্ষণ - ক

১। সংবাদ মাধ্যমৰ স্বাধীনতা হৈছে চৰকাৰৰ দ্বাৰা বিভিন্ন সংবাদ সংস্থা, সাংবাদিক আৰু তেওঁলোকৰ সংবাদসেৱাক প্রদান কৰা এক প্রকাৰৰ নাগৰিক অধিকাৰ।

২। ইংলেণ্ড

৩। 19[1] নং অনুচ্ছেদ

৪। ভাৰতীয় সংবিধানৰ 19[2] নং অনুচ্ছেদৰ জৰিয়তে "ভাৰতৰ সার্বভৌমত্ব আৰু সংহতি বিনষ্ট হোৱাৰ সম্ভাৱনা থাকিলে, ৰাষ্ট্রৰ নিৰাপত্তা বিপদাপন্ন হ'লে, বিদেশৰ সৈতে বন্ধুত্বপূর্ণ সম্পর্ক ব্যাহত হ'লে, সামাজিক বিশৃংখলতাৰ সৃষ্টি হ'লে, অপৰাধমূলক কাম কৰিবলৈ কাৰোবাক উদ্গনি দিলে, আনৰ যশস্যা হানি হ'লে, আদালতক অৱমাননা কৰিলে", সংবাদ মাধ্যমৰ স্বাধীনতাৰ ওপৰত যুক্তিসংগত বাধা আৰোপ কৰিব পাৰে।

৫। (গ) আমেৰিকা যুক্তৰাষ্ট্র

৬। (খ) ভুল

অগ্রগতি নিৰীক্ষণ - খ

১। মানহানি হৈছে কোনো এজন ব্যক্তিৰ যশস্যাৰ বিৰুদ্ধে লিখিত অথবা মৌখিক ভাৱে কৰা, ইচ্ছাকৃত মিছা উদ্ধৃতি, যাৰ দ্বাৰা মানুহজনৰ অতি মূল্যবান সম্পদ অর্থাৎ তেওঁৰ সন্মানৰ ওপৰত আঘাত লাগে। মানহানি হৈছে এক অভিযোগ্য অন্যায়। কোনো মতামত অথবা উদ্ধৃতিক তেতিয়া মানহানি বোলা হয়, যেতিয়া তাৰ দ্বাৰা কোনো ব্যক্তি, হিংসা, ইতিকিং বা তাচ্ছিল্যৰ পাত্র হয় অথবা তেওঁক কর্মক্ষেত্র আদিত বর্জন কৰা বা আক্রমণ কৰাৰ সম্ভাৱনা থাকে।

২। মানহানি দুই ধৰণৰ ঃ লিখিত আৰু মৌখিক। মিছা অভিযোগৰ সংক্রান্তত কৰা চুক্তিহীন গোচৰটি মামলা (মৌখিকভাৱে দিয়া অপমানমূলক উদ্ধৃতিৰ ক্ষেত্রত) আৰু অপযশ (লিখিত ৰূপত অথবা ছবি, ইংগিত, ইলেকট্রনিক মাধ্যম আদিৰ জৰিয়তে কৰা)ৰ পৰাই মানহানিৰ আইনৰ উৎপত্তি হয়, আৰু এই সকলোবোৰে সার্বজনীন আইনৰ পোষকতা কৰে।

৩। শাখা 500

৪। (গ) শাখা 499

অগ্রগতি নিৰীক্ষণ - গ

1¼ 1923

2¼ শত্রুৰাষ্ট্রক কোনো ছবি, ৰেখাচিত্র, আঁচনি, গোপনীয় চৰকাৰী আৰ্হি, চৰকাৰী সংকেত চিহ্ন, সংকেত শব্দ আদি প্রেৰণ কৰিলে তাক শত্রুৰাষ্ট্রক সহায় কৰা বুজায়।

3¼ এই আইনৰ 5 নং শাখাৰ অধীনত, ভাৰতৰ সার্বভৌমত্ব আৰু সংহতি বিনষ্ট কৰা, ৰাষ্ট্রীয় সুৰক্ষা ব্যাহত কৰা অথবা বিদেশী ৰাষ্ট্রৰ সৈতে বন্ধুত্বপূর্ণ সম্পর্ক নষ্ট কৰিব পৰা তথ্য প্রকাশ কৰাটো দণ্ডনীয়।

অগ্রগতি নিৰীক্ষণ - ঘ

1। কোনো এক ধৰণৰ মৌখিক নাইবা লিখিত ৰূপকে তথ্য বুলিব পাৰি। তথ্য হৈছে আহৰিত জ্ঞান অথবা এনে কিছুমান বিষয়ৰ জ্ঞান, যাৰ দ্বাৰা জ্ঞান আহৰণ কৰিব পাৰি। তথ্য জনাৰ অধিকাৰ আইন, 2005 অনুসৰি, তথ্যৰ অর্থ হৈছে চৰকাৰী কর্তৃপক্ষৰ প্রশাসনিক; কাম-কাজ সম্পর্কীয় অথবা সিদ্ধান্ত বিষয়ক যিকোনো ধৰণৰ উপাদান [S.3(d)]।

2¼ নাগৰিকৰ ৰাষ্ট্র সম্পর্কীয় তথ্য ক্ষমতাকে "তথ্য জনাৰ অধিকাৰ" বোলা হয়।

3¼ চুইডেন

4¼ 2005

5। (ক) 2001

৩.১০ সম্ভাব্য প্রশ্ন

1। সংবাদ মাধ্যমৰ স্বাধীনতাৰ বিষয়ে চমুকৈ বিৱৰণ দিয়ক। সংবাদ মাধ্যমৰ সৈতে জড়িত সাংবিধানিক নিশ্চয়তা আৰু যুক্তিসংগত বাধাসমূহ কেনে ধৰণৰ?

2¼ সংবাদ মাধ্যমৰ স্বাধীনতাৰ ইতিহাসৰ বিষয়ে এক চমু টোকা লিখক।

3¼ ভাৰতীয় দণ্ডবিধি আইনৰ অধীনত থকা মানহানিৰ আইনৰ বিষয়ে লিখক। ভাৰতীয় সংবিধান অনুসৰি, মানহানিক এক সীমাবদ্ধতা ৰূপে ধার্য কৰা হৈছেনে?

4¼ 1923 চনত গৃহীত চৰকাৰী গোপনীয়তা আইনৰ বিষয়ে চমুটোকা লিখক।

5¼ বিভিন্ন ৰাষ্ট্র আৰু বিভিন্ন আন্তঃৰাষ্ট্রীয় বিধেয়কত তথ্য জনাৰ অধিকাৰৰ ধাৰণাৰ বিকাশ সম্পর্কে চমুকৈ বিশ্লেষণ কৰক।

6¼ তথ্য জনাৰ অধিকাৰ আইন, 2005ৰ বিষয়ে এটি টোকা লিখক।

অধ্যায় - ৪ ঃ সাংবাদিকৰ অধিকাৰ

অধ্যায় গাঁথনি

৪.১ উদ্দেশ্য

৪.২ পৰিচয়

৪.৩ ভাৰতীয় সংবাদ সংস্থা (Press Council of India)

৪.৩.১ সাংবাদিকতাৰ নির্দেশক নীতি

৪.৩.২ সক্রিয় সংবাদিকৰ আইন (Working Journalists Act) 1955

৪.৪ প্রচাৰ ভাৰতী (ভাৰতীয় প্রচাৰণ নিগম) আইন, 1990

৪.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৪.৬ অধিক জানিবলৈ

৪.৭ অগ্রগতিৰ খতিয়ান

৪.৮ সম্ভাব্য প্রশ্ন

৪.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি-

- ভাৰতীয় সংবাদ সংস্থাৰ ভূমিকা সম্পর্কে ব্যাখ্যা কৰিব পাৰিব
- সাংবাদিকতাৰ নীতিসমূহ চিনাক্ত কৰিব পাৰিব
- এজন সক্রিয় সাংবাদিকৰ সংজ্ঞা দিব পাৰিব
- নির্দিষ্ট আইন অনুসৰি সক্রিয় সাংবাদিক আৰু অন্যান্য সংবাদকর্মীৰ কর্ম অৱস্থাৰ বিষয়ে আলোচনা কৰিব পাৰিব
- প্রচাৰ ভাৰতী নিগমৰ উদ্দেশ্যসমূহ ব্যাখ্যা কৰিব পাৰিব
- প্রচাৰণ নিগম স্থাপনৰ বিষয়ে আলোচনা কৰিব পাৰিব।

৪.২ পৰিচয়

1957 চনত সক্রিয় সাংবাদিক আৰু বাতৰিকাকতৰ অন্যান্য কর্মচাৰী (Conduction of services & Miscellaneous provision) আইনখন সক্রিয় সংবাদসেৱীসকলৰ সুবিধাৰ অর্থে প্রৱর্তন কৰা হয়। আনহাতে 1990 চনত এখন স্বনিয়ন্ত্রিত প্রচাৰণ নিগম স্থাপন কৰাৰ উদ্দেশ্যৰে প্রচাৰ ভাৰতী (ভাৰতীয় প্রচাৰণ নিগম) আইন জাৰি কৰা হয়। এই অধ্যায়টিত ভাৰতীয় সংবাদ সংস্থা (Press Council of India) ৰ ভূমিকা আৰু সাংবাদিকৰ বাবে প্রস্তুত কৰা Ethical code of conductৰ

আৰম্ভণিৰ লগতে ইয়াৰ আন্তঃৰাষ্ট্ৰীয় নীতিৰ বিকাশ সম্পৰ্কে পৰিচিত কৰোৱা হ'ব।

এই অধ্যায়টিত আপুনি সক্ৰিয় সংবাদসেৱী আৰু বাতৰিকাকতৰ অন্যান্য কৰ্মচাৰী (Conditions of services & Miscellaneous Provision) আইন 1955ৰ অধীনত সংবাদসেৱীসকলে লাভ কৰা সুবিধাৰ বিষয়ে আৰু ইয়াৰ প্ৰশাসনিক দিশৰ বিষয়ে জানিব পাৰিব। লগতে প্ৰচাৰ ভাৰতীৰ উদ্দেশ্য আৰু প্ৰচাৰণ নিগমৰ গঠন তথা কাৰ্য প্ৰণালী সম্পৰ্কে জ্ঞাত হ'ব।

পৰৱৰ্তী খণ্ডত সংবাদসেৱীৰ নীতি আৰু আচৰণবিধিৰ বিষয়ে বহলাই আলোচনা কৰা হ'ব।

৪.৩ ভাৰতীয় সংবাদ সংস্থা (Press Council of India)

সংবাদ সংস্থা হৈছে সংবাদ প্ৰতিস্থান অথবা প্ৰচাৰ মাধ্যমক নিয়ন্ত্ৰিত কৰা এক অনুষ্ঠান (Mechanism)। এখন গণতান্ত্ৰিক দেশত সংবাদ মাধ্যম মুক্ত আৰু দায়িত্বশীল হোৱা উচিত। এই ধাৰণাই জন্ম দিছে সংবাদ সংস্থাৰ। যদি প্ৰচাৰ মাধ্যমে প্ৰতিটো সামাজিক গতিবিধিৰ ওপৰত চোকা নজৰ ৰাখিব লাগে তেন্তে ই সকলো ধৰণৰ চৰকাৰী, সংস্থা বা ব্যক্তিৰ অনৈতিক দখলৰ পৰা মুক্ত হ'ব লাগিব। লগতে প্ৰচাৰ মাধ্যমৰ এক সুৰক্ষিত মত প্ৰকাশৰ স্বাধীনতা থাকিব লাগিব। কিন্তু এই প্ৰচাৰ মাধ্যমৰ আকাংক্ষিত স্বাধীনতা তেতিয়াহে যুক্তিযুক্তভাৱে ফলপ্ৰসূ হ'ব, যেতিয়া ইয়াক সম্পূৰ্ণ দায়িত্বপূৰ্ণভাৱে ব্যৱহাৰ কৰা হ'ব। সেয়েহে প্ৰচাৰ মাধ্যমে নিঃস্বাৰ্থভাৱে সংবাদসেৱীৰ নীতি সমৰ্থন কৰি, উচ্চস্তৰৰ বৃত্তিগত আচৰণবিধি অটুত ৰাখিব লাগে। এই সকলো নীতি আৰু আচৰণবিধি যাতে উলংঘন হ'ব নোৱাৰে তাৰ বাবে এক শক্তিশালী তদাৰকৰ প্ৰয়োজন হয়। কিন্তু এই ক্ষেত্ৰত চৰকাৰ বা প্ৰশাসনৰ হস্তক্ষেপে প্ৰচাৰ মাধ্যমৰ স্বাধীনতা বিনষ্ট কৰিব পাৰে।

সেয়েহে সংবাদসেৱী আৰু কিছু বিশিষ্ট ব্যক্তিক লৈ সংবাদ সংস্থা গঠন কৰা হয়। এই সংস্থা হৈছে এক নিয়াৰিকৈ গঠন কৰা প্ৰতিনিধিত্বমূলক নিৰপেক্ষ অনুষ্ঠান যিয়ে প্ৰচাৰ মাধ্যমৰ ওপৰত নজৰ ৰাখে।

তেনে এক অনুষ্ঠানৰ প্ৰয়োজনীয়তাৰ বিষয়ে সমগ্ৰ বিশ্বৰে প্ৰশাসন আৰু প্ৰচাৰ মাধ্যমে অনুভৱ কৰে। ইয়াৰ ফলস্বৰূপে 1916 চনত পোনপ্ৰথমবাৰৰ বাবে চুইডেনত Court of Honour for the Press নামেৰে প্ৰথমটো সংবাদ সংস্থা স্থাপন কৰা হয়। পাছলৈ স্কেন্দিনেভিয়াৰ অন্য দেশসমূহৰ লগতে ইউৰোপীয় দেশ, কানাডা, এছীয়া, অষ্ট্ৰেলিয়া আৰু নিউজিলেণ্ডতো এই ধৰণৰ অনুষ্ঠানৰ নীতিয়ে সমাদৰ লাভ কৰিবলৈ ধৰে। বৰ্তমান বিশ্বৰ 48 খনৰো অধিক দেশত সংবাদ সংস্থাৰ দৰে প্ৰতিষ্ঠান স্থাপন কৰা হৈছে।

1966 চনত প্ৰথম প্ৰেছ কমিছন (First Press Commission)ৰ উপদেশ মৰ্মে ভাৰতীয় সংসদে ভাৰতীয় সংবাদ সংস্থা স্থাপন কৰে। ইয়াৰ মূল উদ্দেশ্য আছিল প্ৰচাৰ মাধ্যমৰ উৎকৰ্ষ সাধন কৰা। বৰ্তমান এই সংস্থাই 1978ৰ সংবাদ সংস্থা আইন অনুসৰি কাম কৰে। এই সংস্থা হৈছে প্ৰচাৰ মাধ্যমৰ ওপৰত নজৰ ৰখা এক অৰ্দ্ধন্যায়িক সংগঠন। এই সংস্থাই নীতি উলংঘাৰ ক্ষেত্ৰত প্ৰচাৰ মাধ্যমৰ বিৰুদ্ধে আৰু প্ৰচাৰ মাধ্যমৰ স্বাধীনতা বিনষ্ট হ'লে ইয়াৰ ফলীয়া হৈ আচৰণ কৰে।

উচ্চতম ন্যায়ালয়ৰ কোনো এজন অৱসৰপ্ৰাপ্ত ন্যায়াধীশে সংবাদ সংস্থাৰ সভাপতি ৰূপে ইয়াক নেতৃত্ব দিয়ে। ৰাজ্যসভাৰ সভাপতি, লোকসভাৰ অধ্যক্ষ আৰু সংবাদ সংস্থাৰ এগৰাকী নিৰ্বাচিত সদস্যৰে গঠিত এখন সমিতিয়ে সংস্থাৰ সভাপতিগৰাকী মনোনীত কৰে। সংস্থাত আৰু 28 গৰাকী সদস্য থাকে। ইয়াৰ 20 গৰাকীয়ে প্ৰচাৰ মাধ্যমক প্ৰতিনিধিত্ব কৰে আৰু তেওঁলোকক সম্পাদক, সক্ৰিয় সাংবাদিক আৰু কাকতৰ স্বত্বাধিকাৰী আদিক লৈ গঠিত ৰাষ্ট্ৰীয় পৰ্যায়ৰ স্বীকৃতিপ্ৰাপ্ত সংবাদ সংস্থা অথবা বাতৰি প্ৰতিষ্ঠান আদিয়ে মনোনীত কৰে। 5 গৰাকী মনোনীত কৰে ৰাজ্যসভা আৰু লোসভাই। 3 গৰাকীয়ে সাহিত্য অকাডেমী, বিশ্ববিদ্যালয় অনুদান আয়োগ আৰু ভাৰতৰ সংস্থাৰ (Bar Council of india) দ্বাৰা মনোনীত, সাহিত্য-সংস্কৃতি আৰু আইন সম্পৰ্কীয় ব্যক্তিও সংবাদ সংস্থাৰ সদস্য হয়। সমূহ সদস্যৰ কাৰ্যকাল তিনি বছৰ।

পাঁচ হাজাৰতকৈ বেছি প্ৰচাৰ সংখ্যা থকা বাতৰিকাকতৰ ওপৰত নিৰ্ধাৰণ কৰা, সংবাদ সংস্থাই ৰাজহৰূপে সংগ্ৰহ কৰে। এই ৰাজহ পাঁচ হাজাৰতকৈ কম প্ৰচাৰ সংখ্যাৰ কাকতৰ ক্ষেত্ৰত প্ৰযোজ্য নহয়। বাকী পুঁজি তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰণালয়ৰ জৰিয়তে কেন্দ্ৰীয় চৰকাৰে বহন কৰে।

প্ৰচাৰ মাধ্যমৰ বাবে বাক্ স্বাধীনতা সুনিশ্চিত কৰি এই সংস্থাই ভাৰতত এক শক্তিশালী গণতান্ত্ৰিক সংগঠন ৰূপে অতি গুৰুত্বপূৰ্ণ স্থান দখল কৰি আছে। সংবাদ সংস্থাই প্ৰচাৰ মাধ্যমৰ দ্বাৰা আৰু প্ৰচাৰ মাধ্যমৰ বিপক্ষে তৰা গোচৰ বিচাৰ কৰে। সংস্থাই দোষী সাব্যস্ত হোৱা সাংবাদিকক সকিয়নি বা গৰিহণা দিব পাৰে। সংস্থাৰ চৰকাৰ সমন্বিতে সকলো কৰ্তৃপক্ষৰ কাম-কাজৰ ওপৰত নজৰ ৰখাৰ ক্ষমতা আছে। প্ৰয়োজন সাপেক্ষে সংবাদ সংস্থাই কোনো বাতৰিকাকত, সংবাদ প্ৰতিষ্ঠান, সম্পাদক অথবা সাংবাদিকক সকিয়নি, গৰিহণা বা সতৰ্ক কৰি দিয়াৰ উপৰিও সম্পূৰ্ণৰূপে নিষ্ক্ৰিয় কৰাৰ অধিকাৰ আছে। ভাৰতীয় সংবাদ সংস্থাক সংবিধানে যথেষ্ট নিৰাপত্তা প্ৰদান কৰিছে আৰু একমাত্ৰ সংবিধানৰ আইন ভংগ কৰা বুলি প্ৰমাণ কৰিব পৰা অৱস্থাতহে এই সংস্থাৰ বিৰুদ্ধে গোচৰ তৰিব পাৰি। চৰকাৰৰ দ্বাৰা যথেষ্ট পুঁজি আহৰণ কৰা স্বত্বেও ভাৰতীয় সংবাদ সংস্থা এক স্বতন্ত্ৰ সত্বা আৰু ন্যায়িক অধিকাৰ সাব্যস্ত কৰাৰ ক্ষেত্ৰতো ই চৰকাৰৰ পৰা সম্পূৰ্ণ স্বাধীন।

৪.৩.১ সাংবাদিকতাৰ নীতি (Ethics of Journalism)

কোনো কামৰ গ্ৰহণযোগ্যতা বিচাৰ কৰিবলৈ নিৰ্ধাৰণ কৰা নিয়মকে সাধাৰণ অৰ্থত নীতি বুলিব পাৰি। নীতিৰ জৰিয়তে কোনো কাম ভুল নে শুদ্ধ, ভালনে বেয়া, প্ৰশংসাৰ যোগ্য নে গৰিহণাৰ যোগ্য, দায়িত্বপূৰ্ণ হয়নে নহয়, স্বইচ্ছাই কৰা নে বাধ্যবাধকতাত কৰা, এই সকলোবোৰ দিশ বিচাৰ কৰিব পাৰি। সাংবাদিকে সন্মুখীন হোৱা বৃত্তিগত প্ৰত্যাহ্বানৰ বিপৰীতে লোৱা শুদ্ধ পদক্ষেপ আৰু আদৰ্শসমূহৰ দ্বাৰাই সাংবাদিকতাৰ নীতি আৰু মানদণ্ড গঢ় লৈ উঠে। অতীজৰ পৰা বৰ্তমান সময়লৈকে এই মানদণ্ডসমূহ সাংবাদিকসকলৰ মাজত তেওঁলোকৰ বৃত্তিগত 'নিৰ্দেশ নীতি' (Code of ethics) ৰূপে স্বীকৃত। বৰ্তমান প্ৰায় সকলোবোৰ উচ্চস্তৰৰ বৃত্তিগত সংবাদ সংস্থা আৰু বিভিন্ন সম্প্ৰচাৰ আৰু অনলাইন বাতৰি প্ৰতিষ্ঠানৰ নিজাববীয়া নিৰ্দেশক নীতি মূদ্ৰণ আছে। সাংবাদিকতাৰ নিৰ্দেশক নীতিসমূহৰ মূল উদ্দেশ্য হ'ল সমাজত শুদ্ধ, নিৰ্ভুল, নিৰপেক্ষ, যুক্তিসংগত আৰু মাৰ্জিতভাৱে বাতৰি, মতামত, উক্তি আৰু তথ্যৰ যোগান ধৰা। এইক্ষেত্ৰত প্ৰচাৰমাধ্যম সমূহে আন্তঃৰাষ্ট্ৰীয়ভাৱে স্বীকৃত নীতিসমূহ গ্ৰহণ কৰি নিজৰ দায়িত্ব পালন কৰিব বুলি আশা কৰা হয়। নিজৰ বোধশক্তিৰে এই নীতিসমূহৰ উপযোগিতা বিচাৰ কৰিলে সাংবাদিকসকলে নিজৰ কাৰ্য স্বনিয়ন্ত্ৰণ কৰাৰ ক্ষেত্ৰত যথেষ্ট লাভান্বিত হোৱাৰ থল আছে।

সম্পাদক আৰু বাতৰি বিভাগসমূহে লোৱা নীতি নিৰ্ধাৰণৰ কাৰ্যব্যৱস্থাই ইয়াৰ গ্ৰহণযোগ্যতা প্ৰমাণ কৰে। এই নীতিৰ নিৰ্ধাৰণ, পুনৰনিৰ্দ্ধাৰণ, বিতৰ্ক আৰু প্ৰয়োগে ইয়াৰ ফলপ্ৰসূতা সূচায়। অতি দৃঢ় নিৰ্দেশক নীতি আৰু সিদ্ধান্ত গ্ৰহণৰ শক্তিশালী প্ৰণালী সমৃদ্ধ বাতৰিকাকতসমূহে পদুৱৈ সমাজক অধিক নিষ্ঠাৰে সেৱা আগবঢ়োৱাৰ লগতে নীতিৰ সহায়ত বাতৰি বিভাগৰ কৰ্মীয়ে সঘনে সন্মুখীন হোৱা কঠোৰ বৃত্তিগত প্ৰত্যাহ্বান গ্ৰহণ কৰি উপযুক্ত সিদ্ধান্ত গ্ৰহণ আৰু সাংবাদিকতাৰ নীতিসম্পৰ্কীয় বিশ্বাসযোগ্যতা গঢ়ি তুলিব পাৰে।

সমগ্ৰ বিশ্বতে সাংবাদিকতাৰ সৈতে জড়িত বহুতো সংস্থা আৰু সংগঠন আছে, যাৰ নিজাববীয়া নিৰ্দেশক নীতি আছে। এই ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ সংস্থাসমূহে বহুতো আহুকালৰ মাজেৰে সাংবাদিকসকলে সন্মুখীন হোৱা নীতি সম্পৰ্কীয় সমস্যা হ্ৰাস কৰিবলৈ নিৰ্দেশকৰ ৰূপত সহায় আগবঢ়াই আছে। নিজৰ কাম সম্পাদন কৰাৰ সময়ত সাংবাদিকসকলে এই নিৰ্দেশক নীতিৰ সহায়ত স্বনিৰীক্ষণ আৰু স্বসংশোধন কৰিব পাৰে। এই ক্ষেত্ৰত ভাৰতৰ কিছুমান বিশেষ নিৰ্দেশক নীতিৰ বিষয়ে উল্লেখ কৰিব পাৰি।

India Newspaper Editor's Conference (AINEC) অৰ্থাৎ সৰ্বভাৰতীয় বাতৰিকাকত সম্পাদকসকলৰ সন্মিলনে 1953 গ্ৰহণ কৰা Editor's Charter সৰ্বভাৰতীয় বাতৰিকাকত সম্পাদকসকলৰ সন্মিলনৰ নিৰ্দেশক নীতি 1968 চনত

গোষ্ঠীগত ঘটনাৰ বাবে গ্ৰহণ কৰা হয়, 1954ৰ সংবাদ সংস্থাৰ নিৰ্দেশক নীতি (Press Council Code), 1969ৰ গোষ্ঠীগত ঘটনাৰ বাবে গ্ৰহণ কৰা সংবাদ সংস্থাৰ নিৰ্দেশক নীতি, 1962ৰ ৰাষ্ট্ৰীয় সংহতি সংস্থা নিৰ্দেশক নীতি (Naticnal Integration Council Code), সাংবাদিকসকলৰ আৰু বাতৰিকাকতসমূহৰ সামাজিক আৰু নৈতিক দায়বদ্ধতাৰ বাবে 1976ত ৰাজ্যসভাই গ্ৰহণ কৰা সংসদীয় নিৰ্দেশক নীতি (Parliamentary Code of Ethics)। এই সকলো নিৰ্দেশক নীতিসমূহৰ কিছু ক্ষেত্ৰত প্ৰভেদ থাকিলেও, এই সমূহৰ মৌলিক নীতিসমূহ সমপৰ্যায়ৰ। এইসমূহ একাদিক্ৰমে আলোচনা কৰা হ'ল-

সত্যনিষ্ঠা (Truthfulness)

এজন সাংবাদিকৰ সততা, বিশ্বাসযোগ্যতা আৰু কৰ্মক্ষমতাৰ পৰাই সত্যনিষ্ঠাৰ আদৰ্শৰ জন্ম হয়। অৱশ্যে বহুক্ষেত্ৰত অন্য আদৰ্শ সত্যনিষ্ঠাৰ বিপৰীতে যাব পাৰে।সমাজৰ মুধাফুটা ব্যক্তিসকলৰ জীৱনৰ কিছুমান গোপনীয় কথাৰ বিৱৰণ বহুতো প্ৰচাৰ মাধ্যমৰ মুখ্য তথ্যত অন্তৰ্ভুক্ত হয়। এনে ধৰণৰ বাতৰি সত্য হ'লেও ইবিলাকৰ প্ৰকাশৰ যুক্তিযুক্ততাত যথেষ্ট সন্দেহ থাকে। সাংবাদিকসকলে মনত ৰখা উচিত যে প্ৰতিজন নাগৰিকৰ ব্যক্তিগত অধিকাৰো থাকে। আনহাতে সেনাবাহিনীৰ গোপনীয় তথ্য আৰু স্পৰ্শকাতৰ চৰকাৰী তথ্য প্ৰকাশ কৰাটো সামাজিক প্ৰেক্ষাপটত অনুচিত। একেদৰে ফটো সাংবাদিকসকলে প্ৰকাশ কৰা যুদ্ধ নাইবা দুৰ্যোগৰ দৃশ্যই অৱস্থাৰ অৱনতিহে ঘটাব পাৰে। এতিয়া নীতিগত প্ৰশ্নটো হ'ল যে শুদ্ধ আৰু সত্য বাতৰি পৰিৱেশন কৰিবলৈ প্ৰচাৰ মাধ্যমে কোনটো পৰ্যায়লৈ দৰ্শকৰ স্পৰ্শকাতৰ অনুভূতিক আঘাত কৰাটো উচিত।

যথার্থতা (Accuracy)

কোনো ব্যক্তিৰ নাম অথবা উক্তি নিৰ্ভুলভাৱে প্ৰকাশ কৰাটোৱেই যথার্থ সাংবাদিকতা নুবুজায়। সাংবাদিকে যথার্থতা ৰক্ষা কৰিবলৈ হ'লে এই ক্ষেত্ৰত কাৰোবাৰ উক্তি অথবা মতামতক প্ৰাসংগিকভাৱে উপস্থাপন কৰিব লাগিব। ইয়াৰ অর্থ হ'ল ব্যক্তি অথবা ঘটনা সম্পৰ্কে যিমানদূৰ সম্ভৱ সত্যনিষ্ঠ তথ্য যোগান ধৰা। এজন সাংবাদিকে নিজৰ অথবা সম্পাদকৰ ৰুচি অনুযায়ী কোনো ঘটনাক কেতিয়াও স্বইচ্ছাৰে গতি প্ৰদান কৰাটো অনুচিত। ইয়াৰ অর্থ হ'ল যে প্ৰকৃত সাংবাদিকতা প্ৰসংগত থকা বিষয়ে অথবা ব্যক্তিৰ সৈতে সাংবাদিকৰ ব্যক্তিগত মনোভাৱৰ কোনো স্থান নাথাকে।

বাস্তৱিকতা (Objectivity)

সাংবাদিক আৰু জনসাধাৰণে প্ৰতিটো বিষয়তে বাস্তৱিকতাৰ সন্ধান কৰে। United Kingdom আৰু আমেৰিকা যুক্তৰাষ্ট্ৰৰ সাংবাদিকতাৰ ক্ষেত্ৰত বাস্তৱিকতাক এক গুৰুত্বপূৰ্ণ স্থান দিয়া হৈছে। সংবাদ মাধ্যমৰ ক্ষেত্ৰত বাস্তৱিকতা, শুদ্ধতা, নিৰপেক্ষতা আৰু তথ্যভিত্তিকতা অত্যন্ত জৰুৰী। অৱশ্যে প্ৰায় ক্ষেত্ৰতে উক্ত সকলোবোৰ গুণ সমন্বিতভাৱে বাস্তৱিকতা প্ৰমাণ কৰিবলৈ জৰুৰী হৈ পৰে।

নিৰপেক্ষতা (Impartiality)

সাংবাদিকতাৰ নিৰপেক্ষ নীতিৰ মতে সকলো ধৰণৰ সিদ্ধান্ত যুক্তিসংগত হোৱা উচিত আৰু ইয়াত পক্ষপাতমূলক বিচাৰ বিশ্লেষণ অথবা অযুক্তিকৰ কাৰণত কোনো বিশেষ ব্যক্তিক সুবিধা প্রদান কৰাটো অনুচিত।

শুদ্ধতা (Fairness)

সাংবাদিকসকলে ৰাজনৈতিক প্রভাৱ অথবা ব্যক্তিগত পক্ষপাতিত্বৰ পৰা মুক্ত হৈ বাস্তৱিকতাৰে সকলো অনুসন্ধান কৰাটো অতি প্রয়োজনীয়। প্রসংগত থকা লোকসকলৰ প্রতি যেন অবিচাৰ কৰা নহয়। এই ক্ষেত্রত সাংবাদিকসকল নিজৰ লিখনিৰ ক্ষেত্রত সাৱধান হোৱা উচিত। লিখনিত সন্নিবিষ্ট ভাৱ আৰু শব্দসমূহ শুদ্ধ আৰু নির্ভেজাল হোৱা উচিত। সাংবাদিকে জনসাধাৰণ আৰু প্রসংগত থকা লোকসকলৰ সন্মুখত নিজৰ লিখনি সহজভাৱে পাঠ কৰিবলৈ পাৰিব লাগে। কোনো এজন ব্যক্তিৰ বিষয়ে সমালোচনাত্মক লিখনি প্রকাশৰ পিছত যদি সেই গৰাকী ব্যক্তিৰ দ্বাৰাই সেই লিখনি অতি দৃঢ় অথচ শুদ্ধ বুলি অভিহিত হয়, তেন্তে সেয়া হ'ব এজন সাংবাদিকৰ বাবে এক শ্রেষ্ঠ প্রশংসা।

সামাজিক দায়িত্ব (Public Accountability)

সামাজিক দায়িত্বৰ সৈতে সমিধানযোগ্যতা, দায়িত্ববোধ, নিন্দা, বাধ্যবাধকতা আৰু এনে ধৰণৰ বহুতো প্রসংগ সংযুক্ত হৈ থাকে। সাংবাদিকতাৰ ক্ষেত্রত, কোনো ঘটনাৰ পূর্বে আৰু তাৰ পাছত এজন সাংবাদিকে জনসাধাৰণৰ সন্মুখত অতি শুদ্ধ আৰু সম্পূর্ণৰূপে তেওঁৰ কামৰ খতিয়ান আৰু সমাজৰ ওপৰত তাৰ প্রভাৱৰ বিষয়ে বর্ণনা দিবলৈ বাধ্য। এয়া এজন সাংবাদিকৰ সামাজিক দায়িত্বৰ অন্তর্গত। অর্থাৎ এজন সাংবাদিক, তেওঁৰ কামৰ শুদ্ধতা আৰু সম্পূর্ণতা যথার্থভাৱে দাঙি ধৰিবলৈ সামাজিকভাৱে দায়বদ্ধ।

মর্যাদা (Dignity)

এজন সাংবাদিকৰ বাবে তেওঁ যিসকল ব্যক্তিৰ বিষয়ে লিখে তেওঁলোকৰ মর্যাদা অক্ষুণ্ণ ৰখাটো অতি গুৰুত্বপূর্ণ। ইয়াৰ লগতে গুৰুত্বপূর্ণ হৈছে পঢ়ুৱৈ সমাজ আৰু কাকতখনৰ মর্যাদা। ইয়াৰ অর্থ হ'ল যে সাংবাদিকসকলে মনত ৰখা উচিত যে প্রসংগত থকা ব্যক্তি অথবা সংস্থাক সন্মান প্রদর্শন কৰিও শক্তিশালী সাংবাদিকতা অটুট ৰাখিব পাৰি।

মানৱতা (Humanity)

মানৱতাই হ'ল মানৱ জীৱনৰ শ্রেষ্ঠ আদর্শ। Absence of Malice নামৰ চলচিত্রখনৰ এটা দৃশ্যত এজন অভিজ্ঞতাপুষ্ট সম্পাদকে নিজকে সাংবাদিক বুলি কৈছে। তেওঁ কৈছে যে, তেওঁ পৃথকভাৱে বাতৰি পৰিৱেশন কৰিব আৰু মানুহক কষ্ট নিদিয়াকৈ থাকিব জানে। কিন্তু এই দুয়োবিধ কাম একেলগে কৰিবলৈ তেওঁ অপাৰগ। শ্রেষ্ঠ

সাংবাদিকতাই অনিচ্ছাকৃতভাৱে প্ৰায়েই কাৰোবাক আঘাত দিয়ে। মানৱতাৰ অৰ্থ হ'ল নিৰ্দোষীক আঘাত নকৰা আৰু সেইসকলক আঘাত নকৰা যাৰ এজন সাংবাদিকৰ সৈতে কথা পাতি সোমাই পৰা ঘটনাৰাজিৰ বিষয়ে কোনো নিৰ্দিষ্ট ধাৰণা নাই। এজন প্ৰকৃত সাংবাদিক জনসাধাৰণৰ প্ৰতি সদায় দায়বদ্ধ হৈ থাকে।

এজন সাংবাদিকৰ মূল বক্তব্য হৈছে তথ্যভিত্তিকভাৱে ঘটনাসমূহ অথবা বিষয়বস্তু উপস্থাপন কৰা। সকলো সচেতন সংবাদ মাধ্যমে সেয়েহে অতি বিশ্বস্ততাৰে সেৱা আগবঢ়াবলৈ তৎপৰ হৈ থাকে। বৃত্তিগত সংহতিয়েই হৈছে সাংবাদিকৰ বিশ্বাসযোগ্যতাৰ মূল। এজন বিশ্বস্ত সাংবাদিক আৰু সমাজৰ মাজত থাকিবলগীয়া সম্পৰ্কৰ ভেটি নিৰ্মাণ কৰে সাংবাদিকতাৰ নিৰ্দেশক নীতিসমূহে। এই ভেটি যিমানে দৃঢ় হয়, লিখক আৰু পঢ়ুৱৈৰ মাজৰ সম্পৰ্কও সিমানে দৃঢ় হয়। কিন্তু বেছিভাগ ক্ষেত্ৰতে এনে ধৰণৰ দৃঢ় ভেটি নিৰ্মাণ হোৱাটো পৰিলক্ষিত নহয়। কিয়নো যেতিয়ালৈকে কোনো অসুবিধাৰ সন্মুখীন হোৱা নাযায়, তেতিয়ালৈকে কোনো পক্ষই নীতিসমূহৰ বিষয়ে সচেতন হৈ নুঠে।



অগ্ৰগতি নিৰীক্ষণ - ক

1¼ সংবাদ সংস্থা কাক বোলে?

2¼ ভাৰতীয় সংবাদ সংস্থাক কোনো নেতৃত্ব দিয়ে?

3¼ সাংবাদিকতাৰ নিৰ্দেশক নীতিসমূহৰ মূল উদ্দেশ্য কি?

4¼ সাংবাদিকতাৰ নিৰ্দেশক নীতিসমূহৰ আন্তঃৰাষ্ট্ৰীয়ভাৱে স্বীকৃত নীতি কি কি?

5¼ ভাৰতত পোনপ্ৰথমবাৰৰ বাবে কেতিয়া সংবাদ সংস্থা প্ৰতিষ্ঠা কৰা হৈছিল?

(ক) 1966 (খ) 1967 (গ) 1977 (ঘ) 1978

6¼ নিম্নোলিখিত কোনটো সংস্থাৰ পৰা ভাৰতীয় সংবাদ সংস্থালৈ প্ৰাৰ্থী মনোনীত কৰা নহয়?

(ক) সাহিত্য অকাডেমী (খ) বিশ্ববিদ্যালয় অনুদান আয়োগ (গ) সংগীত নাটক অকাডেমী (ঘ) Bar Council of India

৪.৩.২ সক্ৰিয় সাংবাদিকৰ আইন (Working Journalists 'Act) 1955

1955 চনত গৃহীত সক্ৰিয় সাংবাদিকৰ আইনখনে বাতৰিকাকতৰ প্ৰতিষ্ঠানত নিয়োজিত সক্ৰিয় সাংবাদিক আৰু অন্য কৰ্মচাৰীৰ কৰ্ম অৱস্থাক নিয়ন্ত্ৰণ কৰিবলৈ কিছুমান কল্যাণমূলক ব্যৱস্থা নিৰ্দ্ধাৰণ কৰিছে। এই আইন অনুসৰি এজন "সক্ৰিয় সাংবাদিক"ৰ সংজ্ঞা হৈছে সাংবাদিকতাক মুখ্য বৃত্তি হিচাপে গ্ৰহণ কৰি, পূৰ্ণ অথবা অংশকালীনভাৱে বাতৰিকাকতৰ এক বা ততোধিক প্ৰতিষ্ঠান অথবা তেনে ধৰণৰ সংস্থাত নিয়োজিত

ব্যক্তি বিশেষ। এই সন্দর্ভত উল্লেখযোগ্য যে ব্যৱস্থাপক, প্রশাসক অথবা পর্যবেক্ষক ৰূপে কার্যনির্বাহ কৰা লোকক এই শাখাত সন্নিবিষ্ট কৰা নহয়। সেয়েহে এই আইন অনুসৰি সম্পাদক, মুখ্য লিখক, বাতৰি-সম্পাদক, সহঃ সম্পাদক, আলেখ্য লিখক, প্রতিলিপি পৰীক্ষক, সাংবাদিক, সংবাদদাতা, কার্টুন শিল্পী, চিত্র সাংবাদিক আৰু মুদ্রণ পৰীক্ষক এই সকলো শ্রেণীৰ কর্মীক সক্রিয় সাংবাদিক বুলিব পাৰি।

প্রথম সংবাদ আয়োগে এই কথা উদ্ধাৰন কৰে যে সাংবাদিকসকলৰ দৰমহাৰ নিৰিখ যথোপযুক্ত নহয়। সেয়েহে আয়োগে সংবাদ কর্মীসকলৰ বাবে নূন্যতম দৰমহাৰ নিৰিখ নির্দ্ধাৰণ কৰাৰ বাবে প্রয়োজন অনুভৰ কৰি সেই সন্দর্ভত সিদ্ধান্ত গ্রহণ কৰে। 1955 চনত গৃহীত হোৱা Working Journalist আইনখনে 1947ৰ উদ্যোগীক বিবাদমূলক আইন (Industrial Disputes Act) খন সক্রিয় সাংবাদিকসকলৰ ক্ষেত্রতো প্রযোজ্য কৰিলে। ইয়াৰ লগতে এই আইনখনে 20জন বা ততোধিক কর্মী নিয়োগ কৰা বাতৰিকাকত প্রতিষ্ঠানৰ ক্ষেত্রত Industrial Employment (Standing Orders) Act অর্থাৎ ঔদ্যোগীক নিয়োগ নীতি (1946] আৰু Employees Provident Fund Act অর্থাৎ (1952) আইনখন প্রযোজ্য কৰিলে। এই আইনৰ মূল নীতিসমূহ এনে ধৰণৰঃ

কর্মচাৰী সংখ্যা হ্রাস কৰাৰ ক্ষেত্রত বিশেষ ব্যৱস্থা
পাৰিতোষিক প্রদান
কাম কৰাৰ সময়
চুটিৰ ক্ষেত্রত সম্পূর্ণ দৰমহা
সক্রিয় সাংবাদিকৰ দৰমহাৰ নিৰিখ নির্দ্ধাৰণ অথবা পৰিৱর্তন
দৰমহা আয়োগৰ দৰে সংস্থাৰ নিয়ম অনুসৰি দৰমহা নির্দ্ধাৰণ
Employees Provident Fund
নিয়োগকর্তাৰ পৰা পাবলগীয়া পইচা আদায়
এই আইনৰ প্রশাসনীয় ব্যৱস্থা ঃ

1955 চনৰ Working journalists আইনখনে সক্রিয় সাংবাদিকসকলৰ কর্ম উন্নত কৰিবলৈ আৰু লগতে বাতৰিকাকত প্রতিষ্ঠানৰ অন্য কর্মীসকলৰ উন্নয়নৰ বাবে কিছু ব্যৱস্থা গ্রহণ কৰিছে। এই আইন অনুসৰি কেন্দ্রীয় চৰকাৰে প্রয়োজন অনুসৰি দৰমহা আয়োগ গঠন কৰি সক্রিয় সাংবাদিক আৰু অন্য সংবাদকর্মীসকলৰ দৰমহাৰ নিৰিখ পৰিৱর্তন কৰিব পাৰে। দৰমহা আয়োগৰ নির্দেশ অনুসৰি, নির্দিষ্ট সংবাদ প্রতিষ্ঠানৰ ক্ষেত্রত কেন্দ্রীয় চৰকাৰে পৰিৱর্তিত নিৰিখ লাগু কৰে।

দৰমহা আয়োগ এনে ধৰণে গঠন কৰা হয়— সংবাদ প্রতিষ্ঠানৰ নিয়োগকর্তাৰ পৰা দুগৰাকী প্রতিনিধি, দুগৰাকী সক্রিয় সাংবাদিকৰ প্রতিনিধি, তিনি গৰাকী স্বতন্ত্র ব্যক্তি, যাৰ এজনৰ উচ্চ অথবা উচ্চতম ন্যায়ালয়ৰ ন্যায়াধীশৰ পদত কাম কৰাৰ অভিজ্ঞতা থাকিব আৰু তেওঁক চৰকাৰে অধ্যক্ষ ৰূপে নিয়োজিত কৰিব। অন্য সংবাদকর্মীৰ বাবে গঠন কৰা দৰমহা আয়োগৰ গঠনশৈলী এনে ধৰণৰ— সংবাদ প্রতিষ্ঠানৰ নিয়োগকর্তাৰ

পৰা দুগৰাকী প্ৰতিনিধি, দুগৰাকী সংবাদসেৱী আৰু তিনিগৰাকী স্বতন্ত্ৰ ব্যক্তি, যাৰ এজনৰ উচ্চ অথবা উচ্চতম ন্যায়ালয়ৰ ন্যায়াধীশৰ পদত কাম কৰাৰ অভিজ্ঞতা থাকিব আৰু তেওঁক চৰকাৰে অধ্যক্ষ ৰূপে নিয়োজিত কৰিব। নিৰ্দিষ্ট এলেকাত নিয়োগ সম্পৰ্কীয় যাবতীয় কাম-কাজৰ বাবে, এই আইনে Inspector পদত শ্ৰম বিভাগৰ সকলো যুতীয়া আয়ুক্তক নিয়োজিত কৰে। আনহাতে শ্ৰম উপায়ুক্তসকলে সংবাদসেৱীসকলৰ যাবতীয় দৰমহা আদি সংগ্ৰহ কৰে। এই সংগ্ৰহ কাৰ্য উপায়ুক্তক প্ৰদান কৰা প্ৰমাণপত্ৰৰ দ্বাৰা ভূমিকৰ ৰূপে কৰিব পাৰি।

জৰিমনা ঃ

এই আইনৰ অৱমাননাৰ ক্ষেত্ৰত নিয়োগৰ ওপৰত দুশ টকা পৰ্যন্ত জৰিমনা হ'ব পাৰে। এই অপৰাধ দ্বিতীয়বাৰৰ বাবে কৰিলে জৰিমনাৰ ধন পাঁচশ টকালৈ বৃদ্ধি হ'ব পাৰে।

৪.৪ প্ৰচাৰ ভাৰতী (ভাৰতীয় প্ৰচাৰণ নিগম) আইন, ১৯৯০ (Prasar Bharati Act)

আশীৰ দশকৰ শেষৰফালে ভাৰতত উপলব্ধি কৰা হৈছিল যে প্ৰচাৰ মাধ্যমক চৰকাৰৰ পৰা পৃথক কৰি জনসাধাৰণৰ নিয়ন্ত্ৰণলৈ অনা প্ৰয়োজন। প্ৰচাৰ মাধ্যমক নিয়ন্ত্ৰণ কৰিবৰ বাবে এনে এক ৰাজহুৱা ন্যায়িক সংস্থাৰ দৰকাৰ যাৰ গঠন আৰু সংবিধানে সকলো ৰাজহুৱা ক্ষেত্ৰতে ৰাজনৈতিক, অৰ্থনৈতিক আৰু সামাজিক নিৰপেক্ষতা সুনিশ্চিত কৰে। 1997 চনৰ 15 চেপ্তেম্বৰৰ পৰা প্ৰচাৰ ভাৰতী (ভাৰতীয় প্ৰচাৰণ নিগম) আইন কাৰ্যকৰী কৰা হয়। প্ৰচাৰ ভাৰতী আইনে নিজৰ গঠন প্ৰণালী, কাৰ্যপ্ৰণালী, ক্ষমতা আৰু অন্যান্য দিশসমূহ ব্যক্ত কৰিবলৈ ভাৰতত প্ৰচাৰ ভাৰতী নামেৰে এক স্বতন্ত্ৰ প্ৰচাৰণ নিগম স্থাপনৰ পোষকতা কৰে। এই আইন অনুসৰি, নিগমৰ প্ৰধান দায়িত্ব হ'ল ৰাইজক তথ্য, শিক্ষা আৰু মনোৰঞ্জন দিবৰ বাবে ৰাজহুৱা প্ৰচাৰণ সেৱাসমূহ নিয়ন্ত্ৰণ কৰা আৰু অনাতাৰ তথা দূৰদৰ্শনযোগে সম্প্ৰচাৰৰ এক সমতাপূৰ্ণ বিকাশ নিশ্চিত কৰা।

পূৰ্বতে তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰণালয়ৰ অধীনত স্বাধীন গোষ্ঠীৰূপে কাৰ্যনিৰ্বাহ কৰি থকা আকাশবাণী আৰু দূৰদৰ্শনে, প্ৰচাৰ ভাৰতী আইনৰ জৰিয়তে স্বতন্ত্ৰতা লাভ কৰিলে। ইয়াৰ মুখ্য উদ্দেশ্য হ'ল এক সৃষ্টিশীল, শক্তিশালী আৰু নমনীয় আদৰ্শেৰে স্বতন্ত্ৰভাৱে বিশ্বাসযোগ্যতাৰ পৰিচয় দিয়া। লগতে নিগমে গণতান্ত্ৰিক পদ্ধতিৰে কাম কৰি জনসাধাৰণ আৰু ভাৰতীয় সংসদৰ প্ৰতি দায়বদ্ধ হৈ আৰু প্ৰতিটো পদক্ষেপতে ভাৰতৰ বিভিন্ন স্তৰৰ লোক ইয়াৰ ভাষা সংস্কৃতিক সন্মান কৰিব। প্ৰচাৰ ভাৰতী আইন, 1990 অনুসৰি প্ৰচাৰ ভাৰতী আয়োগৰ প্ৰধান উদ্দেশ্যসমূহ এনে ধৰণৰ ঃ

- দেশৰ ঐক্য, সংহতি অক্ষুণ্ণ ৰখা আৰু সংবিধানৰ নীতিসমূহ মানি চলা
- ৰাষ্ট্ৰীয় সংহতি বিকাশ কৰা
- এক শুদ্ধ আৰু সমতাপূৰ্ণ তথ্য যোগান পদ্ধতিৰ পৰা দেশৰ ৰাইজক তথ্য জনাৰ অধিকাৰ সুৰক্ষিত কৰা

- সামাজিকভাৱে প্ৰয়োজনীয় সকলো দিশৰ প্ৰতি গুৰুত্ব প্ৰদান কৰা, যেনে শিক্ষা, কৃষি, গ্ৰামীন বিকাশ, পৰিৱেশ, স্বাস্থ্য আৰু পৰিয়াল কল্যাণ আৰু বিজ্ঞান প্ৰযুক্তিবিদ্যা
- মহিলাৰ বিভিন্ন সমস্যাৰ প্ৰতি সজাগতা সৃষ্টি কৰাৰ লগতে শিশু, বৃদ্ধ আৰু সমাজৰ দলিত শ্ৰেণীক সুৰক্ষা দিয়া
- ভিন্ন সংস্কৃতি, খেল-ধেমালি আৰু যুৱকসকলৰ অনুষ্ঠান প্ৰচাৰ কৰা
- সামাজিক ন্যায় ব্যৱস্থাৰ লগতে মজদুৰ শ্ৰেণী, সংখ্যালঘু আৰু জনজাতিসমূহৰ কল্যাণ সাধন কৰা
- গৱেষণাৰ ক্ষেত্ৰ বৃদ্ধি কৰাৰ লগতে সম্প্ৰচাৰণ পদ্ধতি আৰু সম্প্ৰচাৰণ প্ৰযুক্তিৰ উন্নতি সাধন কৰা

1991 চনত কৰা এক পৰ্যালোচনাত এই আইনখনৰ সৈতে জড়িত বহুতো কাৰ্যভিত্তিক অসুবিধাৰ সম্ভাৱনা পোহৰলৈ আহে। এইবোৰৰ ভিতৰত আছে ব্যক্তিগত আঁচনি আৰু মানৱসম্পদৰ কৰ্মসংস্থাপন, নিগমৰ প্ৰতি জাৰি কৰা চৰকাৰী নিৰ্দেশনা ইত্যাদি। এই আইনখনে এজন সভাপতি আৰু ভাৰতৰ ৰাষ্ট্ৰপতিৰ দ্বাৰা নিৰ্বাচিত চৈধ্যজন আন সদস্যৰ দ্বাৰা গঠিত এক প্ৰচাৰণ পৰিষদ স্থাপন কৰাৰ বাবে মত পোষণ কৰে। এই পৰিষদে ভাৰতীয় নাগৰিকে পাবলগীয়া মুক্ত, সত্য আৰু যুক্তিপূৰ্ণ তথ্যৰ অধিকাৰক সুনিশ্চিত কৰিছে। ইয়াৰোপৰি প্ৰচাৰণ পৰিষদে, ভাৰতীয় প্ৰচাৰণ নিগমৰ দ্বাৰা সম্প্ৰচাৰিত অনুষ্ঠানৰ বিষয়ে অভিযোগ ইত্যাদি বিচাৰ কৰি প্ৰচাৰ ভাৰতীক যাবতীয় নিৰ্দেশনা দিয়ে।

এই আইনখনৰ নিৰ্দেশানুসৰি কেন্দ্ৰীয় চৰকাৰৰ ভঁৰালত আকাশবাণী আৰু দূৰদৰ্শনৰ বাবে থকা সকলো সা-সম্পত্তি আৰু পুঁজি প্ৰচাৰ ভাৰতীলৈ স্থানান্তৰ কৰা হয়। লগতে আকাশবাণী আৰু দূৰদৰ্শনৰ কৰ্মীসকলক নিগমলৈ বদলি কৰা হয় আৰু অন্যান্য বিষয় তথা কৰ্মচাৰী নিযুক্তিৰ বাবে "নিযুক্তি আয়োগ" (Recruitment Boards) গঠন কৰা হয়।



অগ্ৰগতি নিৰীক্ষণ - খ

1¼ 'সক্ৰিয় সাংবাদিক' কাক বোলে ?

2¼ 1955 চনৰ সক্ৰিয় সাংবাদিকৰ আইনৰ দ্বাৰা সক্ৰিয় সাংবাদিকসকলক কোনখন আইনৰ সুবিধা প্ৰদান কৰা হৈছে?

3¼ 1955 চনৰ সক্ৰিয় সাংবাদিকৰ আইনৰ দ্বাৰা বিশজনতকৈ অধিক কৰ্মী নিয়োগ কৰা সংবাদ প্ৰতিষ্ঠানৰ ক্ষেত্ৰত কোন দুখন আইন প্ৰযোজ্য কৰা হৈছে?

4¼ ভাৰতীয় প্ৰচাৰণ নিগম কোনখন আইনৰ জৰিয়তে প্ৰতিষ্ঠা কৰা হৈছে?

5¼ নিগমৰ দ্বাৰা প্ৰচাৰিত অনুষ্ঠানসমূহৰ বিৰুদ্ধে থকা অভিযানসমূহ কোনে বিচাৰ কৰে?

6¼ প্ৰচাৰ ভাৰতী এক স্বতন্ত্ৰ সংস্থা-

(ক) শুদ্ধ (খ) ভুল

৪.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টিত আপোনাক ভাৰতীয় সংবাদ সংস্থা, সাংবাদিকৰ নির্দেশক নীতি, 1955 চনৰ সক্রিয় সাংবাদিকৰ আইন আৰু ইয়াৰ সৈতে জড়িত ব্যৱস্থা সম্পর্কে পৰিচিত কৰিবলৈ প্রয়াস কৰা হৈছে। এই আইনৰ অধীনত, সাংবাদিকতাক মুখ্য বৃত্তি হিচাপে গ্রহণ কৰা ব্যক্তিকে সক্রিয় সাংবাদিক বোলা হয়। এই আইন অনুসৰি কেন্দ্রীয় চৰকাৰে প্রয়োজন অনুসৰি দৰমহা আয়োগ গঠন কৰি সাংবাদিক আৰু অন্যান্য সংবাদসেৱীৰ দৰমহা নিৰিখ পৰিৱর্তন কৰিব পাৰে।

সংবাদ সংস্থা হৈছে সংবাদ মাধ্যম আৰু সংবাদ মাধ্যমক নিয়ন্ত্রিত কৰা এক অনুষ্ঠান। 1966 চনত ভাৰতীয় সংবাদ সংস্থা গঠন কৰা হয়। বর্তমান এই সংস্থাই 1978 চনৰ সংস্থা আইন অনুসৰি কাম কৰি আছে। কোনো কামৰ গ্রহণযোগ্যতা বিচাৰ কৰিবলৈ নির্দ্ধাৰিত কৰা নিয়মকে সাধাৰণ অর্থত নীতি বুলিব পাৰি। বিভিন্ন সংস্থাই নির্দ্ধাৰণ কৰা নির্দেশক নীতিৰ মাজত কিছু প্রভেদ থাকিলেও সেইসমূহৰ কিছু সর্বসম্মত নীতি হৈছে- সত্যনিষ্ঠা, যথার্থতা, বাস্তৱিকতা, নিৰপেক্ষতা, শুদ্ধতা, সামাজিক দায়িত্ব, মর্যাদা আৰু মানৱতা।

1990 চনত গৃহীত প্রচাৰ ভাৰতী (ভাৰতীয় প্রচাৰণ নিগম) আইনৰ সৈতেও আপোনাক পৰিচিত কৰোৱা হৈছে। 1997 চনত 15 চেপ্তেম্বৰত এই আইনখন কার্যকৰী কৰা হয়। প্রচাৰ ভাৰতী আইনে নিজৰ গঠন প্রণালী, কার্যপ্রণালী, ক্ষমতা আৰু অন্যান্য দিশসমূহ ব্যক্ত কৰিবলৈ, ভাৰতত প্রচাৰ ভাৰতী নামেৰে এক স্বতন্ত্র প্রচাৰণ নিগম স্থাপনৰ পোষকতা কৰে।

৪.৬ অধিক জানিবলৈ

- Vir Bala Aggarwal : Essential of Practical Journalism
- Durga Das Basu : Law of the Press
- Universal Publication : Press, Media and Telecommunication Law

৪.৭ অগ্রগতি খতিয়ান

অগ্রগতিৰ নিৰীক্ষণ - ক

1। সংবাদ সংস্থা হৈছে সংবাদ মাধ্যম অথবা সংবাদ প্রতিষ্ঠানক নিয়ন্ত্রিত কৰা এক অনুষ্ঠান। সেয়েহে সংবাদসেৱী আৰু কিছু বিশিষ্ট ব্যক্তিক লৈ সংবাদ সংস্থা গঠন কৰা হয়। এই সংস্থা হৈছে এক নিয়াৰিকৈ গঠন কৰা প্রতিনিধিমূলক নিৰপেক্ষ অনুষ্ঠান যিয়ে প্রচাৰ মাধ্যমৰ কাম-কাজ নিয়ন্ত্রণ কৰে।

2। সংবাদ সংস্থাৰ অধ্যক্ষৰ পদত উচ্চতম ন্যায়ালয়ৰ অৱসৰপ্রাপ্ত এগৰাকী

ন্যায়াধীশক নিযুক্ত কৰা হয়।

3¼ সাংবাদিকতাৰ নির্দেশক নীতিৰ মূল উদ্দেশ্য হৈছে সমাজত শুদ্ধ, নির্ভুল, নিৰপেক্ষ, যুক্তিসংগত আৰু মার্জিতভাৱে বাতৰি, মতামত, উক্তি আৰু তথ্যৰ যোগান ধৰা।

4¼ নির্দেশক নীতিৰ মূল চর্তসমূহ হ'ল সত্যনিষ্ঠা, যথার্থতা, বাস্তৱিকতা, নিৰপেক্ষতা, শুদ্ধতা, সামাজিক দায়িত্ব, মর্যাদা আৰু মানৱতা।

5¼ (ক) 1966

6¼ (গ) সংগীত নাটক অকাডেমী

অগ্রগতি নিৰীক্ষণ - খ

1¼ সাংবাদিকতাক মুখ্য বৃত্তি হিচাপে গ্রহণ কৰি, পূর্ণ অথবা অংশকালীনভাৱে, এক বা ততোধিক বাতৰি প্রতিষ্ঠানত নিয়োজিত ব্যক্তিক 'সক্রিয় সাংবাদিক' বোলা হয়। ব্যৱস্থাপক, প্রশাসক অথবা পর্য্যবেক্ষক ৰূপে কার্যনির্বাহ কৰা লোকক এই শাখাত অন্তর্ভুক্ত কৰা নহয়। এই অনুসৰি, সম্পাদক, মুখ্য লিখক, বাতৰি সম্পাদক, সহঃসম্পাদক, আলোচ্য লিখক, প্রতিলিপি পৰীক্ষক, এই সকলো শ্রেণীৰ কর্মীক সক্রিয় সাংবাদিক বোলা হয়।

2¼ Industrial Disputs Act, 1947.

3¼ Industrial Employment (Standing Orders) Act, 1946 and the Employees Provident Fund Act, 1952.

4¼ প্রচাৰ ভাৰতী (ভাৰতীয় প্রচাৰণ নিগম) আইন, 1990

5¼ প্রচাৰণ নিগম

6¼ (ক) শুদ্ধ

8.৮ সম্ভাব্য প্রশ্ন

1¼ ভাৰতীয় সংবাদ সংস্থাৰ গঠনশৈলী আৰু ভূমিকাৰ বিষয়ে চমুকৈ আলোচনা কৰক।

2¼ Working Journalists আইনৰ মুখ্য ব্যৱস্থাসমূহ কি কি ? এই আইনৰ প্রশাসনিক ব্যৱস্থাৰ সম্পর্কে লিখক।

3¼ সাংবাদিকতাৰ নির্দেশক নীতিৰ সর্বসন্মত নীতিসমূহৰ বিৱৰণ দিয়ক।

4¼ 1990 চনৰ প্রচাৰ ভাৰতী (ভাৰতীয় প্রচাৰণ নিগম) আইনৰ মুখ্য উদ্দেশ্যসমূহ ব্যাখ্যা কৰক।

অধ্যায় - ৫ ঃ সংবাদ মাধ্যমৰ স্বাধীনতা আৰু নীতি

অধ্যায় গাঁথনি

5.1 উদ্দেশ্য

5.2 পৰিচয়

5.3 সংবাদ মাধ্যমৰ স্বাধীনতা

5.3.1 সংবাদ মাধ্যমৰ স্বাধীনতাৰ ওপৰত নিয়ন্ত্রণৰ প্রয়োজনীয়তা

5.4 সংবাদ মাধ্যম আৰু নীতিৰ গুৰুত্ব

5.5 সংবাদ মাধ্যমৰ নির্দেশক নীতি

5.5.1 সংবাদ মাধ্যমৰ নির্দেশক নীতিৰ মৌলিক আদর্শসমূহ

5.5.2 কুম্ভিলক্ বৃত্তি (Plagiarism)

5.5.3 নৈতিক মানদণ্ড বলবৎকৰণ

5.6 প্রত্যুত্তৰৰ অধিকাৰ (Right of Reply)

5.7 অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

5.8 অধিক জানিবলৈ

5.9 অগ্রগতিৰ খতিয়ান

5.10 সম্ভাব্য প্রশ্ন

৫.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি-

- সংবাদ মাধ্যমৰ স্বাধীনতাৰ সংজ্ঞা দিব পাৰিব
- সংবাদ মাধ্যমৰ স্বাধীনতাৰ ওপৰত নিয়ন্ত্রণৰ প্রয়োজনীয়তাৰ বিষয়ে আলোচনা কৰিব পাৰিব।
- সাংবাদিকতাৰ নীতিসমূহ বিশ্লেষণ কৰিব পাৰিব
- সাংবাদিকতাৰ নীতিৰ মৌলিক আদর্শসমূহ আৰু সেইসমূহ কার্যকৰী কৰাৰ বিষয়ে ব্যাখ্যা কৰিব পাৰিব
- Plagiarism ৰ বিষয়ে আলোচনা কৰিব পাৰিব
- প্রত্যুত্তৰৰ অধিকাৰ বিষয়ে বিশ্লেষণ কৰিব পাৰিব

৫.২ পৰিচয়

এক শক্তিশালী যোগাযোগ মাধ্যমৰূপে সংবাদ মাধ্যমৰ গুৰুত্ব অপৰিসীম। সংবাদ মাধ্যমৰ স্বাধীনতা হৈছে এনে এক উপায়, যাৰ দ্বাৰা বাতৰিকাকত, কিতাপ, আলোচনী, অনাতাঁৰ, দূৰদৰ্শন আৰু ইণ্টাৰনেট আদি সকলো ধৰণৰ সংবাদ মাধ্যম, চৰকাৰী নিয়ন্ত্রণ আৰু বিবাচক প্রক্রিয়া (censorship)ৰ পৰা মুক্ত হ'ব পাৰে। কিন্তু এইখিনিতে এটা মনত ৰাখিবলগীয়া কথা হৈছে যে, নিয়ন্ত্রণ অবিহনে যিকোনো মাধ্যম অথবা সংস্থাই নিজৰ ক্ষমতাৰ অপব্যৱহাৰ কৰি বিশৃংখলতা আৰু অৰাজকতাৰ সৃষ্টি কৰিব পাৰে। সেয়েহে জৰুৰী অৱস্থাৰ বাহিৰেও, সংবাদ মাধ্যমৰ স্বাধীনতাৰ ওপৰত এক নিয়ন্ত্রণ ব্যৱস্থা নাথাকিলে, বহুক্ষেত্রত এই স্বাধীনতাৰ অপব্যৱহাৰ হ'ব পাৰে।

এই অধ্যায়টিত সংবাদ মাধ্যমৰ স্বাধীনতাৰ বিষয়ে কৰা আলোচনাত আপোনাক সংবাদ মাধ্যমৰ নীতিসমূহৰ সৈতেও পৰিচিত কৰোৱা হ'ব। এই নীতিসমূহৰ দ্বাৰা পৰিচালিত হৈ, সংবাদ মাধ্যমসমূহে ভুল-শুদ্ধ, নৈতিক-অনৈতিক আদি গুণ আৰু কোনো বিষয়বস্তুৰ গ্রহণযোগ্যতা বিচাৰ কৰিব পাৰে আৰু নিৰপেক্ষভাৱে কাম কৰিব পাৰে। আপুনি সংবাদ মাধ্যমৰ নির্দেশক নীতিৰ উমৈহতীয়া আদর্শ, যেনে- সত্যনিষ্ঠা, যথার্থতা, বাস্তৱিকতা, নিৰপেক্ষতা, মর্যাদা, শুদ্ধতা, সামাজিক দায়িত্ববোধ আৰু মানৱতা আদিৰ বিষয়ে বিশদভাৱে জানিব পাৰিব। শেষত আপুনি 'Plagiarism' আৰু 'প্রত্যুত্তৰৰ অধিকাৰ' (Right of Reply)ৰ সবিশেষ জানিব পাৰিব। প্রত্যুত্তৰৰ অধিকাৰৰ জৰিয়তে প্রতিজন ব্যক্তিয়ে নিজৰ বিষয়ে প্রকাশ হোৱা ভুল আৰু ভ্রান্ত তথ্যৰ বিৰুদ্ধে প্রত্যুত্তৰ দিয়াৰ অধিকাৰ লাভ কৰে।

৫.৩ সংবাদ মাধ্যমৰ স্বাধীনতা (Media Freedom)

সংবাদ মাধ্যমে এক শক্তিশালী গণমাধ্যম ৰূপে, গুৰুত্বপূর্ণ ভূমিকা পালন কৰে। চৰকাৰৰ পৰা অনেক ক্ষেত্রত পৃথক হোৱা বাবে সংবাদ মাধ্যমৰ চৰকাৰৰ এক শক্তিশালী সমালোচক হোৱাৰ ক্ষমতা আছে। অৱশ্যে প্রচাৰ মাধ্যমক নিজৰ ক্ষমতাৰ অপব্যৱহাৰ কৰি বহু ক্ষেত্রত ব্যক্তি স্বাধীনতা আৰু জনসাধাৰণৰ গোপনীয়তাৰ ওপৰত আঘাত হনা বুলি আৰোপ কৰা হয়। সংবাদ মাধ্যমৰ স্বাধীনতাৰ দ্বাৰা, বাতৰিকাকত, কিতাপ, আলোচনী, অনাতাঁৰ, দূৰদৰ্শন আৰু ইণ্টাৰনেট আদি প্রচাৰ মাধ্যমসমূহ, চৰকাৰী নিয়ন্ত্রণ আৰু বিবাচক প্রক্রিয়াৰ পৰা মুক্ত হ'ব পাৰে। সংবাদ মাধ্যমৰ স্বাধীনতাৰ জৰিয়তে চৰকাৰে সকলো নাগৰিক, সংস্থা, বাতৰি প্রতিষ্ঠান, সংবাদসেৱী আৰু তেওঁলোকৰ সংবাদসেৱাক স্বাধীনতা প্রদান কৰিছে। বিশ্বৰ বহুতো দেশত সংবাদ মাধ্যমৰ স্বাধীনতাৰ সৈতে জড়িত সাংবিধানিক আৰু ন্যায়িক সুৰক্ষাৰ ব্যৱস্থাও আছে। যদিও সংবাদ মাধ্যমৰ

স্বাধীনতাক গণতান্ত্রিক পদ্ধতিত অন্তর্ভুক্ত কৰা হয়, তথাপিও বিশ্বৰ বিভিন্ন ঠাইত ইয়াৰ ধাৰণা ভিন্ন প্রকৃতিৰ।

উন্নত ৰাষ্ট্রসমূহত, প্রচাৰ মাধ্যমৰ স্বাধীনতাই প্রতিজন নাগৰিকৰ মত প্রকাশৰ অধিকাৰক সূচায়। এই অধিকাৰৰ জৰিয়তে নিজৰ ব্যক্তিগত মতামত নাইবা সৃষ্টিশীলতা, লিখনি অথবা অন্য যিকোনো মাধ্যমৰ সহায়ত প্রকাশ কৰিব পাৰি। আন্তঃৰাষ্ট্রীয় মানৰ অধিকাৰ সম্পর্কীয় ঘোষণা (Universal Declaration of Human Rights)ত এনেদৰে কোৱা হৈছে- "প্রতিজন ব্যক্তিৰে নিজস্ব মতামত প্রকাশ কৰিব পাৰি, আৰু কোনো সীমাৰ বান্ধোন নোহোৱাকৈ যিকোনো মাধ্যমৰ সহায়ত তথ্য আৰু মতামত বিচাৰিব, গ্রহণ কৰিব আৰু প্রেৰণ কৰিব পাৰি।" এই দর্শনৰ সৈতে সংগতি ৰাখি বিভিন্ন স্তৰৰ মত প্রকাশৰ স্বাধীনতা প্রদান কৰিবলৈ বহুতো বিধেয়ক নিশ্চিত কৰা হৈছে আৰু ৰাষ্ট্রসমূহত সংবিধানত সন্নিবিষ্ট কৰিব পৰাকৈ আইন প্রণয়ন কৰা হয়। বাক্ স্বাধীনতাৰ ক্ষেত্রত প্রযোজ্য আইনসমূহে সংবাদ মাধ্যমৰ স্বাধীনতাকো সামৰি লৈছে, আৰু ইয়াৰ দ্বাৰা সংবাদ মাধ্যমৰ সৈতে প্রতিজন ব্যক্তিকে অধিকাৰ প্রদান কৰা হৈছে। অৱশ্যে এতিয়াও পশ্চিম ইউৰোপীয় গণতন্ত্রসমূহৰ ধাৰণাৰ বহুতো প্রভেদ দেখা যায়।

সংবাদ মাধ্যমৰ ওপৰত চৰকাৰী নিয়ন্ত্রণৰ বিৰুদ্ধে এক বাধা হিচাপে সংবাদ মাধ্যমৰ স্বাধীনতাৰ যি নীতি, সেই ধৰণৰ কোনো নির্দিষ্ট সময়ত সংবাদ মাধ্যমে ব্যৱহাৰ কৰা স্বাধীনতাৰ স্তৰৰ ওপৰত নির্ভৰ কৰে। সেয়েহে ই ভিন্ন ধৰণৰ হয়। এফালে, সংবাদ মাধ্যমক আইনে প্রদান কৰা স্বাধীনতাতকৈ অধিক স্বাধীনতা দিবৰ বাবে বিভিন্ন সামাজিক, ৰাজনৈতিক আৰু অর্থনৈতিক শক্তিসমূহে ক্রিয়া কৰে। আনফালে, সেই একেই শক্তিসমূহে কোনো এক বিশেষ সময়ত সংবাদ মাধ্যমৰ আইনগত স্বাধীনতাকো দমন কৰাৰ প্রয়াস কৰিব পাৰে। সেয়েহে সংবাদ মাধ্যমৰ ওপৰত থকা চৰকাৰী নিয়ন্ত্রণ চিৰদিন ৰাজনৈতিক, ন্যায়িক আৰু সাংবিধানিক নিষেধাজ্ঞাৰ অধীন।

৫.৩.১ সংবাদ মাধ্যমৰ স্বাধীনতাৰ ওপৰত নিয়ন্ত্রণৰ প্রাসংগিকতা (Need for restraint on media freedom)

নিয়ন্ত্রণ অবিহনে প্রতিটো মানৱ সংস্থাই ক্ষমতাৰ অপব্যৱহাৰ কৰাৰ আৰু সকলো স্বাধীনতাই বিশৃংখলতা আৰু অৰাজকতা সৃষ্টি কৰাৰ সম্ভাৱনা থাকে। সংবাদ মাধ্যমৰ স্বাধীনতাৰ অপব্যৱহাৰৰ সম্ভাৱনা আছে, সেয়েহে কোনো জৰুৰী অৱস্থা অবিহনেও, ইয়াৰ নিয়ন্ত্রণক প্রয়োজনীয় কৰি তুলিছে। যেনেদৰে ব্যক্তিগত অধিকাৰসমূহ কেতিয়াও চৰম নহয়, ঠিক তেনেদৰে সংবাদ মাধ্যমৰ স্বাধীনতাও চৰম নহয় আৰু সময়ে সময়ে ৰাজহুৱা স্বার্থৰ সৈতে ইয়াৰ সামঞ্জস্য ঘটোৱাতো প্রয়োজন। নিয়ন্ত্রণৰ প্রয়োজনীয়তাক স্বীকাৰ কৰাৰ পাছত, ৰাজহুৱা স্বার্থ অনুযায়ী প্রযোজ্য হোৱা নিয়ন্ত্রণৰ

স্তৰৰ বিষয়ে বিচাৰ-বিবেচনা কৰা হয়। আমেৰিকা যুক্তৰাষ্ট্ৰই, সংবাদ মাধ্যমৰ স্বাধীনতাক এক বৃহৎ স্তৰত প্ৰদান কৰি, এনেদৰে উল্লেখ কৰিছে ঃ "স্বাধীনতাই সংবাদ মাধ্যমৰ বাবেও কিছু দায়িত্ব নিৰ্ধাৰণ কৰে, কিয়নো সংবাদ মাধ্যমৰ স্বাধীনতাৰ অৰ্থ ইয়াৰ ব্যৱহাৰ, সময়ত দায়িত্বৰ পৰা স্বাধীনতা নহয়।"

বহুক্ষেত্ৰত দেখা গৈছে যে ৰাজহুৱা স্বাৰ্থৰ বাবে ব্যৱহৃত স্বাধীন সংবাদ মাধ্যম আৰু আন প্ৰতিযোগীৰ মাজত সৃষ্টি হোৱা প্ৰতিদ্বন্দ্বিতাৰ ক্ষেত্ৰত পৰিস্থিতিয়ে অধিক জটিল ৰূপ ল'লে, চৰকাৰে ন্যায়িকভাৱে সংবাদ মাধ্যমৰ স্বাধীনতাক নিয়ন্ত্ৰণ কৰে। অৰ্থাৎ স্বাধীনতাৰ জৰিয়তে সংবাদ মাধ্যমে এক নিয়ন্ত্ৰণবিহীন অনুজ্ঞাপত্ৰ লাভ নকৰে। আমেৰিকা যুক্তৰাষ্ট্ৰত, তেনে পৰিস্থিতিত, কোনো ৰাজহুৱা স্বাৰ্থত আঘাতৰ সম্ভাৱনা থাকিলে অথবা ৰাজহুৱা স্বাৰ্থ ৰক্ষাৰ ক্ষেত্ৰত বাধ্যবাধকতা থাকিলে, ন্যায়ালয়ে হস্তক্ষেপ কৰে। ভাৰতীয় সংবিধানে 19 নং অনুচ্ছেদৰ দ্বিতীয়ৰ পৰা ষষ্ঠ পৰিচ্ছেদত সন্নিবিষ্ট "যুক্তিসংগত বাধা"ৰ দ্বাৰা, ন্যায়ালয়ে হস্তক্ষেপ কৰা দুই পক্ষৰ সামঞ্জস্যৰ এই প্ৰক্ৰিয়া সুৰক্ষিত কৰিছে।



জনা উচিত

"সংবাদ মাধ্যমৰ স্বাধীনতাক সুৰক্ষাৰ এক অতি গুৰুত্বপূৰ্ণ দিশ ৰূপে চিহ্নিত কৰা হৈছে। সমগ্ৰ বিশ্বৰে সংবিধানসমূহত ইয়াক সন্নিবিষ্ট কৰা হৈছে। কিন্তু বেছিভাগ ক্ষেত্ৰতে ইয়াৰ ভুল অৰ্থ নিৰূপণ কৰা হৈছে। স্বাধীনতাই সংবাদ মাধ্যমক কাৰোবাৰ যশস্যা হানি কৰিবলৈ, বিশ্বাস ভংগ কৰিবলৈ, ন্যায়িক প্ৰক্ৰিয়া ভংগ কৰিবলৈ অথবা কোনো অনৈতিক কাৰ্য কৰিবলৈ ক্ষমতা প্ৰদান কৰা নাই।"

– 1981 চনত Court of Appeal ত লৰ্ড ডেনিঙে দিয়া ভাষ্য।



অগ্ৰগতি নিৰীক্ষণ - ক

1। সংবাদ মাধ্যমৰ স্বাধীনতাৰ অৰ্থ কি?

2। মানৱ অধিকাৰ সম্পৰ্কীয় কোন ঘোষণাত, সংবাদ মাধ্যমৰ স্বাধীনতাৰ বিষয়ে আলোচনা কৰা হৈছে?

3। ভাৰতীয় সংবিধানৰ কোনটো অনুচ্ছেদে সংবাদ মাধ্যমৰ স্বাধীনতাক নিয়ন্ত্ৰণ কৰে?

৫.৪ সংবাদ মাধ্যম আৰু নীতিৰ গুৰুত্ব (Media and importance of ethics)

সংবাদ মাধ্যমৰ নীতি হৈছে ব্যৱহাৰিক নীতিৰ এক শাখা আৰু ই প্ৰচাৰ মাধ্যম অৰ্থাৎ বোলছবি, নাটক, শিল্পকলা, ছপা মাধ্যম, ইন্টাৰনেট ইত্যাদি সকলো ধৰণৰ সংবাদ মাধ্যমৰ বাবে নীতিগত আদৰ্শ আৰু মান নিৰ্ণয় কৰে। এই ক্ষেত্ৰখনে, সেয়েহে, যুদ্ধকালীন সাংবাদিকতাৰ পৰা বিজ্ঞাপনলৈকে, বহুতো ভিন্ন ধৰণৰ আৰু বিতৰ্কমূলক বিষয় সামৰি লয়।

নৈতিক আচৰণে সাংবাদিকতাক উচ্চস্তৰলৈ লৈ যায়। সাংবাদিকতাৰ মূল নৈতিক উদ্দেশ্য হৈছে সত্য আৰু বাস্তৱ ঘটনাক পোহৰলৈ অনা। কিন্তু মানৱ ইতিহাসৰ সৈতে 'সত্য'ৰ ধাৰণাৰো কিছু পৰিৱৰ্তন হৈছে। ইয়াৰ লগে লগে সংবাদ মাধ্যমৰ পঢ়ুৱৈ, শ্ৰোতা আৰু দৰ্শকৰো পৰিৱৰ্তন হৈছে। ভৌগোলিক আৰু সাংস্কৃতিক স্থিতিৰ ওপৰত নিৰ্ভৰ কৰি বিভিন্ন দৰ্শক, শ্ৰোতা আৰু পঢ়ুৱৈয়ে কোনো গৃহীত সত্য আৰু বাস্তৱ ঘটনাৰ বিষয়ে ভিন্ন ধৰণেৰে মত পোষণ কৰা দেখা যায়। সেয়েহে নিজৰ দৃষ্টিভংগী অনুযায়ী সত্য প্ৰকাশ কৰাটো, সত্যক উপলব্ধি কৰা দেখা যায়। সেয়েহে নিজৰ দৃষ্টিভংগী অনুযায়ী সত্য প্ৰকাশ কৰাৰ ক্ষমতাৰ ওপৰত নিৰ্ভৰ কৰে। বৰ্তমান পৰিস্থিতিত, দৃষ্টিভংগী আৰু উপস্থিতিৰ সৈতে সত্য ধাৰণাৰ সম্পৰ্ক হোৱা দেখা গৈছে। কিছু বছৰ পূৰ্বে তেহেল্‌কা গোটে চৰকাৰৰ প্ৰতিৰক্ষা বিভাগত অস্ত্ৰ-শস্ত্ৰ কিনা ঘটনা সংক্ৰান্তত হোৱা দুৰ্নীতি সম্পৰ্কে কৰা অনুসন্ধানত ভিডিঅ' ৰেকৰ্ডিং কৰিবলৈ যি উপায় অৱলম্বন কৰিছিল, সেই বিষয়ত অনেক বিতৰ্ক হোৱা দেখা গৈছিল। সত্য উদঘাটন কৰিবলৈ মিছা প্ৰমাণ ব্যৱহাৰ সম্পৰ্কে বহুতো সাংবাদিক সংস্থাই প্ৰশ্ন উত্থাপন কৰিছিল। এই সকলোবোৰে সাংবাদিকতাত আচৰণ নীতিৰ প্ৰয়োজনীয়তাকে সূচায়।

নীতিৰ অৰ্থ হৈছে ব্যক্তিগত আৰু সামাজিক উন্নয়ন সাধন কৰা প্ৰক্ৰিয়াৰ অধ্যয়ন। এই নীতিৰ ধাৰণাৰ প্ৰৱৰ্তন কৰিছিল গ্ৰীকসকলে। তেওঁলোকৰ মতে, প্ৰতিজন ব্যক্তিৰে নৈতিক উত্তৰণৰ বাবে সাহস, নৈতিকতা আৰু আচৰণৰ প্ৰয়োজন। ইয়াৰ লগতে প্ৰয়োজন হয় বুদ্ধিমত্তা, ন্যায় আৰু সংযত আচৰণৰ। নীতি হৈছে ভুল-শুদ্ধ, ন্যায়-অন্যায় ইত্যাদি মান নিৰ্ণয়ৰ এক যথোচিত ব্যৱস্থা। নিৰ্দিষ্ট পৰিৱেশত কৰা নৈতিক আচৰণৰ দ্বাৰা ইয়াক প্ৰকাশ কৰা হয়।

বৰ্তমান পৰিস্থিতিত ভুল-শুদ্ধ, নৈতিক-অনৈতিক আদি গুণ বিচাৰ কৰিব পৰা ক্ষমতাকে নীতি আখ্যা দিয়া হয়। ইয়াৰ লগতে জড়িত কৰা হয়, নৈতিক ভাৱে শুদ্ধ বহুতো যুক্তিৰ মাজৰ পৰা আটাইতকৈ শ্ৰেষ্ঠবিধ বাচি উলিয়াব পৰা গুণক আৰু এই বিবেচিত যুক্তিসমূহক কাৰ্যত ৰূপান্তৰিত কৰিবলৈ মানুহৰ মাজত সেইবোৰ প্ৰমাণ কৰিব পৰা ক্ষমতাক।

কোনো বাতৰিকাকত অথবা দূৰদৰ্শনৰ সাংবাদিক এজনে তেওঁ প্ৰস্তুত কৰা প্ৰতিবেদনৰ উৎস, তেওঁৰ সহকৰ্মী আৰু পঢ়ুৱৈ নাইবা দৰ্শক সমাজৰ সন্দৰ্ভত কিছু নৈতিক

সিদ্ধান্ত ল'বলগীয়া হ'ব পাৰে। সাংবাদিকজনৰ সিদ্ধান্ত যদি শুদ্ধ হয় তেন্তে ই কোনো পক্ষকে আঘাত অথবা অৱমাননা নকৰে।

ৰাইজৰ সজাগতাই হৈছে ন্যায়ৰ পথপ্রদর্শক আৰু গণতন্ত্রৰ ভেটি। সাংবাদিকৰ দায়িত্ব হৈছে সত্য অন্বেষণ কৰি প্রতিটো ঘটনা আৰু বিষয়ৰ শুদ্ধ, সম্পূর্ণ তথ্য প্রকাশ কৰা আৰু ৰাইজৰ সজাগতা বৃদ্ধি কৰাত অৰিহণা যোগোৱা। প্রতিবিধ সংবাদ মাধ্যমৰ সজাগ সাংবাদিকসকলে সম্পূর্ণৰূপত আৰু সততাৰে ৰাইজক সেৱা আগবঢ়াবলৈ প্রয়াস কৰে। ইয়াৰ লগতে অৱশ্যে সাংবাদিকৰ বিশ্বাসযোগ্যতাৰ ভেটি হৈছে বৃত্তিগত সংহতি। সংবাদসেৱীসকলক নৈতিক সমস্যাৰ ক্ষেত্রত সহায় কৰিবলৈ বহুতো অসুবিধাৰ মাজেৰে সংবাদ মাধ্যমৰ "নৈতিক আচৰণ ব্যৱস্থা" (code of ethics) সমূহ উদ্ভাৱন কৰা হৈছে। এই সংহিতাৰ সহায়ত সাংবাদিকসকলে নিজৰ বৃত্তিগত জীৱনত স্ব-নিৰীক্ষণ আৰু স্ব-সংশোধন কৰিব পাৰে। যদিও আমেৰিকা যুক্তৰাষ্ট্র আৰু ইউৰোপীয় দেশসমূহে এই আচৰণ ব্যৱস্থা উদ্ভাৱন কৰাৰ লগতে কার্যকৰীও কৰিছে, সংবাদ মাধ্যমৰ স্বাধীনতাক গ্রহণ কৰা প্রায়বোৰ দেশৰ সংবাদসেৱী সংস্থাসমূহত এনে আচৰণ ব্যৱস্থা দেখিবলৈ পোৱা যায়। দেশ ভেদে আৰু সংস্থা ভেদে যদিও এই আচৰণ বিধি আৰু এইসমূহৰ ব্যৱহাৰৰ ক্ষেত্রত কিছু পার্থক্য দেখা যায়, মুখ্য প্রকাশন আৰু বাতৰি সংস্থাসমূহৰ ক্ষেত্রত এই বিধিসমূহ প্রায় একে ধৰণৰ।

সংবাদ মাধ্যমৰ এই আচৰণ বিধিৰ মূল উদ্দেশ্য হৈছে জনসাধাৰণক উচ্চ মানবিশিষ্ট সংবাদ প্রেৰণ কৰা আৰু লগতে ৰাইজৰ হিতার্থে সকলো তথ্য সঠিক সময়ত যোগান ধৰা। সাংবাদিক আৰু প্রকাশকসকলৰ পূর্বৰ নৈতিক স্খলনসমূহৰ অভিজ্ঞতাৰ আধাৰত এই আচৰণ বিধিসমূহ উদ্ভাৱন কৰা হৈছে। বর্তমান বিভাগীয় আৰু স্বতন্ত্র দুয়ো শ্রেণীৰ সাংবাদিকৰ নিযুক্তিৰ ক্ষেত্রতে এই আচৰণ বিধিসমূহ বাধ্যতামূলক কৰা হৈছে। সেয়েহে কোনো কোনো পৰিস্থিতিত এই বিধি অৱজ্ঞা কৰা সাংবাদিকে নিজৰ সংস্থাপন হেৰুৱাবলগীয়াও হৈছে। বৃত্তিগত মান উন্নত কৰিব পাৰিলে, ই সংবাদ সংস্থা এটাৰ সন্মান আৰু ইয়াৰ ওপৰত থকা ৰাইজৰ আস্থা বৃদ্ধি কৰাৰ লগতে, সংস্থাটোৰ দর্শক পটুৰৈৰ সংখ্যাও বৃদ্ধি কৰে।

৫.৫ সংবাদ মাধ্যমৰ নির্দেশক নীতি (Media Code of Ethics)

কোনো কামৰ গ্রহণযোগ্যতা বিচাৰ কৰিবলৈ নির্দ্ধাৰণ কৰা নিয়মকে সাধাৰণ অর্থত নীতি বুলিব পাৰি। নীতিৰ জৰিয়তে কোনো কাম ভুল নে শুদ্ধ, ভাল নে বেয়া, প্রশংসাযোগ্য নে গৰিহণাযোগ্য, দায়িত্বপূর্ণ হয় নে নহয়, স্ব-ইচ্ছাই কৰা নে বাধ্যবাধকতাত, এই সকলোবোৰ দিশ বিচাৰ কৰিব পাৰি। সাংবাদিকে সন্মুখীন হোৱা বৃত্তিগত প্রত্যাহ্বানৰ বিপৰীতে লোৱা শুদ্ধ পদক্ষেপ আৰু আদর্শসমূহৰ দ্বাৰাই সাংবাদিকতাৰ নীতি আৰু

মানদণ্ড গঢ় লৈ উঠে। অতীজৰ পৰা বর্তমানলৈকে এই মানদণ্ডসমূহ সাংবাদিকসকলৰ মাজত তেওঁলোকৰ বৃত্তিগত "নির্দেশক নীতি" (code of Ethics) ৰূপে স্বীকৃত। বর্তমান প্রায় সকলোবোৰ উচ্চস্তৰৰ বৃত্তিগত সংবাদ প্রতিষ্ঠান আৰু বিভিন্ন মুদ্রণ সম্প্রচাৰ আৰু অন্‌লাইন বাতৰি প্রতিষ্ঠানৰ নিজাববীয়া "নির্দেশক নীতি" আছে। সাংবাদিকতাৰ নির্দেশক নীতিসমূহৰ মূল উদ্দেশ্য হ'ল সমাজত শুদ্ধ, নির্ভুল, নিৰপেক্ষ, যুক্তিসংগত আৰু মার্জিতভাৱে বাতৰি, মতামত, উক্তি আৰু তথ্যৰ যোগান ধৰা। এই ক্ষেত্রত প্রচাৰ মাধ্যমসমূহে আন্তঃৰাষ্ট্রীয়ভাৱে স্বীকৃত নীতিসমূহ গ্রহণ কৰি নিজৰ দায়িত্ব পালন কৰিব বুলি আশা কৰা হয়। নিজৰ বোধশক্তিৰে এই নীতিসমূহৰ উপযোগিতা বিচাৰ কৰিলে সাংবাদিকসকলে নিজৰ কার্য স্ব-নিয়ন্ত্রণ কৰাৰ ক্ষেত্রত যথেষ্ট লাভান্বিত হোৱাৰ থল আছে।

সম্পাদক আৰু বাতৰি বিভাগসমূহে লোৱা নীতি নির্দ্ধাৰণৰ কার্যব্যৱস্থাই ইয়াৰ গ্রহণযোগ্যতা প্রমাণ কৰে। এই নীতিৰ নির্দ্ধাৰণ, পুনৰনির্দ্ধাৰণ, বিতর্ক আৰু প্রয়োগে ইয়াৰ ফলপ্রসূতা সূচায়। অতি দৃঢ় নির্দেশক নীতি আৰু সিদ্ধান্ত গ্রহণৰ শক্তিশালী প্রণালী সমৃদ্ধ বাতৰিকাকতসমূহে পদুৱৈ সমাজক অধিক নিষ্ঠাৰে সেৱা আগবঢ়োৱাৰ লগতে সামাজিকভাৱে অধিক দায়িত্ব পালন কৰে। ইয়াৰোপৰি নির্দেশক নীতিৰ সহায়ত, বাতৰি বিভাগৰ কর্মীয়ে সঘনে সন্মুখীন হোৱা কঠোৰ বৃত্তিগত প্রত্যাহ্বান গ্রহণ কৰি উপযুক্ত সিদ্ধান্ত গ্রহণ আৰু সাংবাদিকতাৰ নীতিসম্পর্কীয় বিশ্বাসযোগ্যতা গঢ়ি তুলিব পাৰে।

সমগ্র বিশ্বতে সাংবাদিকতাৰ সৈতে জড়িত বহুতো সংস্থা আৰু সংগঠন আছে, যাৰ নিজাববীয়া নির্দেশক নীতি আছে। এই ৰাষ্ট্রীয় আৰু আন্তঃৰাষ্ট্রীয় পর্যায়ত সংস্থাসমূহে বহুতো আহুকালৰ মাজেৰে, সাংবাদিকসকলে সন্মুখীন হোৱা নীতি সম্পর্কীয় সমস্যা হ্রাস কৰিবলৈ নির্দেশকৰ ৰূপত সহায় আগবঢ়াই আছে। নিজৰ কাম সম্পাদন কৰাৰ সময়ত সাংবাদিকসকলে এই নির্দেশক নীতিৰ সহায়ত স্ব-নিৰীক্ষণ আৰু স্ব-সংশোধন কৰিব পাৰে। এইক্ষেত্রত ভাৰতৰ কিছুমান বিশেষ নির্দেশক নীতিৰ বিষয়ে উল্লেখ কৰিব পাৰি। যেনে- All India Newspaper Editor's Conference (AINEC) অর্থাৎ সর্বভাৰতীয় বাতৰিকাকত সম্পাদকসকলৰ সন্মিলনে 1953 চনত গ্রহণ কৰা Editor's Charter, সর্বভাৰতীয় বাতৰিকাকত সম্পাদকসকলৰ সন্মিলনৰ নির্দেশক নীতি 1968 চনত গোষ্ঠীগত ঘটনাৰ বাবে গ্রহণ কৰা হয়। 1954ৰ সংবাদ সংস্থাৰ নির্দেশক নীতি, 1962ৰ ৰাষ্ট্রীয় সংহতি সংস্থা নির্দেশক নীতি (National Integration Council Code), সাংবাদিকসকলৰ আৰু বাতৰিকাকতসমূহৰ সামাজিক আৰু নৈতিক দায়বদ্ধতাৰ বাবে 1976ত ৰাজ্যসভাই গ্রহণ কৰা সংসদীয় নির্দেশক নীতি (Parliamentary Code of Ethics)। এই সকলো নির্দেশক নীতিসমূহৰ কিছু ক্ষেত্রত প্রভেদ থাকিলেও, এইসমূহৰ মৌলিক নীতিসমূহৰ সমপর্যায়ৰ।

৫.৫.১ সংবাদ মাধ্যমৰ নির্দেশক নীতিৰ মৌলিক আদর্শসমূহ (Common elements of media code of Ethics)

সত্যনিষ্ঠা (Truthfulness) ঃ এজন সাংবাদিকৰ সততা, বিশ্বাসযোগ্যতা আৰু কর্মক্ষমতাৰ পৰাই সত্যনিষ্ঠাৰ আদর্শৰ জন্ম হয়। অৱশ্যে বহু ক্ষেত্রত অন্য আদর্শ সত্যনিষ্ঠাৰ বিপৰীতে যাব পাৰে। সমাজৰ মুধাফুটা ব্যক্তিসকলৰ জীৱনৰ কিছুমান গোপনীয় কথাৰ বিৱৰণ বহুতো প্রচাৰ মাধ্যমৰ মুখ্য বাতৰিত অন্তর্ভুক্ত হয়। এনে ধৰণৰ বাতৰি সত্য হ'লেও ইবিলাকৰ প্রকাশৰ যুক্তিযুক্ততাত যথেষ্ট সন্দেহ থাকে। সাংবাদিকসকলে মনত ৰখা উচিত যে প্রতিজন নাগৰিকৰ ব্যক্তিগত অধিকাৰো থাকে। আনহাতে সেনাবাহিনীৰ গোপনীয় তথ্য আৰু স্পর্শকাতৰ চৰকাৰী তথ্য প্রকাশ কৰাটো, সত্য হ'লেও, সামাজিক প্রেক্ষাপটত তাক কৰাটো অনুচিত। একেদৰে ফটো সাংবাদিকসকলে প্রকাশ কৰা যুদ্ধ নাইবা দুর্যোগৰ দৃশ্যই অৱস্থাৰ অৱনতিহে ঘটাব পাৰে। উদাহৰণ স্বৰূপে, কাৰো মৃতদেহৰ বিৱৰণ অধিক স্পর্শকাতৰভাৱে প্রকাশ কৰাটো অনুচিত। গোপনীয় বাতৰিৰ উৎসৰ সু�ৰক্ষাক লৈ সাংবাদিকতাৰ নীতি আৰু ন্যায়পালিকাৰ মাজত বিতর্ক হোৱাও দেখা যায়। ইয়াত এটা ডাঙৰ প্রশ্ন উত্থাপন হয় যে বাতৰি সংগ্রহ কৰিবলৈ আইন ভংগ কৰাটো কিমান দূৰ সমীচীন ? লগতে নীতিগত প্রশ্নটো হ'ল যে শুদ্ধ আৰু সত্য বাতৰি পৰিৱেশন কৰিবলৈ প্রচাৰ মাধ্যমে কোনটো পর্যায়লৈ দর্শকৰ স্পর্শকাতৰ অনুভূতিক আঘাত কৰাটো উচিত।

যথার্থতা (Accuracy) ঃ কোনো ব্যক্তিৰ নাম অথবা উক্তি নির্ভুলভাৱে প্রকাশ কৰাটোৱেই যথার্থ সাংবাদিকতাক নুবুজায়। সাংবাদিকে যথার্থতা ৰক্ষা কৰিবলৈ হ'লে এই ক্ষেত্রত কাৰোবাৰ উক্তি অথবা মতামতক প্রাসংগিকভাৱে উপস্থাপন কৰিব লাগিব। ইয়াৰ অর্থ হ'ল, ব্যক্তি অথবা ঘটনা সম্পর্কে যিমানদূৰ সম্ভৱ সত্যনিষ্ঠ তথ্য যোগান ধৰা। এজন সাংবাদিকে নিজৰ অথবা সম্পাদকৰ ৰুচি অনুযায়ী কোনো ঘটনাক কেতিয়াও স্ব-ইচ্ছাৰে গতি প্রদান কৰাটো অনুচিত। ইয়াৰ অর্থ হ'ল যে প্রকৃত সাংবাদিকতাত প্রসংগত থকা বিষয় অথবা ব্যক্তিৰ সৈতে সাংবাদিকৰ ব্যক্তিগত মনোভাৱৰ কোনো স্থান নাথাকে। প্রতিবেদনত থকা সকলো তথ্য সঁচা আৰু নিভুল হোৱা বাঞ্চনীয়। ইয়াৰ বাবে অতি সাৱধানে কৰা গৱেষণা আৰু ভাষা তথা অন্যান্য দিশ মার্জিত হোৱাটো উচিত। কেৱল এজন প্রত্যক্ষদর্শী থকা ঘটনাক সম্ভাব্য ৰূপত আৰু দুজন বা ততোধিক প্রত্যক্ষদর্শী থকা ঘটনাক সত্য প্রকাশ কৰিব পাৰি। লগতে বিতর্কমূলক ঘটনাক সম্ভাব্য ৰূপত প্রকাশ কৰিব লাগে। বাতৰি প্রতিষ্ঠানটোৰ অন্য এজন স্বতন্ত্র কর্মীয়ে ঘটনাৰ সত্যাসত্য চোৱা উচিত। ভুল বাতৰিৰ ক্ষেত্রত, তাক শুদ্ধ ৰূপত পুনৰ প্রকাশ কৰিব লাগে। অভিযুক্তৰ ক্ষেত্রত কাৰোবাৰ দোষ ন্যায়ালয়ত প্রমাণিত নোহোৱা পর্যন্ত, দোষী ৰূপত প্রকাশ কৰিব নালাগে। সাংবাদিকসকল সেয়েহে উৎস নির্দ্ধাৰণ আৰু প্রতিবেদন প্রস্তুতিৰ সময়ত যথেষ্ট সজাগ হ'ব লাগে।

বস্তুনিষ্ঠতা (Objectivity) ঃ যদিও 1890ৰ দশকৰ 'বস্তুনিষ্ঠতা' এক আদর্শৰ ৰূপত চিহ্নিত হৈছিল, সাংবাদিকতাত ইয়াৰ প্রয়োগ কৰা হয় 20শ শতিকাত। বহুতো পণ্ডিত আৰু ইতিহাসবিদে মত প্রকাশ কৰে যে, আধুনিক বাতৰিকাকতৰ প্রচলনৰ পৰা আমেৰিকা যুক্তৰাষ্ট্রৰ সংবাদ মাধ্যমত বস্তুনিষ্ঠতা ধাৰণাক যথেষ্ট গুৰুত্ব প্রদান কৰা হয়। 19শ শতিকাত গঢ় লৈ বিজ্ঞানসন্মত মানসিকতাৰ মাজতো বস্তুনিষ্ঠতাৰ মূল বিচাৰি পোৱা যায়, কিয়নো 19শ শতিকাৰ সাংবাদিকতা দৈনন্দিন বিজ্ঞানসন্মত ঘটনাৰ দ্বাৰা প্রভাৱিত হৈছিল।

বর্তমান সাংবাদিকসকলে আৰু জনসাধাৰণে বস্তুনিষ্ঠতাৰ অনুপস্থিতিত ইয়াক চিহ্নিত কৰিব বিচাৰে। বিশেষকৈ আমেৰিকা যুক্তৰাষ্ট্র আৰু U.K. ৰ বৃত্তিগত সাংবাদিকতাত বস্তুনিষ্ঠতাক যথেষ্ট গুৰুত্ব প্রদান কৰা হয়। সাংবাদিকতাৰ ক্ষেত্রত বস্তুনিষ্ঠতাই শুদ্ধতা, নিৰপেক্ষতা আৰু তথ্যভিত্তিক আদি গুণসমূহ সামৰি লয়। অৱশ্যে বহুতো সাংবাদিকে নিজকে সম্পূর্ণ নিৰপেক্ষ ৰূপে প্রমাণিত কৰিব নোৱাৰে। তেনে স্থলতো অনেকে নিজৰ ব্যক্তিগত জীৱনৰ পৰা সম্পূর্ণ পৃথকভাৱে নিজৰ বৃত্তিগত আদর্শ তুলি ধৰিবলৈও সক্ষম হৈছে।

সাংবাদিকতাৰ বৃত্তিৰ ওপৰত বস্তুনিষ্ঠতাৰ আদর্শৰ যথেষ্ট প্রভাৱ পৰা দেখা যায়। অৱশ্যে বস্তুনিষ্ঠতাৰ মূল আদর্শ কেৱল সংবাদ মাধ্যমৰ বস্তুনিষ্ঠতা নহয়। বৰঞ্চ এজন সাংবাদিকে দুই ধৰণে বস্তুনিষ্ঠ হ'বলৈ যত্ন কৰে- 1¼ বাতৰি প্রসংগত থকা লোকসকলৰ প্রতি শুদ্ধতা প্রদর্শন, আৰু 2¼ শুদ্ধ, সম্পূর্ণ আৰু বাস্তৱ তথ্য সংগ্রহ কৰিবলৈ সম্পূর্ণ বৃত্তিগত প্রণালী অৱলম্বন কৰা। যদিও সাংবাদিকসকলে নির্দ্ধাৰিত আদর্শৰ উচ্চ সীমা স্পর্শ কৰিব নোৱাৰে। তথাপিও ই এক অতি সন্মানীয় বৃত্তি, যাক সত্য অন্বেষণকাৰী লোকসকলে কার্যকৰী কৰে।

নিৰপেক্ষতা (Impartiality) ঃ সাংবাদিকতাৰ নিৰপেক্ষ নীতিয়ে প্রতিজন সাংবাদিক আৰু সম্পাদকৰ পৰা শুদ্ধতা দাবী কৰে। তেওঁলোকে ৰাজনৈতিক প্রভাৱ অথবা ব্যক্তিগত পক্ষপাতিত্বৰ পৰা মুক্ত হৈ বস্তুনিষ্ঠতাৰে সকলো অনুসন্ধান কৰাটো অতি প্রয়োজনীয়। প্রসংগত থকা লোকসকলৰ প্রতি যেন অবিচাৰ কৰা নহয়, এই ক্ষেত্রত সাংবাদিকসকল নিজৰ লিখনিৰ ক্ষেত্রত সাৱধান হোৱা উচিত। লিখনিত সন্নিবিষ্ট ভাৱ আৰু শব্দসমূহ শুদ্ধ আৰু নির্ভেজাল হ'ব লাগে। সাংবাদিকে জনসাধাৰণ আৰু প্রসংগত থকা লোকসকলৰ সন্মুখত নিজৰ প্রতিবেদন সহজভাৱে পাঠ কৰিব পাৰিব লাগে। কোনো এজন ব্যক্তিৰ বিষয়ে সমালোচনাত্মক লিখনি প্রকাশৰ পাছত যদি সেইগৰাকী ব্যক্তিৰ দ্বাৰাই সেই লিখনি অতি দৃঢ় বুলি অভিহিত হয়, তেন্তে সেয়া হ'ব এজন সাংবাদিকৰ বাবে শ্রেষ্ঠ প্রশংসা।

শুদ্ধতাৰ এই যুদ্ধ বিশেষকৈ ৰাজনৈতিক ক্ষেত্রত দেখিবলৈ পোৱা যায়। এজন নেতা অথবা কোনো দলে ব্যক্ত কৰা মতৰ বিপৰীতে বিপক্ষৰ পৰা এই সন্দর্ভত প্রতিক্রিয়া

জানিবলৈ সাংবাদিকে প্ৰয়াস কৰে। এনেদৰে ৰাজনৈতিক ক্ষেত্ৰখন চিৰদিন বাতৰিৰ শিৰোনামত থাকে। কেতিয়াবা সংবাদ মাধ্যমে কোনো দলক আঘাত কৰাও দেখা যায়।

সামাজিক দায়িত্ব (Public Accountability) ঃ সামাজিক দায়িত্বৰ সৈতে সমিধানযোগ্যতা, দায়িত্ববোধ, নিন্দা, বাধ্যবাধকতা আৰু এনে ধৰণৰ বহুতো প্ৰসংগ সংযুক্ত হৈ থাকে। সাংবাদিকে ৰাইজৰ সন্মুখত অতি শুদ্ধ আৰু সম্পূৰ্ণৰূপে তেওঁৰ কামৰ খতিয়ান আৰু সমাজৰ ওপৰত তাৰ প্ৰভাৱৰ বিষয়ে বৰ্ণনা দিবলৈ বাধ্য। এয়া এজন সাংবাদিকৰ সামাজিক দায়িত্বৰ অন্তৰ্গত। অৰ্থাৎ তেওঁ নিজৰ কামৰ শুদ্ধতা আৰু সম্পূৰ্ণতা যথাৰ্থভাৱে দাঙি ধৰিবলৈ সামাজিকভাৱে দায়বদ্ধ।

মৰ্যাদা (Dignity) ঃ এজন সাংবাদিকৰ বাবে, বাতৰিৰ প্ৰসংগত থকা ব্যক্তিসকলৰ মৰ্যাদা অক্ষুণ্ণ ৰখাটো অতি গুৰুত্বপূৰ্ণ। লগতে গুৰুত্বপূৰ্ণ হৈছে পঢ়ুৱৈ সমাজ আৰু কাকতখনৰ মৰ্যাদা। সাংবাদিকসকলে মনত ৰখা উচিত যে সকলোৰে মৰ্যাদাৰ প্ৰতি সন্মান প্ৰদৰ্শন কৰিও শক্তিশালী সাংবাদিকতা অটুট ৰাখিব পাৰি।

মানৱতা (Humanity) ঃ মানৱতাই হ'ল মানৱ জীৱনৰ শ্ৰেষ্ঠ আদৰ্শ "Absence of Malice" নামৰ বোলছবিখনৰ এটা দৃশ্যত এজন অভিজ্ঞতাপুস্ত সম্পাদকে নিজকে সাংবাদিক বুলি কৈছে। তেওঁ কৈছে যে তেওঁ পৃথকভাৱে বাতৰি পৰিৱেশন কৰিব পাৰে আৰু মানুহক কষ্ট নিদিয়াকৈ থাকিব পাৰে কিন্তু এই দুয়োবিধ কাম একেলগে কৰিবলৈ তেওঁ অপাৰগ। শ্ৰেষ্ঠ সাংবাদিকতাই অনিচ্ছাকৃতভাৱে প্ৰায়ে কাৰোবাক আঘাত দিয়ে। মানৱতাৰ অৰ্থ হৈছে নিৰ্দোষীক আঘাত নকৰা আৰু সেইসকলক আঘাত নকৰা যাৰ এজন সাংবাদিকৰ সৈতে কথা পাতি সোমাই পৰা ঘটনাৰাজিৰ বিষয়ে কোনো নিৰ্দিষ্ট ধাৰণা নাই। এজন প্ৰকৃত সাংবাদিক জনসাধাৰণৰ প্ৰতি সদায় দায়বদ্ধ হৈ থাকে।

এজন সাংবাদিকৰ মূল কৰ্তব্য হৈছে তথ্যভিত্তিকভাৱে ঘটনা অথবা বিষয়বস্তু উপস্থাপন কৰা। সকলো সচেতন সংবাদ মাধ্যমে সেয়েহে অতি বিশ্বস্ততাৰে ৰাইজক সেৱা আগবঢ়াবলৈ তৎপৰ হৈ থাকে। বৃত্তিগত সংহতিয়ে হৈছে সাংবাদিকৰ বিশ্বাসযোগ্যতাৰ মূল। সাংবাদিকতাৰ নিৰ্দেশক নীতিসমূহে সাংবাদিক আৰু সমাজৰ মাজত থাকিবলগীয়া সম্পৰ্কৰ ভেটি নিৰ্মাণ কৰে। এই ভেটি যিমানে দৃঢ় হয়, লিখক আৰু পঢ়ুৱৈৰ মাজৰ সম্পৰ্কও সিমানে দৃঢ় হয়। বেছিভাগ ক্ষেত্ৰতে এনেধৰণৰ দৃঢ় ভেটি নিৰ্মাণ হোৱা নাযায়, তেতিয়ালৈকে কোনো পক্ষই নীতিসমূহৰ বিষয়ে সচেতন হৈ নুঠে।

৫.৫.২ কুম্ভিলক্ বৃত্তি (Plagiarism)

কুম্ভিলক্ বৃত্তি বা Plagiarism ৰ সাধাৰণ অৰ্থ হৈছে কোনো এজন ব্যক্তিয়ে স্বতন্ত্ৰভাৱে কাৰোবাৰ লিখনিক অকৃতজ্ঞভাৱে লেখকৰ অনুমতি অবিহনে ব্যৱহাৰ কৰা কাৰ্য। কোনো লেখকৰ প্ৰকাশিত অথবা অপ্ৰকাশিত লিখনিক আংশিক অথবা সম্পূৰ্ণ

ৰূপত লেখকৰ অনুমতি অবিহনে নকল কৰা আৰু কম্পিউটাৰ ফাইল, ইন্টাৰনেট আদিৰ পৰা download কৰাকে কুম্ভিলক্ বৃত্তি (Plagiarism) বোলা হয়। এই ক্ষেত্ৰত অন্য লেখকৰ ভাৱ ভাষাৰ ব্যৱহাৰ অথবা অতি ওচৰ পৰ্যায়লৈ নকল কৰি, সেইখিনি নিজৰ মূল লিখিনিৰ ৰূপত প্ৰকাশ কৰা হয়।

কুম্ভিলক্ বৃত্তিক সাংবাদিকতাৰ আচৰণ বিধিৰ প্ৰতি এক আঘাত ৰূপে গণ্য কৰা হয় আৰু ইয়াৰ সৈতে জড়িত সাংবাদিকে নিজৰ কৰ্মৰ পৰা অংশকালীন অথবা পূৰ্ণ অব্যাহতিও লাভ কৰে। বিদ্যায়তনিক অথবা সাংবাদিকতাৰ ক্ষেত্ৰত কুম্ভিলক্ বৃত্তিৰ দোষত অভিযুক্তসকলে কেতিয়াবা তেনে কাৰ্য অজ্ঞাতভাৱে কৰা বুলি কয় আৰু অন্য লোকৰ উক্তি, প্ৰসংগ আদি নিজৰ লিখনিত অজ্ঞাতভাৱে সামৰি নোলোৱা বুলিও কয়। কুম্ভিলক্ বৃত্তিৰ এই অভ্যাস অতি পুৰণি আৰু বৰ্তমান সময়ত ইন্টাৰনেটৰ বিকাশে এই কামক অধিক অৱিহণা যোগাইছে। কিয়নো ইন্টাৰনেটত সকলো তথ্য ইলেকট্ৰনিক পাঠ্যৰ আকাৰত থাকে আৰু ইয়াক অতি সহজতে বিভিন্ন 'ৰেব পেজ'লৈ লৈ যাব পাৰি। বৰ্তমান ভাৰতত এই অভ্যাসটোৰ প্ৰচলন বৃদ্ধি পাইছে। বাতৰিকাকতসমূহে অন্য কাকতৰ পৰা বাতৰি সংগ্ৰহ কৰি সেইবোৰক নিজৰ বুলি প্ৰকাশ কৰে। সাংবাদিকসকলে এনে বহুতো পৰিস্থিতিৰ সন্মুখীন হয়, যি জ্ঞাত অথবা অজ্ঞাতভাৱে কুম্ভিলক্ বৃত্তিৰ সৈতে জড়িত। যিহেতু এবাৰ প্ৰকাশিত বাতৰিক ৰাইজৰ সম্পত্তি বুলি গণ্য কৰা হয়, সেয়েহে সম্পূৰ্ণ নিষেধাজ্ঞা আৰোপ কৰি অথবা স্বত্বাধিকাৰ ভংগ কৰা বুলি আখ্যা দি কুম্ভিলক্ বৃত্তি বন্ধ কৰিব পৰা নাযায়। এই অভ্যাসৰ পৰা সাংবাদিকক মুক্ত কৰিবলৈ হ'লে, প্ৰতিবেদনৰ আৰম্ভণিতে বা শেষত, সেই বাতৰিৰ উৎসৰ বিষয়ে উল্লেখ কৰাটো বাঞ্ছনীয়। কোনো বাতৰিৰ ঘটনাসমূহৰ স্বত্বাধিকাৰ পাব নোৱাৰি যদিও, তাৰ উপস্থাপন ৰীতিৰ ওপৰত নিশ্চয় পাৰি। সাংবাদিকসকলে সেয়েহে আইন ভংগ নকৰাকৈ কোনো প্ৰৱন্ধ ইত্যাদিৰ পুনঃলিখন কৰিব পাৰে।

এইখিনিতে উল্লেখযোগ্য যে, কুম্ভিলক্ বৃত্তিৰ অর্থ স্বত্বাধিকাৰ ভংগ কৰা নহয়। এই দুয়োৰে অর্থ আইনমতে বেলেগ বেলেগ। কোনো স্বত্বাধিকাৰীৰ অধিকাৰত আঘাত কৰি তেওঁৰ অনুমতি অবিহনে তেওঁৰ অধিকৃত লিখনিৰ ব্যৱহাৰ কৰা কাৰ্যই স্বত্বাধিকাৰ ভংগ কৰা বুজায়। আনহাতে কুম্ভিলক্ বৃত্তি হৈছে কোনো ব্যক্তিয়ে আনৰ লিখনিক নিজৰ বুলি প্ৰকাশ কৰি লাভ কৰা ভুৱা যশস্যাৰ সৈতে জড়িত এক ব্যৱস্থা।

৫.৫.৩ নৈতিক মানদণ্ড বলবৎকৰণ (Compliance of Ethical Standards)

সংবাদ মাধ্যমৰ নীতিৰ মানদণ্ডক অৱজ্ঞা কৰা হয় বুলি প্ৰায়ে আলোচনা কৰা হয়। আধুনিক যুগৰ সাংবাদিকতাৰ আটাইতকৈ বিতৰ্কিত বিষয় হৈছে সংবাদ মাধ্যমৰ পক্ষপাতিত্ব, বিশেষকৈ ৰাজনৈতিক ক্ষেত্ৰত। অৱশ্যে সাংস্কৃতিক আৰু অন্যান্য

ক্ষেত্রসমূহতো পক্ষপাতিত্ব হোৱা পৰিলক্ষিত হৈছে। চাঞ্চল্যতাবাদৰ বিৰুদ্ধেও অভিযোগ আছে। কোনো বিষয়ৰ এটা নির্দিষ্ট বাতৰিৰ লগত পৰিচিত ব্যক্তিৰ চকুত বাতৰিটোত থকা তথ্য বিষয়ক গৌণ ভুলবোৰ সহজতে চকুত পৰে। সংবাদ মাধ্যমত অন্তর্ভুক্ত হোৱা কিছু পৰিৱর্তন, যেনে সাংবাদিকতাৰ সংক্ষিপ্ততা আৰু Sound Byteৰ প্রয়োগে, সংবাদ মাধ্যমৰ বিশ্বস্ততা হ্রাস কৰিছে আৰু এইবোৰে জনসাধাৰণৰ মাজত প্রকৃত বাতৰিৰ অভাৱ ঘটাইছে বুলি বহুসময়ত আলোচনা হোৱা দেখা গৈছে।

সাংবাদিকতাৰ নীতিক সন্মান জনাবলৈ প্রয়াস কৰা আগশাৰীৰ প্রকাশন আৰু সংবাদ প্রতিষ্ঠানসমূহৰ মানদণ্ড আৰু ধৰণৰ মাজত প্রভেদ দেখা যায়। সংবাদ প্রতিষ্ঠানৰ বাবে গুৰুত্বপূর্ণ গুণসমূহ হৈছে বৃত্তিৰ প্রতি নিষ্ঠা, বিশ্বাসযোগ্যতা আৰু সামাজিক দায়বদ্ধতা। নির্দেশক নীতি পালনৰ জৰিয়তে এটা সংবাদ প্রতিষ্ঠানে সমাজ আৰু অন্য প্রতিষ্ঠানৰ দৃষ্টিত যথেষ্ট সন্মাজনক স্থান লাভ কৰিব পাৰে।

৫.৬ প্রত্যুত্তৰৰ অধিকাৰ (Right of Reply)

"প্রত্যুত্তৰৰ অধিকাৰ" হৈছে প্রতিজন ব্যক্তিৰে নিজৰ বিষয়ে প্রকাশিত ভ্রান্ত আৰু ভুল বাতৰিৰ বিৰুদ্ধে প্রতিক্রিয়া প্রকাশ কৰাৰ অধিকাৰ। এই অধিকাৰৰ দ্বাৰা নিজকে সমালোচনাৰ পৰা সুৰক্ষিত কৰিব পাৰি। ইয়াৰ অর্থ হৈছে যে প্রতিজন ব্যক্তিকে তেওঁৰ বিষয়ে উত্থাপিত আৰোপ সন্দর্ভত প্রত্যুত্তৰ দিয়াৰ সুবিধা দিয়াটো বাঞ্ছনীয়। বহু ক্ষেত্রত তথ্য অথবা বাতৰি প্রকাশৰ পূর্বেই প্রসংগত থকা ব্যক্তিৰ সৈতে যোগাযোগৰ সম্ভাৱনাক বুজা যায় যদিও, বাস্তৱ ক্ষেত্রত তেনে কৰা নহয়। বাতৰি প্রকাশৰ পাছতহে প্রত্যুত্তৰৰ অধিকাৰ প্রয়োগ কৰিবলৈ সুবিধা দিয়া হয়।

কোনো সচেতন ব্যক্তিয়ে বাতৰিকাকতলৈ নিজৰ বিষয়ে প্রকাশিত বাতৰি সম্পর্কত সম্পাদকলৈ প্রেৰণ কৰা প্রতিক্রিয়াঁউত্তৰঁচিঠিঁ স্পষ্টীকৰণ ইত্যাদি অনতি পলমে প্রকাশ কৰাটো নিয়ম। অৱশ্যে তেনেস্থলত চিঠিখনৰ কিমান অংশ প্রকাশ কৰা হ'ব, বিশেষকৈ অপ্রয়োজনীয়ভাৱে দীঘল চিঠি চমু কৰাৰ ক্ষেত্রত সম্পাদকৰ সম্পূর্ণ স্বাধীনতা থাকে। অৱশ্যে এই ক্ষেত্রত সেই চিঠি প্রাসংগিক হোৱা উচিত আৰু সম্পাদকে দৰকাৰী কথা বাদ দিয়াটো অনুচিত। যদি তেনে চিঠিৰ উল্লিখিত তথ্য ভুল বুলি সম্পাদক গৰাকীৰ হাতত প্রমাণ থাকে, তেন্তে চিঠিখন প্রকাশ কৰাৰ পাছত, শেষত পৃথকভাৱে নিজৰ মন্তব্য প্রকাশ কৰিব পাৰে। অৱশ্যে এই ক্ষেত্রত উপযুক্ত প্রমাণ নোহোৱাকৈ সম্পাদকে নিজৰ বাতৰিকে শুদ্ধ বুলি টোকা লিখাটো অনুচিত। কিয়নো সম্পাদকৰ বাবে চিঠি, স্পষ্টীকৰণ আদি শুদ্ধ কৰা বা মন্তব্য দিয়াটো এক চৰম অধিকাৰ নহয়। সেয়েহে এই ক্ষেত্রত যথেষ্ট সাৱধান হোৱা উচিত। অৱশ্যে সংবাদ সংস্থা (Press Council) ৰ নির্দেশমর্মে বলবৎ কৰা কোনো চিঠি প্রকাশৰ পাছত সম্পাদকে এটি টোকা সংযোজিত কৰিব পাৰে।

ইউৰোপত সকলো ধৰণৰ সংবাদ মাধ্যমকে সামৰি প্ৰত্যুত্তৰৰ অধিকাৰক এক আইনৰূপে স্বীকৃতি দিবলৈ বহুবাৰ প্ৰয়াস কৰা হৈছে। ইউৰোপীয় পৰিষদৰ draft recommendation Recital 8 1 নং অনুচ্ছেদৰ মতে "সকলো সংবাদ মাধ্যম অৰ্থাৎ বাতৰিকাকত, আলোচনী, অন্য ছপা মাধ্যম, অনাতাঁৰ, দূৰদৰ্শন আৰু ইণ্টাৰনেটত প্ৰত্যুত্তৰৰ অধিকাৰক আইনমতে স্বীকাৰ কৰাটো প্ৰয়োজনীয়।" এই অনুচ্ছেদে "ব্যক্তিগত অধিকাৰক প্ৰভাৱিত কৰা কোনো ভুল তথ্য প্ৰকাশৰ সন্দৰ্ভতো প্ৰত্যুত্তৰ দিয়াৰ অধিকাৰ"ৰ পোষকতা কৰিছে। ইউৰোপৰ অষ্ট্ৰীয়া, ডেনমাৰ্ক, ফ্ৰান্স, জাৰ্মানী, ফিনলেণ্ড, ডি নেদাৰলেণ্ডচ, ন'ৱৰ্ে, স্পেইন, চুইডেনত প্ৰত্যুত্তৰৰ অধিকাৰ এক ন্যায়িক অধিকাৰ আৰু গ্ৰীচত ই এক সংবিধানিক অধিকাৰ।

অষ্ট্ৰেলিয়াৰ ৰাজনীতিত, কেন্দ্ৰীয় সংসদত বিপক্ষৰ চৰকাৰৰ বাজেটৰ ওপৰত মন্তব্য দিবলৈ অধিকাৰ প্ৰদান কৰা হৈছে। অষ্ট্ৰেলিয়াৰ কোষাধ্যক্ষই বাজেট উপস্থাপন কৰা প্ৰক্ৰিয়া দূৰদৰ্শনত পোনপটীয়াকৈ প্ৰচাৰ কৰা হয়। ইয়াৰ দুৰাতিৰ পাছত বিপক্ষই সংসদত এক প্ৰত্যুত্তৰ স্বৰূপ ভাষণ দিয়া যাক পুনৰ দূৰদৰ্শনত পোনপটীয়াকৈ প্ৰচাৰ কৰা হয়।



অগ্ৰগতি নিৰীক্ষণ - খ

1. নির্দেশক নীতিৰ অর্থ কি?
2. সাংবাদিকতাৰ আন্তঃৰাষ্ট্ৰীয় নির্দেশক নীতিৰ বাবে গৃহীত উমৈহতীয়া আদর্শসমূহ কি কি?
3. সাংবাদিকতাত বস্তুনিষ্ঠতাৰ অর্থ কি?
4. বহুতো অন্য কাকতৰ পৰা সংগ্ৰহ কৰা বাতৰি নিজৰ বুলি প্ৰকাশ কৰে- এই অভ্যাসক কি বোলা হয়?
5. বাতৰি কাকত এখনত প্ৰকাশিত 'আপোনাৰ বিৰুদ্ধে কৰা সমালোচনাৰ প্ৰত্যুত্তৰ দিয়াৰ অধিকাৰ আপোনাৰ আছে'— এই অধিকাৰটো কি?

৫.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

সংবাদ মাধ্যমৰ স্বাধীনতা হৈছে এনে এক উপায়, যাৰ দ্বাৰা বাতৰিকাকত, কিতাপ, আলোচনী, অনাতাঁৰ, দূৰদৰ্শন আৰু ইণ্টাৰনেট আদি সকলো ধৰণৰ সংবাদ মাধ্যম চৰকাৰী নিয়ন্ত্ৰণ আৰু বিবাচক প্ৰক্ৰিয়াৰ পৰা মুক্ত হ'ব পাৰে। এই স্বাধীনতাৰ জৰিয়তে চৰকাৰে সকলো নাগৰিক, সংস্থা, বাতৰি প্ৰতিষ্ঠান, সংবাদসেৱী আৰু তেওঁলোকৰ সংবাদসেৱাক স্বাধীনতা প্ৰদান কৰিছে। বিশ্বৰ বহুতো দেশত সংবাদ মাধ্যমৰ

স্বাধীনতাৰ সৈতে জড়িত সাংবিধানিক আৰু ন্যায়িক সুৰক্ষাৰ ব্যৱস্থাও আছে। এই স্বাধীনতাৰ সৈতে জড়িত সাংবিধানিক আৰু ন্যায়িক সুৰক্ষাৰ ব্যৱস্থাও আছে। এই স্বাধীনতাৰ ধাৰণা অৱশ্যে দেশ ভেদে ভিন্ন হয়। সংবাদ মাধ্যমৰ ওপৰত চৰকাৰী নিয়ন্ত্রণৰ বিৰুদ্ধে এক বাধা হিচাপে সংবাদ মাধ্যমৰ স্বাধীনতাৰ যি নীতি, সেই নীতিৰ ধৰণ, কোনো এক নির্দিষ্ট সময়ত সংবাদ মাধ্যমে ব্যৱহাৰ কৰা স্বাধীনতাৰ স্তৰৰ ওপৰত নির্ভৰ কৰে। সংবাদ মাধ্যমৰ স্বাধীনতাৰ অপব্যৱহাৰৰ সম্ভাৱনাই, সেয়েহে, কোনো জৰুৰী অৱস্থা অবিহনেও, ইয়াৰ নিয়ন্ত্রণত প্রয়োজনীয় কৰি তুলিছে। সেয়েহে সংবাদ মাধ্যমৰ স্বাধীনতাই ইয়াৰ প্রয়োগৰ ক্ষেত্রত গাইগুটীয়া স্বাধীন চিন্তাৰে আগবঢ়াতো নুবুজায়।

নৈতিক আচৰণে সাংবাদিকতাক উচ্চস্তৰলৈ লৈ যায়। সাংবাদিকতাৰ মূল উদ্দেশ্য হৈছে- সত্য আৰু বাস্তৱ ঘটনাক পোহৰলৈ অনা। সংবাদ মাধ্যমৰ নীতি হৈছে ব্যৱহাৰিক নীতিৰ এক শাখা আৰু ই প্রচাৰ মাধ্যম, অর্থাৎ বোলছবি, নাটক, শিল্পকলা, ছপা মাধ্যম, ইন্টাৰনেট ইত্যাদিৰ বাবে নীতিগত আদর্শ আৰু মান নির্ণয় কৰে। কোনো কাম অথবা ব্যৱহাৰৰ গ্রহণযোগ্যতা বিচাৰ কৰিবলৈ নির্দ্ধাৰণ কৰা নিয়মকে সাধাৰণ অর্থত নীতি বুলিব পাৰি। যদিও এনে ধৰণৰ নীতিৰ ক্ষেত্রত বিভিন্ন সংবাদ প্রতিষ্ঠানৰ নির্দিষ্ট মান থাকে, তথাপিও এইসমূহৰ কিছু উমৈহতীয়া আদর্শ আছে। এই আদর্শসমূহ এনে ধৰণৰ— সত্যনিষ্ঠা, যথার্থতা, বস্তুনিষ্ঠতা, নিৰপেক্ষতা, মর্যাদা, শুদ্ধতা, সমাজিক দায়িত্ব আৰু মানৱতা। অৱশ্যে সাংবাদিকতাৰ নীতিসমূহ বহুক্ষেত্রত অৱজ্ঞা কৰা হয় বুলি আলোচনা কৰা হয়।

কুম্ভিলক্ বৃত্তি বা "Plagiarism"ৰ সাধাৰণ অর্থ হৈছে কোনো এজন ব্যক্তিয়ে স্বতন্ত্রভাৱে কাৰোবাৰ লিখনিক অকৃতজ্ঞভাৱে অথবা লেখকৰ অনুমতি অবিহনে ব্যৱহাৰ কৰা কার্য। কোনো লেখকৰ প্রকাশিত অথবা অপ্রকাশিত লিখনিক আংশিক অথবা সম্পূর্ণ ৰূপত লেখকৰ অনুমতি অবিহনে নকল কৰা আৰু কম্পিউটাৰ ফাইল, ইন্টাৰনেট আদিৰ পৰা download কৰাকে Plagiarism বোলা হয়। এই অভ্যাসক সাংবাদিকতাৰ আচৰণ বিধিৰ প্রতি এক আঘাত ৰূপে গণ্য কৰা হয় আৰু ইয়াৰ সৈতে জড়িত সাংবাদিকে নিজৰ কর্মৰ পৰা অংশকালীন অথবা পূর্ণ অব্যাহতিও লাভ কৰে। Plagiarismৰ অর্থ স্বত্বাধিকাৰ ভংগ কৰা নহয়। একে ধৰণৰ হ'লেও আইন মতে দুয়োৰে অর্থৰ মাজত প্রভেদ আছে।

"প্রত্যুত্তৰৰ অধিকাৰ" হৈছে প্রতিজন ব্যক্তিৰে নিজৰ বিষয়ে প্রকাশিত ভুল আৰু বিভ্রান্তিকৰ বাতৰিৰ বিৰুদ্ধে প্রতিক্রিয়া দিয়াৰ অধিকাৰ। ইয়াৰ দ্বাৰা নিজকে সমালোচনাৰ পৰা সুৰক্ষিত কৰিব পাৰি। ইয়াৰ অর্থ হৈছে যে প্রতিজন ব্যক্তিকে তেওঁৰ বিষয়ে উত্থাপিত আৰোপ সম্পর্কত প্রত্যুত্তৰ দিয়াৰ সুবিধা দিয়াটো বাঞ্ছনীয়।

৫.৭ অধিক জানিবলৈ

- P.K. Ravindran : Press Law and Ethics of Journalism
- Vir Bala Aggarwal : Essentials of Practical Journalism
- T. Rajshekhar : Journalism Ethics and Objectives
- Raymond Wacks : Privacy and Press Freedom

৫.৮ অগ্রগতিৰ খতিয়ান

অগ্রগতি নিৰীক্ষণ - ক

১/৪ প্রচাৰ মাধ্যমক নিজৰ ক্ষমতাৰ অপব্যৱহাৰ কৰি বহুক্ষেত্রত ব্যক্তি স্বাধীনতা আৰু জনসাধাৰণৰ গোপনীয়তাৰ ওপৰত আঘাত হনা বুলি আৰোপ কৰা হয়। সংবাদ মাধ্যমৰ স্বাধীনতা হৈছে এনে এক উপায়, যাৰ দ্বাৰা বাতৰিকাকত, কিতাপ, আলোচনী, অনাতাঁৰ, দূৰদর্শন আৰু ইন্টাৰনেট ইত্যাদি সকলো সংবাদ মাধ্যমে চৰকাৰী নিয়ন্ত্রণ আৰু বিবাচক প্রক্রিয়াৰ পৰা মুক্ত হ'ব পাৰে। এই স্বাধীনতাৰ জৰিয়তে চৰকাৰে সকলো নাগৰিক, সংস্থা, বাতৰি প্রতিষ্ঠান, সাংবাদিক, তেওঁলোকৰ সংবাদসেৱাক স্বাধীনতা প্রদান কৰিছে। বিশ্বৰ বহুতো দেশত এই স্বাধীনতাৰ সৈতে জড়িত সাংবিধানিক আৰু ন্যায়িক সুৰক্ষাৰ ব্যৱস্থাও আছে।

৩/৪ আন্তঃৰাষ্ট্রীয় মানৰ অধিকাৰ সম্পর্কীয় ঘোষণাত কোৱা হৈছে যে- "প্রতিজন ব্যক্তিৰে নিজস্ব মতামত প্রকাশ কৰাৰ স্বাধীনতা আছে; এই স্বাধীনতাৰ আধাৰত কোনো বাধা অবিহনে মত প্রকাশ কৰিব পাৰি আৰু কোনো সীমাৰ বান্ধোন নোহোৱাকৈ যিকোনো মাধ্যমৰ সহায়ত তথ্য আৰু মতামত বিচাৰিব, গ্রহণ কৰিব আৰু প্রেৰণ কৰিব পাৰি।"

৩/৪ ভাৰতীয় সংবিধানৰ 19 নং অনুচ্ছেদৰ 2ৰ পৰা 6 অংশ (পৰিচ্ছেদ)

অগ্রগতি নিৰীক্ষণ - খ

১/৪ নীতিৰ সাধাৰণ অর্থ হৈছে ব্যক্তিগত আৰু সমাজ জীৱনত কোনো কাম অথবা ব্যৱহাৰৰ গ্রহণযোগ্যত্য বিচাৰ কৰা আদর্শসমূহ। এই নীতিৰ ধাৰণাৰ প্রচলন কৰিছিল গ্রীকসকলে। নীতিৰ দ্বাৰা কোনো কামৰ ভুলনে শুদ্ধ, ন্যায়সংগত হয়নে নহয়, এইবোৰ দিশ বিচাৰ কৰিব পাৰি। গ্রীকসকলৰ মতে, প্রতিজন ব্যক্তিৰে নৈতিক উত্তৰণৰ বাবে সাহস, নৈতিকতা আৰু শুদ্ধ আচৰণৰ প্রয়োজন। ইয়াৰ লগতে প্রয়োজন হ'ব বুদ্ধিমত্তা, ন্যায় আৰু শুদ্ধ আচৰণৰ।

২/৪ সাংবাদিকতাৰ নীতিৰ উমৈহতীয়া আদর্শসমূহ হ'ল- সত্যনিষ্ঠা, যথার্থতা, বাস্তৱিকতা, নিৰপেক্ষতা, মর্যাদা, শুদ্ধতা, সামাজিক দায়িত্ব আৰু মানৱতা।

3¼ সাংবাদিকতাৰ ক্ষেত্ৰত বাস্তৱিকতাই শুদ্ধতা, নিৰপেক্ষতা আৰু তথ্যভিত্তিক গুণসমূহ সামৰি লয়। অৱশ্যে বহুতো সাংবাদিকে নিজকে সম্পূৰ্ণ নিৰপেক্ষ ৰূপে প্ৰমাণিত কৰিব নোৱাৰে।

4¼ কুম্ভিলক্ বৃত্তি (Plagiarism)

5¼ প্ৰত্যুত্তৰ অধিকাৰ

৫.৯ সম্ভাব্য প্ৰশ্ন

1¼ সংবাদ মাধ্যমৰ স্বাধীনতাৰ অৰ্থ কি? এই স্বাধীনতাৰ ওপৰত নিয়ন্ত্ৰণৰ কিয় প্ৰয়োজন হয়? বহলাই লিখক।

2¼ সংবাদ প্ৰতিষ্ঠানৰ বাবে নিৰ্দেশক নীতিৰ গুৰুত্ব সম্পৰ্কে এক চমু টোকা লিখক।

3¼ সাংবাদিকতাৰ নীতি কাক বোলে? সাংবাদিকতাৰ নিৰ্দেশক নীতিৰ ওপৰত এটি টোকা লিখক।

4¼ সাংবাদিকতাৰ নীতিৰ উমৈহতীয়া আদৰ্শসমূহ কি কি? প্ৰতিবিধ আদৰ্শৰ বিষয়ে চমুকৈ বৰ্ণনা দিয়ক।

5¼ সাংবাদিকতাৰ ক্ষেত্ৰত নিৰ্দেশক নীতি বলবৎকৰণৰ বিষয়ে এক চমুটোকা লিখক।

6¼ কুম্ভিলক্ বৃত্তি মানে কি? সাংবাদিকতাৰ নীতিৰ প্ৰসংগৰে ইয়াৰ ধাৰণাৰ বিষয়ে ব্যাখ্যা কৰক।

7¼ প্ৰত্যুত্তৰৰ অধিকাৰ কি? সংবাদ মাধ্যমৰ প্ৰসংগৰে এই অধিকাৰ সন্দৰ্ভত এটি টোকা লিখক।

অধ্যায় ৬ ঃ সংবাদ মাধ্যম আৰু গোপনীয়তা

অধ্যায় গাঁথনি

6.1 উদ্দেশ্য

6.2 পৰিচয়

6.3 সংবাদ মাধ্যম আৰু গোপনীয়তাত ইয়াৰ অনধিকাৰ প্ৰৱেশ

6.3.1 আন্তঃৰাষ্ট্ৰীয় আইনৰ আধাৰত গোপনীয়তা

6.3.2 গোপনীয়তা সংক্ৰান্তীয় ভাৰতীয় আইন ব্যৱস্থা

6.4 চাঞ্চল্যতাবাদ (Sensationalism)

6.4.1 চাঞ্চল্যতাবাদ ধাৰণাৰ বিকাশ

6.4.2 বৈদ্যুতিক সংবাদ মাধ্যমত চাঞ্চল্যতাবাদ

6.5 ষ্টিং অপাৰেচন (Sting Operations)

6.5.1 অপাৰেচন ৰেষ্ট এণ্ড ঃ তেহেল্‌কা ডট কম্‌

6.5.2 চিনেমা, উপন্যাস, হাস্যৰসাত্মক চিত্ৰকথা (comics) আৰু দূৰদৰ্শনৰ ধাৰাবাহিকত থকা Sting Operation

6.6 পাপাৰাজ্জী (Paparazzi)

6.6.1 পাপাৰাজ্জী আৰু প্ৰখ্যাত লোকসকল ঃ দুইমুখি যাত্ৰা

6.6.2 পাপাৰাজ্জীৰ ওপৰত আৰোপিত নিষেধাজ্ঞা আৰু আইন

6.7 হালধীয়া সাংবাদিকতা (Yellow Journalism)

6.7.1 বৰ্তমান পৰিস্থিতিত হালধীয়া সাংবাদিকতা

6.8 অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

6.9 অধিক জানিবলৈ

6.10 অগ্ৰগতিৰ খতিয়ান

6.11 সম্ভাব্য প্ৰশ্ন

৬.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি-

- গোপনীয়তাত সংবাদ মাধ্যমৰ অনধিকাৰ প্ৰৱেশ আৰু ইয়াৰ ন্যায়িক ব্যৱস্থাৰ বিষয়ে আলোচনা কৰিব পাৰিব।
- সংবাদ মাধ্যমৰ চাঞ্চল্যতাবাদৰ বিষয়ে ব্যাখ্যা কৰিব পাৰিব।

- সংবাদ মাধ্যমৰ দ্বাৰা কার্যকৰী কৰা Sting Operation সমূহৰ বিষয়ে আলোচনা কৰিব পাৰিব।
- Paparazzi ৰ ধাৰণা সম্পর্কে ব্যাখ্যা কৰিব পাৰিব।
- হালধীয়া সাংবাদিকতাৰ ধাৰণা সম্পর্কে আলোচনা কৰিব পাৰিব।

৬.২ পৰিচয়

প্রতিজন ব্যক্তিৰে গোপনীয়তাৰ অধিকাৰ থাকে আৰু এই অধিকাৰ ব্যক্তি গৰাকীৰ মর্যাদাৰ সৈতে জীয়াই থকাৰ অধিকাৰৰ এক স্বৰূপ। বিশ্বৰ বহুতো দেশৰ আইনে দেশখনৰ চৰকাৰ, সংগঠন নাইবা কোনো ব্যক্তিৰ দ্বাৰা নাগৰিকসকলৰ গোপনীয়তাত অনধিকাৰ প্ৰৱেশৰ ক্ষেত্রত, বহুতো ব্যৱস্থা গ্রহণ কৰিছে, আৰু বহুতো দেশে তেনে নাগৰিক অধিকাৰক নিজৰ সংবিধানতো সন্নিবিষ্ট কৰিছে। প্রায় সকলো দেশতে অৱশ্যে নাগৰিকৰ গোপনীয়তাৰ ওপৰত কিছু সীমাবদ্ধতা আৰোপ কৰা হৈছে। এয়াই নহয়, 1940ৰ দশকৰ শেষভাগৰ পৰা গোপনীয়তাৰ অধিকাৰক আন্তঃৰাষ্ট্রীয় আইনসমূহৰ অন্তর্ভুক্ত কৰা হয়। যুক্তিসংগত ৰাজহুৱা স্বার্থৰ কাৰণ অবিহনে, ব্যক্তিগত গোপনীয়তাত অনধিকাৰ প্ৰৱেশ অথবা এই অধিকাৰ ভংগ কৰিবলৈ অনুমতি দিয়া নহয়। ভাৰতীয় সংবিধানৰ 21 নং অনুচ্ছেদৰ জৰিয়তে প্রদান কৰা জীৱন আৰু স্বাধীনতাৰ অধিকাৰৰ মাজতে গোপনীয়তাৰ অধিকাৰ অন্তর্নিহিত হৈ আছে। বর্তমান ব্যক্তিগত গোপনীয়তাৰ দুর্যোগৰ দিনত, সংবাদ মাধ্যমে চাঞ্চল্যতাবাদ, ষ্টিং অপাৰেচন (Sting Operation) পাপাৰাজ্জী আৰু হালধীয়া সাংবাদিকতাৰ দৰে অভ্যাসৰ দ্বাৰা সংবাদ মাধ্যমে ব্যক্তিগত গোপনীয়তাত অনধিকাৰ প্ৰৱেশ কৰাটো পৰিলক্ষিত হৈছে।

এই অধ্যায়টিত আপোনাক গোপনীয়তাৰ ধাৰণাৰ লগতে চাঞ্চল্যতাবাদৰ ধাৰণা আৰু বৈদ্যুতিক সংবাদ মাধ্যমত ইয়াৰ প্রভাৱ, Sting Operation আৰু পাপাৰাজ্জিৰ ধাৰণা, আইনৰ সীমাবদ্ধতা আৰু হালধীয়া সাংবাদিকতাৰ ধাৰণাৰ বিষয়ে অৱগত কৰোৱা হ'ব।



জনা উচিত

হালধীয়া সাংবাদিকতা ঃ এনে এক সাংবাদিকতা, য'ত চাঞ্চল্যতাবাদ সৃষ্টি কৰিবৰ বাবে আৰু পঢ়ুৱৈক আকর্ষিত কৰিবলৈ কোনো বাতৰিক মূল ৰূপৰ পৰা আঁতৰাই তাৰ স্বৰূপ সলনি কৰি প্রকাশ কৰা হয়।

- উৎস ঃ Answers.com

৬.৩ সংবাদ মাধ্যম আৰু গোপনীয়তাত ইয়াৰ অনধিকাৰ প্ৰৱেশ (Media and Intrusion into Privacy)

গোপনীয়তা হৈছে অনধিকাৰ প্ৰৱেশৰ পৰা মুক্ত এক অৱস্থা, যি নামৰ গোপনীয়তা অথবা ছদ্মনামৰ প্ৰয়োগেৰে সৈতে জড়িত। প্ৰতিজন ব্যক্তিৰে গোপনীয়তাৰ অধিকাৰ থাকে আৰু এই অধিকাৰ ব্যক্তিগৰাকীৰ মৰ্যাদাৰ সৈতে জীয়াই থকাৰ অধিকাৰ এক অংশ স্বৰূপ। গোপনীয়তাৰ ইংৰাজী প্ৰতিশব্দ "Privacy"ক প্ৰথমবাৰৰ বাবে আমেৰিকাৰ পণ্ডিত থমাচ্ কুলীয়ে ব্যৱহাৰ কৰিছিল। কুলীয়ে গোপনীয়তাৰ সংজ্ঞা এনেদৰে দিছে- "অকলে থকাৰ অধিকাৰ" আৰু ইয়াৰ উদ্দেশ্য হৈছে ব্যক্তিৰ অলঙিঘত ব্যক্তিত্বক সুৰক্ষা প্ৰদান কৰা। তেতিয়াৰপৰাই বহুতো দেশে প্ৰতিজন ব্যক্তিক অপ্ৰীতিকৰ প্ৰচাৰকাৰ্যৰ পৰা মুক্ত আৰু সুৰক্ষিত কৰি ৰখাৰ বাবে প্ৰয়াস কৰিছে। সংবাদ মাধ্যমে গোপনীয়তাৰ ক্ষেত্ৰত কৰা অনধিকাৰ প্ৰৱেশৰ পৰিস্থিতিসমূহ এনে ধৰণৰ- কোনো কাহিনী অথবা চিত্ৰ সংগ্ৰহ কৰিবলৈ সাংবাদিকে ব্যক্তিগতভাৱে গোপনীয় অঞ্চলত প্ৰৱেশ কৰা, কোনো সাংবাদিকে কাৰোবাৰ বিষয়ে মিছা কাহিনী অথবা চিত্ৰ প্ৰকাশ কৰা যিয়ে ব্যক্তিগৰাকীৰ মানহানি কৰা নাই, কোনো সাংবাদিকে কাৰোবাৰ ব্যক্তিগত জীৱনৰ ঘটনা প্ৰকাশ কৰা যি সঁচা হ'লেও কোনো সাধাৰণ ব্যক্তিৰ সংবেদনশীলতাৰ বাবে বিপদজনক হ'ব পাৰে, যেতিয়া সাংবাদিকে কাৰোবাৰ নাম অথবা ছবি কোনো বিজ্ঞাপন অথবা ব্যৱসায় সংক্ৰান্তত ব্যৱহাৰ কৰে।

৬.৩.১ আন্তঃৰাষ্ট্ৰীয় আইনৰ আধাৰত গোপনীয়তা (Privacy under International Law)

বিশ্বৰ বহুতো দেশৰ আইনে চৰকাৰ, সংগঠন নাইবা কোনো ব্যক্তিৰ দ্বাৰা নাগৰিকসকলৰ গোপনীয়তাত অনধিকাৰ প্ৰৱেশৰ ক্ষেত্ৰত যথেষ্ট ন্যায়িক ব্যৱস্থা গ্ৰহণ কৰিছে, আৰু দেশে তেনে নাগৰিক অধিকাৰক নিজৰ সংবিধানতো সন্নিবিষ্ট কৰিছে। প্ৰায় সকলো দেশতে অৱশ্যে নাগৰিকৰ গোপনীয়তাৰ অধিকাৰৰ ওপৰত কিছু সীমাবদ্ধতাও আৰোপ কৰা হৈছে। 1940ৰ দশকৰ শেষভাগৰ পৰা আইনসমূহে নাগৰিকসকলৰ গোপনীয়তাৰ অধিকাৰক আন্তঃৰাষ্ট্ৰীয় আইনসমূহৰো অন্তৰ্ভুক্ত কৰা হয়। গোপনীয়তাৰ আইনসমূহে নাগৰিকসকলৰ গোপনীয়তাৰ অধিকাৰক সুৰক্ষিত আৰু সংৰক্ষিত কৰাত সহায় কৰে। যদিও সকলো ৰাষ্ট্ৰই সৰ্বসন্মতিক্ৰমে গ্ৰহণ কৰা গোপনীয়তা আইনৰ প্ৰচলন হোৱা নাই, তথাপিও কিছুমান সংস্থাই প্ৰতিখন ৰাষ্ট্ৰই গ্ৰহণ কৰিব পৰা পন্থা কিছুমান প্ৰচলন কৰিছে। উদাহৰণস্বৰূপে, মানৰ অধিকাৰ সম্পৰ্কীয় আন্তঃৰাষ্ট্ৰীয় ঘোষণা অৰ্থাৎ Universal Declaration of Human Rights (UDHR)ৰ 12 নং অনুচ্ছেদ আৰু সামাজিক আৰু ৰাজনৈতিক অধিকাৰ সম্পৰ্কীয় আন্তঃৰাষ্ট্ৰীয় চুক্তি অৰ্থাৎ

International Convenant on Civil and Political Rights (ICCPR)ৰ 12 নং অনুচ্ছেদত উল্লেখ কৰা হৈছে যে ঃ

কোনো লোকৰ গোপনীয়তা, পৰিয়াল, ঘৰ নাইবা যোগাযোগৰ ক্ষেত্ৰত কোনেও স্বেচ্ছাচাৰী হস্তক্ষেপ কৰিব নোৱাৰে আৰু তেওঁৰ সন্মান আৰু মর্যাদাৰ ওপৰতো আঘাত কৰিব নোৱাৰে। প্ৰতিজন ব্যক্তিৰে তেনে হস্তক্ষেপ অথবা আঘাতৰ পৰা আইনগতভাৱে সুৰক্ষা লাভ কৰাৰ অধিকাৰ আছে।

ইউৰোপত, মানৱ অধিকাৰ সম্পর্কীয় ইউৰোপীয়ান অধিৱেশন (European convention on Human Rights)ৰ 8 নং অনুচ্ছেদে প্ৰতিজন ব্যক্তিৰে ব্যক্তিগত আৰু পাৰিবাৰিক জীৱন, ঘৰ আৰু যোগাযোগসমূহক সন্মান প্ৰদর্শন কৰাৰ অধিকাৰ নিশ্চিত কৰিছে। এই অধিৱেশনৰ 8 নং অনুচ্ছেদে, এখন গণতান্ত্ৰিক সমাজৰ বাবে প্ৰয়োজনীয় কিছু আইনসংগত সীমাবদ্ধতা সংলগ্ন কৰি প্ৰতিজন ব্যক্তিৰে ব্যক্তিগত আৰু পাৰিবাৰিক জীৱন, ঘৰ আৰু যোগাযোগৰ সংক্ৰান্তত সন্মান প্ৰদর্শন কৰাৰ বাবে অধিকাৰ নিশ্চিত কৰিছে। এই অনুচ্ছেদে অন্যায়ভাৱে কৰা প্ৰৱেশৰ পৰা সুৰক্ষা প্ৰদান কৰিছে যাক এই অনুচ্ছেদে অতি বহল অর্থত প্ৰকাশ কৰে। একেদৰে আমেৰিকা যুক্তৰাষ্ট্ৰৰ ন্যায়পালিকাই গোপনীয়তাৰ অধিকাৰক এক বহল পৰিসৰত সামৰি লৈছে।

UKৰ 1997 চনত গৃহীত code of Practice for Mediaৰ চতুর্থ অংশত উল্লেখ কৰা হৈছে যে, "কোনো ব্যক্তিৰ অনুমতি অবিহনে তেওঁৰ ব্যক্তিগত জীৱনত অনধিকাৰ প্ৰৱেশ, অনুসন্ধান আৰু আলোকচিত্ৰ সংগ্ৰহ কৰিবলৈ কাৰোবাৰ ব্যক্তিগত সম্পত্তিৰ ভিতৰত প্ৰৱেশ কৰাটো সাধাৰণতে গ্ৰহণযোগ্য নহয় আৰু কেৱল ৰাজহুৱা স্বার্থতহে তেনে কাম কৰা উচিত।"

৬.৩.২ গোপনীয়তা সংক্ৰান্তীয় ভাৰতীয় আইন ব্যৱস্থা (Privacy and Indian Legal Provisions)

এই আইন ব্যৱস্থাক, এজন ব্যক্তিৰ জীৱন আৰু তেওঁৰ পৰিয়ালৰ বিষয়ে প্ৰত্যক্ষভাৱে অথবা তথ্য প্ৰকাশ কৰি অনধিকাৰ প্ৰৱেশ কৰা কার্যৰ পৰা সুৰক্ষা পোৱাৰ অধিকাৰৰ ৰূপত বর্ণনা কৰা হৈছে। সংবাদ মাধ্যমেও প্ৰায়ে নাগৰিকৰ ব্যক্তিগত জীৱনত হস্তক্ষেপ কৰা বুলি ৰাইজে মন্তব্য দিয়া দেখা যায়। এইবোৰ কাৰণতে সংবাদ মাধ্যমে সদায় মানুহৰ ব্যক্তিগত জীৱনত হস্তক্ষেপ কৰে আৰু কোনো কাহিনীৰ সন্ধানত প্ৰখ্যাত ব্যক্তিসকলৰ আশে-পাশে ঘূৰি ফুৰে বুলি কৰা ধাৰণা আংশিকভাৱে সত্য যদিও, ই আংশিকভাৱে কাল্পনিকো।

কোনো যুক্তিসংগত ৰাজহুৱা স্বার্থ অবিহনে কাৰোবাৰ ব্যক্তিগত জীৱনত অনধিকাৰ প্ৰৱেশ অথবা আঘাত কৰাটো কেতিয়াও গ্ৰহণযোগ্য নহয়। ভাৰতীয়

সংবিধানৰ 21 নং অনুচ্ছেদৰ জৰিয়তে প্ৰদান কৰা জীৱন আৰু স্বাধীনতাৰ অধিকাৰৰ মাজতে গোপনীয়তাৰ অধিকাৰ অন্তৰ্নিহিত হৈ আছে। প্ৰতিজন ব্যক্তিৰে নিজৰ ব্যক্তিগত গোপনীয়তাকে আদি কৰি নিজৰ পৰিয়াল, বিবাহ, প্ৰজনন, মাতৃত্ব, সন্তান প্ৰসৱ, শিক্ষা আৰু অন্যান্য বিষয়ৰ গোপনীয়তাক সুৰক্ষিত কৰি ৰখাৰ অধিকাৰ আছে। এনে বিষয়সমূহ সত্য অথবা অসত্য, প্ৰশংসামূলক অথবা সমালোচনাত্মক, যিয়েই নহওক কিয়, এইবোৰৰ অনুমতি অবিহনে প্ৰকাশ নিষেধ। সংবাদ মাধ্যমে তেনে কৰিলে ই গোপনীয়তাৰ অধিকাৰ ভংগ কৰা সূচাব আৰু ই ধ্বংসাত্মক কাৰ্যৰ অধীনত বিচাৰযোগ্য হ'ব। অৱশ্যে তেনে ধৰণৰ প্ৰকাশ যদি কোনো চৰকাৰী অথবা ন্যায়িক (ন্যায়ালয়ৰ) দস্তাবেজৰ ভিত্তিত কৰা হয়, তেতিয়া তেনে প্ৰকাশৰ বিৰুদ্ধে বিচাৰ কৰিব পৰা নাযায়। সেয়েহে কোনো বিষয় চৰকাৰী দস্তাবেজৰ অন্তৰ্ভুক্ত হোৱাৰ লগে লগে গোপনীয়তাৰ অধিকাৰৰ অন্ত পৰে আৰু সংবাদ মাধ্যমে তেনে বিষয়ৰ ওপৰত নিৰ্বিবাদে মন্তব্য আগবঢ়াব পাৰে। কিন্তু ইয়াতো শালীনতা ৰক্ষা কৰিবলৈ কিছু ব্যতিক্ৰমধৰ্মী ব্যৱস্থা ৰখা উচিত। উদাহৰণস্বৰূপে, যৌন উৎপীড়ন, অপহৰণ আদিৰ বলি হোৱা এগৰাকী নাৰীৰ নাম অথবা পৰিচয় ব্যক্ত কৰা অথবা সংবাদ মাধ্যমে নাৰী গৰাকীৰ কাহিনী প্ৰকাশ কৰাটো অনুচিত। কোনো বাতৰিকাকতত কোনো মহিলাৰ সৈতে যৌন উৎপীড়ন হোৱা বুলি প্ৰকাশ কৰাটো শাস্তিমূলক বুলি অভিহিত কৰা পশ্চিমীয়া ৰাষ্ট্ৰসমূহৰ ফৌজদাৰী আইনৰ আধাৰত 1986 চনত ভাৰতীয় ফৌজদাৰী আইনৰ সংশোধন কৰা হয়। এগৰাকী ভুক্তভোগীক অধিক মানসিক যন্ত্ৰণাৰ পৰা মুক্ত কৰিবলৈ ভাৰতীয় দণ্ডবিধি আইনৰ 228 (A) নং অনুচ্ছেদে প্ৰদান কৰা নিশ্চয়তা অনুযায়ী সকলো নাগৰিকৰে তথ্য জনাৰ অধিকাৰ থকাৰ উপৰিও চৰকাৰী কাৰ্যৰ বিষয়ে ৰাইজক অৱগত কৰোৱাৰ বাবে সংবাদ মাধ্যমৰো কিছু স্বাধীনতা আছে। তথাপিও গোপনীয়তাৰ অধিকাৰ হৈছে ব্যক্তিগত স্বাধীনতাৰ এক গুৰুত্বপূৰ্ণ অংশ। অৱশ্যে কোনো চৰকাৰী বিষয়াৰ কাৰ্যাৱলী, কাম-কাজ সেই ব্যক্তিগত কথা মুকলিকৈ প্ৰকাশ কৰিব পাৰে। কিন্তু কাম-কাজৰ সৈতে সম্পৰ্ক নথকা ব্যক্তিগত কথাৰ ক্ষেত্ৰত সকলো বিষয়াৰে গোপনীয়তাৰ অধিকাৰ আছে।

যুক্তিসংগত ৰাজহুৱা স্বাৰ্থত কৰা গোপনীয়তা প্ৰকাশৰ ক্ষেত্ৰত ন্যায়ালয়ে সংবাদ মাধ্যমক সুৰক্ষা প্ৰদান কৰে। অৱশ্যে এই ক্ষেত্ৰতো ব্যতিক্ৰম দেখা যায়। কোনো ঘটনাৰ তথ্য অথবা চিত্ৰ সংগ্ৰহ কৰিবলৈ সাংবাদিকে যদি কাৰোবাৰ ব্যক্তিগত সম্পত্তি অনধিকাৰ প্ৰৱেশ কৰে, তেন্তে তেনে সাংবাদিকক ন্যায়ালয়ে সুৰক্ষা প্ৰদান নকৰে। আনহাতে যেতিয়া কোনো সাংবাদিকে অসতৰ্কভাৱে কাৰোবাৰ গোপনীয়তাত অনধিকাৰ প্ৰবেশ কৰে, তেতিয়া সাংবাদিকগৰাকীয়ে আইনৰ পৰা কোনো সুৰক্ষা লাভ নকৰে।

৬.৪ চাঞ্চল্যতাবাদ (Sensationalism)

চাঞ্চল্যতাবাদৰ জৰিয়তে কোনো এক অসাধাৰণ বিষয়বস্তুৱে সকলোৰে দৃষ্টি আকর্ষণ কৰাৰ লগতে যথেষ্ট বিতর্কিত অৱস্থাৰ সৃষ্টি হয়। চাঞ্চল্যতাবাদ শব্দটোৰ ব্যৱহাৰ সাধাৰণতে সংবাদ মাধ্যমৰ ক্ষেত্রত কৰা দেখা যায়। ৰাজনৈতিক পক্ষপাতিত্বৰ দ্বাৰা প্রভাৱিত বহুতো সমালোচকে সংবাদ মাধ্যমে নিজৰ সাংবাদিকতাৰ ক্ষেত্রত চাঞ্চল্যতাবাদক প্রশ্রয় দিয়া বুলি আক্ষেপ কৰে। অর্থাৎ সংবাদ মাধ্যমে সাধাৰণতে ৰাজহুৱা স্বার্থজনিত বাতৰি পৰিবেশন কৰাৰ পৰিবর্তে কোনো আকর্ষণীয় ব্যক্তি অথবা ঘটনা সমন্বিত বাতৰিহে প্রকাশ কৰা বুলি এক ধাৰণাই গা কৰি উঠিছে।

কোনো-কোনো ক্ষেত্রত সংবাদ মাধ্যমে কোনো ঘটনাৰ প্রকৃত তথ্য প্রকাশ কৰাৰ পৰিবর্তে, তাক এক আকর্ষণীয় আৰু চাঞ্চল্যকৰ কাহিনীৰ ৰূপত প্রকাশ কৰে। সেয়েহে কোনো বিতর্কিত সংস্থাৰ দ্বাৰা প্রকাশিত হাস্যকৰ আৰু অবৈজ্ঞানিক মন্তব্যই সংবাদ মাধ্যমৰ দ্বাৰা যথেষ্ট বিস্তাৰ লাভ কৰাটো নিশ্চিত। তেনে চাঞ্চল্যকৰ বাতৰিসমূহে যথেষ্ট পক্ষপাতিত্বৰ সৃষ্টি কৰিব পাৰে। সংবাদ মাধ্যমে কোনো ৰাজনৈতিক ব্যক্তিত্বৰ বিষয়ে পক্ষপাতমূলকভাৱে বাতৰি প্রকাশ অথবা কোনো বিষয়ৰ গুৰুত্বপূর্ণ অংশক অৱজ্ঞা কৰি কেৱল চাঞ্চল্যকৰভাৱে অন্য অংশ প্রকাশ কৰিব পাৰে আৰু তেনে কৰি সংবাদ মাধ্যমে ভাগ্য নির্ধাৰণ কৰোঁতা অথবা ধর্মান্ধতাৰ দৰে আচৰণ কৰা বুজায়।

সাধাৰণতে জটিল বিষয়সমূহত চাঞ্চল্যতাবাদৰ প্রভাৱ পৰে। পঢ়ুৱৈ অথবা দর্শকৰ অভিমতৰ বাবে প্রয়োজনীয় উপাদান, যেনে সঠিক নেপথ্য (পৃষ্ঠভূমি) আৰু তদন্তৰ পৰা পোৱা সঠিক তথ্য ইত্যাদি প্রকাশ নকৰাকৈয়ে চাঞ্চল্যকৰ আৰু উত্তেজক বাতৰি পৰিৱেশ কৰিব পাৰি। মুখ্য সংবাদ মাধ্যমে কিছু ক্ষেত্রত সঠিকভাৱে পৰীক্ষা নকৰাকৈ কিছুমান হাস্যকৰ কাহিনী পুনৰ মুদ্রণ কৰি ৰাইজক প্রৱঞ্চনা কৰে। তেনে এক গুৰুত্বপূর্ণ উদাহৰণ হৈছে হেৰী প'টাৰ চিৰিজৰ দি অনিয়নচ্ ষ্টৰী (The Onions Story)ৰ দ্বাৰা পৈশাচিকতাৰ (Satanism) প্রতি বৃদ্ধি হোৱা উৎসাহ। ইয়াৰোপৰি 2004 চনৰ এছীয় চুনামীয়ে কঢ়িয়াই অনা গভীৰ সমুদ্রৰ প্রাণী ইত্যাদিৰ দৰে কিছুমান ভুল বাতৰি সংবাদ মাধ্যমে প্রকাশ কৰা দেখা যায়।

এনে ধৰণৰ চাঞ্চল্যকৰ বাতৰি প্রকাশ কৰাৰ মুখ্য উদ্দেশ্য হৈছে বিজ্ঞাপনদাতাক বিক্রি কৰিবলৈ দর্শক অথবা পঢ়ুৱৈৰ সংখ্যা বৃদ্ধি কৰা আৰু ইয়াৰ ফলস্বৰূপে সাংবাদিকতাৰ সঠিক দিশৰ পৰা আঁতৰি, অধিক সংখ্যক দর্শকক আকর্ষিত কৰিবলৈ প্রতিটো কাহিনীৰ চাঞ্চল্যকৰ দিশত অধিক গুৰুত্ব আৰোপ কৰা।

৬.৪.১ চাঞ্চল্যতাবাদৰ ধাৰণাৰ বিকাশ (Development of the Concept of Sensationalism)

বহুতে বিশ্বাস কৰে যে চাঞ্চল্যতাবাদ সৃষ্টিৰ অভ্যাস মূলতঃ সংবাদ মাধ্যম আৰু এই ক্ষেত্ৰত বিশেষকৈ দূৰদৰ্শনে (টেলিভিছন) বাতৰিৰ মাজত ব্যৱহাৰ কৰা চিত্ৰ আৰু দৃশ্যৰ দ্বাৰা এক পক্ষপাতমূলক অভিমতৰ সৃষ্টি কৰিব পাৰে। এইখিনিতে মিটছেল ষ্টিফেন্চ (Mitchel Stephens) ৰ গ্ৰন্থ 'দি হিষ্ট্ৰী অফ নিউজ'ৰ বিষয়ে উল্লেখ কৰিব পাৰি। এই গ্ৰন্থৰ মতে, ৰোমান এক্টা (Roman Acta) অৰ্থাৎ জুলিয়াচ চিজাৰে ৰাইজৰ জ্ঞাতাৰ্থে প্ৰথমবাৰৰ বাবে প্ৰচলন কৰা ব্যৱস্থাৰূপে জনাজাত এক প্ৰথাৰ মাজত চাঞ্চল্যতাবাদৰ আভাস পোৱা যায় আৰু তেতিয়াৰ অশিক্ষিত সমাজ ব্যৱস্থাই এই চাঞ্চল্যতাবাদক অধিক উৎসাহিত কৰিছিল। 16শ আৰু 17শ শতিকাৰ গ্ৰন্থসমূহত যদিও চাঞ্চল্যতাবাদৰ আভাস পোৱা যায়, সেইসময়ত ইয়াৰ ধাৰণা কিছু অন্য ধৰণৰ আছিল। বৰঞ্চ ইয়াক নীতি শিক্ষা দিবলৈহে প্ৰদান কৰা হৈছিল।

অৱশেষত অপ্ৰিয় হ'লেও সত্য যে বাতৰিত প্ৰকাশ পোৱা এই বৰ্দ্ধিত চাঞ্চল্যতাবাদৰ বাবে কেৱল সংবাদ প্ৰতিষ্ঠানসমূহকে দায়ী বুলিব নোৱাৰি কিয়নো ইয়াৰ বাবে সামাজিক মানসিকতাও যথেষ্ট পৰিমাণে দায়ী। চাঞ্চল্যতাবাদ মূলতঃ বৃদ্ধি হৈছে সমাজৰ নিম্ন শ্ৰেণীসমূহক উদ্দেশ্য কৰি, কিয়নো এই শ্ৰেণীৰ ৰাজনীতি আৰু অৰ্থনীতিক বুজি পোৱাৰ বেছি প্ৰয়োজন নাথাকে। অৱশ্যে ইয়াৰ দ্বাৰা দৰ্শকসকল অধিক শিক্ষিত হোৱাৰ উপৰিও নিজৰ সমাজৰ গতিবিধিৰ বিষয়ে জানিবলৈ অধিক উৎসাহিত হৈছে।

৬.৪.২ বৈদ্যুতিক সংবাদ মাধ্যমত চাঞ্চল্যতাবাদ (Sensationalism in Electronic Media)

অনাতাঁৰ আৰু দূৰদৰ্শন যোগে প্ৰচাৰিত বহুতো বাতৰি আৰু বাতৰি প্ৰধান অনুষ্ঠানসমূহে প্ৰয়োগ কৰা তথ্য আৰু আমোদ মিশ্ৰিত প্ৰচাৰ শৈলীৰ বাবে প্ৰায়ে চাঞ্চল্যতাবাদকে দায়ী কৰা হয়। অৱশ্যে যেতিয়াৰে পৰা বাতৰিৰ অনুষ্ঠানসমূহ প্ৰচাৰিত হৈছে, তেতিয়াৰ পৰাই দৰ্শক-শ্ৰোতাই সেইবোৰ উপভোগ কৰিছে। দূৰদৰ্শনৰ দৰ্শকসকলৰ কিছুমান ভুল বুজাবুজিৰ ভিত্তিতে সংবাদ মাধ্যমত প্ৰচলিত বিতৰ্কৰ বিকাশ হৈছে। যেতিয়া দৰ্শকৰ এই বিপৰীত মানসিকতাৰ সৈতে সংবাদ মাধ্যমৰ জৰিয়তে ব্যৱহৃত চাঞ্চল্যতাবাদৰ সংমিশ্ৰণ ঘটে, তেতিয়া সংবাদ মাধ্যমে পৰিৱেশন কৰা সকলো তথ্য দৰ্শকসকলে গ্ৰহণ কৰে বুলি ধাৰণা কৰিব পাৰি। অৱশ্যে দৰ্শকে গ্ৰহণ কৰা তেনে চাঞ্চল্যকৰ তথ্যৰ ভিত্তিত উৎপন্ন হোৱা ভুল বুজাবুজিক শুধৰাবলৈ কোনো প্ৰয়োজন নাথাকে। সেয়েহে দৰ্শক ভুল পথে পৰিচালিত হোৱাৰ বাবেই চাঞ্চল্যতাবাদৰ ব্যৱহাৰ অতি জটিল হৈ পৰিছে।

যদিও দূৰদৰ্শনে কথিত তথ্যতকৈ দৃশ্যক অধিক গুৰুত্ব দিয়াৰ বাবে ৰাইজৰ দৃষ্টিত বাতৰি কাকতৰ প্ৰতি বিশ্বাসযোগ্যতা অধিক, কিন্তু দুয়োটা মাধ্যমত সমান স্তৰৰ চাঞ্চল্যতাবাদ আছে। কোনো ঘটনাৰ ভৱিষ্যৎবাণী কৰিব নোৱাৰাৰ বাবে দূৰদৰ্শনে সাধাৰণতে কোনো ঘটনা প্ৰকাশ কৰাৰ পৰিবৰ্তে ঘটনাৰ দৃশ্যহে সৰহকৈ প্ৰদৰ্শন কৰে। বাতৰি কাকতে এই ক্ষেত্ৰত নিজে প্ৰত্যক্ষ নকৰা বিষয়বস্তুৰ ওপৰতো মন্তব্য কৰিব পাৰে। ইয়াৰোপৰি দূৰদৰ্শনৰ বাতৰি লেখকসকলে বাতৰি কাকতৰ লোকতকৈ বহু কম সংখ্যক শব্দৰ মাজেৰে বাতৰিসমূহ প্ৰকাশ কৰিব লাগে। সেয়েহে কেৱল সমলয়ৰ জোখত আৱদ্ধ দূৰদৰ্শনৰ বাতৰি, দৃশ্য সংলগ্ন হোৱাৰ পিছতো, বাতৰি কাকতৰ বাতৰিতকৈ যথেষ্ট ঠেক পৰিসৰৰ।

বিজ্ঞাপন আৰু বিপণনৰ ক্ষেত্ৰত কিছুমান চাঞ্চল্যকৰ বানান অথবা শব্দ প্ৰায়ে ব্যৱহাৰ কৰা হয়। উদাহৰণস্বৰূপে 'Cadbury's Creme Egg' নামৰ সামগ্ৰীবিধত শুদ্ধ ইংৰাজী বানান Cream ৰ পৰিবৰ্তে Creme আৰু 'Kellogg's Froot Loops' শুদ্ধ ইংৰাজী বানান Fruit ৰ পৰিবৰ্তে Froot ব্যৱহাৰ কৰি ক্ৰেতাৰ আকৰ্ষণ লাভ কৰিবলৈ আৰু সচৰাচৰ চলি থকা শব্দৰ স্বত্বাধিকাৰৰ যোগ্য বনাবলৈ চেষ্টা কৰা হৈছে। প্ৰচলিত সংস্কৃতিত এই চাঞ্চল্যকৰ বানানসমূহৰ মূল্য যথেষ্ট বৃদ্ধি হোৱাৰ আশা আছে। সেয়েহে গোপন মন্ত্ৰ আদিৰ ক্ষেত্ৰত ব্যৱহৃত 'magic' অৰ্থাৎ যাদু-মন্ত্ৰক মঞ্চৰ যাদুখেলতকৈ পৃথক বুজাবলৈ 'magick' শব্দৰ ব্যৱহাৰ কৰা হয়।



অগ্ৰগতি নিৰীক্ষণ - ক

1। গোপনীয়তাৰ অৰ্থ কি?

2। ভাৰতীয় সংবিধানৰ কোন অনুচ্ছেদে গোপনীয়তাৰ অধিকাৰক সুৰক্ষা প্ৰদান কৰিছে?

3। মানৱ অধিকাৰ সম্পৰ্কীয় আন্তঃৰাষ্ট্ৰীয় ঘোষণা (UDHR) আৰু সামাজিক আৰু ৰাজনৈতিক অধিকাৰ সম্পৰ্কীয় আন্তঃৰাষ্ট্ৰীয় চুক্তি (ICCPR)য়ে গোপনীয়তাৰ অধিকাৰক সুৰক্ষিত কৰা উমৈহতীয়া অনুচ্ছেদটো কি?

4। চাঞ্চল্যতাবাদ কি?

5। জুলিয়াচ চিজাৰে ৰাইজৰ জ্ঞাতাৰ্থে প্ৰথমবাৰৰ বাবে প্ৰচলন কৰা কোনবিধ ব্যৱস্থাৰ মাজত চাঞ্চল্যতাবাদৰ আভাস পোৱা গৈছে?

৬. ৫ ষ্টিং অপাৰেচন (Sting Operations)

আইন বলবৎকৰণৰ সময়ত, কোনো দোষী ব্যক্তিক কৰায়ত্ত কৰিবলৈ কার্যকৰী কৰা এক প্রতাৰণাপূর্ণ অভিযানক Sting Operation (ষ্টীং অপাৰেচন) বোলা হয়। এনে ধৰণৰ অনুসন্ধান অভিযানত কেতিয়াবা এজন আইন-কার্যকৰীকৰণ বিষয়া অথবা কেতিয়াবা ৰাইজৰ কোনো বিশ্বস্ত ব্যক্তিয়ে, দোষী ব্যক্তিৰ সহযোগী ৰূপে কাম কৰি থাকে নাইবা উপযুক্ত প্রমাণ সংগ্রহৰ বাবে অভিযুক্তৰ সৈতে মিলি থাকে। ষ্টীং অপাৰেচনৰ অভিযুক্তক ফান্দত পেলোৱা পদ্ধতিক লৈ অনেক নৈতিক প্রশ্ন উত্থাপন হোৱাৰ সম্ভাৱনা থাকে। এই ক্ষেত্রত আইন-কার্যকৰীকৰণ ব্যৱস্থা যথেষ্ট সতর্ক হোৱা উচিত যাতে কাৰো মাজত দোষ কৰাৰ প্রবৃত্তিৰ বিকাশ নহয়। ইয়াৰোপৰি এনে অভিযানত আৰক্ষীয়ে সাধাৰণতে চোৰাং সামগ্রী কিনা-বেচা, দোহোপজীৱিনীৰ বাবে গ্রাহক বিচৰা ইত্যাদি অভিযুক্তবিহীন দোষীৰ অনুসন্ধান কৰে। আইনৰ ব্যৱস্থা অনুযায়ী অভিযুক্তই ফান্দৰ পৰা নিজৰ সুৰক্ষাৰ বাবে আবেদন কৰিব পাৰে।

উদাহৰণস্বৰূপে, নিচাযুক্ত দ্রব্যৰ ষ্টীং অপাৰেচনৰ ক্ষেত্রত যদি আৰক্ষীয়ে কোনো লোকক নিজৰ ইচ্ছাৰ বিৰুদ্ধে তেনে দ্রব্য বেচিবলৈ বাধ্য কৰে তেনেস্থলত লোকজন ফান্দত পৰা বুজায়। কিন্তু এই ক্ষেত্রত মানুহজনৰ ইচ্ছা জড়িত হৈ থাকিলে তাক ফান্দত পৰা নুবুজায়। অন্য এক উদাহৰণ হৈছে ক্রীচ হেনচেনে আঁত ধৰা বাস্তৱধর্মী টেলিভিশ্বন অনুষ্ঠান— To Catch a Predator। এই অনুষ্ঠানত বাহিৰৰ লোকে, কম বয়সীয়া ছোৱালীৰ দৰে ভাও লোৱা ঘাই অর্থাৎ মানুহক প্রলোভিত কৰিবলৈ ব্যৱহাৰ কৰা লোকৰ সৈতে online ব্যৱস্থাৰে কথা পাতে। কম বয়সীয়া ছোৱালীৰ সৈতে যৌন সম্পর্ক কৰিবলৈ ইচ্ছুক লোকসকলক লৈ এই অনুষ্ঠানৰ নির্মাণ কৰা হৈছে।

৬.৫.১ অপাৰেচন ৰেষ্ট এণ্ড ঃ তেহেল্কা ডট কম (Tehelka.com)

অপাৰেচন ৰেষ্ট এণ্ড হৈছে সংবাদ মাধ্যমে ভাৰতত সাম্প্রতিক সময়ত কৰা এক অন্যতম ষ্টীং অপাৰেচন। 'তেহেল্কা' হৈছে সম্পাদক তৰুণ তেজপালৰ দ্বাৰা প্রকাশিত ভাৰতীয় সাপ্তাহিক আলোচনী। 2000 চনত 'তেহেল্কা ডট কম' নামৰ এক নিউজ ৰেবচাইটৰ জৰিয়তে এই প্রকাশনে পাতনি মেলিছিল। চৰকাৰৰ প্রতিৰক্ষা বিভাগত হোৱা দুর্নীতিক পোহৰলৈ অনা অপাৰেচন ৰেষ্ট এণ্ডৰ বাবে চৰকাৰী নির্দেশত তেহেল্কাৰ প্রকাশ সাময়িকভাৱে বন্ধ কৰা হয়। ভাৰতৰ প্রতিৰক্ষা বিভাগত চলা ব্যাপক দুর্নীতিক চাঞ্চল্যকৰ কৰিবৰ উদ্দেশ্যে অপাৰেচন ৰেষ্ট এণ্ড নামৰ ষ্টীং অপাৰেচন চলোৱা হৈছিল। 2001 চনত প্রকাশিত তেহেল্কাৰ মূল অনুসন্ধানমূলক প্রতিবেদনৰ লক্ষ্য আছিল ভাৰতীয় জনতা পার্টিৰ অটল বিহাৰী বাজপেয়ী নেতৃত্বাধীন তদানীন্তন শাসনাধিস্থিত

ৰাষ্ট্ৰীয় গণতান্ত্ৰিক মৰ্চা চৰকাৰৰ অনেক সদস্য। তেহেলকাই প্ৰকাশ কৰা ভিডিঅ' টেপত ৰাজনীতিক, উচ্চপদস্থ ব্যক্তি আৰু সেনাৰ উচ্চপদস্থ বিষয়াই প্ৰতিৰক্ষা বিভাগৰ ঠিকা মঞ্জুৰীৰ বাবে কেবা কোটি টকা উৎকোচ লোৱা দৃশ্য ৰাইজৰ সম্মুখত মুকলি হৈ পৰে। এই ঘটনাৰ পাছতে প্ৰতিৰক্ষা বিভাগৰ মন্ত্ৰী, সমতা পার্টিৰ জৰ্জ ফার্ণাণ্ডেজে ইস্তফা দিয়ে যদিও তেওঁক পুনৰ মন্ত্ৰীত্ব প্ৰদান কৰা হয়। উক্ত ভিডিঅ' টেপৰ দৃশ্যপটত সমতা পার্টীৰ কোষাধ্যক্ষই এক কোটি অথবা ততোধিক টকা উৎকোচ লোৱা দেখা গৈছে। অৱশ্যে ইয়াৰ পাছৰ অনুসন্ধানত এয়া ওলাই পৰে যে উৎকোচৰ ঘটনাৰ সৈতে জৰ্জ ফার্ণাণ্ডেজ জড়িত থকাৰ কোনো প্ৰমাণ নাই। জৰ্জ ফার্ণাণ্ডেজৰ শত্ৰু পক্ষৰ আদেশ অনুযায়ী তেহেলকাই এক পক্ষপাতমূলক আৰু মিছা অভিযান চলোৱা বুলি তেহেল্‌কাক অভিযুক্ত কৰা হয়। তেহেল্‌কাৰ ভিডিঅ' টেপত সাংবাদিক অনুৰুদ্ধ বহলক 'ৰেষ্ট এণ্ড' নামৰ এক কাল্পনিক অস্ত্ৰ-শস্ত্ৰ যোগানকাৰী সংস্থাৰ প্ৰতিনিধিৰ ৰূপত দেখা গৈছে।

৬.৫.২ চিনেমা, উপন্যাস, হাস্যৰসাত্মক চিত্ৰকথা আৰু দূৰদৰ্শনৰ ধাৰাবাহিকত থকা ষ্টিং অপাৰেচন (Sting Operation in Movies, Novels, Comics & TV Serial)

ৰ'বার্ট ৰেডফর্ট আৰু পল নিউমেন নির্মিত 1973 ৰ বোলছৰি 'দি ষ্টীং'ত দুজন অঘৰী ব্যক্তি আৰু তেওঁলোকে এক ষ্টীং অপাৰেচনৰ দ্বাৰা এক উত্তেজিত দলৰ নেতাক প্ৰবঞ্চনা কৰিবলৈ চেষ্টা কৰা কাহিনী চিত্ৰায়ন কৰা হৈছে। আনহাতে বিজ্ঞানভিত্তিক কল্পকাহিনী লিখক ফিলিপ কে ডিকৰ 'এ স্কেনাৰ ডার্কলী (A Scanner Darkly) ৰ দৰে কেবাখনো উপন্যাস আৰু চুটি-গল্পত বিভিন্ন ষ্টীং অপাৰেচনৰ কাহিনীয়ে মুখ্য স্থান পাইছে। টেলিভিচন ধাৰাবাহিক '24' ৰ তৃতীয় অধ্যায় (Season three) ৰ মুখ্য পটভূমি হৈছে ষ্টীং অপাৰেচন। আর্ছী (Archie) কমিক্‌চৰ 'Sonic the Hedgehog' কাহিনীত মুক্তিযুঁজাৰুসকলে শত্ৰু দমন কৰিবলৈ ষ্টীং অপাৰেচন চলায়। একেদৰে 'Seinfeld' নামৰ খণ্ডটিত Accountant, Jerry, Kramer আৰু Newman এ নিচাযুক্ত দ্ৰব্যৰ ব্যৱসায়ীক ধৰিবলৈ ষ্ট্ৰীং অপাৰেচন চলায়। 'Simpsons' খণ্ডটিৰ কাহিনীটো ষ্ট্ৰীং অপাৰেচনৰ ওপৰতে আধাৰিত।

৬.৬ পাপাৰাজ্জী (Paparazzi)

'পাপাৰাজ্জী' শব্দৰ উৎস হৈছে এক ইটালীয়ান শব্দ 'পাপাৰাজ্জো'। 'পাপাৰাজ্জী' হৈছে ইটালীয়ান শব্দটোৰ বহুবচনসূচক শব্দ। এই শব্দৰ অর্থ হৈছে প্ৰসিদ্ধ

ব্যক্তিসকলৰ গোপন আলোকচিত্ৰ গ্ৰহণকাৰী। এই ক্ষেত্ৰত চিত্ৰগ্ৰহণকাৰীসকলে কোনো জাকজমক অনুষ্ঠানৰ পৰা আৰম্ভ কৰি কোনো ব্যক্তিগত স্থান পৰ্যন্ত বিভিন্ন ধৰণৰ কাৰ্যক্ষেত্ৰ ব্যৱহাৰ কৰে। 'পাপাৰাজ্জী' শব্দটো প্ৰথমবাৰৰ বাবে 1960 চনত ফেডেৰিকো ফেলিনীৰ দ্বাৰা নিৰ্দেশিত 'লা ডল্চ ভিটা' (La Dolce Vita) নামৰ চলচিত্ৰখনত ব্যৱহাৰ কৰা হয়। চলচিত্ৰখনত অভিনেতা ৰাল্টাৰ চানটেচই 'পাপাৰাজ্জো' নামৰ এক সংবাদ-আলোকচিত্ৰ শিল্পীৰ ভূমিকাত অভিনয় কৰিছিল। ৰ'বার্ট হেনড্রিক্চনে তেওঁৰ 'Word and Phrase Origins' নামৰ গ্ৰন্থত উল্লেখ কৰা মতে, নিৰ্দেশক ফেলিনীয়ে এক ইটালীয়ান উপভাষাৰ মহ জাতীয় পোকে সৃষ্টি কৰা এক আমনিদায়ক শব্দক বুজোৱা শব্দৰ পৰা 'পাপাৰাজ্জো' নামটো সংগ্ৰহ কৰিছিল। ফেলিনীয়ে তেওঁৰ স্কুলীয়া দিনত লগ পোৱা এজন ল'ৰাক মনত ৰাখিছিল, যাক খৰকৈ কথা পতা আৰু লৰচৰ কৰি থকা স্বভাৱৰ বাবে পাপাৰাজ্জো(মহ) বুলি মতা হৈছিল আৰু এই নামটোকে ফেলিনীয়ে পাছত নিজৰ চলচিত্ৰত এক কাল্পনিক চৰিত্ৰক প্ৰদান কৰিছিল। আনহাতে ফেলিনীৰ চিত্ৰনাট্য লিখক এনিঅ' ফ্লাইয়ানো (Ennio Flaiano)ৰ মতে, ভিক্টোৰিয়া যুগৰ লিখক জর্জ গিছিঙ (George Gissing)ৰ 'By the Ionian Sea' নামৰ দক্ষিণ ইটালীৰ এক ভ্ৰমণ কাহিনীত এখন হোটেলৰ স্বত্বাধিকাৰীৰ নাম আছিল 'পাপাৰাজ্জো'। ফেলিনী আৰু ফ্লাইয়ানোৱে পৃথকভাৱে এই কিতাপখন পঢ়ি একেটা নাম আলোকচিত্ৰ শিল্পী গৰাকীৰ বাবে নির্দ্ধাৰণ কৰিছিল।

৬.৬.১ পাপাৰাজ্জী আৰু প্ৰখ্যাত লোকসকল ঃ দুইমুখি যাত্ৰা (Paparazzi and Celebrities: Two Way Traffic)

পাপাৰাজীৰ উপস্থিতি প্ৰতিটো অনুষ্ঠানতে নিৰুৎসাহজনক নহয়, কেতিয়াবা অভ্যাগতসকলক নিজকে গুৰুত্বপূৰ্ণ বুলি অনুভৱ কৰোৱাবলৈ কোনো অনুষ্ঠানৰ তত্বাৱধায়কে, পাপাৰাজ্জী বুলি পৰিচয় দিয়া আলোকচিত্ৰ শিল্পীসকলক আমন্ত্ৰণ কৰিব পাৰে। অসংযুক্ত (free lance) পাপাৰাজ্জীসকলে অসংখ্য আলোচনী আৰু বাতৰিকাকতক নিজৰ চিত্ৰসমূহ বিক্ৰি কৰে আৰু এইসমূহে পদুৱৈসকলৰ বাবে প্ৰকাশ কৰে। সেয়েহে পাপাৰাজ্জীসকলে অনুভৱ কৰে যে তেওঁলোকে প্ৰসিদ্ধ ব্যক্তিসকলক যথেষ্ট দৃশ্যমান কৰি তুলিব পাৰে আৰু ইয়াৰ দ্বাৰা অতি মুক্ত চিত্ৰৰ বাবে পাপাৰাজ্জীয়ে যথেষ্ট ধন আহৰণ কৰে। সংযুক্ত (Staff) পাপাৰাজ্জীসকলে কোনো সংবাদ সংস্থাৰ বাবে কাম কৰে। পাপাৰাজ্জীয়ে নিজৰ চিত্ৰসমূহ অসংখ্য আলোচনী, বাতৰি কাকত, ৱেবচাইট, টেলিভিচন নেটৱর্কলৈ প্ৰেৰণ কৰিব পাৰে।

বহুতো বৃহৎ সংবাদ সংস্থাৰ অধীনত বিভিন্ন প্ৰখ্যাত আলোচনীত প্ৰসিদ্ধ ব্যক্তি সম্পৰ্কীয় ৱেবচাইট আৰু চলচিত্ৰ কলাগৃহ অর্থাৎ ষ্টুডিঅ' সকলোবোৰত থাকে।

উদাহৰণস্বৰূপে টি এম জেদ (TMZ), People Magazine, AOL, CNN আৰু Warner Brothers Studio– এই সকলোবোৰৰ স্বত্বাধিকাৰী হৈছে TIME WARNER MEDIA। যি মাহত তেওঁলোকে অভিনেতা Brad Pitt ৰ সৈতে নির্মাণ কৰা এশ মিলিয়ন ডলাৰৰ চলচিত্র মুক্তি দিয়ে, সেই মাহতে নিজৰ অধীনৰ অন্য সংস্থাৰ দ্বাৰা Brad Pitt ৰ অৱকাশৰ দিনত তোলা বিভিন্ন আলোকচিত্র আৰু ভিডিঅ' ছবি, নিজৰ চলচিত্রৰ বিষয়ে গুৰুত্ব বঢ়াবলৈ প্রকাশ কৰে। বহুতো পাপাৰাজ্জীয়ে প্রসিদ্ধ ব্যক্তিসকলৰ মেনেজাৰ, প্রকাশক অথবা এজেণ্টৰ পৰা তথ্য সংগ্রহ কৰে। সাধাৰণ লোকতকৈ প্রসিদ্ধ লোকসকলে অধিক গুৰুত্ব পাবলৈ উন্মুক্ততা বিচাৰে আৰু সেয়েহে দুইমুখি যাত্রাত তেওঁলোকে পাপাৰাজ্জীক উৎসাহো প্রদান কৰে।

৬.৬.২ পাপাৰাজ্জীৰ ওপৰত আৰোপিত নিষেধাজ্ঞা আৰু আইন (Restrictions on Paparazzi and Law)

বহুতো ৰাষ্ট্র (বিশেষকৈ ইউৰোপীয়) আৰু ৰাজ্যই পাপাৰাজ্জীক অপকাৰী বুলি অভিহিত কৰি আইন প্রণয়ন আৰু নিষিদ্ধকৰণৰ দ্বাৰা পাপাৰাজ্জীৰ ওপৰত সীমাবদ্ধতা আৰোপ কৰিছে। কিছুমান বিশেষ অনুষ্ঠানতহে পাপাৰাজ্জীক চিত্র ল'বলৈ দিয়া হয়। জার্মানী আৰু ফ্রান্সত পাপাৰাজ্জীয়ে চিত্র প্রকাশৰ পূর্বে তাত থকা লোকৰ অনুমতি লোৱাটো নিয়ম। আমেৰিকা যুক্তৰাষ্ট্রত অৱশ্যে ব্যক্তিগত সম্পত্তিত প্রবেশ নকৰাকৈ লোৱা চিত্রৰ বাবে পাপাৰাজ্জীক আইনমতে দোষী সাব্যস্ত কৰিব নোৱাৰি।

ফ্রান্সৰ পেৰিছত 1997 চনত এক পথ দুর্ঘটনাত মৃত্যু হোৱা ৰাজকুমাৰী ডায়েনা আৰু তেওঁৰ সহযোগী ড'ডী ফায়েডৰ বিষয়ে পাপাৰাজ্জীয়ে প্রকাশ কৰা তথ্যৰ বিষয়ে সকলোৱে জানে। যদিও অতি কম সময়ৰ বাবে কিছু পাপাৰাজ্জীক আটক কৰা হৈছিল, দোষাৰোপ কাকো কৰা হোৱা নাছিল। ঘটনা সংক্রান্তত কৰা বিভাগীয় অনুসন্ধানত গাড়ীখনৰ (Mercedes) গতি আৰু চলন প্রক্রিয়া তথা পাছৰ বাহনসমূহৰ গতি আৰু চলন প্রক্রিয়া ইত্যাদি ওলাই পৰে আৰু গাড়ীখনৰ চালকে নিচাসক্ত হৈ কৰা ভুলটো প্রকাশ হয়।

1999 চনত ন্যায়ালয়ে হংকঙৰ বাতৰি কাকত 'The Oriental News Daily' ৰ বিৰুদ্ধে ন্যায়ালয়ক মিছা অপবাদ দিয়াৰ অপৰাধত অভিযুক্ত কৰা হয়। এই অভিযোগ অতি অসাধাৰণ আৰু ইয়াৰ বাতৰি কাকতখনে নিজৰ বাতৰিৰ দ্বাৰা ন্যায়ালয়ৰ বিচাৰৰ প্রতি থকা বিশ্বাসক হ্রাস কৰিবলৈ প্রয়াস কৰা বুলি দোষাৰোপ কৰা হয়। এই অভিযোগ তেতিয়া উত্থাপন হয় যেতিয়া কাকতখনে ন্যায়ালয়ক প্রত্যাহ্বান জনাই অপমানসূচক প্রৱন্ধ প্রকাশ কৰে আৰু এগৰাকী গর্ভৱতী মহিলাৰ ছবি প্রকাশ কৰি এক বিচাৰকার্যৰ পক্ষপাতিত্বৰ বিষয়ে প্রকাশ কৰে। ইয়াৰোপৰি এজন বিচাৰকক পাপাৰাজ্জীয়ে কর্ম

প্রণালীৰ বিষয়ে অৱগত কৰাবলৈ এদল পাপাৰাজ্জীয়ে তেওঁক 72 ঘণ্টা অনুসৰণ কৰিছিল।

2006 চনত ইউ টিউব (You Tube) ত প্রকাশ পোৱা ভিডিঅ' ছবিত ডেনিয়েলা চিকাৰেলীয়ে নিজৰ সংগীৰ সৈতে স্পেইনৰ সমুদ্রতীৰত অসংযত অৱস্থাত থকা দৃশ্যৰ দ্বাৰা যথেষ্ট কলংকিত হ'বলগীয়া হয়। ন্যায়ালয়ৰ বিচাৰ চিকাৰেলীৰ পক্ষে হয় আৰু ব্রাজিলত ইউ টিউব বন্ধ কৰিবলৈ নির্দেশ দিয়া হয়। এই ঘটনাই ব্রাজিলত যথেষ্ট হুলস্থূলৰ সৃষ্টি কৰে। ব্রাজিলিয়ানসকলে চিকাৰেলীক কামৰ পৰা উলিয়াই নিদিয়া পর্যন্ত 'এম টি ভি' নামৰ চেনেলটো নিষিদ্ধ কৰিবলৈ দাবী জনায়। ফলস্বৰূপে ইউ টিউবৰ ওপৰত দিয়া নিষেধাজ্ঞা উঠাই লোৱা হয় আৰু চিকাৰেলীও কর্মৰত হৈ থাকে। ইয়াৰোপৰি ন্যায়ালয়ে মন্তব্য আগবঢ়ায় যে ৰাজহুৱা স্থানত অসংযত হৈ থাকি গোপনীয়তাৰ আশা কৰাটো অনুচিত।

৬.৭ হালধীয়া সাংবাদিকতা (Yellow Journalism)

হালধীয়া সাংবাদিকতাৰ অর্থ হৈছে যুক্তিপূর্ণ ঘটনাৰূপে পৰিচয় দিয়া পক্ষপাতমূলক মন্তব্য। ইয়াৰোপৰি হালধীয়া সাংবাদিকতাৰ সৈতে চাঞ্চল্যতাবাদ, মিছা কাহিনী আৰু ভ্রান্তি স্বৰূপ কিছুমানৰ ব্যৱহাৰ সংযুক্ত হৈ থাকে আৰু এই সকলোবোৰ কাকতৰ বিক্রি বৃদ্ধি আৰু উত্তেজিত ৰাজহুৱা মতামত সৃষ্টি কৰিবলৈ কৰা হয়। 1897 চনত পোনপ্রথমবাৰৰ বাবে তেতিয়াৰ এক প্রচলিত চিত্রকথাৰ বাক্যৰে New York Press এ 'Yellow kid journalism' শব্দৰ ব্যৱহাৰ কৰে। পাছত ইয়াক চমুকৈ 'Yellow journalism' বোলা হয়। New York Press এ দাবী কৰে যে 'সেইসমূহ হালধীয়া হোৱাৰ বাবে আমি হালধীয়া বুলিছো' (We called them Yellow because they are Yellow)

জোচেফ পুলিৎজাৰ আৰু উইলিয়াম ৰান্ডল্ফ হার্চটৰ দ্বাৰা প্রকাশিত ক্রমে 'The New York World' আৰু 'The New York Journal' ৰ দ্বাৰা 19 শতিকাত 'হালধীয়া সাংবাদিকতা' শব্দৰ প্রচলন হয়। বহুতো ইতিহাসবিদে বিশ্বাস কৰে যে, সেই সময়ত বিশ্বৰ সকলো প্রান্তকে প্রভাৱিত কৰা ঔদ্যোগিক বিপ্লৱৰ ফলস্বৰূপে বাতৰি কাকতসমূহ মেছিনৰ (ছপাশালৰ) সহায়ত এৰাতিৰ ভিতৰতে অসংখ্য কপি ছপা কৰিব পৰা হৈছিল। ইয়ে 'হালধীয়া সংবাদিকতা'ৰ মূল উদ্দেশ্য আৰু ইয়ে ইয়াৰ বহুল প্রচাৰক উৎসাহিত কৰিছিল। আনকি প্রকাশকসকলেও নীতিৰ ওপৰত নিজৰ লালসাকহে স্থান দিছিল।

দৰাচলতে পাছলৈ হালধীয়া সাংবাদিকতা ৰূপে জনাজাত হোৱা ব্যৱস্থাৰ জন্ম হৈছিল 1880 ৰ পৰা 1890 ৰ মাজৰ সময়চোৱাত, বিশেষকৈ 1895–96 চনত ঘটা কিছুমান ঘটনাৰ আলমত এই শব্দবিধৰ উৎপত্তি হৈছিল। ইতিহাসবিদৰ মতে 1895 ৰ

পৰা 1898 চনৰ ভিতৰত ইয়াৰ ব্যৱহাৰৰ হাৰ বৃদ্ধি হ'বলৈ ধৰে। আগতে উল্লেখ কৰি অহা বাতৰিকাকত দুখনে যদিও কিছু সত্য সাংবাদিকতা কৰিছিল, তথাপিও নিজৰ প্ৰচাৰ বঢ়াবলৈ বাতৰিক চাঞ্চল্যকৰ কৰা বুলি সমালোচনাৰ পাত্ৰ হ'বলগীয়া হৈছিল। 1895 চনত হোৱা এই ঘটনাৰ সময়তে হার্চটে 'The New York Journal' ৰ স্বত্বাধিকাৰী হৈ পুলিৎজাৰৰ মুখ্য প্ৰতিদ্বন্দ্বী হৈ পৰে। 19শ শতিকাৰ বিখ্যাত কার্টুনিষ্ট ৰবার্ট আউটকল্টৰ 'The Yellow Kid' শীৰ্ষক কার্টুনৰ পৰাই 'Yellow Journalism' শব্দৰ উৎপত্তি হয়। 'The World' ত প্ৰথমবাৰৰ বাবে প্ৰকাশিত এই কার্টুন চিত্ৰক নিজৰ কাকতত সংযোজিত কৰিবৰ বাবে হার্চটে আউটকাল্টক আমন্ত্ৰণ জনায়। ইয়াৰ পাছত পুলিৎজাৰে অন্য এজন কার্টুনিষ্টক নিজৰ কাকতত সেই একেই কার্টুন আঁকিবৰ বাবে নিয়োজিত কৰে। এই কার্টুনত এক বিশেষ ধৰণৰ, নষ্ট নোহোৱা হালধীয়া চিয়াঁহীৰ ব্যৱহাৰ কৰা হৈছিল, আৰু ইয়াৰ গুৰুত্বৰ প্ৰতি লক্ষ্য ৰাখি সমালোচকসকলে 'Yellow journalism' শব্দৰ ব্যৱহাৰ কৰিছিল।

দুৰ্ভাগ্যবশতঃ সেই সময়ত চাঞ্চল্যকৰ বাতৰি প্ৰকাশ কৰা কাকতসমূহে বিক্ৰিৰ ক্ষেত্ৰত সত্যনিষ্ঠ বাতৰি কাকতসমূহক পিছ পেলাইছিল। সেয়েহে সেই সময়চোৱাক সাংবাদিকতাৰ ইতিহাসৰ 'অন্ধকাৰ কাল' (Dark Era) বোলা হয়। ইয়াৰোপৰি হালধীয়া সাংবাদিকতাৰ পূৰ্বৰ সময় আৰু পাছৰ সক্ৰিয় সময়ৰ মাজৰ সীমাৰেখা স্পষ্ট নহয়। কেৱল এই কথাৰ প্ৰমাণ পোৱা গৈছে যে, হালধীয়া সাংবাদিকতাই ৰাইজৰ মাজত বিৰূপ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছিল আৰু 1910 চনৰ পৰা তেনে কাকতৰ প্ৰচাৰ যথেষ্ট হ্ৰাস পাবলৈ ধৰে। কিন্তু ইয়াৰ পাছতো হালধীয়া সাংবাদিকতাৰ প্ৰচলন কেতিয়াও হ্ৰাস নহ'ল।

সাম্প্ৰতিক সময়ত, সঠিক বাতৰিক অৱজ্ঞা কৰি কেৱল কাকতৰ বিক্ৰি বৃদ্ধি কৰিবলৈ আকৰ্ষণীয় মুখ্যাংশত গুৰুত্ব আৰোপ কৰা সাংবাদিকতাকে হালধীয়া সাংবাদিকতা বোলা হয়। এই সাংবাদিকতাত বাতৰিক বিতৰ্কিত ৰূপত প্ৰকাশ কৰা, কলংকিত অধ্যায়সমূহ পোহৰলৈ অনা, চাঞ্চল্যতাবাদ বৃদ্ধি অবৃত্তিগত অথবা অনৈতিক পন্থাৰ দ্বাৰা সংবাদ সংস্থা অথবা সাংবাদিক প্ৰভাৱিত হোৱা ইত্যাদি দেখা যায়। হালধীয়া সংবাদ সংস্থাই নিজৰ কাকতত বহুৰঙী প্ৰথম পৃষ্ঠাত বহুতো বিষয় সংযোজন কৰে, ডাঙৰ হৰফৰ আখৰ, অচিনাকি উৎসক অধিক গুৰুত্ব আৰু স্ব-প্ৰচাৰত ব্ৰতী হোৱা দেখা যায়। সাম্প্ৰতিক সময়ত হালধীয়া সাংবাদিকতাৰ পৰিসৰ যথেষ্ট বৃদ্ধি হৈছে আৰু বিভিন্ন অবৃত্তিগত অথবা অনৈতিকভাৱে পৰিৱেশন কৰা বাতৰিক ইয়াৰ মাজত অন্তৰ্ভুক্ত কৰা হয়।

1941 চনত আমেৰিকাৰ ইতিহাসবিদ আৰু সাংবাদিক ফ্ৰেংক লুথাৰ ম'টে হালধীয়া সাংবাদিকতাৰ সংজ্ঞা দিবলৈ পাঁচবিধ গুণৰ বিষয়ে বৰ্ণনা দিয়ে।

— বেছিভাগ কম গুৰুত্বৰ সংবাদ, কম শব্দ আৰু ডাঙৰ হৰফেৰে প্ৰকাশ
— ছবি আৰু কাল্পনিক চিত্ৰৰ অদৰকাৰী প্ৰয়োগ
— মিছা সাক্ষাৎকাৰ, ভ্ৰান্ত মুখ্যাংশ, অবৈজ্ঞানিক তথ্য, অনভিজ্ঞ বিশেষজ্ঞৰ পৰা

প্ৰাপ্ত ভুল তথ্যৰ প্ৰয়োগ।

— সম্পূৰ্ণ ৰঙীণ দেওবৰীয়া পৰিপূৰিকাৰ ওপৰত অধিক গুৰুত্ব আৰোপ আৰু হাস্যৰসাত্মক বাক্যৰ সংযোজন (এতিয়া আমেৰিকাত প্ৰচলিত)

— নিয়মৰ বিপৰীতে দুৰ্বলতৰ পক্ষৰ প্ৰতি নাটকীয়া সহানুভূতি প্ৰদৰ্শন।

বৰ্তমান হালধীয়া সাংবাদিকতাৰ সফল ৰূপায়ণকাৰী ৰূপে The Sun ৰ দৰে ব্ৰিটিছ আলোচনী আৰু জাৰ্মান আলোচনী 'Bild'ৰ নাম ল'ব পাৰি।

৬.৭.১ বৰ্তমান পৰিস্থিতিত হালধীয়া সাংবাদিকতা (Yellow Journalism Today)

19 শ শতিকাত সৃষ্টি হোৱা 'হালধীয়া সংবাদিকতা' নামৰ ধাৰণাটো বৰ্তমানেও বহু প্ৰকাশন গোষ্ঠীৰ বাবে অসন্মানসূচক। 1897 চনত নিউয়ৰ্কত উইলিয়াম ৰানডল্‌ফ হাৰ্চট আৰু জোচেফ পুলিৎজাৰে প্ৰচলিত কৰা 'নতুন সাংবাদিকতা' (new journalism) ক বুজাবলৈ ব্যৱহৃত 'হালধীয়া সাংবাদিকতা' ক সাম্প্ৰতিক সময়ত সাংবাদিকতাৰ সকলো ত্ৰুটিপূৰ্ণ দিশ বুজাবলৈ প্ৰয়োগ কৰা হয়। ই এক আমেৰিকান ধাৰণা যি আন্তঃৰাষ্ট্ৰীয় প্ৰেক্ষাপটত বিভিন্ন ধৰণে ব্যৱহৃত হৈছে। থাইলেণ্ডত ইয়াৰ প্ৰয়োগ উৎকোচ গ্ৰহণ কৰা সাংবাদিকতাৰ ক্ষেত্ৰত আৰু পাকিস্তানত অপপ্ৰচাৰ কৰা সংস্থাৰ ক্ষেত্ৰত হৈছে। কেনিয়াত হালধীয়া সাংবাদিকতাক বিশৃংখলতা, নৈৰাশ্য আৰু মিছা সৃষ্টিৰ বাবে অভিযুক্ত কৰা হয়। ভাৰতীয় সংবাদ সংস্থা (Press Commission of India) লৈ প্ৰতিবছৰে অহা অভিযোগ সৰহ সংখ্যক হালধীয়া সাংবাদিকতাৰ সৈতে জড়িত হয়।

এক অতি সাৱধানতাৰে কৰা অধ্যয়ন অনুযায়ী 'হালধীয়া সাংবাদিকতা' হৈছে এক কাল্পনিক আৰু বৈশিষ্ট্যপূৰ্ণ সাংবাদিকতাৰ প্ৰকাৰ, যি সহজে বোধগম্য আৰু বিদ্বেষমূলক নহয়। সাম্প্ৰতিক সময়ত হালধীয়া সাংবাদিকতাৰ বৈশিষ্ট্যসমূহ এনে ধৰণৰ—

— সাধাৰণতে কম গুৰুত্বৰ বাতৰি, ডাঙৰ হৰফ আৰু চমু বাক্যৰে প্ৰকাশ

— প্ৰথম পৃষ্ঠাত কেবাশাৰী বা স্তম্ভযুক্ত মুখ্য বাতৰি

— প্ৰথম পৃষ্ঠাত বিভিন্ন ধৰণৰ বিষয়, যেনে স্থানীয় আৰু ৰাষ্ট্ৰীয় ৰাজনীতি, যুদ্ধ, আন্তঃৰাষ্ট্ৰীয় ঘটনা, খেল, সমাজ ইত্যাদিৰ প্ৰকাৰ। লগতে ছবি, চিত্ৰ, মেপ আদিৰ উপযুক্ত প্ৰয়োগ।

— বাতৰিৰ অৱস্থানক লৈ পৰীক্ষা-নিৰীক্ষা চলোৱা। কেতিয়াবা কেৱল এটা প্ৰবন্ধৰে প্ৰথম পৃষ্ঠা ভৰাই পেলোৱা।

— অখ্যাত অথবা সাধাৰণ উৎসৰ ওপৰত বিশ্বাস কৰা, বিশেষকৈ মুখ্য সাংবাদিকসকলৰ প্ৰেৰণ কৰা তথ্য।

— নিজৰ গুণ বখানিবলৈ সজাগ হৈ থকা।

হালধীয়া সাংবাদিকতাৰ বহুতো ত্ৰুটি আছে। ই সাংবাদিকতাৰ ভুলত্ৰুমে স্বীকাৰ কৰিবলৈ অপ্ৰস্তুত। অৱশ্যে আমেৰিকাৰ সাংবাদিকতাত ই এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে। হালধীয়া সংবাদ মাধ্যমে অতি সোনকালে আধুনিক প্ৰযুক্তি, যেনে বহুৰঙী ছপা কৰিব পৰা ছপাশালৰ ওপৰত অধিক গুৰুত্ব প্ৰদান আৰু বিনিয়োগো কৰিলে। এনেদৰেই ৰঙীণ চিত্ৰ সম্বলিত কমিক্‌চৰ উত্তৰণ হয় আৰু এতিয়াও এইসমূহ বহুলভাৱে প্ৰচলিত। মূল সুঁতিৰ আমেৰিকান বাতৰি কাকতৰ দৰে হালধীয়া সংবাদ মাধ্যমে কেতিয়াও আকৰ্ষণীয় নিৰুৎসাহিত আৰু একে গতিতে চলা বুলি সমালোচনা পোৱা নাই। 21 শতিকাৰ প্ৰথম ভাগৰ কাকতসমূহ, এশ বছৰ পুৰণি হালধীয়া সংবাদ মাধ্যমৰ দৰে বাতৰি পৰিৱেশন কৰিছিল।



অগ্ৰগতি নিৰীক্ষণ - খ

1। 'ষ্টীং অপাৰেচন'ৰ অৰ্থ কি?
2। তেহেল্‌কা ডট কম কি?
3। 'পাপাৰাজ্জী' মানে কি?
4। হালধীয়া সাংবাদিকতা কাক বোলে?
5। 'হালধীয়া সাংবাদিকতা' শব্দৰ প্ৰচলন কৰা কাকত দুখনৰ নাম কি?

৬.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টিত আমি গোপনীয়তাৰ অধিকাৰৰ সৈতে পৰিচিত হৈছো। গোপনীয়তা হৈছে অনধিকাৰ প্ৰৱেশৰ পৰা মুক্ত এক অৱস্থা, যি নামৰ গোপনীয়তা অথবা ছদ্মনামৰ প্ৰয়োগৰ সৈতে জড়িত। গোপনীয়তাৰ ইংৰাজী প্ৰতিশব্দ 'privacy'ক প্ৰথমবাৰৰ বাবে আমেৰিকাৰ পণ্ডিত থমাচ্‌ কুলীয়ে ব্যৱহাৰ কৰিছিল। কুলীয়ে গোপনীয়তাৰ সংজ্ঞা এনেদৰে দিছে— 'অকলে থকাৰ অধিকাৰ' আৰু ইয়াৰ উদ্দেশ্য হৈছে ব্যক্তিৰ অলংঘিত ব্যক্তিত্বক সুৰক্ষা প্ৰদান কৰা। তেতিয়াৰ পৰাই বহুতো দেশে প্ৰতিজন ব্যক্তিক অপ্ৰীতিকৰ প্ৰচাৰকাৰ্যৰ পৰা মুক্ত আৰু সুৰক্ষিত কৰি ৰখাৰ বাবে প্ৰয়াস কৰিছে। সংবাদ মাধ্যমে গোপনীয়তাৰ ক্ষেত্ৰত কৰা অনধিকাৰ প্ৰৱেশৰ পৰিস্থিতিসমূহৰ ভিতৰত— কোনো কাহিনী অথবা চিত্ৰ সংগ্ৰহ কৰিবলৈ সাংবাদিকে ব্যক্তিগতভাৱে গোপনীয় অঞ্চলত প্ৰৱেশ কৰাটো অন্যতম। বিশ্বৰ বহুতো দেশৰ আইনে চৰকাৰ, সংগঠন নাইবা কোনো ব্যক্তিৰ দ্বাৰা নাগৰিকসকলৰ গোপনীয়তাত অনধিকাৰ প্ৰৱেশৰ ক্ষেত্ৰত যথেষ্ট ন্যায়িক ব্যৱস্থা গ্ৰহণ কৰিছে। 1940 ৰ দশকৰ শেষভাগৰ পৰা গোপনীয়তাৰ অধিকাৰক আন্তঃৰাষ্ট্ৰীয় আইনসমূহৰো অন্তৰ্ভুক্ত কৰা হয়।

চাঞ্চল্যতাবাদৰ জৰিয়তে কোনো এক অসাধাৰণ বিষয়বস্তুৰে সকলোৰে দৃষ্টি আকর্ষণ কৰাৰ লগতে যথেষ্ট বিতর্কৰো জন্ম দিয়ে। চাঞ্চল্যতাবাদ শব্দটোৰ প্রয়োগ সাধাৰণতে সংবাদ মাধ্যমৰ ক্ষেত্রত কৰা দেখা যায়। ৰাজনৈতিক পক্ষপাতিত্বৰ দ্বাৰা প্রভাৱিত বহুতো সমালোচকে সংবাদ মাধ্যমে নিজৰ সাংবাদিকতাৰ ক্ষেত্রত চাঞ্চল্যতাবাদক প্রশ্রয় দিয়া বুলি আৰোপ কৰে। সংবাদ মাধ্যমে সাধাৰণতে ৰাজহুৱা স্বার্থজনিত বাতৰি পৰিৱেশন কৰাৰ পৰিবর্তে কোনো আকর্ষণীয় ব্যক্তি অথবা ঘটনা সমন্বিত বাতৰিহে প্রকাশ কৰা বুলি এক ধাৰণাই গা কৰি উঠিছে।

আইন বলবৎকৰণৰ সময়ত, কোনো দোষী ব্যক্তিক কৰায়ত্ত কৰিবলৈ কার্যকৰী কৰা এক প্রতাৰণাপূর্ণ অভিযানক 'ষ্টীং অপাৰেচন' বোলা হয়। এনে ধৰণৰ অনুসন্ধান অভিযানত কেতিয়াবা এজন আইন-কার্যকৰীকৰণ বিষয়া অথবা কেতিয়াবা ৰাইজৰ কোনো বিশ্বস্ত ব্যক্তিয়ে, দোষী ব্যক্তিৰ সহযোগী ৰূপে কাম কৰি থাকে নাইবা উপযুক্ত প্রমাণ সংগ্রহৰ বাবে অভিযুক্তৰ সৈতে মিলি থাকে।

'পাপাৰাজ্জী' শব্দৰ অর্থ হৈছে প্রসিদ্ধ ব্যক্তিসকলৰ গোপনে আলোকচিত্র গ্রহণকাৰী। এই শব্দৰ উৎস হৈছে এক ইটালীয়ান শব্দ 'পাপাৰাজ্জো'। পাপাৰাজ্জীৰ উপস্থিতি প্রতিটো অনুষ্ঠানতে নিৰুৎসাহজনক নহয়। কেতিয়াবা অভ্যাগতসকলক নিজকে গুৰুত্বপূর্ণ বুলি অনুভৰ কৰোৱাবলৈ কোনো অনুষ্ঠানৰ তত্ত্বাৱধায়কে, পাপাৰাজ্জীসকলক আমন্ত্রণ কৰিব পাৰে। অসংযুক্ত (free lance) পাপাৰাজ্জীসকলে অসংখ্য আলোচনী আৰু বাতৰিকাকতক নিজৰ চিত্রসমূহ বিক্রি কৰে, যিবোৰ চিত্র পটুৰৈসকলৰ বাবে প্রকাশ কৰা হয়। সেয়েহে পাপাৰাজ্জীসকলে অনুভৰ কৰে যে তেওঁলোকে প্রসিদ্ধ ব্যক্তিসকলক যথেষ্ট দৃশ্যমান কৰি ৰাখে।

হালধীয়া সংবাদিকতাৰ অর্থ হৈছে যুক্তিপূর্ণ ঘটনা ৰূপে পৰিচয় দিয়া পক্ষপাতমূলক মন্তব্য। সাম্প্রতিক সময়ত, সঠিক বাতৰিক অৱজ্ঞা কৰি কেৱল কাকতৰ বিক্রি বৃদ্ধি কৰিবলৈ আকর্ষণীয় মুখ্যাংশত গুৰুত্ব আৰোপ কৰা সাংবাদিকতাকে হালধীয়া সাংবাদিকতা বোলা হয়। এই সাংবাদিকতাৰ বাতৰিক বিতর্কিত ৰূপত প্রকাশ কৰা, কলংকিত অধ্যায়সমূহ পোহৰলৈ অনা, চাঞ্চল্যতাবাদ বৃদ্ধি, অবৃত্তিগত অথবা অনৈতিক পন্থাৰ দ্বাৰা সংবাদ সংস্থা অথবা সাংবাদিক প্রভাৱিত হোৱা দেখা যায়।

৬.৯ অধিক জানিবলৈ

- R.K. Sarkaria : A Guide to Journalistic Ethics
- Raymond Wacks : Privacy and Press Freedom
- Tem Welsh, Walter Greenwood, David Banks : Essential Law for Journalists.

৬.১০ অগ্রগতিৰ খতিয়ান

অগ্রগতি নিৰীক্ষণ - ক

1। গোপনীয়তা হৈছে অনধিকাৰ প্ৰৱেশৰ পৰা মুক্ত এক অৱস্থা, যি নামৰ গোপনীয়তা অথবা ছদ্মনামৰ প্ৰয়োগৰ সৈতে জড়িত। প্ৰতিজন ব্যক্তিৰে গোপনীয়তাৰ অধিকাৰ থাকে, যি তেওঁৰ মৰ্যাদাৰ সৈতে জীয়াই থকাৰ অধিকাৰৰ এক অংশ স্বৰূপ। গোপনীয়তাৰ ইংৰাজী প্ৰতিশব্দ 'Privacy' ক প্ৰথমবাৰৰ বাবে আমেৰিকাৰ পণ্ডিত থমাচ কুলীয়ে ব্যৱহাৰ কৰিছিল। কুলীয়ে গোপনীয়তাৰ সংজ্ঞা এনেদৰে দিছে— "অকলে থকাৰ অধিকাৰ" আৰু ইয়াৰ উদ্দেশ্য হৈছে ব্যক্তিৰ অলঙিঘত ব্যক্তিত্বক সুৰক্ষা প্ৰদান কৰা।

2। ভাৰতীয় সংবিধানৰ 21নং অনুচ্ছেদে গোপনীয়তাৰ অধিকাৰৰ সুৰক্ষা প্ৰদান কৰিছে।

3। 12 নং অনুচ্ছেদ।

4। চাঞ্চল্যতাবাদৰ জৰিয়তে কোনো এক অসাধাৰণ বিষয়বস্তুৰে সকলোৰে দৃষ্টি আকৰ্ষণ কৰাৰ লগতে যথেষ্ট বিতৰ্কৰ সৃষ্টি কৰিব পাৰে। চাঞ্চল্যতাবাদ শব্দটোৰ ব্যৱহাৰ সাধাৰণতে সংবাদ মাধ্যমৰ ক্ষেত্ৰত কৰা দেখা যায়। ইয়াৰ মূল উদ্দেশ্য দৰ্শক আৰু পঢ়ুৱৈৰ সংখ্যা বৃদ্ধি কৰা বুলি ধাৰণা কৰা হয়।

অগ্রগতি নিৰীক্ষণ - খ

1। আইন বলবৎকৰণৰ সময়ত, কোনো দোষী ব্যক্তিক কৰায়ত্ত কৰিবলৈ কাৰ্যকৰী কৰা এক প্ৰতাৰণাপূৰ্ণ অভিযানক 'ষ্টীং অপাৰেচন' বোলা হয়। এনে অনুসন্ধান ব্যৱস্থাৰ ওপৰত বহুতো নৈতিক প্ৰশ্ন উত্থাপন হয়।

2। তেহেল্কা ডট কম হৈছে 2000 চনত আৰম্ভ হোৱা এক সংবাদ ভিত্তিক ৱেবচাইট। সাম্প্ৰতিক সময়ত তেহেল্কাই 'অপাৰেচন ৱেষ্ট এণ্ড' নামৰ সংবাদ মাধ্যমে চলোৱা ভাৰতৰ অতি তাৎপৰ্যপূৰ্ণ ষ্টীং অপাৰেচন চলাইছিল। পাছলৈ সম্পাদক তৰুণ তেজপালৰ দ্বাৰা ভাৰতত এখন 'তেহেল্কা' নামেৰে সাপ্তাহিক আলোচনী প্ৰকাশ পায়।

3। 'পাপাৰাজ্জো' বোলা ইটালীয়ান শব্দৰ পৰা 'পাপাৰাজ্জী' শব্দৰ উৎপত্তি হয়। পাপাৰাজ্জীৰ অর্থ হৈছে গোপনে প্ৰসিদ্ধ ব্যক্তিসকলৰ ছবি তোলা শিল্পী। এওঁলোকৰ বাবে জাকজমক অনুষ্ঠানৰ পৰা গোপনীয় স্থানলৈ সকলো ঠাইয়ে হৈ পৰে কৰ্মক্ষেত্ৰ।

4। হালধীয়া সাংবাদিকতাৰ অর্থ হৈছে যুক্তিপূৰ্ণ ঘটনাৰূপে পৰিচয় দিয়া পক্ষপাতমূলক মন্তব্য। ইয়াত চাঞ্চল্যতাবাদ, বিতৰ্কিত ঘটনা ইত্যাদি জড়িত হৈ থাকে আৰু ইয়াৰ উদ্দেশ্য হৈছে কাকতৰ প্ৰচাৰ বৃদ্ধি আৰু ৰাইজৰ মাজত উত্তেজিত মন্তব্যৰ জন্ম দিয়া।

৬.১১ সম্ভাব্য প্ৰশ্ন

1। সংবাদ মাধ্যমৰ অনধিকাৰ প্ৰৱেশৰ ওপৰত ভিত্তি কৰি গোপনীয়তাৰ ধাৰণা ব্যাখ্যা কৰক। আন্তঃৰাষ্ট্ৰীয় আইনৰ আধাৰত গোপনীয়া সুৰক্ষাৰ বাবে থকা ব্যৱস্থা সমূহৰ বৰ্ণনা দিয়ক।

2। ভাৰতত গোপনীয়তাৰ সুৰক্ষাৰ বাবে থকা ন্যায়িক ব্যৱস্থাসমূহ কি কি?

3। 'চাঞ্চল্যতাবাদ' কি? ইলেক্ট্ৰনিক প্ৰচাৰ মাধ্যমত থকা চাঞ্চল্যতাবাদৰ বিষয়ে এটি চমু টোকা লিখক।

4। 'ষ্টীং অপাৰেচন' কি? ভাৰতৰ ষ্টীং অপাৰেচনৰ প্ৰসংগৰে বৰ্ণনা কৰক।

5। 'পাপাৰাজ্জী'ৰ অৰ্থ কি? পাপাৰাজ্জীসকল প্ৰসিদ্ধ ব্যক্তিসকলৰ বাবে হানিকাৰক হৈয়ো কিয় গুৰুত্বপূৰ্ণ তাক বুজাই দিয়ক।

6। পাপাৰাজ্জীৰ ওপৰত থকা নিষেধাজ্ঞা আৰু আইনসমূহ উদাহৰণৰ সৈতে বুজাই লিখক।